ND24 newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

'দৈনিক অসম' সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৭০০২৩ ১৭০৪০

RN-11989/65 । ৬১ বছৰ । ২৩৯ সংখ্যা, ২৩ চ'ত, মঙলবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 239। GUWAHATI, TUESDAY, APRIL 7, 2026 । পৃষ্ঠা ১২+৮ (Pages 12+8) ৯.০০ টকা (Rs. 9.00)





## দেশৰ মাননীয় গৃহমন্ত্ৰী
# শ্ৰীযুত অমিত শ্বাহ
## ডাঙৰীয়াক পৱিত্ৰ অসমভূমিলৈ স্বাগতম

**৭ এপ্ৰিল ২০২৬, মঙলবাৰ**

পাথাৰকান্দি বিধানসভা সমষ্টি
পুৱা ১১:০০ বজাত

হাইলাকান্দি বিধানসভা সমষ্টি
বিয়লি ১২:০০ বজাত

শিলচৰ বিধানসভা সমষ্টি
বিয়লি ১:০০ বজাত

মাননীয় প্ৰধানমন্ত্ৰী **শ্ৰীযুত নৰেন্দ্ৰ মোদী** ডাঙৰীয়াৰ সু-নেতৃত্ব আৰু মাৰ্গদৰ্শন, লগতে মাননীয় গৃহমন্ত্ৰী **শ্ৰীযুত অমিত শ্বাহ**দেৱৰ সদিচ্ছা আৰু আগ্ৰহে সমগ্ৰ অসমবাসীক উপকৃত কৰিছে। সন্ত্ৰাসবাদৰ সমাপ্তিৰ পৰা সীমা সমস্যা সমাধানলৈকে - অসমত সূচনা হৈছে **স্থায়ী শান্তিৰ বাতাবৰণ।** পূৰ্বৰ হত্যা, হিংসা, বোমা বিস্ফোৰণ, উগ্ৰপন্থী সমস্যাৰে জৰ্জৰিত অসমখন আজি **শান্তি-প্ৰগতিৰ বাটেৰে** আগবাঢ়িছে। ২০১৪ চনৰ তুলনাত অসমত উগ্ৰবাদৰ সৈতে জড়িত ঘটনা **৯৫% তকৈ অধিক হ্ৰাস** পাইছে। **১০ হাজাৰৰো অধিক** উগ্ৰপন্থীয়ে অস্ত্ৰ পৰিহাৰ কৰি মূলসুঁতিলৈ উভতি আহিছে।

**দুৰ্যোগৰ পৰা প্ৰতিটো প্ৰয়োজনৰ সময়লৈকে অসমবাসীৰ কাষত সাহস-উৎসাহৰ ভাষা হৈ থকাৰ বাবে আপোনালোকক ধন্যবাদ**

**পদুম ফুলৰ চিনত ভোট দি বিজেপিক জয়যুক্ত কৰোঁ আহক**

Published by BJP Assam Pradesh
Printed by Anup Barman, Basistha Chariali, Assam, 781029

## চালান অবিহনে শিল-বালি পৰিবহন

দৈনিক অসমৰ প্ৰতিনিধি
**ওৰাং, ৬ এপ্ৰিল ঃ** চালানবিহীনভাৱে শিল-বালি কঢ়িওৱা ১২, ১০ আৰু ৬ চকাৰ চাৰিখন ডাম্পাৰ আৰু দুখন ট্ৰেক্টৰ জব্দ কৰে মাজবাট আঞ্চলিক বন বিভাগে। বন বিভাগে জানিবলৈ দিয়া মতে, মাজবাট আঞ্চলিক বন বিষয়া মিণ্টু বড়োৰ নেতৃত্বত বন সুৰক্ষা বাহিনীয়ে নিয়মিত টহল দি থকা সময়তেই বন বিভাগৰ চকুত ধূলি দি পলাবলৈ চেষ্টা কৰাত পিছে পিছে খেদি গৈ গাড়ীৰ কাগজ-পত্ৰ চেক কৰাত চালকে চালান দেখুৱাবলৈ সমৰ্থ নোহোৱাত শিল-বালিভৰ্তি এ এছ-২৫ ই চি-৪৪৮৪ নম্বৰ, এ এছ-২৭ চি- ৮৩১৯ নম্বৰ, এ এছ-২৭ চি-৬৫২০ নম্বৰ, এ এছ-২৭এ চি-০৫৬৬ নম্বৰৰ চাৰিখন ড্ৰাম্পাৰ, এ এছ-২৭ চি ৮৯৭১ নম্বৰৰ এখন ট্ৰেক্টৰ আৰু আনখন নম্বৰবিহীন ট্ৰেক্টৰসহ মুঠ ৬ খন বাহন চালান নোহোৱা বাবে জব্দ কৰি মাজবাট আঞ্চলিক বন বিভাগৰ কাৰ্যালয়লৈ আনে। বন বিষয়াই অসহায়ভাৱে জানিবলৈ দিয়া মতে বন বিভাগৰ চকুত ধূলি দি অসাধু ব্যৱসায়ীয়ে নিতৌ চালানবিহীনভাৱে শিল-বালি, চোৰাং কাঠৰ লগতে গাঞ্জা মাজবাটৰ বিভিন্ন পথেৰে বহিঃজিলালৈ গৈ আছে আৰু মাজবাট আঞ্চলিক বন বিভাগে সামৰ্থ্যৰ অনুসৰি জব্দও কৰিছে।

### ৰাজ্যজুৰি নিৰাপত্তা, আইন-শৃংখলা পৰিস্থিতিক লৈ সষ্টম প্ৰশাসন

# আৰক্ষী-চি আৰ পি এফৰ ৰোড মাৰ্চ

দৈনিক অসমৰ বাতৰি
**গুৱাহাটী, ৬ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত দুটা দিন থকা অৱস্থাত ৰাজ্যৰ নিৰাপত্তা আৰু আইন-শৃংখলা পৰিস্থিতিক লৈ ৰাজ্য প্ৰশাসন তৎপৰ আৰু সষ্টম হৈ পৰিছে। প্ৰাক্ নিৰ্বাচনী হিংসা আৰু আইন-শৃংখলাজনিত যিকোনো ঘটনা প্ৰতিহত কৰা তথা নিৰাপত্তা ব্যৱস্থাক লৈ ৰাইজক আশ্বস্ত কৰা অভিযানৰ অংশ হিচাপে অসম আৰক্ষীয়ে কেন্দ্ৰীয় অৰ্দ্ধসামৰিক বাহিনীৰ সৈতে যৌথভাৱে ৰাজ্যজুৰি ৰোড মাৰ্চ কৰে। দেশৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশত প্ৰতিখন জিলাৰ আৰক্ষী আৰু জিলা প্ৰশাসনৰ তত্ত্বাৱধানত জিলাসমূহত আজি বিয়লি তিনি বজাৰ পৰা পাঁচ বজালৈ আৰক্ষী আৰু অৰ্দ্ধসামৰিক বাহিনীৰ লোকে এই ৰোড মাৰ্চ কৰে। নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অসমত মোতায়েন কৰা চি আৰ পি এফ, বি এছ এফ, চি আই এছ এফ, আই টি বি পি, এছ এছ বি আদি কেন্দ্ৰীয় অৰ্দ্ধসামৰিক বাহিনীৰ লগতে ১৮খন ৰাজ্যৰ সশস্ত্ৰ আৰক্ষীৰ মুঠ আঠশ কোম্পানীৰ জোৱানক লৈ প্ৰতিখন জিলাত ৰোড মাৰ্চ কৰা হয় বুলি বিধানসভা নিৰ্বাচনৰ নোডেল নিৰাপত্তা বিষয়া তথা অসম আৰক্ষীৰ মহাপৰিদৰ্শক (আইন-শৃংখলা) অখিলেশ কুমাৰ সিঙে জনায়। তেওঁ কয় যে ভয় আৰু শংকামুক্ত পৰিৱেশত যাতে প্ৰতিজন ভোটাৰে ভোটদান কৰিব পাৰে তাক নিশ্চিত কৰাৰ লগতে সুৰক্ষা আৰু নিৰাপত্তা ব্যৱস্থাক লৈ ভোটাৰক আশ্বস্ত কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে 'নিৰ্ভয়ে আমি আগবাঢ়ি আহোঁ, অভিলেখ ভোটদানেৰে অসমৰ সুনাম গঢ়োঁ' শ্ল'গান লিখা বেনাৰ লৈ আজি নিৰাপত্তা বাহিনীয়ে গুৱাহাটী আৰক্ষী আয়ুক্তালয়ৰ অন্তৰ্গত আটাইকেইখন আৰক্ষী জিলাৰ বিভিন্ন স্থানৰ লগতে উজনি-নামনি-মধ্য অসম আৰু বৰাক উপত্যকা সকলোতে ৰোড মাৰ্চ কৰে।আৰক্ষী মহাপৰিদৰ্শক সিঙে কয় যে যোৱা নিৰ্বাচনতকৈ যাতে এইবাৰ ভোটদানৰ হাৰ অধিক বৃদ্ধি হয় তাক নিশ্চিত কৰাৰ অভিযানৰ অংশ হিচাপে নিৰাপত্তাৰ ক্ষেত্ৰত লোৱা ব্যৱস্থা প্ৰদৰ্শন কৰা হৈছে। তেওঁ কয় যে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত অসম আৰক্ষীৰ লগতে কেন্দ্ৰীয় অৰ্দ্ধসামৰিক বাহিনীৰ সশস্ত্ৰ গোটত পহৰাৰ ব্যৱস্থা কৰা হ'ব।

## জাগীৰোড নখোলা গাঁৱৰ যুৱক সন্ধানহীন

দৈনিক অসমৰ প্ৰতিনিধি
**জাগীৰোড, ৬ এপ্ৰিল ঃ** জাগীৰোড থানাৰ অন্তৰ্গত নখোলা গাঁৱৰ মনদীপ ডেকা (২৪) নামৰ এজন যুৱক কালিৰেপৰা সন্ধানহীন হৈ আছে। অৱশ্যে ডেকাৰ স্কুটাৰ আৰু ম'বাইল ফোন আজি পুৱাৰ ভাগত বাঘজাঁপত কপিলী নৈৰ পাৰত নৈপৰীয়া লোকে প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতে পৰিয়ালৰ লোক নৈৰ পাৰত উপস্থিত হৈ স্কুটাৰ, ম'বাইল ফোন চিনাক্ত কৰে। সন্ধানহীন মনদীপ ডেকাই নৈত জাঁপ দিয়া বুলি সন্দেহ কৰি পৰিয়ালে লগে লগে আৰক্ষী প্ৰশাসন আৰু উদ্ধাৰকাৰী দলক খবৰ দিয়ে। আজি পুৱাৰ ভাগত এছ ডি আৰ এফে বহু সময় ধৰি অভিযান চলায়। কেৱল বাঘজাঁপতে নহয় কপিলী নৈৰ বুকুত কেইবাকিলোমিটাৰ আগুৱাই গৈ অভিযান চলায় যদিও এই অভিযান ব্যৰ্থ হয়। দেওবাৰে পুৱাৰ ভাগতে ওলাই যোৱা মনদীপ এটা ব্যক্তিগত প্ৰতিষ্ঠানত নিয়োজিত আছিল। আনদিনাৰ দৰে দেওবাৰেও মনদীপ কামলৈ ওলাই গৈছিল। দুপৰীয়া মনদীপে ঘৰলৈ ভাত খাবলৈ নহাৰ বাবে পৰিয়ালে ফোনো কৰিছিল। অৱশ্যে মনদীপৰ ফোন বন্ধ হৈ থকাত যোগাযোগ কৰাত ব্যৰ্থ হৈছিল। পাছত মনদীপৰ স্কুটাৰ আৰু ম'বাইল ফোন নৈৰ পাৰত উদ্ধাৰ হোৱা ঘটনাই পৰিয়ালৰ লোকক চিন্তাত পেলাইছে।

### হৰেকৃষ্ণ ডেকাক 'গুপ্তহত্যাৰ নায়ক' আখ্যা ডঃ শৰ্মাৰ

# মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ প্ৰাক্তন ডিজিপিৰ

দৈনিক অসমৰ বাতৰি
**গুৱাহাটী, ৬ এপ্ৰিল ঃ** মধ্য গুৱাহাটী সমষ্টিৰ বিজেপিৰ প্ৰতিদ্বন্দ্বী হিচাপে থিয় দিয়া অজাপৰ যুৱ প্ৰাৰ্থী কুংকি চৌধুৰীৰ সমৰ্থনত সামাজিক মাধ্যমত প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান, সাহিত্যিক হৰেকৃষ্ণ ডেকাই কৰা মন্তব্যৰ পাছত তেওঁৰ বিৰুদ্ধে আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা সৰৱ হৈ উঠে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰাক্তন ডি জি পি ডেকাক অসমৰ গুপ্তহত্যাৰ নায়ক বুলি অভিহিত কৰে আৰু কয় যে অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান শ্ৰীবাস্তৱৰ (জি এম শ্ৰীবাস্তৱ) নামহে বেছিকৈ চৰ্চালৈ আহিল। হৰেকৃষ্ণ ডেকাই কুংকি চৌধুৰীক সমৰ্থন কৰাৰ প্ৰসংগত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, 'হৰেকৃষ্ণ ডেকা অসমৰ গুপ্তহত্যাৰ নায়ক আছিল। অসমত যেতিয়া গুপ্তহত্যা চলিছিল, হৰেকৃষ্ণ ডেকা ডি জি পি আছিল। শ্ৰীবাস্তৱ এ ডি জি পিহে আছিল। কিন্তু কেমোফ্লেজ কৰি শ্ৰীবাস্তৱৰ নামটো বেছিকৈ ওলাল। হৰেকৃষ্ণ ডেকাৰ নাম নোলাল।' এই প্ৰসংগতে তেওঁ কয় যে এওঁলোকৰ ল'ৰা-ছোৱালী বিদেশত থাকে। গতিকে ইয়াত কি হৈছে তাক লৈ তেওঁলোকৰ কোনো চিন্তা নাই।

আনহাতে, মুখ্যমন্ত্ৰীৰ এই মন্তব্য অসত্য আৰু তথ্যভিত্তিক নহয় বুলি প্ৰতিক্ৰিয়া ব্যক্ত কৰি উক্ত অভিযোগক অস্বীকাৰ কৰিছে প্ৰাক্তন ডি জি পি হৰেকৃষ্ণ ডেকাই। সামাজিক মাধ্যমযোগে দিয়া এটা বক্তব্যত ডেকাই কয় যে গুপ্তহত্যাৰ সম্পূৰ্ণ সময়ছোৱাত তেওঁ ডেপুটেচনত ভাৰতীয় ৰে'লত আছিল। গোটেই সময়ছোৱা তেওঁ মালিগাঁৱত নিয়োজিত হৈ আছিল। তেওঁ কয়— 'মহন্ত চৰকাৰৰ শেষৰ কাৰ্যকালৰ শেষৰ তিনিমাহমান মই ডিজিপি হৈ আছিলোঁ। নিৰ্বাচনৰ পাছত তৰুণ গগৈ চৰকাৰে পুনৰ মোক ৰাখিছিল। গুপ্তহত্যাৰ সময়ছোৱাত পি ভি সুমন্ত অসমৰ ডিজিপি আছিল। তেওঁক লৈ মোৰ ক'ব লগা একো নাই। মোৰ সময়ত দুটা ঘটনা হৈছিল। তাৰে এটা গুৱাহাটীত হৈছিল। তেতিয়া জি পি সিং গুৱাহাটীৰ এছ পি আছিল। মই সোধাত তেওঁ কৈছিল এইটো গুপ্তহত্যা নহয়, ছালফাই কৰা ঘটনা।' কুংকিক সমৰ্থন কৰা বাবেই মুখ্যমন্ত্ৰীয়ে তেওঁৰ বিৰুদ্ধে এই মন্তব্য কৰিছে বুলি উল্লেখ কৰি ডেকাই কয় যে মুখ্যমন্ত্ৰীয়ে এনে মিছা তথ্যৰে কথা ক'ব নালাগে। ইতিহাস সাক্ষী আছে, তথ্য সাক্ষী আছে। গুপ্তহত্যাৰ তদন্তৰ বাবে হোৱা দুখনকৈ আয়োগে তেওঁক মতা নাছিল। এই বিষয়ক লৈ প্ৰকাশিত প্ৰতিবেদনতো তেওঁৰ কথা ক'তো উল্লেখ নাই।

## ড্ৰাই ডে' ঘোষণা

দৈনিক অসমৰ প্ৰতিনিধি
**বৰপেটা, ৬ এপ্ৰিল ঃ** সমাগত অসম বিধানসভাৰ নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ পিছৰ পৰাই বৰপেটা আবকাৰী বিভাগে জিলাখনত অবৈধভাৱে বিক্ৰী কৰা সুৰা আৰু চুলাই মদৰ বিৰুদ্ধে অভিযান চলাই চুলাই মদ প্ৰস্তুত কৰা সামগ্ৰীসমূহ জব্দ কৰে। বৰপেটাৰ আবকাৰী অধীক্ষক বৰিছ বৰকাকতি আৰু আবকাৰী পৰিদৰ্শক বিজয় কুমাৰ গোস্বামীৰ নেতৃত্বত চলা এই অভিযানত ১,৮১২ লিটাৰ সুৰা আৰু চুলাই মদ উৎপাদন কৰা সামগ্ৰী নষ্ট কৰে। এই সন্দৰ্ভত বিগত বিশ দিনত মুঠ ১০৬টা গোচৰ ৰুজু কৰাৰ লগতে ৩জন লোকক আটক কৰা হয় আৰু এখন বাহন জব্দ কৰা হৈছে। জানিব পৰা মতে, আবকাৰী বিভাগে জব্দ কৰা সামগ্ৰীৰ মুঠ মূল্য প্ৰায় ৩৯,৪০,৮৬০ টকা হ'ব।

**LOST**

মই Julie Boro, W/o Bichitra Boro ৰ নামত Dag No. 2565 (239 Old), Patta No. 651 (123) জমিৰ মূল বিক্ৰী দলিল (No. 2578/84) বেলতলাত হেৰাইছে। কোনোবাই পালে 7002256809 নম্বৰত যোগাযোগ কৰক।
DA/Lost/741/1

**LOST**

I Momi Deori, mother of Kaavya Gogoi have lost my child's Birth Certificate (D.O.B. 11/12/2011) and Sukanya Samriddhi Account Passbook (Account No- 2426204154).
Contact - 8011726585
DA/Lost/740/1

**LAND & PROPERTY**

মঙলদৈৰ Repose Factoryৰ ওচৰত ২ কঠা ম্যাদী মাটি বিক্ৰী কৰা হ'ব। যোগাযোগ কৰক- **60033-21547**
DA/L&P/617/1

## শব্দৰ ধেমালি ঃ ১৮৭

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | | ২ | ৩ | ■ | ■ | ৪ | ৫ | | ৬ |
| | ■ | ৭ | | ৮ | ৯ | | | ■ | |
| ১০ | ১১ | ■ | ১২ | | | | ■ | ১৩ | |
| ১৪ | | ১৫ | ■ | ১৬ | | ■ | ১৭ | | |
| ■ | ১৮ | | ১৯ | ■ | ■ | ২০ | | | ■ |
| ■ | ২১ | | | ■ | ■ | ২২ | | | ■ |
| ২৩ | | | ■ | ২৪ | ২৫ | ■ | ২৬ | | ২৭ |
| ২৮ | | ■ | ২৯ | | | ৩০ | ■ | ৩১ | |
| | ■ | ৩২ | | | | | ৩৩ | ■ | |
| ৩৪ | | | | ■ | ■ | ৩৫ | | | |

**পথালিকৈ**

১। হিন্দু জ্যোতিষ মতে চান্দ্ৰ আৰু সৌৰ গণনাৰ মিল, আঢ়ৈ বছৰৰ অন্তত বঢ়াই লোৱা মাহ (৪)
৪। ঘূৰঘূৰী যন্ত্ৰ (৪)
৭। লৰি থকা, ঢিলা, সোলোক-ঢোলোক (৩-৩)
১০। সুৰা, মদিৰা (২)
১২। সৰোজ, পদুম ফুল (৪)
১৩। দময়ন্তীৰ পতি, এবিধ ঘাঁহ (২)
১৪। পুত্ৰ-সন্তান, নন্দন (৩)
১৬। সেইটোক (২)
১৭। কন্দৰ্প, কামদেৱ (৩)
১৮। জন্ম (৩)
২০। মানুহ আদি উঠি ফুৰাত ব্যৱহাৰ কৰা বস্তু বা যান (৩)
২১। শকত-ডাঙৰ, গা-গাৰি মঙহাল (৩)
২২। পৰ্ব, উৎসৱ (৩)
২৩। চলচলীয়া, ক্ৰন্দনৰত (৩)
২৪। ডাঙৰ, মাহীৰ স্বামী (২)
২৬। সহায়, সাহায্য (৩)
২৮। মাখন, লৱণু (২)
২৯। শ্ৰীকৃষ্ণৰ ককায়েক (৪)
৩১। — — নাৰায়ণ প্ৰসন্ন হুয়োক হৰি... (২)
৩২। সাপৰ বিষ নষ্ট কৰা বুলি খ্যাত এবিধ সৰু শিল (৬)
৩৪। পদাৰ্থৰ গঠন, ধৰ্ম, প্ৰস্তুতি, ক্ৰিয়া আদিৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰা বিজ্ঞানৰ শাখা এটা (৪)
৩৫। এটা অসমীয়া উপাধি (৪)

**থিয়কৈ**

১। কোনো বিষয়ত দিয়া অভিমত, মত আৰু অমত (৪)
২। বস্তু, সামগ্ৰী (২)
৩। ৰসযুক্ত, জোল থকা (৩)
৪। ধাৰ, ঋণ (৩)
৫। চোবোৱা তামোলৰ ৰঙা ৰস (২)
৬। অনেক লনা হোৱা, লমালম (৪)
৮। অসমীয়া মানুহৰ এটা উপাধি (৩)
৯। শিল, কাঠ বা ধাতুৰে নিৰ্মাণ কৰা ফলি (৩)
১১। দুৰ্গা দেৱী (৬)
১৩। অপাৰ, অপৰিমিত, যিমান লাগে সিমান (৬)
১৫। জনশক্তি, মানৱ শক্তি (৪)
১৭। ইছলামিক কেলেণ্ডাৰ অনুসৰি প্ৰথম মাহ (৪)
১৯। ডাঙৰ, বৃহৎ (২)
২০। পিতা, বোপাই (২)
২৩। খঙেৰে নিজক বা আনক দোষ দি কৰা বেজাৰ (৪)
২৪। আমৰ ফুলৰ (৩)
২৫। ধৰ্ম বিৰুদ্ধ বা অবৈধ কাৰ্য (৩)
২৭। অন্ধকাৰ বিনাশী, জুই, সূৰ্য (৪)

**শব্দৰ ধেমালি ঃ ১৮৬ৰ উত্তৰ**

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| | ক | | | | আ | লি | য় | ন | |
| আ | বৈ | চা | উ | ল | | | | বী | থি |
| ৰ্য | | ৰ | | ফা | প | ৰী | ধা | ন | |
| ভ | | মি | হি | | ৰা | তি | | চ | |
| ট্ট | | না | ম | | | | ই | ন্দ্ৰ | |
| | মা | ৰ | | | | বো | জা | | হ |
| | মৈ | | বা | ৰ | | ল | ৰ | | ৰ |
| | তা | জ | ম | হ | ল | | দা | | ক |
| ৰা | মো | | | | না | হ | ৰ | ফু | লা |
| | ল | ং | ঘ | ন | | | | টি | |

ঐশানুব্ৰত

## আজিৰ ৰাশিফল

**২৩ চ'ত, মঙলবাৰ, ৭ এপ্ৰিল**

**মেষ**- কাৰ্য লাভ। ব্যৱসায়, বিবাহ আদি শুভকৰ্ম পৰিচালনা কৰা ব্যৱসায়ীসকলে আৰ্থিক দিশত যথেষ্ট উন্নতি লাভ কৰিবলৈ সক্ষম হ'ব। শত্ৰুভয়ৰ কাৰক। স্বাস্থ্যৰ প্ৰতি আৰু ভাবধাৰাৰ প্ৰতি সচেতন হোৱাটো অতি আৱশ্যক। বিবাহ সম্বন্ধীয় ক্ষেত্ৰত শুভ আৰু বৈবাহিক জীৱনৰ ক্ষেত্ৰত শুভাশুভ মধ্যম।

**বৃষ**- উদ্বিগ্নতাৰ কাৰক। চক্ষু পীড়াই আমনি কৰিব পাৰে। ধনলাভ। বয়সস্থ জাতক-জাতিকাই বিবাহত মন মেলিব পাৰে। ধন আগমনৰ যোগ।

**মিথুন**-সম্পদ লাভৰ যোগ। শৰীৰৰ দুৰ্বলতাৰ যোগ। শুভ সংবাদ প্ৰাপ্তি। গৃহ অশান্তি, মাতৃ পীড়া, ব্যৱসায়ৰ দিশত অনুকূল পৰিৱেশ, সমস্যাই ভাৰাক্ৰান্ত কৰিব পাৰে। পাৰিবাৰিক সম্বন্ধ মধুৰ হ'ব। মাটি, সম্পত্তিৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'ব পাৰে। সম্পত্তি কিনাৰ ক্ষেত্ৰত সাৱধান হোৱাটো উচিত।

**কৰ্কট**-উদৰ পীড়া। ৰক্তচাপত কষ্ট। সন্তান-পীড়া। বিবাহত বাধা। প্ৰেমাস্পদৰ মাজত ভুল বুজাবুজিৰ বাবে বিবাহ ভংগৰ যোগ। প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ হ'ব। স্বাস্থ্যৰ ক্ষেত্ৰত শুভ নহয়, নকাৰাত্মক প্ৰভাৱ পৰিব।

**সিংহ**-চক্ষু পীড়া। মানসিক চাপ বৃদ্ধি কৰিব পাৰে। ধন অপচয় আদি অশুভ প্ৰভাৱে মানসিক অসুস্থতাত ভোগাব। স্বামী-স্ত্ৰীৰ মাজত সাধাৰণতে ভুল বুজাবুজিজনিত কাৰণত মনোমালিন্যতাৰ আশংকা। আয়, উপাৰ্জন বৃদ্ধি আক ঐশ্বৰ্য-সম্পদ লাভৰ যোগ।

**কন্যা**- কৰ্মোন্নতি। চক্ষুপীড়াত কষ্ট। কৰ্ম তৎপৰতা বৃদ্ধি, শত্ৰুতা, ব্যৱসায়তো শত্ৰুৰ দ্বাৰা ধন অপহৰণ, কৰ্মনাশ। খোৱা-বোৱা সঠিক নোহোৱাৰ ফলত গেছ, বদহজমী আদিৰ সমস্যাই দেখা দিব পাৰে। শিক্ষাৰ ক্ষেত্ৰত শুভফল লাভ হ'ব। বুদ্ধি আৰু কৌশলৰ বলত সমাজত প্ৰতিষ্ঠিত হ'ব পাৰে।

**তুলা**-সম্পদ লাভ। কৰ্মক্ষেত্ৰত বাধা। অৰ্থ ক্ষতি, সন্মানহানি, বন্ধুবিচ্ছেদ, বিবাদত লিপ্ত হোৱা আদিৰ যোগ। বিবাহ বিলম্ব আদিৰ লগতে পাৰিবাৰিক অশান্তি।

**কুম্ভ**-সম্পত্তি লাভৰ যোগ। ট্ৰেভেলিং আদিৰ লগত জড়িত শিক্ষা গ্ৰহণ কৰা বিদ্যাৰ্থীসকলে মোটামুটি শুভফল লাভ কৰিব।

**বৃশ্চিক**- নানা বাধা। শিক্ষাত সফলতা। কামনা-বাসনা পূৰ্ণ হোৱাৰ যোগ। প্ৰিয়জনৰ আগমন। ব্যৱসায়, বিবাহ আদি শুভ কৰ্ম পৰিচালনা কৰা ব্যৱসায়ীসকলে আৰ্থিক দিশত উন্নতি লাভ। শত্ৰু ভয়। স্বাস্থ্যৰ প্ৰতি সচেতন হোৱাটোআৱশ্যক।

**ধনু**- সুখ লাভ। প্ৰিয়জনৰ আগমন। ব্যৱসায়, বিবাহ আদি শুভকৰ্ম পৰিচালনা কৰা ব্যৱসায়ীসকলে আৰ্থিক দিশত যথেষ্ট উন্নতি লাভ কৰিবলৈ সক্ষম হ'ব। স্বাস্থ্যৰ প্ৰতি সচেতন হোৱাটো অতি আৱশ্যক। বিবাহ সম্বন্ধীয় ক্ষেত্ৰত শুভ আৰু বৈবাহিক জীৱনৰ ক্ষেত্ৰত শুভাশুভ মধ্যম ফল প্ৰাপ্তি হ'ব।

**মকৰ**- বিক্ৰয়ত শুভ। বন্ধু বিচ্ছেদ। নাচ-গান, খেলা-ধূলা, কবিতা, গল্প লিখন আদিৰ জৰিয়তে সন্মান কঢ়িয়াবলৈ সক্ষম হ'ব। প্ৰেম-প্ৰণয়ত বাধা, ভুল বুজাবুজি, অৰ্থ ব্যয়, মানসিক অশান্তি আৰু সন্মানহানি আদিৰ সম্ভাৱনা দেখা যায়। ধনক্ষতি। গৃহস্থ জীৱনৰ ক্ষেত্ৰত শুভফল প্ৰাপ্তি হ'ব।


**মীন**- শুভ সংবাদ। শাৰীৰিক অসুস্থতা, মাতৃপীড়া, বন্ধু আৰু আত্মীয়জনৰ বিশেষ ক্ষতিয়ে প্ৰবল চাপৰ সৃষ্টি কৰিব। অসৎ সংগৰ প্ৰৰোচনাত চাৰিত্ৰিক স্খলন ঘটিব পাৰে। শিক্ষাৰ্থীৰ বাবে পঢ়া-শুনাত বিশেষ শুভ হোৱাৰ যোগ। অংক শাস্ত্ৰ আৰু কাৰিকৰী শিক্ষাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ শুভ।

## বিজ্ঞাপন সেৱা

'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন
(**Classified Advertisement**)
প্ৰকাশৰ বাবে নিম্নোক্ত অনুমোদিত সংস্থাৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—
**97060 21101**
**98642 63627**
**0361-3244633** (কাৰ্যালয়)


## মৃত্যু আৰু শোক

### ডঃ নৱ কুমাৰ তালুকদাৰ



দৈনিক অসমৰ প্ৰতিনিধি
**বৰপেটা, ৬ এপ্ৰিল ঃ** বৰপেটা চহৰৰ মেটুৱাকুছি নিৱাসী, বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, অসম বিজ্ঞান সমিতিৰ বৰপেটা শাখাৰ সভাপতি, বৰপেটা গ্ৰন্থ আৰু বিজ্ঞান মেলাৰ কৰ্মকৰ্তা ডঃ নৱ কুমাৰ তালুকদাৰৰ পৰহি দেহাৱসান ঘটে। ডঃ নৱ কুমাৰ তালুকদাৰৰ আকস্মিক দেহাৱসানে অসমৰ শৈক্ষিক আৰু বিজ্ঞান ক্ষেত্ৰৰ লগত জড়িতসকলৰ লগতে বৰপেটা চহৰতো শোকৰ ছাঁ পেলাইছে। মহাবিদ্যালয়ৰ বিভিন্ন সমিতিৰ সদস্য হিচাপে নিষ্ঠাৰে সেৱা আগবঢ়োৱা তালুকদাৰে ২০২০ চনৰপৰা ২০২২ চনলৈ মাধৱ চৌধুৰী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। বিজ্ঞান জনপ্ৰিয়কৰণ কাৰ্যসূচী আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে সজাগতা অভিযানৰ আয়োজন কৰি সমাজত বৈজ্ঞানিক মানসিকতা প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা তালুকদাৰ এগৰাকী প্ৰকৃতিপ্ৰেমী পৰিৱেশ সংৰক্ষণ আৰু বহনক্ষম জীৱন-যাপনত তেওঁ গুৰুত্ব দিছিল। মৃত্যুৰ সময়ত পত্নী, পুত্ৰ, কন্যা আৰু জোঁৱাইৰ লগতে বহুসংখ্যক আত্মীয়, সহকৰ্মী, ছাত্ৰ, গুণমুগ্ধক এৰি যায়।

### ধীৰেন পাটোৱাৰী



দৈনিক অসমৰ প্ৰতিনিধি
**বৰভাগ, ৬ এপ্ৰিল ঃ** নলবাৰী জিলাৰ কৰিয়া গাঁৱৰ হৰিভকত ধীৰেন পাটোৱাৰীৰ কালি পুৱা নিজ গৃহতে মৃত্যু ঘটে। ৮২বছৰীয়া পাটোৱাৰীয়ে ৬ মাহ ধৰি উচ্চ ৰক্তচাপ আৰু বহুমূত্ৰ ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ আগলৈকে কৰিয়া বাৰনগৰীয়া সেৱা সমিতি, কৰিয়া-বিজুলীঘাট প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, বিজুলীঘাট মজলীয়া বিদ্যালয় আদি অনুষ্ঠানৰ লগত জড়িত আছিল। বিজেপিৰ এইগৰাকী জ্যেষ্ঠ কৰ্মীয়ে মৃত্যুৰ সময়ত পত্নী, দুগৰাকী পুত্ৰ, এগৰাকী জীয়ৰী, তিনি ভাতৃ, ভতিজা আৰু অনেক গুণমুগ্ধক এৰি যায়। তেওঁৰ মৃত্যুত কৰিয়া যুৱক সংঘ, কৰিয়া দুৰ্গা পূজা সমিতি, পশ্চিম বৰভাগ জ্যেষ্ঠ নাগৰিক সন্থা, স্থানীয় ছাত্ৰ সন্থা, গ্ৰামীণ বিকাশ সংস্থাৰ মুখ্য সচিব ৰঞ্জিৎ দাস, বিজেপিৰ কৰিয়া বুথ সমিতি, নাৰায়ণ ডেকা আদিয়ে শোক প্ৰকাশ কৰে।

### ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ স্থগিতাদেশ

# বন সুৰক্ষা বাহিনীৰ ১,৬০০ জোৱানক নিৰ্বাচনৰ দায়িত্বত নিয়োজিত কৰাৰ আদেশ

### প্ৰত্যাহাৰৰ আৰ্জি ৰাজ্য চৰকাৰৰ, আজি শুনানি

দৈনিক অসমৰ বাতৰি
**গুৱাহাটী, ৬ এপ্ৰিল ঃ** অসম বন সুৰক্ষা বাহিনীৰ ১,৬০০ জোৱানক নিৰ্বাচনৰ দায়িত্বত নিয়োজিত কৰাৰ আদেশত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে আৰোপ কৰা স্থগিতাদেশ প্ৰত্যাহাৰৰ বাবে ৰাজ্য চৰকাৰে আবেদন দাখিল কৰিছে। ৰাজ্য চৰকাৰৰ এই আদেশক প্ৰত্যাহ্বান জনাই গৌৰৱ বানছাল নামৰ এজন অধিবক্তাই দাখিল কৰা এখন আবেদনৰ ভিত্তিত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ পূৰ্বাঞ্চল পীঠে যোৱা ২ এপ্ৰিলত এই স্থগিতাদেশ জাৰি কৰিছিল। ন্যায়িক সদস্য অৰুণ কুমাৰ ত্যাগী আৰু বিশেষজ্ঞ সদস্য ঈশ্বৰ সিঙৰ বিচাৰপীঠে এই আদেশৰ লগতে ৰাজ্যৰ মুখ্য সচিব আৰু পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিবকে ধৰি পদকীয়া পক্ষসমূহলৈ বিবদমান আদেশটোৰ সন্দৰ্ভত উত্তৰ দিবলৈ জাননী জাৰি কৰিছিল। সেই মৰ্মে আজি আবেদনখনৰ শুনানিত ৰাজ্য চৰকাৰৰ হৈ অতিৰিক্ত মহাধিবক্তাই বিচাৰপীঠক চৰকাৰৰ স্থিতিৰ বিষয়ে অৱগত কৰে। আনহাতে, পৰিৱেশ আৰু বন বিভাগৰ অধিবক্তাই বিভাগৰ স্থিতি জনাবলৈ সময় লয়। বিচাৰপীঠত আজি ৰাজ্য চৰকাৰ আৰু গোচৰীয়া পক্ষৰ যুক্তি-তৰ্ক আধৰুৱা হৈ ৰয়। কাইলৈ আবেদনখনৰ পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব। উল্লেখ্য যে অসমৰ বন আৰু পৰিৱেশ বিভাগে যোৱা ১৯ মাৰ্চত জাৰি কৰা এক আদেশযোগে বন সুৰক্ষা বাহিনীৰ ১,৬০০ জোৱানক ৰাজ্যখনৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অসম আৰক্ষীক সহায় কৰিবলৈ নিৰ্দেশ দিছিল। এই নিৰ্দেশনা অনুসাৰে, জোৱানসকলক ৩ এপ্ৰিলৰ ভিতৰত অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধানৰ ওচৰত উপস্থিত হৈ দায়িত্ব চমজি ল'বলৈ আৰু নিৰ্বাচনী কৰ্তব্য সম্পাদনৰ পাছত ১০ এপ্ৰিলৰ ভিতৰত নিজ কৰ্তব্যস্থলীলৈ ঘূৰি যোৱাৰ আদেশ দিয়া হৈছিল।ৰাজ্য চৰকাৰৰ এই আদেশ বন আৰু বন্যপ্ৰাণী সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কীয় প্ৰচলিত বিধি আৰু উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপন্থী বুলি অভিহিত কৰি দেশৰ কমেও ৪০ গৰাকী প্ৰাক্তন প্ৰশাসনীয় আৰু বন বিষয়াৰ লগতে বন্যপ্ৰাণী বিশেষজ্ঞই ইয়াক প্ৰত্যাহাৰৰ আহ্বান জনাই ৰাজ্য চৰকাৰলৈ যোৱা ৩০ মাৰ্চত এখন মুকলি পত্ৰ প্ৰেৰণ কৰিছিল। এই পত্ৰৰ পাছত অধিবক্তা বানছালে উক্ত আদেশ খাৰিজৰ আৰ্জিৰে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ কাষ চাপে। ২ এপ্ৰিলত আবেদনখনৰ প্ৰাৰম্ভিক শুনানিৰ সময়ত বিচাৰপীঠে আবেদনকাৰীয়ে উত্থাপন কৰা বিষয়সমূহ আপাতত গ্ৰহণযোগ্য বুলি বিবেচনা কৰি ৰাজ্য চৰকাৰৰ ১৯ মাৰ্চৰ আদেশত স্থগিতাদেশ জাৰি কৰিছিল।


## মঙলদৈৰ জিকিৰ শিল্পী আক্কাছ আলীৰ মৃত্যু



দৈনিক অসমৰ বাতৰি
**দৰং, ৬ এপ্ৰিল ঃ** জিকিৰ শিল্পী তথা বাতৰি কাকত বিতৰক আক্কাছ আলীৰ মৃত্যুত আজি মঙলদৈত শোকৰ ছাঁ পৰিছে। গুৱাহাটী অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত জিকিৰ শিল্পী আক্কাছ আলী দৰং জিলা কংগ্ৰেছৰ এগৰাকী সক্ৰিয় কৰ্মী হিচাপেও পৰিচিত আছিল। পুৱাতে বাতৰি কাকত পঢ়ুৱৈৰ হাতত তুলি দিয়া আক্কাছ আছিল দৰং জিলা গৰীয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ মঙলদৈ সদৰ আঞ্চলিক সমিতিৰ প্ৰাক্তন বিষয়ববীয়া। মঙলদৈ সমষ্টিৰ অন্তৰ্গত হলৌচৌকা গৰীয়াপাৰাত জন্মগ্ৰহণ কৰা আলীৰ আজি দিনৰ ১ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাতে পৰলোকপ্ৰাপ্তি হয়। আলীৰ মৃত্যুত মঙলদৈ প্ৰেছ ক্লাব, মঙলদৈ মিডিয়া চাৰ্কোল, বাৰ্তাজীৱী সংঘৰ দৰং জিলা সমিতিৰ লগতে আপকুৰে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ সহধৰ্মিণীৰ লগতে দুই কন্যা, এজন পুত্ৰসহ গুণমুগ্ধক এৰি যায়।

## স্মৃতি তৰ্পণ


### নন্দিতা দত্ত



হৃদয়ত এসাগৰ বেদনা লৈ আইৰ সোঁৱৰণত দুআষাৰ অশ্ৰুঅঞ্জলি যাচিব বিচাৰিছোঁ। পৰম আৰাধ্যা মা নন্দিতা দত্তই আমাক শোকসাগৰত পেলাই মাৰ্চৰ ২৬ তাৰিখে ৮১টা বসন্ত গৰকি সৰগৰ ঠিকনা ল'লে। দেউতা শিলচৰৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ বিষয়া হিচাপে সদাব্যস্ত হৈ থকাত আমাক মায়েই সৰুৰেপৰা শিক্ষা-দীক্ষাৰ লগতে মানুহ গঢ়াৰ কমাৰশালত ঘঁহি-পিহি আজিৰ পৰ্যায়ত প্ৰতিষ্ঠিত কৰোৱালে। মা আছিল অত্যন্ত নীতিনিষ্ঠ, সময়ানুৱৰ্তী, নিয়মানুৱৰ্তী আৰু পৰিপাটি। আমাৰ পৰিয়ালটোৰ সুখ-সমৃদ্ধি, উৎসাহ-অনুপ্ৰেৰণাৰ সোপান মায়ে সততে শিকাইছিল সত্য আৰু ন্যায়ৰ পক্ষত থাকি আৰ্তজনৰ সেৱাত আত্মনিয়োগ কৰি আগবাঢ়ি যাবলৈ। মা আছিল অত্যন্ত প্ৰগতিশীল চিন্তা-চৰ্চাৰ প্ৰতিভূ আৰু বিদ্বোৎসাহী মহিলা। আমি শিলচৰত ডাঙৰ-দীঘল হোৱা বাংলাভাষী পৰিয়াল যদিও মায়ে সদায়েই আমাক অসমীয়া ভাষা শিকিবলৈ উদগনি দিছিল। মায়ে সদায় কৈছিল দুয়োটা উপত্যকাৰ সমন্বয়তহে এখন সমৃদ্ধিশালী বৰ অসম সম্ভৱ। সেয়েহে আমাক বাংলা কাকত-আলোচনীৰ লগতে সেই সময়ত এদিন পলমকৈ হাতত পৰা অসমীয়া কাকতো পঢ়িবলৈ উৎসাহিত কৰিছিল। আমি শিলচৰৰ মালুগ্ৰামৰ বাসিন্দা যদিও চহৰখনৰ বহুকেইখন পূজা উদ্‌যাপন আৰু কালীবাড়িৰ লগত মা অন্তঃকৰণেৰে জড়িত আছিল। আমাৰ প্ৰতিৱেশী প্ৰতিষ্ঠিত প্ৰকাশন গোষ্ঠী 'বাণী প্ৰকাশ'ৰ স্বত্বাধিকাৰী হৰিসাধন ভট্টাচাৰ্যৰ ঘৰত প্ৰতিবছৰে উদ্‌যাপন কৰা বাসন্তী পূজাখনতো মা আছিল অভিন্ন অংগ। ২০১৮ চনত পিতৃ মতিলাল দত্তৰ মৃত্যুৰ পাছত মা মানসিকভাৱে কিছু ভাগি পৰিছিল যদিও আমাক সদায়েই নিজ কৰ্ম কৰি আগবাঢ়ি যাবলৈ পৰামৰ্শ দিছিল। আমাৰ পৰিয়ালৰ সকলোৰে প্ৰতিটো ৰক্তকণিকাৰ নিভৃত কোণত সদায়েই জীয়াই থাকিব অজাত শত্ৰু মাৰ স্মৃতিৰ এচেৰেঙা সজীৱ কাঁচলি। কাৰণ Nothing but memory remains। শেষত কবিগুৰুৰ ভাষাৰেই আজি আদ্যশ্ৰাদ্ধৰ পবিত্ৰ ক্ষণত মালৈ অশ্ৰু অঞ্জলি যাচিলোঁ।

**কোৰেল দত্ত (পুত্ৰ)**

### বাপন ডেকা



শিলপুখুৰীৰ বাপন ডেকা ওৰফে বাপুকণৰ যোৱা ২৬ মাৰ্চত পৰলোকগামী হয়। বাপুকণে জীৱিকাৰ সন্ধানত নলবাৰীৰ জানিগোগ (সাৰাপাৰা) গাঁৱৰপৰা গুৱাহাটীলৈ আহিছিল। প্ৰায় ২৩ বছৰ আগতে আমাৰ মায়ে তেওঁ আৰু তেওঁৰ পত্নী বিউটীক ধলপুৰ ভৱন, শিলপুখুৰীত থাকিবলৈ দিছিল। তেওঁৰ আন্তৰিকতাক লক্ষ্য কৰি গুৱাহাটী চেণ্টাৰ (এন ই ৰিজিঅ'ন)ৰ দ্য ইনষ্টিটিউচন অব্ ইলেক্ট্ৰনিকছ এণ্ড টেলিকমিউনিকেচন চেণ্টাৰ (আই আই টি ই)ত প্ৰশাসনিক কৰ্মচাৰীৰ সহায়ক হিচাপে নিয়োজিত কৰা হৈছিল। প্ৰথমাৱস্থাত যেতিয়া আই আই টি ই ক'চিং ক্লাছবোৰ পূৰ্ণগতিত চলি আছিল, তেতিয়া আই আই টি ই,গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ডেকাদা আছিল এজন নিৰ্ভৰযোগ্য ব্যক্তি। তেওঁ পৰীক্ষা পৰিচালনা কৰা দলটোৰ কামত সহায় কৰিছিল আৰু উত্তৰবহীসমূহ গোপনীয়ভাৱে বিমানত ডাকযোগে দিল্লীৰ লোডী ৰোডৰ আই আই টি ইৰ মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰা কামত নিয়োজিত আছিল। তেওঁৰ উত্তম সততাৰ বাবে আই আই টি ই, গুৱাহাটী কেন্দ্ৰৰ সকলো কাৰ্যকালৰ কাৰ্যনিৰ্বাহক সমিতিৰ অধ্যক্ষ আৰু সচিবৰ পৰাও উৎকৃষ্ট প্ৰশংসা লাভ কৰিছিল। শিলপুখুৰীৰ সোণাধৰ সেনাপতি ৰোড অঞ্চলত বাপুকণ ওৰফে ডেকা ওৰফে ডেকাদা জনপ্ৰিয় আছিল। তেওঁৰ অমায়িক স্বভাৱৰ বাবে তেওঁক বহুতে চিনি পাইছিল। সেই অঞ্চলত আয়োজিত সকলো পূজা আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ লগত তেওঁ জড়িত আছিল। আমাৰ পৰিয়ালৰ বাবে বাপুকণ আছিল ধলপুৰ ভৱনৰ তদাৰককাৰী। কেতিয়াবা আমাৰ কোনোৱেই ঘৰত নথকা সময়ত আমাৰ ঘৰ আৰু কেম্পাছসমূহৰ নিৰাপত্তাৰ দায়িত্ব তেওঁ লৈছিল। তেওঁ আমাৰ বহল পৰিয়ালৰ সকলো সদস্যকে নহয়, আমাৰ সকলো স্থানীয় বন্ধু-বান্ধৱকো চিনি পাইছিল। তেওঁ ৫১ বছৰ বয়সত পত্নী, কন্যা আৰু পুত্ৰক এৰি যায়। আমাৰ প্ৰতি তেওঁৰ আন্তৰিক মৰম আৰু ধলপুৰ ভৱনৰ প্ৰতি গভীৰ কৰ্তব্যবোধ আৰু দায়িত্ববোধৰ বাবে আমি ঋণী। আজি তেওঁৰ পবিত্ৰ আদ্যশ্ৰাদ্ধত বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

**মুনু** (শিলপুখুৰী, গুৱাহাটী)

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

ND24 newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

'দৈনিক অসম' সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৭০০২৩ ১৭০৪০

RN-11989/65 । ৬১ বছৰ । ২৩৯ সংখ্যা, ২৩ চ'ত, মঙলবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 239। GUWAHATI, TUESDAY, APRIL 7, 2026 । পৃষ্ঠা ১২+৮ (Pages 12+8) ৯.০০ টকা (Rs. 9.00)

**পৱন খেৰাৰ অভিযোগৰ প্ৰত্যুত্তৰ ডঃ শৰ্মাৰ ঃ পাকিস্তানৰ ছ'চিয়েল মিডিয়াৰপৰা সংগ্ৰহ তথ্য**

# মুখ্যমন্ত্ৰী-পত্নীৰ পাছপ'ৰ্ট কাণ্ডৰ শিপা পাকিস্তানত

### 'তৰুণ গগৈৰ পুত্ৰৰ এই স্খলন আৰু পাকিস্তানপ্ৰীতি অবিশ্বাস্য ■ পৱন খেৰাৰ জীৱন অসমৰ জেলতে শেষ হ'ব'

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** কংগ্ৰেছ দলৰ মিডিয়া বিভাগৰ অধ্যক্ষ পৱন খেৰাই কালি এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিদেশী পাছপ'ৰ্ট আৰু বিদেশৰ সম্পত্তি সন্দৰ্ভত তোলা সমস্ত অভিযোগ আজি এখন সংবাদমেলযোগে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই যুক্তিসহকাৰে তথা তাৎপৰ্যপূৰ্ণভাৱে খণ্ডন কৰি সমস্ত ষড়যন্ত্ৰৰ সৈতে পাকিস্তানৰ ২ পৃষ্ঠাত চাওক



**তিনিখন পাছপ'ৰ্ট, বিদেশত সম্পত্তি-কোম্পানী থকা বুলি কংগ্ৰেছে অনা অভিযোগক প্ৰত্যাহ্বান**



## মাজনিশা ক্ৰাইম ব্ৰাঞ্চত গোচৰ ৰিণিকি ভূঞা শৰ্মাৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ তিনিখন দেশৰ পাছপ'ৰ্ট থকাৰ লগতে বিদেশত সম্পত্তি থকা বুলি কংগ্ৰেছে উত্থাপন কৰা বিস্ফোৰক অভিযোগ সন্দৰ্ভত অসম ২ পৃষ্ঠাত চাওক

**'এয়া ব্যক্তিগত অধিকাৰ ভংগৰ ঘটনা, এনে মিছা মই দেখাও নাই, শুনাও নাই' ■ গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তানৰ বেংক একাউণ্টক লৈও প্ৰশ্ন**

### 'খেৰাৰ অভিযোগ যুক্তিসহকাৰে খণ্ডন কৰিছে মুখ্যমন্ত্ৰীয়ে'

## হতাশাগ্ৰস্ত হৈয়ে জালিয়াতিৰ আশ্ৰয় লৈছে কংগ্ৰেছে ঃ সোণোৱাল

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ৬ এপ্ৰিল ঃ** হতাশাগ্ৰস্ত হৈ কংগ্ৰেছে এতিয়া জালিয়াতিৰ আশ্ৰয় লৈছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই যুক্তিসহকাৰে পৱন খেৰাৰ অভিযোগ খণ্ডন কৰিছে। —মুখ্যমন্ত্ৰীৰ পত্নীৰ নামত পাছপ'ৰ্টকে ধৰি বিদেশত সম্পত্তি থকা বুলি কংগ্ৰেছে কৰা অভিযোগ সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সংবাদমেলত এইদৰে কয়। তেওঁ কয়— সেইবোৰ পাকিস্তানী সামাজিক মাধ্যম। কংগ্ৰেছ সম্পূৰ্ণ বিফল ২ পৃষ্ঠাত চাওক



## ই ডি-ই চি আইত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে কংগ্ৰেছৰ গোচৰ

**খেৰাক সমৰ্থনেৰে মহিমা সিঙৰ সংবাদমেল ■ ন্যায়ৰ দাবী কুমাৰী শৈলজাৰ**

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** ডুবাই আৰু আমেৰিকা যুক্তৰাজ্যত সম্পত্তি থকাৰ অভিযোগেৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে এনফ'ৰ্চমেণ্ট ২ পৃষ্ঠাত চাওক

### বিস্ফোৰণ নোহোৱাত ৰক্ষা পৰিল ক্ষয়-ক্ষতিৰপৰা ■ কাপুৰুষালি আখ্যা বিশ্বজিৎ ফুকনৰ

## সৰুপথাৰৰ বিধায়কৰ বাসগৃহলৈ গ্ৰেনেড নিক্ষেপ দুষ্কৃতিকাৰীৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**ধনশিৰি, ৬ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত সৰুপথাৰ সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী বিশ্বজিৎ ফুকনৰ চাংপুলস্থিত বাসগৃহলৈ আজি কোনো দুষ্কৃতিকাৰীয়ে গ্ৰেনেড নিক্ষেপ কৰা ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব ২ পৃষ্ঠাত চাওক

**এন ডি এৰ হেটট্ৰিকৰ দাবীৰে মৰাণ-বৰপেটাৰোড-হোজাইত প্ৰধানমন্ত্ৰী মোডীৰ ব্যাপক প্ৰচাৰ**

## এইবাৰ পৰাজয়েৰে অভিলেখ গঢ়িব কংগ্ৰেছে



### 'কংগ্ৰেছ মানেই মিছাৰ দোকান, লোকসভা-বিধানসভাত মহিলাই পাব ৩৩ শতাংশ আসন সংৰক্ষণ' ■ জনসভাত প্ৰধানমন্ত্ৰীৰ সৈতে অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক'লে ঃ অসমত অনুপ্ৰৱেশকাৰীৰ দপ্‌দপনি সহ্য কৰা নহ'ব

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ৬ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ উদাত্ত ভাষণে আজি উজনি অসমৰ ৰাজনৈতিক পৰিৱেশ অধিক উত্তপ্ত কৰি তোলা দেখা যায়। ডিব্ৰুগড় জিলাৰ খোৱাং সমষ্টিৰ অন্তৰ্গত মৰাণ পল' ক্লাবৰ ফিল্ডত অনুষ্ঠিত বিজেপি মিত্ৰজোঁটৰ এক বিশাল নিৰ্বাচনী জনসভাত উপস্থিত থাকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তৃতীয়বাৰলৈ অসমত সৰ্ববৃহৎ বিজয়েৰে এনডিএই চৰকাৰ গঠন কৰিব বুলি দৃঢ় দাবী কৰে। কংগ্ৰেছ দলৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি অনুপ্ৰৱেশকাৰী বিষয়টো পুনৰ উত্থাপন কৰে। মোডীয়ে কয়— কংগ্ৰেছে বছৰ বছৰ ধৰি বাংলাদেশী অনুপ্ৰৱেশকাৰীক ৰক্ষণাবেক্ষণ দি ভোট বেংকৰ ৰাজনীতি চলাই আহিছে। সত্ৰ আৰু জনজাতিৰ ভূমি অনুপ্ৰৱেশকাৰীক দখল কৰিবলৈ দিয়াৰ ফলত স্থানীয় লোকসকল ক্ষতিগ্ৰস্ত হৈছিল। কিন্তু ৬ পৃষ্ঠাত চাওক

**ৰাজ্যৰ দহ সহস্ৰাধিক টিউটৰে ছট্‌ফটাইছে অপ্ৰাপ্তিৰ বেদনাত**

## কোনো ৰাজনৈতিক দলৰে নাই সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি, শিক্ষক সমাজৰ ক্ষোভ

**দৈনিক অসমৰ প্ৰতিনিধি**

**নগাঁও, ৬ এপ্ৰিল ঃ** অসম বিধানসভাৰ ষষ্ঠদশ নিৰ্বাচনৰ বাবে প্ৰচাৰেৰে এইকেইদিন ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতি উত্তাল কৰি ৰখা কোনো এটা ৰাজনৈতিক দলেই উল্লেখ কৰা নাই শিক্ষক সমাজৰ সমস্যাৰ কথা। প্ৰতিশ্ৰুতিতো বাদেই, আনকি কোনোটো দলৰে নিৰ্বাচনী ইস্তাহাৰতো স্থান পোৱা নাই শিক্ষকৰ প্ৰসংগই। ৰাজনৈতিক দলসমূহে এনেদৰে এলাগী কৰি ৰখা অৱস্থাই ক্ষোভৰ সৃষ্টি কৰিছে ৰাজ্যত শিক্ষক সমাজত। বিশেষকৈ যোৱা সময়ছোৱাত ২ পৃষ্ঠাত চাওক

**অসম টিউটৰ শিক্ষক সংস্থাৰ আহ্বান ঃ শিক্ষকৰ মৰ্মবেদনা বুজা নেতাকহে শাসনৰ গাদীত বহুৱাওক**

**বৰাকৰ বৰখলাত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ অথন্তৰ**

## ২ মিনিট পলম হোৱা বাবেই হেলিকপ্টাৰে এৰি থৈ আহিল খাৰ্গেক



**দৈনিক অসমৰ প্ৰতিনিধি**

**শিলচৰ, ৬ এপ্ৰিল ঃ** অসমক ভ্ৰষ্টাচাৰমুক্ত কৰিবলৈ কংগ্ৰেছৰ প্ৰয়োজন। ইন্দিৰা গান্ধীয়ে এসময়ত কৈছিল বৰাক উপত্যকা হৈছে শান্তিৰ দ্বীপ। কিন্তু বৰ্তমান সময়ত অসমৰ পৰিৱেশ-পৰিস্থিতি সলনি হৈছে। বিগত ১০ বছৰ বিজেপি চৰকাৰে বৰাক উপত্যকাবাসীক উপেক্ষা কৰি আহিছে। শিলচৰ উৰণ সেতুৰ কাম এতিয়াও ৬ পৃষ্ঠাত চাওক



## নিৰ্বাচনী হিংসাৰে উত্তাল ৰাজ্যৰ ৰাজনীতি

**জোনাইত শিলাবৰ্ষণত বিলাসী বাহন-বাসগৃহৰ ক্ষতি ■ ঢেকিয়াজুলিত নিৰ্বাচনী কাৰ্যালয় লণ্ডভণ্ড ■ চেঙাত জ্বলাই দিলে কাৰ্যালয় ■ মঙলদৈত মাৰপিটত বিজেপি কৰ্মী আহত**

**দৈনিক অসমৰ প্ৰতিনিধি**

**জোনাই, ৬ এপ্ৰিল ঃ** অসম বিধানসভাৰ নিৰ্বাচন যিমানেই ওচৰ চাপিছে সিমানেই জোনাই সমষ্টিৰ বিভিন্ন ঠাইত নিৰ্বাচনী হিংসা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ফলত জোনাই সমষ্টিত এক চেপা উত্তেজনাই বিৰাজ কৰিছে। কালি দিনৰ ৬ পৃষ্ঠাত চাওক

**৫ বজাৰ লগে লগে আনুষ্ঠানিকভাৱে সামৰণি পৰিব প্ৰচাৰাভিযানৰ**

## আজি বিয়লিৰপৰা সমষ্টিয়ে সমষ্টিয়ে ঘূৰিলেই গ্ৰেপ্তাৰ হ'ব প্ৰাৰ্থী-নেতা-প্ৰচাৰক

**জনপ্ৰতিনিধিত্ব আইন অনুসৰি প্ৰাৰ্থী প্ৰচাৰকলৈ কঠোৰ নিৰ্দেশনা নিৰ্বাচন আয়োগৰ ■ ভোট নথকা সমষ্টিলৈও যাব নোৱাৰিব কোনেও ■ সামাজিক মাধ্যমত প্ৰচাৰ চলালেও লোৱা হ'ব ব্যৱস্থা**

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** যোৱা কেইবাদিনো শাসক-বিৰোধীৰ ৰথী-মহাৰথী আৰু তৃণমূল কৰ্মীৰ প্ৰচাৰৰ পাছত কাইলৈ বিয়লি ৫ বজাত ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰৰ সামৰণি পৰিব। নিৰ্বাচনী প্ৰচাৰৰ সময় উকলি যোৱাৰ পাছত কোনো ৰাজনৈতিক দল, নিৰ্দলীয় প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। জনপ্ৰতিনিধিত্ব ৬ পৃষ্ঠাত চাওক

**আজিৰ পৰিপূৰিকা**







বঢ়মপুৰ-বৰছলা-বিশ্বনাথ-তেজপুৰত মাৰাথন প্ৰচাৰ মুখ্যমন্ত্ৰীৰ

## জাতি-মাটি-ভেটিৰ সুৰক্ষাৰ বাবে বিজেপি চৰকাৰ অসমত থাকিবই লাগিব

**দৈনিক অসমৰ প্ৰতিনিধি**

**বিশ্বনাথ চাৰিআলি, ৬ এপ্ৰিল ঃ** আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৭০ নং বিশ্বনাথ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী পল্লৱলোচন দাসৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযান চলায়। আজি বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত ক্ষেত্ৰত ২০ সহস্ৰাধিক লোকৰ ২ পৃষ্ঠাত চাওক

**ৰাইজক দিলে প্ৰতিশ্ৰুতিৰ উপৰি প্ৰতিশ্ৰুতি ■ ডঃ শৰ্মাৰ সৈতে একেলগে নাচিলে হেজাৰ হেজাৰ পুৰুষ-মহিলাই**

## ৰূপহীহাটত গণপ্ৰহাৰত ৩ ডকাইতৰ মৃত্যু, আহত ১

**মোজ্জামিল হক চৌধুৰীৰ ঘৰত লুটপাত চলাই ওলাই আহোঁতেই খেদি খেদি ধৰিলে ৰাইজে**

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰূপহীহাট, ৬ এপ্ৰিল ঃ** ৰাজ্যত নিৰ্বাচনী বতাহ উত্তপ্ত হৈ উঠাৰ মাজতে ৰূপহীহাটৰ ১ নং কাঠপাৰাত যোৱানিশা ৰাইজৰ প্ৰহাৰত তিনিটা ডকাইত নিহত হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, যোৱানিশা প্ৰায় ২ বজাত ৬ পৃষ্ঠাত চাওক

**কাঁহুদী**





— নেতাৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণ চলেই। টেনছন নল'ব। ভোট দিব, আঁচনি দিম। চিধা কথা!

**ডুমডুমা-নাওবৈচাত বিজেপিৰ প্ৰাক্তন সভাপতি জে পি নাড্ডাৰ ৰণডংকা**

## দেশবাসীক দীৰ্ঘদিনে শোষণ কৰিলে কংগ্ৰেছে

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডুমডুমা, ৬ এপ্ৰিল ঃ** উজনি অসমৰ তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিত বিৰোধী ঐক্যজোঁটৰ কংগ্ৰেছ প্ৰাৰ্থী দুৰ্গা ভূমিজক প্ৰত্যাহ্বান জনাই বিজেপিয়ে নিৰ্বাচনী প্ৰচাৰ তুংগত তুলিছে। ডুমডুমা সমষ্টিটো পুনৰ দখলৰ চেষ্টাৰে বিজেপিৰ প্ৰাৰ্থী তথা শ্ৰমমন্ত্ৰী ৰূপেশ গোৱালাই আজি দুপৰীয়া সমষ্টিটোৰ অন্তৰ্গত ৰূপাই হাইস্কুল খেলপথাৰত হাজাৰ হাজাৰ পুৰুষ-মহিলাৰ সমাৱেশেৰে বিশাল নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰি বিৰোধী দলৰ প্ৰাৰ্থীক প্ৰত্যাহ্বান জনালে। ডুমডুমাৰ বিধায়ক তথা শ্ৰমমন্ত্ৰী গোৱালাই আদৰণী ভাষণত সমষ্টিবাসীক ই ভি এমৰ তিনি নম্বৰ বুটামত পদুম ফুলৰ চিহ্নত ভোট দি ৰূপেশ গোৱালাক জয়যুক্ত কৰোৱাই অসমত বিজেপিৰ মিত্ৰজোঁটৰ চৰকাৰ গঠনৰ সুবিধা দিবলৈ আহ্বান জনায়। ৬ পৃষ্ঠাত চাওক



**অসমত শীঘ্ৰেই প্ৰযোজ্য হ'ব ইউনিফৰ্ম চিভিল ক'ড**

**এছ ডি আৰ এফৰ অভিযানত উদ্ধাৰ এজনৰ মৃতদেহ, দুজন সন্ধানহীন**

# প্ৰচণ্ড ধুমুহা ঃ মৈৰাবাৰীত ব্ৰহ্মপুত্ৰত ডুবিল যাত্ৰীবাহী নাও



**দৈনিক অসমৰ প্ৰতিনিধি**

**ভূৰবন্ধা, ৬ এপ্ৰিল ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ সমীপৰ বৰচাপৰিৰ ভজাইখাইতীত ব্ৰহ্মপুত্ৰৰ বুকুত আজি দিনৰ ভাগত সংঘটিত হয় এক ভয়ংকৰ নাও দুৰ্ঘটনা। এখন টুলুঙা নাও ভজাইখাইতীৰ পৰা ৰংৰাই চাপৰিলৈ গৈ থকা অৱস্থাত ব্ৰহ্মপুত্ৰৰ বুকুত ডুব যায়। এই ভয়ংকৰ দুৰ্ঘটনাটোত কথমপি প্ৰাণ ৰক্ষা পৰে ১৭জনকৈ পুৰুষ-মহিলা। আনহাতে, তিনিজনকৈ লোক সন্ধানহীন হৈ আছিল যদিও ইয়াৰে আইনুল হক (৩৫) নামৰ লোকজনৰ মৃতদেহ সন্ধিয়াৰ ভাগত ডুবাৰু বাহিনীয়ে নদীৰ বক্ষৰপৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইপিনে, মুবাশিৰ আহমেদ (১৫) আৰু ৱাহেদ আলী (৭০) নামৰ আন দুজন লোকৰ এইপৰ্যন্ত সন্ধান উলিয়াব পৰা হোৱা নাই। এই ঘটনাটোৱে বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলায়।

**লাহৰীঘাটৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** আজি বৰচাপৰিৰ ভজাইখাইতী ঘাটৰপৰা ব্ৰহ্মপুত্ৰ নদীত এখন টুলুঙা নাৱৰে পুৰুষ-মহিলা আৰু শিশু-কিশোৰসহ ১৯জনকৈ লোক চৰলৈ গৈ আছিল। ঘাটৰপৰা প্ৰায় দুশ মিটাৰ দূৰত্বলৈ আগবাঢ়ি যোৱাৰ অৱস্থাতে প্ৰচণ্ড বতাহৰ বাবে নাওখন দুৰ্ঘটনাত পতিত হয়। পাছত নাওখনত থকা ১৯গৰাকী যাত্ৰীৰ ভিতৰত ১৬গৰাকীয়ে সাঁতুৰি কথমপি প্ৰাণ ৰক্ষা কৰে যদিও তিনিগৰাকী সন্ধানহীন হৈ পৰে। ঘটনাৰ খবৰ পাই ভেলৌগুৰি থানা আৰক্ষীৰ লগতে এছ ডি আৰ এফৰ জোৱান ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান চলায়। ঘটনাৰ খবৰ পাই লাহৰীঘাট সমজিলাৰ আয়ুক্ত শিল্পীকা কলিতাই ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়।



# অভি-নীল হত্যাকাণ্ডৰ ৰায়দান নহ’ল

**২০ এপ্ৰিলত হোৱাৰ সম্ভাৱনা**

**দৈনিক অসমৰ প্ৰতিনিধি**

**নগাঁও, ৬ এপ্ৰিল ঃ** বহু প্ৰতীক্ষিত অভি-নীল হত্যাকাণ্ড গোচৰৰ ৰায়দান আজি নহ’ল। গোচৰটোৰ ৰায়দান হ’ব বুলি সকলোৱে অপেক্ষা কৰি আছিল যদিও আজি ৰায়দান নহ’ল। উল্লেখ্য যে, ১৩ মাৰ্চত গোচৰটোৰ শুনানি প্ৰক্ৰিয়া নগাঁও আদালতত সম্পন্ন হয়। এক সূত্ৰই জনোৱা মতে, গোচৰটোৰ ৰায় ২০ এপ্ৰিলত দিয়াৰ সম্ভাৱনা আছে। উল্লেখ্য যে, ২০১৮ চনৰ আঠ জুনত কাৰ্বিআংলং জিলাৰ ডকমকা আৰক্ষী থানাৰ অন্তৰ্গত পাণজুৰি গাঁৱত এদল উন্মত্ত লোকে মৰিয়াই মৰিয়াই অতি নৃশংসভাৱে হত্যা কৰিছিল গুৱাহাটীৰ দুই প্ৰকৃতিপ্ৰেমী যুৱক নিলোৎপল দাস আৰু অভিজিত নাথক। অসংখ্য লোকৰ চকুৰ সন্মুখতেই সভ্য সমাজক লজ্জাৱনত কৰা এই হত্যাকাণ্ড সংঘটিত হৈছিল। আৰম্ভণিতে এই গোচৰৰ বিচাৰ প্ৰক্ৰিয়া ডিফু আদালতত অনুষ্ঠিত হৈছিল যদিও পৰৱৰ্তী সময়ত নগাঁও জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত অনুষ্ঠিত হয়। ১৩ মাৰ্চত এই গোচৰৰ শুনানি সম্পন্ন হয়। এই হত্যাকাণ্ডই ৭ বছৰ অতিক্ৰম কৰিলে। ভুক্তভোগী পৰিয়াল দুটাই এতিয়া আদালতৰ ৰায়ৰ বাবে আগ্ৰহেৰে বাট চাই আছে।

**নিৰ্দলীয়ই খেলি-মেলি লগাব পাৰে প্ৰত্যাশিত ফলাফলত**

# বৰাকৰ ১৩ সমষ্টিত কংগ্ৰেছ-বিজেপিৰ পোনপটীয়া যুঁজ

## শাসক-বিৰোধীৰ প্ৰচাৰ তুংগত, এ আই ইউ ডি এফৰ স্থিতি থৰক-বৰক

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বৰাক উপত্যকাত ১৩টাকৈ বিধানসভা সমষ্টিত যুঁজ আকৰ্ষণীয় হৈছে। সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ পূৰ্বে বৰাক উপত্যকাত ১৪টা সমষ্টি আছিল। কিন্তু সম্প্ৰতি বৰাকত ১৩টালৈ সমষ্টি হ্ৰাস হৈছে। লক্ষণীয় যে বৰাকৰ সমষ্টিকেইটাই ৰাজ্য চৰকাৰ গঠনৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে। সেয়ে প্ৰতিখন চৰকাৰৰ শাসনকালত বৰাকৰ বিধায়কক মন্ত্ৰিত্ব প্ৰদান কৰা হয়। উল্লেখ্য যে বৰাকৰ অধিকাংশ বিধানসভা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীয়ে ভোট বিভাজন কৰাৰ সম্ভাৱনা প্ৰকট কৰিছে। দুটামান সমষ্টিৰ বাহিৰে অধিকাংশ সমষ্টিত মূলযুঁজত থকা প্ৰাৰ্থীৰ ভোটত নিৰ্দলীয়ই প্ৰভাৱ পেলোৱাটো নিশ্চিত হৈছে। কিন্তু নিৰ্দলীয় প্ৰাৰ্থী নিৰ্বাচনত জয়ী হোৱাৰ সম্ভাৱনা কম বুলি প্ৰচাৰ হৈছে। বৰাকৰ প্ৰতিটো বিধানসভা সমষ্টিত ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰহে উত্থান দেখা গৈছে। বৰাক উপত্যকাৰ ৰামকৃষ্ণ নগৰ বিধানসভা সমষ্টিত এ আই ইউ ডি এফৰ অনুপ কুমাৰ দাস তালুকদাৰ, বিজেপিৰ বিজয় মালাকাৰ, কংগ্ৰেছৰ সুৰুচি ৰায়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। সমষ্টিটোত ৯জন প্ৰাৰ্থী আছে। তাৰে ৫জন নিৰ্দলীয় প্ৰাৰ্থী। ৰামকৃষ্ণ নগৰ সমষ্টিত ২,১৭,৫০০গৰাকী ভোটাৰ আছে। পাথাৰকান্দি সমষ্টিত কংগ্ৰেছৰ কাৰ্তিক সেন সিন্হা, বিজেপিৰ কৃষ্ণেন্দু পালৰ মাজতেই মূল যুঁজ হ’ব। সমষ্টিটোত ৯জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে যদিও ৪জন নিৰ্দলীয়। প্ৰায় ১,৭৮,৪৮৪গৰাকী ভোটাৰ থকা সমষ্টিটোত কংগ্ৰেছ আৰু বিজেপিৰ দুয়োজন প্ৰাৰ্থী শক্তিশালী। সেয়ে সমষ্টিটোত তীব্ৰ যুঁজ যে হ’ব সেয়া নিশ্চিত। দক্ষিণ কৰিমগঞ্জ সমষ্টিত মুঠ ১৫গৰাকীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে যদিও মূল যুঁজ কংগ্ৰেছৰ আমিনুৰ ৰছিদ চৌধুৰী, অসম গণ পৰিষদৰ ইকবাল হুছেইন আৰু এ আই ইউ ডি এফৰ সিংহাল উদ্দিনৰ মাজত প্ৰতিদ্বন্দ্বিতা সীমাবদ্ধ থাকিব। মুঠ ১০গৰাকী নিৰ্দলীয়ই প্ৰতিদ্বন্দ্বিতা কৰা দক্ষিণ কৰিমগঞ্জ সমষ্টিত ২,৮৫,৮৪৬গৰাকী ভোটাৰ আছে। উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিত মুঠ ভোটাৰ ২,৬০,২৮১গৰাকী। সমষ্টিটোত এ আই ইউ ডি এফৰ চৌধুৰী হিবুৰ ৰছুল ওচমান বাবৰ, কংগ্ৰেছৰ জাকাৰীয়া আহমেদ আৰু বিজেপিৰ সুব্ৰত ভট্টাচাৰ্যই তীব্ৰ প্ৰচাৰ চলাইছে। তিনিওজনে জয়লাভ কৰিব বুলি দাবী কৰিছে। কিন্তু কংগ্ৰেছ আৰু বিজেপিৰ প্ৰাৰ্থী দুগৰাকীৰ প্ৰচাৰ আকৰ্ষণীয় হৈছে। সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰা ১৪গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৮গৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই বিধানসভা সমষ্টিত চাৰিজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। বিজেপিৰ অমিয়কান্তি দাস আৰু কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি পুৰকায়স্থৰ মাজত পোনপটীয়া যুঁজ হোৱাৰ পৰিৱেশ সৃষ্টি হৈছে। সমষ্টিটোত ১,৯৬,৫৭১গৰাকী ভোটাৰ আছে। আলগাপুৰ-কাটলিচেৰা সমষ্টিতো ১৫গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে যদিও অগপৰ জাকিৰ হুছেইন লস্কৰ আৰু কংগ্ৰেছৰ জুবাইৰ আনম মজুমদাৰৰ মাজত পোনপটীয়া যুঁজ হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। সমষ্টিটোত ১৩গৰাকী নিৰ্দলীয় প্ৰাৰ্থী। মুঠ ২,৭৮,৩৬৪গৰাকী ভোটাৰ থকা সমষ্টিটোত নিৰ্দলীয়ই পোৱা ভোটৰ ওপৰত অগপ আৰু কংগ্ৰেছ প্ৰাৰ্থীৰ জয়-পৰাজয় নিৰ্ভৰ কৰিব। হাইলাকান্দি সমষ্টিত বিজেপিৰ মিলন দাস আৰু কংগ্ৰেছৰ ৰাহুল ৰয়ৰ যুঁজ আকৰ্ষণীয় পৰ্যায় পাইছে। ৰাহুল ৰয় হৈছে অসমৰ আটাইতকৈ ধনী প্ৰাৰ্থী। মুঠ ২,২১,৬২৪গৰাকী ভোটাৰ থকা সমষ্টিটোত ১২গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৯গৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। সোণাই বিধানসভা সমষ্টিত ১২গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৬গৰাকী নিৰ্দলীয় প্ৰাৰ্থী। সমষ্টিটোত কংগ্ৰেছৰ আমিনুল হক লস্কৰ, অসম গণ পৰিষদৰ কৰিমউদ্দিন বৰভূঞা, এ আই ইউ ডি এফৰ মিনাৰ হুছেইন মজুমদাৰে প্ৰতিদ্বন্দ্বিতা কৰিছে। এই তিনিজন প্ৰাৰ্থীৰ মাজতে যুঁজ হ’ব বুলি ভোটাৰে ধাৰণা কৰিছে। শিলচৰ বিধানসভা সমষ্টিত ৭গৰাকী প্ৰাৰ্থীৰ ভিতৰত কংগ্ৰেছৰ অমৰজিৎ পাল, বিজেপিৰ ৰাজদীপ ৰয়ৰ মাজতেই যুঁজ হ’ব। সমষ্টিটোত ৪গৰাকী নিৰ্দলীয় প্ৰাৰ্থী আছে যদিও তেওঁলোকে এই মুহূৰ্তলৈ প্ৰচাৰত প্ৰভাৱ পেলাব পৰা নাই। শিলচৰ সমষ্টিত ২,১২,৪১৩গৰাকী ভোটাৰ আছে। মুঠ ২,০৫,৮০৭গৰাকী ভোটাৰ থকা বৰখলা সমষ্টিতো কংগ্ৰেছৰ অমিত কুমাৰ কালৱাৰ আৰু বিজেপিৰ কিশোৰ নাথৰ মাজতেই যুঁজ হ’ব। সমষ্টিটোত ৬গৰাকী প্ৰাৰ্থীৰ ভিতৰত তিনিগৰাকীয়েই নিৰ্দলীয় প্ৰাৰ্থী। কাটিগৰা সমষ্টিত ১৪গৰাকী প্ৰাৰ্থীৰ ভিতৰত ১০গৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। সমষ্টিটোত কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰা কমলাক্ষ দে’ পুৰকায়স্থ আৰু কংগ্ৰেছৰ অমৰ চন্দ জৈনৰ প্ৰচাৰ আকৰ্ষণীয় হৈছে। মুঠ ২,১৪,১৯০টা ভোট থকা সমষ্টিটোত বিজেপি বা কংগ্ৰেছৰ প্ৰাৰ্থীয়েই শেষ হাঁহি মাৰিব যে নিশ্চত। উদাৰবন্দ সমষ্টিত ১,৮৫,৬২৯গৰাকী ভোটাৰ আছে। সমষ্টিটোত চাৰিগৰাকী প্ৰাৰ্থী আছে যদিও প্ৰাক্তন মন্ত্ৰী কংগ্ৰেছৰ অজিত সিং আৰু প্ৰাক্তন মন্ত্ৰী দীনেশ প্ৰসাদ গোৱালাৰ পুত্ৰ বিজেপিৰ ৰাজদীপ গোৱালাৰ মাজতেই যুঁজ হ’ব। লক্ষীপুৰ সমষ্টিটোত মাত্ৰ দুজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। মুঠ ১,৭৮,৫৩৯গৰাকী ভোটাৰ থকা সমষ্টিটোত যিহেতু তৃতীয়গৰাকী প্ৰাৰ্থী নাই কংগ্ৰেছৰ শান্তি কুমাৰ সিংঘা আৰু বিজেপিৰ কৌশিক ৰয়ৰ মাজত এজন বিধানসভালৈ নিৰ্বাচিত হ’ব। বৰাক উপত্যকাৰ ১৩টা সমষ্টিৰ অধিকাংশতেই মূল যুঁজ কংগ্ৰেছ আৰু বিজেপিৰ মাজতেই সীমাবদ্ধ থাকিব। কোনোমতে এটা সমষ্টিত এ আই ইউ ডি এফৰ অগ্ৰগতি দেখা গৈছে যদিও নিশ্চিত নহয়। অৱশ্যে ৯ এপ্ৰিলত কিমান ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰে তাৰ ওপৰত বহু কথা নিৰ্ভৰ কৰিব।

### পলাশবাৰীত জুবিন অনুৰাগীৰ মটৰ চাইকেল সমদল

**দৈনিক অসমৰ প্ৰতিনিধি**

**পলাশবাৰী, ৬ এপ্ৰিল ঃ** পলাশবাৰীৰ ৰামপুৰত কালি বিয়লিৰ ভাগত বিজেপিৰ প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যৰ সমৰ্থনত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশ লয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। তেওঁৰ এই সভা শেষ হোৱাৰ কিছু সময় পাছতেই কালি সন্ধিয়াৰ ভাগত পলাশবাৰীৰ বিভিন্ন প্ৰান্তত জুবিনপ্ৰেমী যুৱকৰ দলে তেওঁৰ ন্যায়ৰ দাবীত মটৰ চাইকেল সমদল উলিয়ায়। এই যুৱকৰ দলটোৱে হাতে হাতে ফেষ্টুন লৈ ঈশ্বৰ হত্যাৰ ন্যায় লাগিবই, ঈশ্বৰ হত্যাৰ বিচাৰ লাগিবই, নো জাষ্টিচ নো ভোট, জুবিন দা জিন্দাবাদ, জুবিন দাৰ হত্যাকাৰীক শাস্তি দিয়ক আদি বিভিন্ন শ্ল’গান দিয়ে। এই সমদলটোৱে বৰদুৱাৰ বাগান অঞ্চলৰপৰা বৰিহাট, তিনিআলি আদি ঠাইৰে আহি মিৰ্জাত সমৱেত হয়। এই সমদলটি সাতপখলী সৰুতেজপুৰৰ পৰা ঝাৰোবৰী,গড়গড়াৰ উপৰি আৰ বি উচ্চতৰ আৰু বহুমুখী বিদ্যালয় খেলপথাৰত সমাপ্ত কৰা হয় বুলি জানিব পৰা গৈছে।

**বজালীত ভয়াৱহ পথ দুৰ্ঘটনা**

### গেছ কঢ়িওৱা গাড়ীত ডাম্পাৰৰ খুন্দা, গেছ নিৰ্গমন

**দৈনিক অসমৰ প্ৰতিনিধি**

**বজালী, ৬ এপ্ৰিল ঃ** বজালী জিলাৰ সদৰ পাঠশালাৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা এক ভয়াৱহ দুৰ্ঘটনা সংঘটিত হয়। ৰাষ্ট্ৰীয় ঘাইপথৰে গুৱাহাটী অভিমুখে গৈ থকা এখন গেছ কঢ়িওৱা গাড়ীত একে দিশতে গৈ থকা এখন ডাম্পাৰে পাছফালৰ পৰা প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ ফলত গেছ কঢ়িওৱা গাড়ীখনৰ ক্ষতি হোৱাৰ লগতে গাড়ীখনৰ টেংকীৰপৰা অবিৰতভাৱে গেছ নিৰ্গমন হোৱাত ওচৰে-পাঁজৰে হুৱা-দুৱা লাগে। লগে লগে সেই অঞ্চলটোত বিদ্যুত কৰ্তন কৰাৰ লগতে ঘটনাস্থলীত পাঠশালা আৰক্ষীৰ লগতে অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ গেছ নিৰ্গমন বন্ধ কৰাৰ বাবে চেষ্টা চলায়। অগ্নিনিৰ্বাপক বাহিনীৰ লগতে ভাৰত পেট্ৰ’লিয়ামৰ পৰা অহা গাড়ীয়ে বহু সময় পাছত পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। ঘটনা সংঘটিত হোৱাৰ পাছতে ৰাষ্ট্ৰীয় ঘাইপথত তীব্ৰ যান-জঁটৰ সৃষ্টি হয়।

# ‘প্ৰতি ইঞ্চি মাটি বেদখলকাৰীৰপৰা মুক্ত কৰিম’

**ঘগ্ৰাপাৰৰ চিলিঙত বিজেপিৰ প্ৰচাৰ সভাত জয়ন্তমল্ল বৰুৱা**

**দৈনিক অসমৰ প্ৰতিনিধি**

**ঘগ্ৰাপাৰ, ৬ এপ্ৰিল ঃ** ‘শংকৰদেৱৰ জন্মস্থানো বেদখলকাৰীয়ে অবৈধভাৱে দখল কৰিছিল। বিগত পাঁচ বছৰত আমাৰ চৰকাৰে প্ৰায় ডেৰ লাখ বিঘা মাটি বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰিছে। অহা পাঁচ বছৰত এক ইঞ্চি মাটিও বেদখলকাৰী বাংলাদেশীৰ কবলত থাকিব নোৱাৰে, সকলো মুক্ত কৰিম।’ — এই মন্তব্য নলবাৰী সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী জয়ন্তমল্ল বৰুৱাৰ। বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ মাজত মাত্ৰ এটা দিন বাকী থকা সময়তে নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ চিলিং মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত আজি আবেলি ২ বজাত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি বিজেপি প্ৰাৰ্থী জয়ন্তমল্ল বৰুৱাই জাতিটোৰ বিকাশ, উন্নয়ন আৰু সুৰক্ষাৰ স্বাৰ্থত বিজেপিক ভোট দিবলৈ আহ্বান জনায়। তদুপৰি তেওঁ কয় যে বিজেপিৰ প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰাই মামাৰ হাত শক্তিশালী কৰিলে অৰুণোদয়, উদ্যমিতা, কৃষক সন্মান নিধি, চাউল, দাইল, চেনি, নিখম আদি বিনামূলীয়াকৈ লাভ কৰিব। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থীক ভোট দিলে সূতা, কম্বল, লুঙি-টুপীহে পাব বুলি কংগ্ৰেছক কটাক্ষ কৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ জৰিয়তে দৰিদ্ৰ পৰিয়ালৰ বাবে গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ ভাষণত উল্লেখ কৰে। ভাষণ প্ৰসংগত তেওঁ বিজেপি চৰকাৰৰ বিগত দিনৰ কাম-কাজৰ খতিয়ান দাঙি ধৰে। নিৰ্বাচনী প্ৰচাৰ সভাখনত নলবাৰী জিলা বিজেপিৰ সভাপতি জয়ন্ত বুজৰবৰুৱা, বিজেপি নেতা মধুৰাম ডেকা, ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ সভাপতি মনোজ ডেকা, নলবাৰী জিলা পৰিষদৰ উপাধ্যক্ষ হিতেশ ব্ৰহ্ম, জিলা পৰিষদৰ সদস্য ডিম্বেশ্বৰ বেজবৰুৱা, বিজেপি নেতা ভ্ৰমৰ মজুমদাৰকে ধৰি দলীয় কাৰ্যকৰ্তা তথা যথেষ্টসংখ্যক দলীয় সমৰ্থক উপস্থিত থাকে।



### ধনশিৰি নদীত যুৱতীৰ মৃতদেহ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধনশিৰি, ৬ এপ্ৰিল ঃ** সৰুপথাৰৰ ধনশিৰি নদীত এগৰাকী যুৱতীৰ মৃতদেহ উদ্ধাৰ হৈছে। আজি দুপৰীয়া কিছু লোকে পদুমনি-দেওপানী পথত থকা ধনশিৰি নদীৰ দলঙৰপৰা ওপঙি থকা অৱস্থাত এটা মৃতদেহ প্ৰত্যক্ষ কৰে। যুৱতীগৰাকী সৰুপথাৰ পৌৰসভা এলেকাৰ ৩ নং ৱাৰ্ডৰ নিধু ধৰৰ কন্যা প্ৰিয়াৰাণী ধৰ বুলি চিনাক্ত কৰে। ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে এটা ম’বাইল ফোন, এযোৰ চেণ্ডেল আৰু কিছু নথি-পত্ৰ উদ্ধাৰ কৰিছে। আত্মীয়ই প্ৰকাশ কৰা মতে, আজি পুৱা প্ৰায় ৯-৩০ বজাত যুৱতীগৰাকীয়ে বেংকলৈ বুলি ঘৰৰ পৰা ওলাই গৈছিল।

**টিহু সমষ্টিত চন্দ্ৰমোহন পাটোৱাৰীৰ মাৰাথন প্ৰচাৰ**

# কংগ্ৰেছ মিছলীয়াৰ কাৰখানা

## ‘আজিৰ শিক্ষিত লোকে মিছা কথাত ভোল নাযায়’

**টিহু, ৬ এপ্ৰিল ঃ** অসম বিধানসভাৰ নিৰ্বাচনৰ প্ৰচাৰৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ এদিন বাকী থকা অৱস্থাত আজি ৪০ নং টিহু বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মাৰাথন নিৰ্বাচনী প্ৰচাৰ চলোৱা দেখা যায়। মন্ত্ৰীগৰাকীৰ সমষ্টিভিত্তিক দীৰ্ঘদিনীয়া ৰাজনৈতিক পৰিমণ্ডলত এইবেলি টিহু অঞ্চল সংযোগ হোৱাত টিহু অঞ্চলত সকলো ভোটদাতাৰ মনত সোমাবলৈ আপ্ৰাণ চেষ্টা চলাইছে। সেয়ে তেওঁৰ নিৰ্বাচনী প্ৰচাৰ ব্যাপক হোৱা দেখা গৈছে। বিজেপি দল আৰু চন্দ্ৰমোহন পাটোৱাৰীৰ কৰ্মৰ খতিয়ান আৰু বন্দনাৰে সুৰীয়াকৈ সজোৱা নিৰ্বাচনী প্ৰচাৰ গীতে সমগ্ৰ অঞ্চলটো গেৰুৱাময় কৰি তুলিছে। ইয়াৰ লগতে প্ৰাৰ্থীগৰাকীয়ে ওচৰা-উচৰিকৈ সঘনে নামঘৰ, ৰাজহুৱা থলীত অনুষ্ঠিত কৰিছে প্ৰচাৰ সভা। এই প্ৰচাৰ সভাবোৰত পুৰুষসকলতকৈ অধিকাংশ মহিলাই সদলবলে মুকলি মনেৰে ভাগ লোৱা দেখা যায়। আজি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মন্ত্ৰী পাটোৱাৰীয়ে টিহু সমষ্টিৰ অন্তৰ্গত বালি, হাৰিভাঙা, কাউৰেহাগী, জলখানা, নাথকুছি আদি অঞ্চলত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। মন্ত্ৰীগৰাকীয়ে অসমৰ জাতি, মাটি, ভেটিৰ সুৰক্ষা আৰু ৰাজ্যখনৰ বিকাশ আৰু উন্নয়নৰ বাবেই বিজেপি মিত্ৰজোঁটক ভোট দিবলৈ ভোটাৰ ৰাইজক আহ্বান জনায়। তেওঁ টিহু অঞ্চলৰ সৰ্বাংগীণ দিশৰ উন্নয়নৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। মন্ত্ৰী পাটোৱাৰীয়ে কয়— কংগ্ৰেছ দল ‘মিছলীয়াৰ কাৰখানা’। কংগ্ৰেছে মিছা কৈ কৈয়ে দেশখন খালে। কিন্তু এতিয়া মানুহ শিক্ষিত হৈছে। এই শিক্ষিত লোকসকলে তেওঁলোকৰ মিছা কথা আৰু কৰ্মকাণ্ডত ভোল নাযায়। ‘মিছলীয়াৰ কাৰখানা’ত উৎপাদিত ভুৱা ছবি, মিছা কাহিনী, অপপ্ৰচাৰ কংগ্ৰেছৰ নিকৃষ্ট ৰাজনীতিৰ প্ৰকৃত স্বৰূপ বুলিও তেওঁ এই সভাবোৰত মন্তব্য কৰে। তেওঁ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি মিত্ৰজোঁট চৰকাৰৰ কাৰ্যকালৰ বিগত দিনত অসমত শিক্ষা, স্বাস্থ্য, কৃষি, উদ্যোগ আদি খণ্ডকে ধৰি সকলো ক্ষেত্ৰতে হোৱা দ্ৰুত উন্নয়নৰ ধাৰাৰ বাবে ৰাজ্যবাসী সন্তুষ্ট হৈছে আৰু বিজেপি মিত্ৰজোঁটক ৰাইজে আঁকোৱালি লৈছে বুলি মত প্ৰকাশ কৰে। তেওঁ অসমত বিজেপি মিত্ৰজোঁটে তৃতীয়বাৰলৈ চৰকাৰ গঠন কৰিব বুলি দাবী কৰে। বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ সৈতে টিহু মণ্ডল বিজেপিৰ সভাপতি গোবিন্দ কলিতা, টিহু পৌৰসভাৰ পৌৰপতি হিমানী মজুমদাৰ, বিজেপি নেত্ৰী মোহিনী ডেকাকে ধৰি বিজেপি-অগপ মিত্ৰজোঁটৰ নেতা-কৰ্মীসকল উপস্থিত থাকে।


GOVT. OF ASSAM
OFFICE OF THE SENIOR SUPERINTENDENT OF POLICE :: UDALGURI
:: DISTRICT :: UDALGURI ASSAM ::



The above is photograph of Baishnabi Nag(21Yrs), D/O-Nanu Nag, Vill-Majuli TE line-12, PS-Harisinga, Dist-Udalguri who has been missing since 18/03/2026 from Majuli TE line-12.

This refers to Harisinga PS GDE No-12, Dtd. 19/03/2026 and this office Man Missing Register Entry No. 120, Dtd 30/03/2026

**Descriptive Roll of the Missing Person:**

1.Complexion - White
2.Age - 21 Yrs
3.Height - 5.3 Feet
4.L/Known - Adibashi
5. Wearing - Suridar

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 6026901138(Cell phone).

Sd/-
**Addl. Superintendent of Police (Crime), Udalguri, Assam.**
**DIPR/D/DA/2/7-Apr-26**



GOVT. OF ASSAM
OFFICE OF THE SENIOR SUPERINTENDENT OF POLICE :: UDALGURI
:: DISTRICT :: UDALGURI ASSAM ::



The above is photograph of Josna Tanti (33 Yrs), W/O-Dhanti Tanti, Vill-Hatigarh TE 4 No. line, PS-Harisinga, Dist-Udalguri who has been missing since 22/03/2026 from his own house.

This refers to Harisinga PS GDE No-13, Dtd. 25/03/2026 and this office Man Missing Register Entry No. 119, Dtd 30/03/2026

**Descriptive Roll of the Missing Person:**

1. Complexion - Black
2. Age - 33 Yrs
3. Height - 5.2 Feet
4. L/Known - Oriya
5. Wearing - Kurti

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 6026901138(Cell phone).

Sd/-
**Addl. Superintendent of Police (Crime), Udalguri, Assam.**
**DIPR/D/DA/1/7-Apr-26**



SBI
**ভাৰতীয় ষ্টেট বেংক**
আৰএএছএমইচিচিচি-ও-এছএআৰচি
প্ৰথম মহলা, এছবিআই, যোৰহাট শাখা, এ টি ৰোড, যোৰহাট- ৭৮৫০০১, অসম
ফোনঃ ০৩৭৬-২৩৭০৬৩৯, ২৩৭০৮৫৩, ২৩৭০৩৫১, ই-মেইলঃ sbi.11160@sbi.co.in

RASMECCC/JOR/2026-27/ পৰিশিষ্ট ৯

**বিধি-৮(১)**

**দখলী জাননী (স্থাৱৰ সম্পত্তিৰ বাবে)**

ভাৰতীয় ষ্টেট বেংকৰ নিম্নস্বাক্ষৰকাৰী অনুমোদিত বিষয়াই বিত্তীয় সম্পত্তিৰ নিৰাপত্তা আৰু পুনৰ্গঠন তথা নিৰাপত্তা সুত বলবৎকৰণ আইন, ২০০২ (২০০২ৰ নং ৩)আৰু নিৰাপত্তা সুত (বলবৎকৰণ) বিধি, ২০০২ৰ ধাৰা ১৩(২)ৰ ৩ নং বিধিৰ প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি ১৬.০১.২০২৬ তাৰিখে ঋণগ্ৰহণকাৰী **মিঃ ইনামুল হুছেইন**ক এক দাবী জাননী জাৰি কৰিছিল। য’ত কোৱা হৈছিল যে উক্ত জাননী লাভৰ **৬০ দিন**ৰ ভিতৰত যাতে তেওঁলোকে বেংকত ঋণৰ ৰূপত থকা ৫,৮৯,৯৯৬.০০ (পাঁচ লাখ ঊনানব্বৈ হেজাৰ নশ ছিয়ানব্বৈ টকা মাত্ৰ) আৰু ১৬.০১.২০২৬ তাৰিখৰ পৰা নিৰ্ধাৰিত সুদসহ পৰিশোধ কৰে যেন।

কিন্তু ঋণীয়ে উক্ত ধন পৰিশোধ কৰাত বিফল হোৱাত, ইয়াৰ দ্বাৰা ঋণী আৰু সাধাৰণ জনতাক জনোৱা হয় যে উক্ত আইনৰ ধাৰা ১৩ উপ-ধাৰা (৪)ৰ সহিতে নিৰাপত্তা সুত (বলবৎকাৰী) বিধি, ২০০২ৰ বিধি ৮ৰ প্ৰদত্ত ক্ষমতাৰ প্ৰয়োগ কৰি নিম্নস্বাক্ষৰকাৰীয়ে ০৩ এপ্ৰিল ২০২৬ তাৰিখে তলত বৰ্ণিত সম্পত্তিখিনি নিজৰ দখলত লৈছে।

সেয়েহে বিশেষকৈ ঋণগ্ৰহণকাৰী আৰু সাধাৰণ ৰাইজক ইয়াৰ দ্বাৰা সকীয়াই দিয়া হয় যে উক্ত সম্পত্তিৰ সৈতে আপোনালোকে কোনো লেনদেন নকৰিব আৰু অন্যথা ভাৰতীয় ষ্টেট বেংকে ঋণৰ ৰূপত থকা ৫,৮৯,৯৯৬.০০ টকা আৰু ১৬.০১.২০২৬ তাৰিখলৈ আৰোপিত সুত, মাচুল আদি সেই ব্যক্তিৰ পৰা আদায় কৰিব।

ইয়াৰে ঋণীৰ দৃষ্টি আকৰ্ষণৰ বাবে অৱগত কৰা হয় যে, ছাৰফেইছি আইনৰ ধাৰা ১৩ ৰ উপ-ধাৰা (৮)ৰ আধাৰত সময় থাকোতেই আপোনাক সুৰক্ষিত সম্পত্তিসমূহ পুনৰুদ্ধাৰৰ সুযোগ প্ৰদান কৰা হ’ল।

**স্থাৱৰ সম্পত্তিৰ বিৱৰণ**

**সম্পত্তিৰ গৰাকী ঃ মিঃ ইনামুল হুছেইন**

সেই সকলো অংশ আৰু খণ্ড ভূমি সম্পত্তি যি দাগ নং ৯০৫, পট্টা নং ৩৬৫ৰ অন্তৰ্গত ২ কঠা ৬.৫ লেচা পৰিমাপৰ ভূমি লৈ গঠিত, যি অসমৰ যোৰহাট জিলাৰ হেজাৰী মৌজাৰ ৰাজা হাউলী গাঁৱত অৱস্থিত। উক্ত সম্পত্তিৰ সীমা এনেধৰণৰ - পূব দিশে - মজিবুদ্দিন ৰহমানৰ মাটি, পশ্চিম দিশে - জে বি ৰোড, উত্তৰ দিশে - ইকৰামুল হুছেইনৰ মাটি, দক্ষিণ দিশে - ইকৰামুল হুছেইন আৰু তামিজুল হুছেইনৰ মাটি

**দিনাংক ঃ ০৩.০৪.২০২৬**
**স্থান ঃ যোৰহাট**

**কৰ্তৃত্বশীল বিষয়া,**
**ভাৰতীয় ষ্টেট বেংক**
**আৰএএছএমইচিচিচি যোৰহাট**



যূনিয়ন বৈংক ऑफ इंडिया Union Bank of India
भारत सरकार का उपक्रम A Government of India Undertaking

**বৰপেটা ৰোড শাখা**
**দাস মাৰ্কেট, বৰপেটা ৰোড, অসম - ৭৮১৩১৫**

প্ৰতি
(১) ঋণী/(সকল)ঃ প্ৰয়াত আব্দুল কাছেম খান (প্ৰয়াত আব্দুল চোভান খানৰ পুত্ৰ)ৰ সম্পত্তি, প্ৰতিনিধিত্ব কৰে—
(ক) শ্ৰীমতী মৰিয়াম খান, স্বামী-প্ৰয়াত আব্দুল কাছেম খান, ঠিকনা ঃ গাঁও-মৈৰাঝাৰ গাঁও, ডাক-মৈৰাঝাৰ, থানা-বৰপেটা ৰ’ড, জিলা-বাকসা, অসম-৭৮১৩১৩। লগতে গাঁও-উত্তৰ আঠিয়াবাৰী আজাদ নগৰ, ডাক আৰু থানা- বৰপেটা ৰ’ড, অসম-৭৮১৩১৩
(খ) শ্ৰীমুছাৰফ খান, পিতা-প্ৰয়াত আব্দুল কাছেম খান, ঠিকনা ঃ গাঁও-মৈৰাঝাৰ গাঁও, ডাক-মৈৰাঝাৰ, থানা-বৰপেটা ৰ’ড, জিলা-বাকসা, অসম-৭৮১৩১৩। (গ) শ্ৰীমইনুল খান, পিতা-প্ৰয়াত আব্দুল কাছেম খান, ঠিকনা ঃ গাঁও-মৈৰাঝাৰ গাঁও, ডাক-মৈৰাঝাৰ, থানা-বৰপেটা ৰ’ড, জিলা-বাকসা, অসম-৭৮১৩১৩।
(২) জামিনদাৰ/(সকল)ঃ শ্ৰীআব্দুৰ ৰছিদ আলী, পিতা-প্ৰয়াত কেৰামত আলী, ঠিকনা ঃ ৱাৰ্ড নং ১, থানা-বৰপেটা ৰ’ড, জিলা-বাকসা, অসম-৭৮১৩১৩।

মাননীয় মহাশয়/মহোদয়া

আপোনালোকক এই মৰ্মে জনোৱা হৈছে যে, অনুমোদিত বিষয়া দ্বাৰা সুৰক্ষিত সম্পত্তি আৰু বিত্তীয় সম্পত্তি পুনৰুদ্ধাৰ আৰু সুৰক্ষা স্বাৰ্থ প্ৰৱৰ্তন আইন, ২০০২ (সংক্ষেপে ‘আইন’)ৰ ধাৰা ১৩(২) অনুসাৰে ২০.০১.২০২৬ তাৰিখে আপোনালোকক আমাৰ বেংকৰ সৈতে থকা ঋণ একাউণ্টসমূহৰ অনাদায়ী বকেয়া ধনৰাশি পৰিশোধ কৰিবলৈ আহ্বান জনাই এক জাননী জাৰি কৰা হৈছিল। কিন্তু উক্ত জাননী আপোনালোকে প্ৰদান কৰা শেহতীয়া ঠিকনালৈ প্ৰেৰণ কৰিব পৰা নগ’ল। সেয়েহে ইয়াৰ প্ৰেক্ষাপটত, উক্ত দাবী জাননীৰ বিষয়বস্তু এই বাতৰি কাকতত প্ৰকাশ কৰা হৈছে। আপোনালোকে গ্ৰহণ কৰা ঋণ সুবিধাসমূহ ২৯.১০.২০২৫ তাৰিখে অনা-কাৰ্যক্ষম সম্পত্তি (এনপিএ) হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে। আপোনালোকে উক্ত ঋণৰ সুবিধা গ্ৰহণ কৰাৰ সময়ত ঋণ নথিপত্ৰসমূহ সম্পাদন কৰি বেংকৰ অনুকূলে সুৰক্ষা স্বাৰ্থ সৃষ্টি কৰিছিল। ঋণ সুবিধাসমূহ আৰু সুৰক্ষিত সম্পত্তিৰ বিৱৰণ তলত উল্লেখ কৰা হ’লঃ

| ঋণ সুবিধাৰ প্ৰকাৰ | সীমা | এন পি এৰ তাৰিখ অনুসাৰে বকেয়া ধনৰ পৰিমাণ | অপ্ৰয়োগিত সুদ | জৰিমণা সুদ (সৰল) | বেংকৰ দ্বাৰা ব্যয় হোৱা খৰচ/চাৰ্জ | মুঠ বকেয়া |
|---|---|---|---|---|---|---|
| কেচ ক্ৰেডিট (৩৪৪১০৫০৪০০৫১০০৬) | ৯৫০০০০.০০ | ৯,১২,২৬৫.৫৪ | ৩৩,৫১১.০০ | ৫,৬৫২.০০ | ০.০০ | ৯,৫১,৪২৮.৫৪ |
| ইউনিয়ন হোম (৩৪৪১০৬৬৫০০০০০১৭) | ৯৮৫০০০.০০ | ১,০০,৫০৩.৭৭ | ২,৭২৪.০০ | ৩০৫.০০ | ০.০০ | ১,০৩,৫৩২.৭৭ |
| ইউনিয়ন হোম (৩৪৪১০৬৬৫০০০০০৪৭) | ৭০০০০০.০০ | ২,৪০,৭৫৫.২৪ | ৬৫৫.০০ | ১৩৩.০০ | ০.০০ | ২,৪১,৫৪৩.২৪ |
| মুঠ দিবলগীয়া | | | | | | ১২,৯৬,৫০৪.৫৫ |

**(ক) বন্ধকীত থকা স্থাৱৰ সম্পত্তিৰ বিৱৰণ ঃ** প্ৰয়াত আব্দুল কাছেম খানৰ নামত গাঁও-উত্তৰ আঠিয়াবাৰী, মৌজা-গোবৰ্ধন, থানা আৰু ডাক ঃ বৰপেটা ৰ’ড, জিলা-বৰপেটা, অসম-৭৮১৩১৩ত থকা তথা দাগ নং ৯৪, কে পি পট্টা নং ১০১ৰে আগুৰা ১ কঠা ৫ লেচা পৰিমাণৰ সম্পূৰ্ণ মাটি-সম্পত্তিৰ লগতে তাত থকা আৰ চি চি বিল্ডিং। চাৰিসীমাৰ উত্তৰে ঃ মতিয়াৰ ৰহমান, দক্ষিণে ঃ আব্দুল মালেক, পূবে ঃ চৈতেন নেচা, পশ্চিমে ঃ পথ।

(খ) **বন্ধীকত থকা ষ্টক ঃ** উল্লেখ্য যে (ক), (খ) আৰু (গ)ত নাম থকা আপোনালোক প্ৰয়াত ঋণী আব্দুল কাছেম খানৰ আইনী উত্তৰাধিকাৰী। গতিকে আব্দুল কাছেম খানে গ্ৰহণ কৰা ব্যৱসায়, দায়বদ্ধতা আৰু বকেয়াসমূহ উত্তৰাধিকাৰীসূত্ৰে আপোনালোকে লাভ কৰিছে। সেয়েহে প্ৰয়াত আব্দুল কাছেম খানৰ ছিকিউৰিটিসমূহ আৰু তেওঁ বকেয়া হিচাপে থকা ধনৰাশি আপোনালোকে পৰিশোধ কৰিবলৈ দায়বদ্ধ।

সেইমৰ্মে, উক্ত জাননীৰ চৰ্ত অনুসাৰে আপোনালোকক ঋণগ্ৰহণকাৰী হিচাপে এই জাননী প্ৰকাশৰ তাৰিখৰ পৰা ৬০ (ষাঠি) দিনৰ ভিতৰত উক্ত বকেয়া ধন, লগতে তাৰ ওপৰত প্ৰযোজ্য ভৱিষ্যৎ সুদ আৰু আনুষঙ্গিক খৰচ পৰিশোধ কৰিবলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ প্ৰেক্ষাপটত, যদি আপোনালোকে উক্ত সময়সীমাৰ ভিতৰত ধন পৰিশোধ কৰিবলৈ ব্যৰ্থ হয়, তেন্তে আমি সুৰক্ষিত ঋণদাতা হিচাপে সুৰক্ষিত সম্পত্তি আৰু বিত্তীয় সম্পত্তি পুনৰুদ্ধাৰ আৰু সুৰক্ষা স্বাৰ্থ প্ৰৱৰ্তন আইন, ২০০২ (সংক্ষেপে ‘আইন’)ৰ ধাৰা ১৩(৪) অনুসাৰে প্ৰদান কৰা সকলো বা যিকোনো অধিকাৰ ব্যৱহাৰ কৰাৰ অধিকাৰী হ’ম। তদানুসাৰে, উক্ত আইনখনৰ ধাৰা ১৩(১৩) অনুসৰি জাননী প্ৰাপ্তিৰ তাৰিখৰ পৰা বেংকৰ পূৰ্ব অনুমতি নোলোৱাকৈ আপুনি উক্ত সুৰক্ষিত সম্পত্তি হস্তান্তৰ বা বিক্ৰী কৰিব নোৱাৰিব। সেইহেতু, আইনখনৰ ধাৰা ১৩ৰ উপধাৰা (৮) ত উল্লেখ কৰা বিধানসমূহ মনোযোগ সহকাৰে গ্ৰহণ কৰিব আৰু সুৰক্ষিত সম্পত্তি মুক্ত কৰাৰ বাবে উপলব্ধ সময়সীমা সম্পৰ্কে সচেতন থাকিব।

আপোনাৰ বিশ্বাসী
**অনুমোদিত বিষয়া**

# সম্পাদকীয়

২৩ চ'ত, মঙলবাৰ, ১৯৪৮ শক

## স্বাস্থ্য সচেতনতা

সাত এপ্ৰিলত বিশ্ব স্বাস্থ্য সংস্থা (WHO)ৰ সহযোগত সকলো দেশতে বিশ্ব স্বাস্থ্য দিৱস (ৱৰ্ল্ড হেল্‌থ ডে') উদ্‌যাপন কৰা হয়। ১৯৪৮ চনতেই বিশ্ব স্বাস্থ্য সংস্থাই বিশ্ব স্বাস্থ্য দিৱসৰ আয়োজন কৰিছিল আৰু তেতিয়াৰেপৰা প্ৰতি বছৰে সাত এপ্ৰিলত বিশ্ব স্বাস্থ্য দিৱস অনুষ্ঠিত হৈ আহিছে। মানুহ আৰু অন্যান্য জীৱ-জন্তুৰ স্বাস্থ্যৰ বিষয়ে সজাগতা সৃষ্টি আৰু সকলো ধৰণৰ ৰোগৰপৰা বাচি থকাৰ বাবে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰয়োজনীয় বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱা এই দিৱসৰ অন্যতম মূল উদ্দেশ্য। উল্লেখ্য যে বিশ্ব স্বাস্থ্য সংস্থাই এইবাৰ স্বাস্থ্য দিৱসৰ প্ৰধান বাণী হিচাপে 'স্বাস্থ্যৰ বাবে এক হোৱা আৰু বিজ্ঞানৰ সমৰ্থন কৰা'— এই আদৰ্শ আগবঢ়াইছে। তদুপৰি বিশ্ব স্বাস্থ্য সংস্থাই 'সকলোৰে বাবে স্বাস্থ্য' অথবা 'এক স্বাস্থ্য' (ৱান হেল্‌থ)ৰ লক্ষ্যৰ কথাও ঘোষণা কৰিছে। ইয়াৰপৰা বুজা যায় যে বিশ্ব স্বাস্থ্য সংস্থাই স্বাস্থ্যৰ উন্নতি অথবা স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত বিজ্ঞানসন্মত জ্ঞান আৰু চিন্তা জনসাধাৰণৰ মাজত, বিশ্ববাসীৰ মাজত প্ৰসাৰ আৰু প্ৰচাৰত বিশেষ গুৰুত্ব দিছে। সেয়ে বিশ্ব স্বাস্থ্য সংস্থাই দেশসমূহৰ চৰকাৰ, বিজ্ঞানী, সাধাৰণ জনতা— এই সকলো সংশ্লিষ্ট পক্ষৰ প্ৰতি আহ্বান জনাইছে স্বাস্থ্যৰ ক্ষেত্ৰত সকলো সময়তে বিজ্ঞান বা বৈজ্ঞানিক জ্ঞানৰ পক্ষ গ্ৰহণ কৰিবলৈ; লগতে প্ৰকৃত তথ্য আৰু প্ৰমাণ আৰু বিজ্ঞানভিত্তিক পথ প্ৰদৰ্শনৰ বাবেও কোৱা হৈছে— যাৰ যোগেদি মানৱ জাতিৰ স্বাস্থ্য সুৰক্ষিত ৰাখিব পৰা যাব। বিশ্ব স্বাস্থ্য সংস্থাই এই ক্ষেত্ৰত বিজ্ঞানৰ ওপৰত আস্থা ৰখাৰ বাবেও আহ্বান জনাইছে আৰু জনস্বাস্থ্যৰ অৱস্থা উন্নত কৰিবলৈ কৈছে। তদুপৰি সুস্বাস্থ্যসন্মত ভৱিষ্যতৰ বাবে বিজ্ঞানভিত্তিক সমাধান বিচাৰিবলৈ বা গ্ৰহণ কৰিবলৈও কোৱা হৈছে। 'এক স্বাস্থ্য' কথাষাৰৰ আন এটা অৰ্থ হ'ল জনসাধাৰণৰ স্বাস্থ্যৰ উন্নতিৰ বাবে এক সংহত একীকৰণ দৃষ্টিভংগী বা প্ৰক্ৰিয়া। এই দৃষ্টিভংগীয়ে কেৱল মানুহৰ স্বাস্থ্যৰ কথাই নকয়, ই পোহনীয়া তথা বন্য জীৱ-জন্তুৰ স্বাস্থ্যৰ কথাও সাঙুৰি লয়। স্বাস্থ্যৰ বিষয়ত এই দৃষ্টিভংগীয়ে মানুহৰ সৈতে পোহনীয়া জীৱ-জন্তু তথা বন্যপ্ৰাণী আৰু জৈৱ পৰিৱেশ, তৰু-তৃণ আদি সকলোকে সামৰি লয় আৰু ই হ'ল সকলোকে এটাক আনটোৰ সৈতে সংযুক্ত কৰি ৰখা দৃষ্টিভংগী। প্ৰকৃততে ক'বলৈ গ'লে স্বাস্থ্য সম্পৰ্কত ই হ'ল এক অখণ্ড বা সামগ্ৰিক (হলিষ্টিক) দৃষ্টিভংগী। অৰ্থাৎ আমি কোনোৱেই বিচ্ছিন্ন হৈ থাকি সুস্থ বা সুস্বাস্থ্যকৰ জীৱন লাভ কৰিব নোৱাৰোঁ। আমি মানুহ বা মানৱ সমাজৰ লগতে প্ৰাকৃতিক জগত তথা বন্য জীৱ-জন্তুৰ কথাও ভাবিব লাগিব।

বিশ্ব স্বাস্থ্য সংস্থাই আগবঢ়োৱা এটা অতি গুৰুত্বপূৰ্ণ পৰামৰ্শ হ'ল সকলো লোককে বৈজ্ঞানিক অথবা বিজ্ঞানসন্মত দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ তথা সেই দৃষ্টিভংগী মানি ল'বলৈ কোৱাটো। এনে পৰামৰ্শৰ কাৰণো নথকা নহয়। আজিও বিশ্বৰ বেছিভাগ অঞ্চলতেই মানুহ বা জীৱ-জন্তুৰ শৰীৰ বা ৰোগ-ব্যাধিৰ ক্ষেত্ৰত পৰম্পৰাগত পুৰণি বিশ্বাস তথা ধাৰণাবোৰ অতি গভীৰলৈকে শিপাই আছে। তেওঁলোকে বিজ্ঞানসন্মত দৃষ্টিভংগী আহৰণ অথবা আয়ত্ত কৰা নাই। সেয়ে স্বাস্থ্য ৰক্ষা নাইবা ৰোগ-ব্যাধিৰ বিষয়ত বিজ্ঞানসন্মত ব্যাখ্যা নুবুজে বা কৰিব নোৱাৰে। আনকি খোৱা-বোৱা বা দৈনন্দিনৰ খাদ্য আৰু খাদ্য-সামগ্ৰী, স্বাস্থ্যকৰ জল তথা বায়ু আদিৰ বিষয়ে সঠিক শিক্ষা-জ্ঞানৰ তেওঁলোকৰ অভাৱ। খাদ্য গ্ৰহণত সংযত হোৱা, সঠিক খাদ্যাভ্যাস, সুস্থ জীৱনশৈলী আদিৰ অবিহনে আমি সুস্বাস্থ্য লাভ কৰা সম্ভৱ নহয়। আমাৰ আনুষ্ঠানিক শিক্ষা ব্যৱস্থাই কিন্তু এইবোৰ জ্ঞান-শিক্ষা নাইবা সচেতনতা আনি দিয়া নাই। বিশ্ব স্বাস্থ্য সংস্থাই স্বাস্থ্য-চিন্তাৰ ক্ষেত্ৰত বিজ্ঞানসন্মত জ্ঞানৰ ওপৰত সেয়ে গুৰুত্ব দিছে। অৱশ্যে এই কথা সঁচা যে কেৱল স্বাস্থ্য ৰক্ষাৰ বাবেই যে আমাক বিজ্ঞানসন্মত নাইবা বৈজ্ঞানিক জ্ঞানৰ প্ৰয়োজন, তেনে নহয়; জীৱনৰ অন্যান্য ক্ষেত্ৰত বা বিষয়তো আমাক বৈজ্ঞানিক জ্ঞানৰ প্ৰয়োজন। বৈজ্ঞানিক জ্ঞানৰ অভাৱৰ বাবেই নানা অন্ধবিশ্বাস নাইবা কু-বিশ্বাস আজিও মানুহৰ মনত শিপাই আছে, যাৰ ফলত নিৰীহ লোকৰ ওপৰত দলবদ্ধ আক্ৰমণ বা হিংসা সংঘটিত কৰা হয় তথাকথিত ডাইনী হত্যাৰ দৰে বৰ্বৰ কাণ্ডবিলাকত। সংকীৰ্ণ সাম্প্ৰদায়িক চিন্তা আৰু সংঘাত, জাতিগত সংঘৰ্ষ আদিৰ দৰে কাৰ্যকলাপবোৰৰ বাবেও বিজ্ঞানসন্মত চিন্তা আৰু চেতনাৰ অভাৱকে জগৰীয়া কৰিব পাৰি। অৰ্থাৎ শাৰীৰিক তথা প্ৰাকৃতিক স্বাস্থ্যৰ উপৰি সামাজিক আৰু মানসিক স্বাস্থ্যৰ সুৰক্ষাৰ বাবেও আজি আমাক বৈজ্ঞানিক দৃষ্টিভংগী তথা সচেতনতাৰ প্ৰয়োজন।

## সময়ৰ শৰ



ৰাজনৈতিক প্ৰভাৱমুক্ত হৈ কাম কৰিব লাগিব নিৰ্বাচন আয়োগে ঃ ন্যায়াধীশ নাগমূৰ্তি।

**নিশ্চয়, কিন্তু এনেধৰণৰ কথাবিলাক সঠিক সময়ত সঠিক ৰূপত ৰূপায়ণ হোৱাটোহে দেখা পোৱা নাযায়!**

❖ ❖ ❖

গোলাঘাট বিৰোধীশূন্য হ'ব ঃ অজন্তা নেওগ।

**নিৰ্বাচনৰ পূৰ্বে এনেধৰণৰ পানীহিলৈ ফুটোৱাত মন্ত্ৰী ডাঙৰীয়ানীও বেছ আগবাঢ়ি আছে দেই!**

❖ ❖ ❖

বেলশৰৰ পুৰুষ-মহিলা মোৰ অভিভাৱক ঃ চন্দ্ৰমোহন পাটোৱাৰী।

**হয় দেই, ইমান সহজ-সৰল আমাৰ ঘৰৰ ল'ৰাটো, কথাষাৰ শুনিয়েই একেবাৰে মন-প্ৰাণ পমি গৈছে!**

❖ ❖ ❖

নেতা দাম্ভিক-অহংকাৰী হ'লে জনতাই প্ৰত্যুত্তৰ দিবলৈ সাজু হ'ব লাগে ঃ কানহাইয়া কুমাৰ।

**সাজু হ'বলৈ বাকী আছেই নেকি, জোঁৰ পুৰি হাত পালেহিয়েই দেখোন!**

কংগ্ৰেছে কেৱল কথা ক'বহে জানে ঃ শিৱৰাজ সিং চৌহান।

**আৰু দলটোৱে কথা ক'লেই যে লেঠা লাগে, সেয়া ক'বলৈ থাকি গ'ল নে নক'লে চৌহান ডাঙৰীয়াই!**

❖ ❖ ❖

১৪০ সমষ্টিত ৩৩৯ কোটিপতিৰ যুঁজ।

**এতিয়া মাথোঁ গোনা ম'হৰ যুঁজত বিৰিণাৰ মৰণ হ'বলৈহে বাকী!**


❖ ❖ ❖

## আগন্তুক নিৰ্বাচন ঃ আশা-আকাংক্ষাৰ আলিদোমোজাত...

জনমত

'২৬ৰ আগন্তুক বিধানসভা নিৰ্বাচন, আশা নে শুধৰণিৰ থল! আগন্তুক নিৰ্বাচন নতুন প্ৰজন্মৰ বাবে অভিপ্ৰেৰণা নে দল-বাগৰা ৰাজনীতিৰ অৱসান, আগন্তুক নিৰ্বাচন অৱধাৰিত নে পূৰ্বতকৈ পৃথক, আগন্তুক নিৰ্বাচন হিন্দু-মুছলমান ভেদাভেদৰ বোকা ছটিওৱা ৰাজনীতি নে তাৰ ঊৰ্দ্ধত! চাবলৈ গ'লে প্ৰতিটো নিৰ্বাচনেই নতুন, প্ৰবল কৰ্মস্পৃহা থকা সৎ সাহসী জনপ্ৰতিনিধি নিৰ্বাচন কৰাৰ এটা সুৱৰ্ণ সুযোগ প্ৰতিজন ভোটাৰৰ বাবে। কিন্তু বৃহৎ পৰম্পৰাগত ৰাজনৈতিক সমীকৰণ, ভোট চুৰি আৰু অবান্তৰ প্ৰসংগৰে মানুহক দিগভ্ৰান্ত কৰা ৰাজনৈতিক পৰিপ্ৰেক্ষিতত নৱপ্ৰজন্মই বিচৰা ঐক্য-সংহতিসম্পন্ন, সাম্প্ৰদায়িকতাবাদৰ ঊৰ্দ্ধত এখন চৰকাৰ পোৱাত বিফল হয়। আজিৰ সময়ত নৱপ্ৰজন্মক হতাশ কৰা আটাইতকৈ দুখৰ বিষয়টো হ'ল যে যেতিয়া এটা বিশেষ ধৰ্ম আৰু খাদ্যৰ নামত কাৰোবাক ৰাজনৈতিকভাৱে টাৰ্গেট কৰা হয়। যিটো সময়ত জনজাতীয় সুৰক্ষা কৱচ কটকটীয়া কৰা, যি ধৰণৰ ৰন্ধন গেছৰ নাটনি, তাক দূৰ কৰাৰ কল্পনা, একেটা সময়ত শিক্ষিত নিবনুৱা (বিশেষকৈ সংৰক্ষিত আসনৰ বিপৰীতে)ৰ সংখ্যা হ্ৰাস কৰা, প্ৰযুক্তি, আনকি কোনো কোনো অঞ্চলত দেখি থকা মৌলিক প্ৰয়োজনখিনিক স্বচক্ষে প্ৰত্যক্ষ কৰি দূৰীকৰণৰ ক্ষেত্ৰত আশ্বাস প্ৰদান কৰাৰ বিপৰীতে আকস্মিকভাৱে দেখিবলৈ পোৱা টুলুঙা, ভিত্তিহীন, অযুক্তিকৰ, অসংগতিপূৰ্ণ মন্তব্য এই সময়ত অপ্ৰাসংগিক। খাদ্য, জাত-পাত নিশ্চয় ৰাজনৈতিক যোগ্যতাৰ মাপকাঠী নহয় আৰু যদি হয়, কোনো বিশেষ সম্প্ৰদায়ৰপৰা নিৰ্বাচনত ভোটৰ আশা কৰাটোও উচিত নহয়। নিশ্চয় ৰাজনৈতিক চাৰিবেৰ অতিক্ৰম কৰিবলৈ প্ৰতিটো ধৰ্ম আৰু প্ৰতিটো সম্প্ৰদায়ৰ ভোটেৰে ভোটবেংক নিৰ্মাণ হয়। তেনে সময়ত কাৰোবাক ব্যক্তিগত আক্ৰমণ কৰি নিৰ্ভীকভাৱে বৈষম্যৰ অংকত নিজকেই বাৰে বাৰে হেয় প্ৰতিপন্ন কৰিছে। আশা কৰোঁ অনাগত সময়ত সকলোৱে সুস্থ ৰাজনীতি কৰক, নৱপ্ৰজন্মৰ দৃষ্টিৰেও অসমক সুকীয়াকৈ চোৱাত আগ-ভাগ লওক।

■ **ময়ূখী বেজবৰুৱা**
*সংস্কৃত বিভাগ, স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক*
*দিল্লী বিশ্ববিদ্যালয়, ফোন ঃ ৮০১১৯২৬৪৯০*



মনসৰা



ডঃ বিৰিঞ্চি কুমাৰ দাস

# বিশ্বাসঘাতক স্মৃতি

বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত আমাক ইংৰাজী পঢ়ুওৱা অধ্যয়নশীল শিক্ষক অশোক কুমাৰ শ্ৰীবাস্তৱ ছাৰে (এতিয়া প্ৰয়াত) এদিন পাঠদানৰ সময়ত কৈছিল, 'Memory is a treacherous friend.' (স্মৃতি এক বিশ্বাসঘাতক বন্ধু)। তেওঁ অৱশ্যে ভালদৰে মনত ৰাখি থোৱা কথা কিছুমানো পৰীক্ষাগৃহত উত্তৰ লিখি থকাৰ সময়ত পৰীক্ষাৰ্থীৰ মনত নপৰাৰ প্ৰসংগতে এই কথাটো কৈছিল। কিন্তু, আন ক্ষেত্ৰতো স্মৃতিক যে বন্ধু হিচাপে ভাৰসা কৰিব নোৱাৰি, এই কথাটো স্মৃতি সম্পৰ্কত গভীৰভাৱে চিন্তা-চৰ্চা কৰা বিভিন্ন ব্যক্তিয়ে কৈ গৈছে। উদাহৰণস্বৰূপে, ঊনবিংশ শতিকাৰ ইংৰাজ লেখক চাৰ্লছ কালেব ক'ল্টনে ১৮২০ চনত প্ৰকাশিত তেওঁৰ 'লেক'ন ঃ অৰ, মেনি থিংছ ইন এ ফিউ ৱৰ্ডছ' গ্ৰন্থখনত এনেকুৱা এটা কথা কৈছিল যে বুদ্ধিদীপ্ততাৰ ক্ষেত্ৰত স্মৃতি বন্ধু, কিন্তু উদ্ভাৱনৰ ক্ষেত্ৰত ই বিশ্বাসঘাতক সহযোগীহে। আকৌ বৰিছ ক্ৰাইগাৰ নামৰ ৰুছিয়ান দাৰ্শনিকগৰাকীয়ে 'দ্য ট্ৰেচাৰাছ মেম'ৰী' (২০২৫) নামৰ এখন গ্ৰন্থই লিখি পেলাইছে।

অসমৰ বিশিষ্ট বিজ্ঞানী তথা বিজ্ঞান লেখক ডঃ দীনেশ চন্দ্ৰ গোস্বামীয়ে দুটা খণ্ডত লিখিত তেওঁৰ 'আত্মজীৱনীৰ প্ৰয়াস' নামৰ আত্মজীৱনীমূলক উপন্যাস অথবা উপন্যাসৰ আৰ্হিত ৰচিত আত্মজীৱনীখনৰ জৰিয়তে মানুহৰ মন আৰু স্মৃতি সম্পৰ্কে কেইবাটাও গুৰুত্বপূৰ্ণ কথা আমাক অৱগত কৰিছে। মন সম্পৰ্কীয় বিভিন্ন কথাৰ মাজতে তেওঁ লিখিছে যে মনে যেতিয়া অতীতৰ কোনো কথা বা ঘটনাৰ স্মৃতি ৰোমন্থন কৰে, ই যে কথাটো বা ঘটনাটো একেবাৰে হুবহু ৰূপতে স্মৃতিলৈ আনিব, তাৰ কোনো নিশ্চয়তা নাই। ৰোমন্থনত ঘটনাটো কিছু বিকৃত ৰূপতেই আমাৰ মনলৈ অহাটো সম্ভৱ। স্মৃতি হিচাপে মনলৈ কিছুমান কথা এনে ধৰণেৰে আহি পৰিব পাৰে, যিবোৰ আচলতে তেনে ধৰণেৰে ঘটা নাছিল আৰু মনে এতিয়া সেইবোৰ ঠিক তেনে ধৰণেৰেই ঘটিছিল বুলি ধৰি লৈছে। আনকি কেতিয়াবা এনেকুৱাও হয় যে কেৱল ঘটনাৰ অংশ নহয়, স্মৃতিলৈ অহা গোটেই ঘটনাটোৱেই হয়তো কেতিয়াও ঘটাই নাছিল।

এই কথাটো আমি বাস্তৱ জীৱনত প্ৰায়েই হোৱা দেখিবলৈ পাওঁ। কেতিয়াবা দেখা যায় যে এগৰাকী ব্যক্তিয়ে যেতিয়া বেলেগ বেলেগ সময়ত একেটা ঘটনাৰে বৰ্ণনা দিয়ে, তেওঁৰ প্ৰতিটো বৰ্ণনাৰ মাজত কিছু প্ৰভেদ আহি যায়। এটা বৰ্ণনা দি উঠাৰ পাছত সেইটোৱেই সঠিক বৰ্ণনা বুলি তেওঁ পতিয়ন যায়; আগেয়ে যে তেওঁ অলপ বেলেগ ধৰণেৰে কথাটো বৰ্ণনা কৰিছিল, সেয়া তেওঁৰ মনলৈ নাহে। তেওঁৰ পৰৱৰ্তী বৰ্ণনাত আকৌ তেওঁ এতিয়া সঠিক বৰ্ণনা বুলি ভবা কথাখিনিৰ পুনৰ কিছু সাল-সলনি হ'ব পাৰে।

স্মৃতিৰ এনে কেৰামতালিৰ প্ৰসংগতে মোৰ মনলৈ আহে মিলান কুন্দেৰাৰ 'দ্য বুক অব লাফ্‌টাৰ এণ্ড ফৰগেটিং' উপন্যাসখনত বৰ্ণিত এটা কাহিনীৰ অন্তৰ্ভুক্ত এটা কথা। এই উপন্যাসখন মুঠ সাতটা ভাগত বিভক্ত আৰু প্ৰতিটো ভাগতে ঔপন্যাসিকে সাতটা ভিন ভিন কাহিনী কৈছে; কাহিনীবোৰৰ চৰিত্ৰসমূহো আনকি ভিন ভিন, কেৱল টামিনা নামৰ এটা চৰিত্ৰইহে দুটা কাহিনীত মূল ভূমিকা পালন কৰাৰ সুবিধা পাইছে। উপন্যাসখনৰ দ্বিতীয় ভাগটোৰ শিৰোনাম হৈছে 'মা'। এই 'মা'গৰাকী হৈছে কাৰেল নামৰ পুৰুষ চৰিত্ৰ এটাৰ মাতৃ। এই মাতৃগৰাকীৰ বাহিৰেও কাহিনীটোৰ তিনিটা গুৰুত্বপূৰ্ণ চৰিত্ৰ হৈছে কাৰেল, তেওঁৰ পত্নী মাৰ্কেটা আৰু বন্ধু (প্ৰেমিকা) ইভা। এটা সময়ত কাৰেল আৰু মাৰ্কেটাই কাৰেলৰ মাকক অবাঞ্ছিত আৰু বিৰক্তিকৰ বুলি ধৰি লৈছিল আৰু মাকৰপৰা যিমানখিনি পাৰি, দূৰলৈ গুচি যোৱাৰ মনোবৃত্তিৰে তেওঁলোকে তেওঁৰপৰা পৃথকে থাকিবলৈ লৈছিল। কিন্তু, পাছত মাকৰ প্ৰতি সদয় হৈ তেওঁলোকে তেওঁক তেওঁলোকৰ সৈতে থাকিবলৈ মাতে— অৱশ্যে এসপ্তাহৰ বাবেহে। তেনেকুৱা এটা সময়তে কাৰেলৰ প্ৰেমিকা ইভা কাৰেল-মাৰ্কেটাৰ ঘৰলৈ থকাকৈ অহাৰ কথা আৰু কাৰেলে নিবিচাৰে মাকে ইভাক লগ পাওক। কিন্তু, তেওঁলোকৰপৰা বিদায় ল'বলগীয়া নিৰ্দ্ধাৰিত দিনটোত মাক গুচি নোযোৱাত ইভাই মাকৰ মুখামুখি হোৱাটো অৱধাৰিত হৈ পৰিল। অৱশ্যে মাকৰ ওচৰত তেওঁৰ এটা মিছা পৰিচয় দাঙি ধৰে। ইভাক লগ পাই মাকৰ পুৰণি বন্ধু মিছেছ নোৰাৰ কথা মনলৈ আহিল। তেওঁ কাৰেল, মাৰ্কেটা আৰু ইভাৰ সন্মুখত নিজৰ অতীত ৰোমন্থন কৰিবলৈ ধৰিলে, অৱশ্যে এয়া কৰোঁতে তেওঁ বহুত ভুল কৰিলে। কাৰেলে মাকক সেই ভুলবোৰ শুধৰাই দিলে যদিও মাকে সেইবোৰ শুধৰাই নল'লে, কাৰণ মাকৰ ভাব হ'ল, তেওঁ নিজৰ ভুল স্বীকাৰ কৰি কাৰেলে আগবঢ়োৱা শুধৰণিবোৰ মানি লোৱা মানে তেওঁলোকক নিজতকৈ ওখ হৈ যাবলৈ দিয়া, যিটো তেওঁ নিবিচাৰে। গতিকে তেওঁৰ অতীতক তেওঁ ভুলবোৰেৰে সৈতে স্মৃতিৰ মাজত নতুনকৈ নিৰ্মাণ কৰিলে।

> যদি পাহৰণি নাথাকিলহেঁতেন, আমাৰ জীৱনৰ সকলো নেতিবাচক ঘটনাই যদি একেই প্ৰচণ্ডতাৰে চিৰদিন আমাৰ স্মৃতিত ভিৰ কৰি থাকিলেহেঁতেন, আমাৰ জীৱন দুৰ্বিষহ হৈ পৰিলেহেঁতেন।

শুনাত আচহুৱা যেন লাগিলেও এয়া কোনো নতুন কথা নহয়। ইচ্ছাকৃতভাৱে কৰা নহ'লেও আমি যেতিয়া অতীতৰ কোনো কথা বা ঘটনা বৰ্ণনা কৰোঁ, স্মৃতিৰ বিশ্বাসঘাতকতাৰ বাবেই এই বৰ্ণনাৰ মাজত কিছু খালী ঠাই ৰৈ যোৱাৰ সম্ভাৱনা থাকে। আমাৰ মনে সেই খালী ঠাইবোৰ নিজা ধৰণেৰে পূৰণ কৰি লয় আৰু সেইবাবে আমাৰ অতীত ৰোমন্থন আচল ঘটনাটোৰ সৈতে সম্পূৰ্ণ একে নোহোৱাৰ সম্ভাৱনা থাকি যায়। অথচ আমি ভাবি থাকোঁ যে আমি ঘটনাটো অবিকল ৰূপত মনলৈ আনিছোঁ। কিছুমান মানুহৰ স্মৃতিশক্তি যে প্ৰবল হয় বুলি আমি ভাবোঁ, তেনেকুৱা লোকো এই অৱস্থাটোৰপৰা সম্পূৰ্ণৰূপে মুক্ত হ'ব নোৱাৰে।

পৰীক্ষাৰ্থীয়ে ভালকৈ মুখস্থ কৰি যোৱা কথাবোৰ পৰীক্ষাগৃহত সঠিকভাৱে মনত পেলাব নোৱাৰাটো নিঃসন্দেহে বৰ বেয়া কথা। এই ক্ষেত্ৰত স্মৃতিৰ বিশ্বাসঘাতকতা আমাৰ বাবে ক্ষতিকৰ। কিন্তু, অতীতৰ সকলো কথা অবিকল ৰূপত বৰ্তমানলৈ কঢ়িয়াই অনাৰ ক্ষেত্ৰত স্মৃতিয়ে সন্মুখীন হোৱা ব্যৰ্থতাক বা এই ক্ষেত্ৰত স্মৃতিয়ে আমাক কৰা বিশ্বাসঘাতকতাক সদায়ে বেয়া কথা বুলি ক'ব পাৰিনে? সেইটো প্ৰশ্নলৈ যোৱাৰ আগেয়ে আন এটা প্ৰশ্নৰ মুখামুখি হোৱাটো প্ৰয়োজনীয়— পাহৰণি সদায়ে বেয়া কথানে? আমি যে প্ৰায়ে দুই ধৰণৰ স্মৃতিৰ কথা কওঁ— ব্যক্তিগত স্মৃতি আৰু সামূহিক স্মৃতি—ইয়াৰে সামূহিক স্মৃতিৰ ক্ষেত্ৰত হয়তো পাহৰণিক বৰ ভাল কথা বুলি ধৰিব নোৱাৰি। উদাহৰণস্বৰূপে, অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যই যে লিখিছিল, 'উহ পাহৰণি! যেন ৰাক্ষসিনী! গিলিলি বহুত অসম গৌৰৱ', তেওঁ অসমৰ গৌৰৱ কৰিবলগীয়া বস্তুবোৰৰ কথা অসমীয়া মানুহে পাহৰি যোৱাটোক লৈ আক্ষেপ কৰিছিল। বিশেষকৈ ৰাজনীতিৰ প্ৰসংগত আমি যে প্ৰায়েই কওঁ 'সমূহীয়া স্মৃতি খন্তেকীয়া' বুলি, ইও আমাৰ সামূহিক জীৱনৰ নেতিবাচক দিশ এটাৰ প্ৰতিয়েই ইংগিত দিয়ে। কিন্তু, ব্যক্তিগত জীৱনত পাহৰণিৰ বহুত বেয়া ফল থাকিলেও ইয়াক সম্পূৰ্ণৰূপে আপত্তিজনক বুলিও ক'ব নোৱাৰি। পাহৰণিয়ে পৰীক্ষাগৃহত পৰীক্ষাৰ্থীক আহুকালত পেলোৱাৰ দৰেই জীৱনৰ আন আন গুৰুত্বপূৰ্ণ কামৰ সময়তো অতি দৰকাৰী কথা কিছুমান গ্ৰাস কৰি জটিল সমস্যাৰ সৃষ্টি কৰাটো পাহৰণিয়ে আমাৰ জীৱনলৈ অনা ডাঙৰ ক্ষতি। কিন্তু, লগতে এইটোও অস্বীকাৰ কৰিব নোৱাৰি যে যদি পাহৰণি নাথাকিলহেঁতেন, আমাৰ জীৱনৰ সকলো নেতিবাচক ঘটনাই যদি একেই প্ৰচণ্ডতাৰে চিৰদিন আমাৰ স্মৃতিত ভিৰ কৰি থাকিলেহেঁতেন, আমাৰ জীৱন দুৰ্বিষহ হৈ পৰিলেহেঁতেন। এলবাৰ্ট আইনষ্টাইনে সৰু সৰু কথাবোৰ পাহৰি যোৱাৰ অনেক আমোদজনক কাহিনী আছে; কিন্তু এনেদৰে কথাবোৰ পাহৰা স্বভাৱটোৱে তেওঁক জ্ঞান-বিজ্ঞানৰ জগতত বিশাল অৱদান আগবঢ়োৱাৰ ক্ষেত্ৰত বাধা দিয়া নাই।

আমি ওপৰত উল্লেখ কৰা বৰিছ ক্ৰাইগাৰৰ গ্ৰন্থখনৰ আলমত কিছুমান আলোচকে ক'বলৈ খোজে যে অতীতক অবিকল ৰূপত বৰ্তমানলৈ লৈ অহাৰ ক্ষেত্ৰত স্মৃতিৰ ব্যৰ্থতা (বা এই ক্ষেত্ৰত স্মৃতিৰ বিশ্বাসঘাতকতা) কোনো পৰাভূত কৰিবলগীয়া ত্ৰুটী নহয়। স্মৃতিৰ এই অসম্পূৰ্ণতাক তেওঁলোকে মানুহৰ স্বাধীনতা, বিকাশ আৰু নৈতিক জীৱনৰ চালিকা শক্তি বুলিহে অভিহিত কৰিছে আৰু ইয়াক মানুহৰ সৃষ্টিশীলতাৰ সৈতেও সংলগ্ন কৰিছে। এইটো গুৰুত্বপূৰ্ণ কথা যে আমাৰ মানৱীয় সত্তাক গঢ়ি তোলাৰ ক্ষেত্ৰত স্মৃতিৰ ভূমিকাই সৰ্বাধিক; স্মৃতি আছে বাবেই আমাৰ ইতিহাস আছে আৰু ইতিহাস আছে বাবেই আমি আন জীৱ-জন্তুতকৈ ওপৰত বুলি ক'ব পৰা অৱস্থা এটাত আছোঁ। কিন্তু, এইসকল আলোচকৰ মতে, আমাৰ অতীতক ওভতাই অনাৰ ক্ষেত্ৰত স্মৃতিৰ ভূমিকাটো এগৰাকী সম্পাদকৰ লেখীয়াহে, যিয়ে অহৰহ সম্পাদনাৰ দায়িত্ব পালন কৰি থাকে। আমাৰ মানৱীয় সত্তা বৰ্তি থাকে স্মৃতিৰ এই অপূৰ্ণতাৰ বাবে, যি অপূৰ্ণতা এক মানৱীয় সৌন্দৰ্যৰ বাহক।

*ফোন ঃ ৭০০২১৪৩৩২৫*

> **যুদ্ধত** প্ৰযুক্তিবিদ্যাই **যিদৰে কোনোবা এখন দেশক অগ্ৰগতি প্ৰদান কৰে, ঠিক** একেদৰে অন্য এখন **দেশক কিন্তু ধ্বংসৰ** মুখলৈ ঠেলি দিয়ে। **যুদ্ধত যিমানে তথ্য-প্ৰযুক্তিৰ** পয়োভৰ ঘটিব সিমানে যুদ্ধ ধ্বংসাত্মক হৈ গৈ থাকিব।



# যুদ্ধত তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰ কিদৰে হয়?

দেৱৰ্ষি গৌতম

যুদ্ধ বুলি ক'লে আমাৰ মনত পোনপটীয়াকৈ এটাই দৃশ্য ভাহি উঠে যে বিশাল সামৰিক বাহিনীৰ মাজত গুলীয়াগুলী চলিব আৰু যিখন দেশৰ সামৰিক বাহিনী অধিক শক্তিশালী সেই দেশখনে জয়লাভ কৰিব। এই ধাৰণাটো আমাৰ মনলৈ অহাটো কোনো অস্বাভাৱিক কথা নহয়। কাৰণ পূৰ্বে হোৱা যিকোনো যুদ্ধৰ দৃশ্যপট আমি অনুমান কৰা ধৰণৰে আছিল। কিন্তু সময়বোৰ যিমানে সলনি হৈছে, প্ৰযুক্তিবিদ্যাৰ যিমানে উন্নতি হৈছে তাৰ লগে লগে যুদ্ধ-কৌশলবোৰো সলনি হৈছে। যুদ্ধত ব্যৱহৃত গুলী-বাৰুদৰ সমান্তৰালকৈ বৰ্তমান সময়ত সামৰিক বাহিনীয়ে ব্যৱহাৰ কৰে উন্নত আৰু আধুনিক প্ৰযুক্তিৰ। বৰ্তমান সময়ত যুদ্ধ বুলি ক'লে কেৱল গুলী-বাৰুদ আৰু সৈন্যশক্তিৰে কোনো দেশে বিজয়ী হ'ব নোৱাৰে। বৰ্তমান সময়ৰ যুদ্ধত বিজয়ী হ'বলৈ হ'লে যুদ্ধত অৱতীৰ্ণ হোৱা দেশসমূহক গুলী-বাৰুদ, সৈন্যশক্তিৰ সমান্তৰালভাৱে আধুনিক প্ৰযুক্তিৰ দিশটো শক্তিশালী হোৱাটো বাধ্যতামূলক। দুখন দেশৰ মাজত যেতিয়াই যুদ্ধৰ পৰিৱেশ বিৰাজমান হয়, তেতিয়াই দুইখন দেশে পৰস্পৰে প্ৰতিটো গতি-বিধিৰ ওপৰত নজৰ ৰাখিবলৈ যত্ন কৰে। প্ৰতিদ্বন্দ্বী দেশখনৰ বিৰুদ্ধে নজৰ ৰাখিবলৈ হ'লে নিজে প্ৰযুক্তিৰ দিশৰ পৰা উন্নত হ'ব লাগিব। কাৰণ প্ৰতিদ্বন্দ্বী দেশখনৰ ভূমিত গৈ সেইখন দেশৰ সকলো গতি-বিধিৰ ওপৰত নিৰীক্ষণ কৰাটো সম্ভৱপৰ নহয়। গতিকে যদি এখন দেশৰ কৃত্ৰিম উপগ্ৰহ থাকে, তেনেহ'লে সেই দেশখনে আন দেশৰ গতি-বিধিৰ ওপৰত নজৰ ৰাখিবলৈ সমৰ্থ হয়। তদুপৰি পৰস্পৰে অতিকৈ গুৰুত্বপূৰ্ণ কিছুমান ছেক্টৰত চাইবাৰ আক্ৰমণ সংঘটিত কৰে। এই চাইবাৰ আক্ৰমণ বিভিন্ন স্তৰত সংঘটিত হয়। কিছুমান চাইবাৰ আক্ৰমণৰ জৰিয়তে এখন দেশে আন এখন দেশৰ গুৰুত্বপূৰ্ণ ঠিকনা বিকল কৰিবলৈ চেষ্টা কৰে। আনহাতে অন্য কিছুমান চাইবাৰ আক্ৰমণৰ জৰিয়তে এখন দেশে নিজৰ প্ৰতিদ্বন্দ্বী দেশখনৰ গুৰুত্বপূৰ্ণ কিছুমান ঠিকনাৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ আনিবলৈ চেষ্টা কৰে। আনহাতে অন্য কিছুমান চাইবাৰ আক্ৰমণৰ জৰিয়তে সামাজিক মাধ্যমত প্ৰতিদ্বন্দ্বী দেশখনৰ জনতাক কিছুমান বিভ্ৰান্তিমূলক খবৰ প্ৰচাৰ কৰি চৰকাৰৰ বিৰুদ্ধে আক্ৰমণাত্মক কৰাবলৈ চেষ্টা কৰে। ইয়াৰ পাছতে সংঘটিত হয় দুখন দেশৰ মাজত যুদ্ধৰ মূল শক্তি প্ৰদৰ্শনী। দুইখন দেশে অস্ত্ৰ-শস্ত্ৰৰ জৰিয়তে নিজৰ প্ৰতিদ্বন্দ্বী দেশখনক নিজৰ শক্তি প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰে। কিন্তু এই শক্তি প্ৰদৰ্শন কৰিবলৈ কোনো দেশৰ সেনাই শাৰীৰিকভাৱে প্ৰতিদ্বন্দ্বী দেশৰ সীমাৰ ভিতৰত প্ৰৱেশ নকৰে। নিজৰ দেশৰ পৰাই প্ৰতিদ্বন্দ্বী দেশৰ বিভিন্ন স্থানত মিছাইল আৰু ড্ৰোনৰ জৰিয়তে আক্ৰমণ সংঘটিত কৰে। আনহাতে প্ৰতিদ্বন্দ্বী দেশে কৰা মিছাইল আৰু ড্ৰোন আক্ৰমণ প্ৰতিহত কৰিবলৈ প্ৰতিৰক্ষাকাৰী দেশখনে এয়াৰ ডিফেন্স ছিষ্টেম সক্ৰিয় কৰি ৰাখে। এই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ক্ষেত্ৰতো দুইখন দেশে প্ৰযুক্তিৰ দিশৰ পৰা যথেষ্ট শক্তিশালী হোৱাটো নিতান্তই প্ৰয়োজন।

যুদ্ধত অৱতীৰ্ণ হোৱা যিকোনো এখন দেশে আক্ৰমণ চলাবলৈ হ'লে প্ৰথমে প্ৰযুক্তিৰ সহায়ত নিজৰ ড্ৰোন অথবা মিছাইলসমূহক নিৰ্দিষ্ট লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিয়ে আৰু তাৰ পাছত সেই মিছাইল নাইবা ড্ৰোনসমূহ নিক্ষেপ কৰে। নিক্ষেপ কৰাৰ পাছত বিশেষ প্ৰযুক্তিৰ সহায়ত সেই ড্ৰোন আৰু মিছাইলসমূহে পূৰ্বতে নিৰ্দ্ধাৰণ কৰি ৰখা লক্ষ্যত গৈ আঘাত হানে। আনহাতে প্ৰতিপক্ষৰ ফালৰ পৰা নিৰ্দিষ্ট লক্ষ্য নিৰ্দ্ধাৰণ কৰি নিক্ষেপ কৰা যিকোনো ড্ৰোন নাইবা মিছাইল প্ৰতিহত কৰিবলৈ ব্যৱহাৰ কৰা এয়াৰ ডিফেন্স ছিষ্টেমো প্ৰযুক্তিৰ ফালৰ পৰা যথেষ্ট উন্নত হোৱাটো বাঞ্ছনীয়। কাৰণ বহু হাজাৰ কিলোমিটাৰ দূৰত্বৰ পৰাই এই ছিষ্টেমে কাম কৰিব পাৰে। প্ৰথমে নিজৰ ৰাডাৰৰ জৰিয়তে এই ছিষ্টেমে সম্ভাব্য বিপদক নিশ্চিত কৰে। তাৰ পাছত ৰাডাৰৰ জৰিয়তে এই ছিষ্টেমে কোন দিশৰ পৰা এই বিপদ আহি আছে, সেয়া নিশ্চিত কৰে আৰু শেষত শত্ৰুপক্ষৰ ড্ৰোন নাইবা মিছাইলক প্ৰতিহত কৰিবলৈ সক্ৰিয় হৈ উঠে। এই সকলো প্ৰযুক্তিৰ পাছত শেহতীয়াকৈ যুক্ত হৈছে কৃত্ৰিম বুদ্ধিমত্তাৰ। কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে যুদ্ধত কিছুমান নতুন নতুন কৌশল আৰু কিছুমান অসাধ্য সাধনৰ বাট মুকলি হোৱাৰ উপক্ৰম হৈছে। উদাহৰণ স্বৰূপে পূৰ্বে যিকোনো তথ্য লাভ কৰিবলৈ সময়ৰ প্ৰয়োজন হৈছিল। ইণ্টাৰনেটত প্ৰয়োজনীয় তথ্য লাভ কৰিলেও বিশ্বাসযোগ্যতা যথেষ্ট কম আছিল, কিন্তু কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ সহজলভ্য হৈ পৰাৰ লগে লগে সামৰিক দিশতো তথ্য সংগ্ৰহ কৰা অতি সহজ হিচাপে বিবেচিত হৈছে। যিহেতু সামৰিক ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ এতিয়াও প্ৰাথমিক পৰ্যায়তে আছে। গতিকে পৰৱৰ্তী সময়ত এই কৃত্ৰিম বুদ্ধিমত্তাৰ অৱদান সামৰিক ক্ষেত্ৰত কিমান প্ৰভাৱশালী হয় সেয়া লক্ষণীয় হ'ব। কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ নোহোৱাকৈয়ে কেৱল প্ৰযুক্তিৰ ব্যৱহাৰৰ সহায়তে যুদ্ধৰ ভয়াৱহতা ইমান ধ্বংসমুখী হৈছে। গতিকে ইয়াৰ পাছত যুদ্ধৰ বাবে যদি কৃত্ৰিম বুদ্ধিমত্তাৰ সম্পূৰ্ণ ব্যৱহাৰ আৰম্ভ হয়, তেনেহ'লে হয়তো পৃথিৱীত মানুহ জীয়াই থকাৰ পৰিৱেশ লাহে লাহে নোহোৱা হৈ পৰিব। হয়তো এটা সময় আহিব, মানুহ অবিহনে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত পৃথিৱীৰ দেশসমূহে নিজৰ নিজৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ চেষ্টা কৰিব। এটা সময় আহিব যে কৃত্ৰিম বুদ্ধিমত্তাই নিজৰ মতে নিজৰ প্ৰতিদ্বন্দ্বী দেশক আক্ৰমণ কৰিব আৰু আক্ৰমণৰ বলি হোৱা দেশখনৰ কৃত্ৰিম বুদ্ধিমত্তাই সিদ্ধান্ত গ্ৰহণ কৰিব যে সেই আক্ৰমণৰ প্ৰত্যুত্তৰ প্ৰদান কৰিব লাগিব নে আক্ৰমণ প্ৰতিহত কৰিয়ে ক্ষান্ত থাকিব লাগিব। হয়তো অতি সোনকালে এনে এটা দিন আমি দেখিবলৈ পাম যে যুদ্ধৰ আৰম্ভণি মানুহে ঠিকেই কৰিব, কিন্তু সেই যুদ্ধৰ পৰিসমাপ্তি কেতিয়া আৰু কেনেদৰে হ'ব তাৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ মানুহৰ হাতত কোনো শক্তিয়ে নাথাকিব; মানুহৰ পৰিৱৰ্তে সেই সিদ্ধান্ত গ্ৰহণ কৰিব কৃত্ৰিম বুদ্ধিমত্তাই। যুদ্ধত প্ৰযুক্তিবিদ্যাই যিদৰে কোনোবা এখন দেশক অগ্ৰগতি প্ৰদান কৰে, ঠিক একেদৰে অন্য এখন দেশক কিন্তু ধ্বংসৰ মুখলৈ ঠেলি দিয়ে। যুদ্ধত যিমানে তথ্য-প্ৰযুক্তিৰ পয়োভৰ ঘটিব সিমানে যুদ্ধ ধ্বংসাত্মক হৈ গৈ থাকিব। গতিকে এটা কথা নিশ্চিত যে তথ্য-প্ৰযুক্তিৰ ফলত পৃথিৱীখন যিমানে সৰু হৈ গৈ আছে সিমানেই কিন্তু প্ৰতিখন দেশে যুদ্ধৰ বাবে পৃথিৱীৰ প্ৰতিটো চুক-কোণ সামৰি আক্ৰমণ কৰিব পৰা অস্ত্ৰ নিৰ্মাণ কৰি উলিয়াইছে। তথ্য-প্ৰযুক্তিক যিদৰে পৃথিৱীৰ উন্নতিৰ বাবে ব্যৱহাৰ কৰা হৈছে ঠিক একেদৰে তথ্য-প্ৰযুক্তিৰ সহায়ত প্ৰস্তুত কৰা অস্ত্ৰ-শস্ত্ৰৰ জৰিয়তে পৃথিৱীক ধ্বংসৰ বাবেও সাজু কৰি ৰখা হৈছে। আমি ইতিমধ্যে আলোচনা কৰা কথাবোৰৰ পৰা এটা কথা স্পষ্টকৈ পৰিস্ফুট হৈছে যে যুদ্ধৰ ফলত পৃথিৱীৰ পৰিৱেশ বিনষ্ট হৈছে। যুদ্ধই মানুহৰ জীৱনৰ মূল্য কমাই আনিছে। যুদ্ধত অৱতীৰ্ণ হোৱা যিকোনো দেশৰে আৰ্থিক অৱস্থা তেনেই শোচনীয় কৰি পেলায়। যুদ্ধৰ ফলত পৃথিৱীত প্ৰদূষণৰ হাৰ অভাৱনীয় হাৰত বৃদ্ধি পায়। গতিকে যুদ্ধবিহীন পৃথিৱী এখন সকলোৰে বাবে একান্তই কাম্য। সুস্থ-সবল আৰু সুখ-শান্তিৰে জীয়াই থাকিবলৈ হ'লে প্ৰতিখন দেশে যুদ্ধ অবিহনে নিজ নিজ দেশৰ নীতি প্ৰস্তুত কৰিব লাগিব।

*ফোন ঃ ৬৯১৩৯-৩০৮২৯*






## নলবাৰীৰপৰা কংগ্ৰেছক বিদায় দিয়াৰ আহ্বান জয়ন্তমল্লৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**নলবাৰী, ৬ এপ্ৰিল ঃ** এইবাৰৰ নিৰ্বাচনত নলবাৰীৰ পৰা কংগ্ৰেছক বিদায় দিবলৈ আহ্বান জনাইছে নলবাৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱাই। আজি নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৯ নং ঘগ্ৰাপাৰৰ গাঁও পঞ্চায়তৰ চিলিং মধ্য ইংৰাজী বিদ্যালয় খেলপথাৰত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত তেওঁ এই মন্তব্য কৰে। পঞ্চায়ত ভিত্তিত অনুষ্ঠিত উক্ত সভাত জয়ন্ত মল্ল বৰুৱাই বিগত সময়ত নলবাৰী তথা ঘগ্ৰাপাৰ অঞ্চলত কৰা কাম-কাজৰ খতিয়ান দাঙি ধৰি আগন্তুক সময়ত ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰখন উন্নীত কৰা, ঘগ্ৰাপাৰ অঞ্চলৰ সকলো বাট-পথ পৰ্যায়ক্ৰমে নিৰ্মাণ কৰা, আগন্তুক এটা বছৰৰ ভিতৰত ঘগ্ৰাপাৰৰ সঠামৌত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱা অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পাঠদান আৰম্ভ কৰা, ঘগ্ৰাপাৰত এখন পূৰ্ণ পৰ্যায়ৰ মহাবিদ্যালয় নিৰ্মাণ কৰা, অৰুণোদয় আঁচনিৰ ধন ১২৫০ টকাৰ পৰা পৰ্যায়ক্ৰমে ৩০০০ টকালৈ বৃদ্ধি কৰাৰ কথা উল্লেখ কৰে। সভাত নলবাৰী জিলা বিজেপি সভাপতি জয়ন্ত কুমাৰ বুজৰবৰুৱাই নলবাৰী বিধানসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱাক ৰেকৰ্ডসংখ্যক ভোটৰ ব্যৱধানত জয়যুক্ত কৰিবলৈ উপস্থিত ৰাইজক আহ্বান জনায়। সভাত ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ সভাপতি মনোজ ডেকা, নলবাৰী জিলা পৰিষদৰ উপাধ্যক্ষ হিতেশ ব্ৰহ্ম, বিজেপি নেতা ভ্ৰমৰ মজুমদাৰ, ডিম্বেশ্বৰ বেজবৰুৱাসহ দলীয় নেতৃত্বই অংশগ্ৰহণ কৰে।

ভোটাৰে শাক-পাচলি, পিঠা-পনা উপহাৰ দিয়ে খুমটাইৰ বিজেপি প্ৰাৰ্থীজনক

# এখনো প'ষ্টাৰ-বেনাৰ নাই মৃণাল শইকীয়াৰ

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**গোলাঘাট, ৬ এপ্ৰিল ঃ** কালি নিশা পৰ্যন্ত নিৰ্বাচনী প্ৰচাৰ চলাই একপ্ৰকাৰ এই অভিযানৰ সামৰণি মাৰে খুমটাই সমষ্টিৰ বিজেপি প্ৰাৰ্থী মৃণাল শইকীয়াই। তেওঁ ক'তো এখনো ডাঙৰ সভা অনুষ্ঠিত নকৰিলে, তেওঁৰ সমষ্টিত কোনো মন্ত্ৰী, বিধায়ক বা মুখ্যমন্ত্ৰীয়ে আহি প্ৰচাৰ চলোৱা নাই। তেওঁক ষ্টাৰ কেম্পেইনাৰৰ প্ৰয়োজন নহয় নেকি বুলি সোধাত ক'লে, 'মই একেবাৰে সাধাৰণ মানুহ, মই সাধাৰণ মানুহৰ লগত থাকি ভাল পাওঁ, মই কাম কৰি ভাল পাওঁ, ভাষণ দি বেয়া পাওঁ, এতিয়া ডাঙৰ ডাঙৰ সভা পাতি ভাষণ দিলে ৰাইজে আমনিহে পায়। মই যদি ভাল কাম কৰিছোঁ ৰাইজে ভাল পাব আৰু যদি বেয়া কাম কৰিছোঁ ৰাইজে বেয়া পাব। গতিকে ভোট কোনে দিব কোনে নিদিয়ে, সেইবোৰ মই নাচাওঁ। আজি দিনটোত ঘৰতে ৰাইজে আহি শুভেচ্ছা দিছে, আশীৰ্বাদ দিছে, মোৰ বাবে সেয়াই যথেষ্ট। তদুপৰি কোনোবাই শাক-পাচলি লৈ আহিছে, কোনোবাই ফল-মূল আনিছে, কোনোবাই মিঠাই বা ঘৰত তৈয়াৰ কৰা পিঠা-পনা আনিছে। এইবোৰ মোক উপহাৰ হিচাপে দিছে, তাতকৈ আৰু মোক কি লাগে।'— এয়া বিধায়ক মৃণাল শইকীয়াৰ মন্তব্য। ইয়াতকৈও আশ্চৰ্যজনক বিষয়টো হ'ল খুমটাই সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰতিগৰাকী প্ৰাৰ্থীয়ে বেনাৰ, হৰ্ডিং, প'ষ্টাৰ আদি লগাই জাকজমকতাৰে নিৰ্বাচনী প্ৰচাৰ চলাইছে, কিন্তু মৃণাল শইকীয়াৰ সমষ্টিটোৰ ক'তো এখনো প'ষ্টাৰ, বেনাৰ, হৰ্ডিং দেখিবলৈ নাই। সঁচাকৈয়ে ব্যতিক্ৰমী বিধায়ক মৃণাল শইকীয়া। আজি দিনটো ঘৰতে ৰাইজৰ সৈতে মত বিনিময় কৰিলে যদিও কাইলৈ পুৱা ৭ বজাৰ পৰা পঞ্চায়তে পঞ্চায়তে চাইকেল ৰেলী উলিওৱাৰ কথা।



■ ওৰাঙত নিৰ্বাচনী প্ৰচাৰ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰ বিধায়িকা পত্নী কল্পনা মুৰ্মু ছোৰেণৰ ■

# এয়া আদিবাসীৰ প্ৰাপ্য অধিকাৰৰ যুঁজ



**দৈনিক অসমৰ প্ৰতিনিধি**

**ওৰাং, ৬ এপ্ৰিল ঃ** 'অসমৰ দুশ বছৰীয়া চাহ উদ্যোগত নিয়োজিত শ্ৰমিকসকলৰ পাপ্য অধিকাৰৰ বাবে ঝাৰখণ্ড মুক্তি মৰ্চাই প্ৰথমবাৰৰ বাবে অসম বিধানসভা নিৰ্বাচনত ধনু-কাঁড়ৰ চিহ্নত অৱতীৰ্ণ হৈ পূৰ্ণ শক্তি প্ৰয়োগ কৰিছে।'— এই মন্তব্য আগবঢ়াইছে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ বিধায়িকা পত্নী কল্পনা মুৰ্মু চোৰেণৰ। আজি মাজবাট বিধানসভা সমষ্টিৰ ওৰাং চাহ বাগিচাৰ খেলপথাৰত আছা, ঝাৰখণ্ড মুক্তি মৰ্চা আৰু জয় ভাৰত পাৰ্টীৰ মনোনীত প্ৰাৰ্থী প্ৰীতিৰেখা বালা নাগৰ হৈ প্ৰচাৰ চলায়। চোৰেণে কয় যে বৃটিছৰ দিনৰ পৰাই চাহ শ্ৰমিকসকলক বঞ্চনা কৰি আহিছে। চাহ শ্ৰমিকৰ বহু লোকে অসম বিধানসভাৰ বিধায়ক, মন্ত্ৰী, অধ্যক্ষ-উপাধ্যক্ষ, বিৰোধী দলপতি আদি আসন শুৱনি কৰিছে যদিও সন্তুষ্ট হ'ব পৰা নাই আদিবাসীসকল। অসমৰ আদিবাসীসকল লাঞ্ছিত, বঞ্চিত, শোষিত বুলি জানিবলৈ পাই ঝাৰখণ্ড মুক্তি মৰ্চাই প্ৰথমবাৰৰ বাবে অসম বিধানসভা নিৰ্বাচনত অংশগ্ৰহণ কৰি অসমৰ ১৭টা সমষ্টিত আছা আৰু জেবিপিৰ লগত লগ লাগি প্ৰাৰ্থী থিয় কৰাইছে। সেয়েহে মাজবাট সমষ্টিৰ আদিবাসীসকলক ৯ এপ্ৰিলত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনত ধনু-কাঁড়ৰ চিহ্নত ভোট দি প্ৰীতিৰেখা বালা নাগক জয়যুক্ত কৰি অসম বিধানসভালৈ পঠিয়াবলৈ আহ্বান জনায়। আজিৰ নিৰ্বাচনী সভাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মাজবাট খণ্ডৰ বিস্তাৰক জয়নন্দন বৰাইক, জেবিপিৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক কৃষ্ণ নায়ক, গোপাল গোড়, শিৱলাল পানিকা উপস্থিত থাকে।

## বোকাখাতত নিৰ্দলীয়ৰে সংঘাত ৰাইজৰ দলৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বোকাখাত, ৬ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত মাত্ৰ দুটা দিন থকাৰ সময়তে ১০৫ নং বোকাখাত বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী প্ৰণৱ দলেৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে ৰাইজৰ দলৰ গোলাঘাট জিলাৰ বিষয়ববীয়া ৰতন দাৰে। ৰতন দাৰৰ মতে, বোকাখাতৰ নিৰ্বাচনত প্ৰণৱ দলে কোনো ফেক্টৰেই নহয়। যোৱাবাৰ নিৰ্বাচনত কংগ্ৰেছ দলৰ সমৰ্থন পাইছিল বাবে কিছু গুৰুত্ব পাইছিল। নিৰ্বাচনৰ প্ৰচাৰ কৰিবলৈ গৈ ৰাইজৰ মাজত কংগ্ৰেছ, জাতীয় পৰিষদ আৰু ৰাইজৰ দলে তেওঁক সমৰ্থন জনোৱা বুলি প্ৰণৱ দলে অপপ্ৰচাৰ চলাইছে বুলি সংবাদ মাধ্যমক অৱগত কৰে ৰতন দাৰে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বোকাখাতৰ উন্নয়ন বাবে একেলগে কাম কৰিবৰ বাবে প্ৰণৱ দলেক আহ্বান জনাইছিল যদিও প্ৰণৱ দলে এই কথা প্ৰত্যাখ্যান কৰিছিল আৰু এতিয়া ৰাইজৰ মাজত মিচিং অধ্যুষিত অঞ্চলত গৈ বিৰোধী ঐক্যমঞ্চৰ ৰাইজৰ দল আৰু ভাৰতীয় জাতীয় কংগ্ৰেছে তেওঁক সমৰ্থন কৰা বুলি ভুৱা প্ৰচাৰ চলাইছে, বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। আমাৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী হৰিপ্ৰসাদ শইকীয়াহে বুলি মন্তব্য কৰি ৰতন দাৰে এনে ভুৱা প্ৰচাৰ নকৰিবলৈ প্ৰণৱ দলেক সকীয়াই দিয়ে।

ছিপাঝাৰত শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

# পৰমানন্দ ৰাজবংশী-বিনন্দ কুমাৰ শইকীয়াৰ মাজত হ'ব নিৰ্বাচনী যুঁজ



**দৈনিক অসমৰ প্ৰতিনিধি**

**ছিপাঝাৰ, ৬ এপ্ৰিল ঃ** সমাগত বিধানসভা নিৰ্বাচনলৈ মাজত মাথোঁ দুটা দিন বাকী থকা অৱস্থাত দৰং জিলাৰ ৪৯ নং ছিপাঝাৰ বিধানসভা সমষ্টি দখলৰ বাবে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। বিধায়ক তথা বিজেপি প্ৰাৰ্থী ডঃ পৰমানন্দ ৰাজবংশীয়ে সমষ্টিটো নিজৰ দখলত ৰাখিবৰ বাবে যিদৰে উঠি-পৰি লাগিছে, একেদৰে কংগ্ৰেছ প্ৰাৰ্থী বিনন্দ কুমাৰ শইকীয়ায়ো দিন-ৰাতি একাকাৰ কৰি ভোটাৰ ৰাইজৰ ঘৰে ঘৰে গৈ ভোটাৰক পতিয়ন নিয়াই তেওঁৰ পক্ষত ভোটদান কৰিবলৈ আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে। বিগত ২০২১ বৰ্ষৰ বিধানসভা নিৰ্বাচনত প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই বিজেপিৰ টিকট লাভ কৰাত ব্যৰ্থ হৈ বিগত বৰ্ষৰ ছেপ্টেম্বৰত কংগ্ৰেছত যোগদান কৰে আৰু এইবেলি কংগ্ৰেছৰ পৰা দলীয় প্ৰাৰ্থিত্ব লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, বিগত বিধানসভা নিৰ্বাচনত ছিপাঝাৰ অগপৰ পৰা দলীয় টিকট লাভ কৰি নিশাটোৰ ভিতৰতে বিজেপিত যোগদান কৰা ডঃ পৰমানন্দ ৰাজবংশীয়ে বিগত নিৰ্বাচনত বিধায়ক হিচাপে নিৰ্বাচিত হয়। ডঃ ৰাজবংশীয়ে এইবেলিও বিজেপিৰ টিকট লাভ কৰে। বৰ্তমান অধিষ্ঠানবিৰোধী ঢৌ গা কৰি উঠাৰ বাবে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ পৰমানন্দ ৰাজবংশীৰ বাবে সমষ্টিটো পুনৰুদ্ধাৰ কৰাটো প্ৰত্যাহ্বান হিচাপে বিবেচিত হৈছে। ইয়াৰ মাজতে অৱশ্যে চৰকাৰৰ উন্নয়নমুখী আঁচনি, হিতাধিকাৰী আঁচনি আদিয়ে ডঃ ৰাজবংশীক যথেষ্ট পৰিমাণে সকাহ দিয়াৰ থল আছে। জানিব পৰা মতে, ছিপাঝাৰত প্ৰায় ৪০ হাজাৰ মহিলা হিতাধিকাৰী আছে। তদুপৰি বিগত ২৮ মাৰ্চত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ছিপাঝাৰৰ দেওমৰনৈত অনুষ্ঠিত বিজয় সংকল্প সভাত ডঃ পৰমানন্দ ৰাজবংশীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়। ইয়াৰ পাছত যোৱা ৩ এপ্ৰিলত দৰঙৰ দীঘিৰপাৰত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই টংলা, মঙলদৈ, দলগাঁৱৰ দলীয় প্ৰাৰ্থীৰ লগতে ছিপাঝাৰৰ বিজেপিৰ প্ৰাৰ্থী ডঃ পৰমানন্দ ৰাজবংশীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা কাৰ্য অন্য এক ইতিবাচক দিশ বুলি গণ্য কৰিব পাৰি। ইয়াৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী বিনন্দ কুমাৰ শইকীয়াৰ হৈ ৰাষ্ট্ৰীয় নেতৃত্বৰ কথাতো বাদেই ৰাজ্যিক নেতৃত্বয়ো কোনো ধৰণৰ প্ৰচাৰ চলোৱা নাই এইপৰ্যন্ত। উল্লেখ্য যে সমষ্টিটোৰ পৰা চাৰিগৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হ'ব যদিও কংগ্ৰেছৰ বিনন্দ কুমাৰ শইকীয়া আৰু বিজেপিৰ প্ৰাৰ্থী ডঃ পৰমানন্দ ৰাজবংশীৰ মাজতে সীমাবদ্ধ থাকিব তীব্ৰ প্ৰতিদ্বন্দ্বিতা।

## পদ্মৰ সমৰ্থনত নদুৱাৰত বিশাল টমটম ৰেলী

**দৈনিক অসমৰ প্ৰতিনিধি**

**জামুগুৰিহাট, ৬ এপ্ৰিল ঃ** 'অসমৰ লগতে নদুৱাৰ সমষ্টিক অন্যতম বিকশিত সমষ্টি ৰূপে গঢ়িবলৈ আমি সংকল্প লৈছোঁ। এই সংকল্প তথা লক্ষ্যক কোনো অপশক্তিয়ে বাধা দিব নোৱাৰে। কংগ্ৰেছে যিমানেই কূট-কৌশল ৰচনা কৰি বা ষড়যন্ত্ৰ কৰি ক্ষমতা দখলৰ চেষ্টা নকৰক কিয় সেই ষড়যন্ত্ৰ তথা কূট-কৌশল ৰাইজে ইতিমধ্যেই ওফৰাই পেলাইছে।'— এই মন্তব্য নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ। আজি নদুৱাৰ সমষ্টিৰ জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা মহোৎসৱস্থলী পকামূৰা পথাৰত এখন বিশাল জনসভাত অংশগ্ৰহণ কৰি বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে এনেদৰে কয়। তদুপৰি জামুগুৰিহাটৰ টমটম মালিক সন্থাৰ উদ্যোগত উলিওৱা বিশাল টমটম ৰেলীৰ প্ৰাক্‌মুহূৰ্তত অনুষ্ঠিত বিশাল সভাত অংশগ্ৰহণ কৰি পদ্ম হাজৰিকাই লগতে কয় যে পকামূৰা পথাৰৰ জনসমুদ্ৰই আজি প্ৰমাণ কৰিলে নদুৱাৰত পুনৰ জয় হ'ব বিশ্বাস আৰু উন্নয়নৰ। পকামূৰাৰ বুকুৰ পৰা ওলোৱা এই জনসমুদ্ৰই স্পষ্ট কৰি দিলে যে আমাৰ সমষ্টিৰ ৰাইজে কামত বিশ্বাস কৰে, অপপ্ৰচাৰত নহয়। তেওঁ বিগত দিনবোৰত আমি নদুৱাৰৰ যি পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছোঁ, তাৰ ধাৰাবাহিকতা ৰক্ষা কৰিব বিচাৰিছোঁ আপোনালোকৰ বহুমূলীয়া ভোটটিৰে বুলি উপস্থিত ৰাইজলৈ আহ্বান জনায়।




পূব গোৱালপাৰাত বদৰুদ্দিন আজমল

## অখিল-লুৰীণ মুছলমানৰ প্ৰকৃত শত্ৰু

**দৈনিক অসমৰ প্ৰতিনিধি**

**নগৰবেৰা, ৬ এপ্ৰিল ঃ** ১৪ নং গোৱালপাৰা পূব সমষ্টিত বিভিন্ন দলৰ প্ৰাৰ্থীয়ে তেওঁলোকৰ নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। সমষ্টিটোত শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰে আকৰ্ষণীয় ৰূপ লৈছে। আজি সমষ্টিটোৰ কাণকাটাত এ আই ইউ ডি এফৰ এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে দলটোৰ মুৰব্বী তথা প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে। দলৰ গোৱালপাৰা পূব সমষ্টিৰ প্ৰাৰ্থী বিধায়ক হাফিজ বছিৰ আহমেদৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই বদৰুদ্দিন আজমলে কংগ্ৰেছ, বিজেপিক তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, 'কংগ্ৰেছে বিগত দিনবোৰৰ নিচিনা মুছলমান মানুহৰ সমস্যা সমাধান নকৰে।' মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভাবুকিত ভয় নকৰিবলৈ মুছলমান লোকসকলক তেওঁ আহ্বান জনায়। সভাত তেওঁ ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈকো সমালোচনা কৰে। বদৰুদ্দিন আজমলে কয় যে অখিল-লুৰীণ মুছলমানসকলৰ প্ৰকৃত শত্ৰু। তেওঁলোক দুয়োজনে বিজেপিৰ সৈতে মিলি মুছলমানৰ ক্ষতি কৰি আহিছে। সেয়ে কংগ্ৰেছ, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদক ভোট দিলে মুছলমান লোকে ভুল কৰা হ'ব। এইবাৰৰ নিৰ্বাচনত এ আই ইউ ডি এফ দলে ১৯-২০খন আসন লাভ কৰিব বুলিও কয় বদৰুদ্দিন আজমলে। সভাত এ আই ইউ ডি এফৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি তথা প্ৰাক্তন বিধায়ক ডাঃ আদিত্য লাংথাচা, পূব গোৱালপাৰা সমষ্টিৰ দলীয় প্ৰাৰ্থী তথা বিধায়ক হাফিজ বছিৰ আহমেদ, কেন্দ্ৰীয় সমিতিৰ প্ৰশাসনিক সাধাৰণ সম্পাদক আব্দুল হাইৰ লগতে দলৰ কেইবাজনো নেতাই ভাষণ দিয়ে।

বোকাখাতৰ বিহৰাত এন ডি এৰ বিশাল জনসভা

## অতুল বৰাৰ সমৰ্থনত প্ৰচাৰ শিৱৰাজ চৌহানৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মহুৰামুখ, ৬ এপ্ৰিল ঃ** সমগ্ৰ অসমৰ লগতে ১০৫ নং বোকাখাত বিধানসভা সমষ্টিতো বলিছে এতিয়া নিৰ্বাচনৰ গৰম বতাহ। শাসক-বিৰোধী সকলো প্ৰাৰ্থীয়ে নিজা নিজা নেতাক লৈ চলাইছে নিৰ্বাচনী প্ৰচাৰ। আজি বোকাখাত বিধানসভা সমষ্টিৰ এন ডি এৰ সমৰ্থিত প্ৰাৰ্থী তথা অগপৰ সভাপতি অতুল বৰাৰ হৈ বিহৰা বাগান খেলপথাৰত এখন বিশাল জনসভা সম্বোধন কৰে কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে। বোকাখাত সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী, দুবাৰৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অতুল বৰাই আদৰণী ভাষণেৰে আৰম্ভ কৰা সভাখনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এন ডি এ চৰকাৰৰ দিনত হোৱা উন্নয়ন আৰু বিভিন্ন আঁচনিৰ জৰিয়তে ৰাইজ উপকৃত হোৱাৰ কথা ব্যক্ত কৰে। তেওঁ ভাষণৰ আৰম্ভণিতে অসমৰ পুণ্যভূমিত থকা মা কামাখ্যাক বিহৰাৰ সভাস্থলীৰ পৰাই প্ৰণাম জনোৱাৰ লগতে বীৰ লাচিতকো স্মৰণ কৰে। তেওঁ কংগ্ৰেছক আক্ৰমণ কৰি কংগ্ৰেছে পাঁচটা 'মহাপাপ' কৰা বুলি অভিযোগ তোলে। মন্ত্ৰীগৰাকীয়ে 'জয় আই অসম, কংগ্ৰেছ খতম' ধ্বনিৰে আকাশ-বতাহ মুখৰ কৰি তোলে।



# ৰূপহীহাট-গোলাঘাটত কংগ্ৰেছত খহনীয়া

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰূপহীহাট, ৬ এপ্ৰিল ঃ** নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে ৰূপহীহাটত সিমানেই কংগ্ৰেছত আৰম্ভ হৈছে খহনীয়া। ৰূপহীহাটৰ জুৰীয়া, মাহেৰীপাৰ, ফুটালজাৰ, শালপাৰা আদি পঞ্চায়তত আজি অগপৰ প্ৰাৰ্থী জাকিৰ হুছেইন ফৰাজীয়ে নিৰ্বাচনী প্ৰচাৰ চলায়। ফৰাজীৰ মাৰাথন নিৰ্বাচনী প্ৰচাৰত কংগ্ৰেছত আৰম্ভ হৈছে খহনীয়া। ৰূপহীহাটৰ বিভিন্ন পঞ্চায়তৰ পৰা আজি প্ৰায় পাঁচ শতাধিক কংগ্ৰেছৰ নেতা-কৰ্মীয়ে দল ত্যাগ কৰি অগপত যোগদান কৰে। অগপত যোগদান কৰাসকলক জাকিৰ হুছেইন ফৰাজীয়ে দলৰ টুপী আৰু গামোচাৰে আদৰি লয়। অগপ দলত যোগদান কৰাসকলে নুৰুল হুদাৰ প্ৰতি অসন্তুষ্ট হৈ কংগ্ৰেছ দল ত্যাগ কৰিছে বুলি জানিব পৰা গৈছে।

**গোলাঘাটৰ দৈনিক অসমৰ বিশেষ প্ৰতিনিধি ঃ** অসম বিধানসভা নিৰ্বাচনলৈ নিচেই কম সময় বাকী থকা সময়তো কংগ্ৰেছৰ জ্যেষ্ঠ নেতা, কৰ্মীৰ কাম-কাজত অসন্তুষ্ট হৈ দল ত্যাগ কৰাৰ ধূম আঁতৰা নাই। গোলাঘাট জিলা কংগ্ৰেছত মোক্ষম আঘাত হানি দুজন নেতাই আজি পুৱাৰ ভাগতে মন্ত্ৰী অজন্তা নেওগৰ ওচৰত বিজেপিত যোগদান কৰে। বিজেপিৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ আৰু চৰকাৰৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি আস্থা প্ৰকাশ কৰি গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক স্বপ্নিল আকাশ শইকীয়া আৰু পদুমনি ব্লক যুৱ কংগ্ৰেছৰ সভাপতি কপূল কৃষ্ণ নাথে কংগ্ৰেছ দল ত্যাগ কৰি বিজেপিত যোগদান কৰে। মন্ত্ৰী অজন্তা নেওগৰ বাসগৃহত বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰাৰ পাছতে দুয়োকে অজন্তা নেওগে উষ্ণ আদৰণি জনায়। তেওঁলোকৰ এই যোগদানে দলটোক অধিক শক্তিশালী কৰি তুলিব বুলি আশা প্ৰকাশ কৰে।

# খানা খালে কংগ্ৰেছৰ, ভোট দিব বিজেপিক

মঙলদৈত গাঁৱৰ মহিলাৰ অকপট স্বীকাৰোক্তিত চাঞ্চল্য



**দৈনিক অসমৰ প্ৰতিনিধি**

**দৰং, ৬ এপ্ৰিল ঃ** 'খানা খাইছোঁ ৰিজুমণিৰ, কিন্তু ভোট দিম বিজেপিক। তেওঁলোকক আমি কৈয়ে পঠিয়াইছোঁ, আমি বিজেপিৰ মানুহ। বিজেপিকে ভোট দি আহিছোঁ।' এই অকপট স্বীকাৰোক্তি পশ্চিম মঙলদৈৰ এদল মহিলাৰ। মহিলাসকলৰ ভোটৰ বাবে প্ৰলোভন দি কংগ্ৰেছে খানা খুওৱাৰ অভিযোগ উঠাৰ পাছত আজি নিৰ্ভীক ৰূপত এই মন্তব্য কৰে মহিলাসকলে। লক্ষণীয় যে দুদিন পূৰ্বে ডাঁহী জনাৰামচৌকাৰ সমীপৰ কেওটপাৰা চুবুৰিলৈ মঙলদৈৰ কংগ্ৰেছৰ প্ৰাৰ্থী ৰিজুমণি তালুকদাৰ গৈছিল। তেওঁক মহিলাসকলে বিজেপিৰ প্ৰাৰ্থী নীলিমা দেৱী বুলি গামোচা পিন্ধায়। কিন্তু, যেতিয়া উক্ত চুবুৰিৰ যুৱক এজনৰ মাতৃয়ে আমাৰ ল'ৰাটো বিজেপিৰ কামতে ঘূৰি আছে, আমি আপোনাকে ভোট দিম বুলি সদৰি কৰে, তেতিয়াই জোলোঙাৰ মেকুৰী ওলাই পৰে আৰু কংগ্ৰেছৰ দলটো ছত্ৰভংগ দিয়ে। এই ঘটনাৰ পাছত তুমুল চৰ্চা চলে যদিও আজি আকৌ এক নতুন কাহিনী পোহৰলৈ আহিছে। সেই অনুসৰি, বিজেপি বুলি পিন্ধালে গামোচা, লগেভাগে খালে এসাঁজ, কিন্তু ওলাল কংগ্ৰেছ। কংগ্ৰেছৰ দলটোৱে সিদিনা ভোজ-ভাত খুৱাই আঁতৰি যায় যদিও গাঁৱৰ বিজেপি কৰ্মী এজন ঘৰ পোৱাৰ লগে লগে জোলোঙাৰ মেকুৰী ওলাই পৰে। স্থানীয় বিজেপিৰ কৰ্মী এজনে মঙলদৈৰ পৰা উভতি গৈ বিষয়টো অৱগত হৈ মহিলাসকলক সাক্ষাৎ কৰে। ইপিনে, মহিলাসকলে দলীয় কৰ্মীক ওচৰতে পাই বিষয়টো বহলাই কয় আৰু বিজেপিৰ প্ৰাৰ্থী নীলিমা দেৱীকে ভোট দি জয়ী কৰাব বুলি প্ৰকাশ কৰে। কিন্তু যেতিয়া বিজেপিৰ কৰ্মীগৰাকীয়ে খানা খুৱাবলৈ অহা গৰাকী বিজেপিৰ নীলিমা দেৱী নহয়, কংগ্ৰেছৰ ৰিজুমণি বুলি সদৰি কৰে, লগে লগে মহিলাসকলৰ মাজত হাহাকাৰ লাগে।

## মাজুলীত ভুৱন গাম-ইন্দ্ৰনীল পেগুৰ যুঁজ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ৬ এপ্ৰিল ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৯৮ নং মাজুলী বিধানসভা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। মাজুলীত মূল যুঁজখন ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভুৱন গাম আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ডঃ ইন্দ্ৰনীল পেগুৰ মাজতে অনুষ্ঠিত হ'ব। ইতিমধ্যে ভাৰতীয় জনতা পাৰ্টী, অসম গণ পৰিষদ আৰু সন্মিলিত গণশক্তি, অসমৰ নেতা-কৰ্মীয়ে ভুৱন গামৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। আনহাতে, ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ডঃ ইন্দ্ৰনীল পেগুৱে অতি পৰিকল্পিতভাৱে নিৰ্বাচনী প্ৰচাৰ চলাইছে। অসম গণ পৰিষদ আৰু সন্মিলিত গণশক্তি, অসমৰ নেতা-কৰ্মীয়ে ভুৱন গামক বিপুল ভোটত জয়ী কৰাবলৈ ব্যাপক প্ৰস্তুতি চলোৱা দেখা গৈছে। আজি মাজুলীৰ ঢেকিয়াজুলিত অসম গণ পৰিষদৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন দলৰ পৰা ত্ৰিশগৰাকী লোকে আনুষ্ঠানিকভাৱে অসম গণ পৰিষদত যোগদান কৰে। মাজুলী যুৱ পৰিষদৰ সভাপতি মজিন দাসৰ গৃহত অনুষ্ঠিত উক্ত যোগদান কাৰ্যসূচীত মাজুলী জিলা অসম গণ পৰিষদৰ সাধাৰণ সম্পাদক জিতু ভূঞা, অসম গণ পৰিষদৰ প্ৰশাসনিক সম্পাদক অনিৰুদ্ধ দত্তৰ লগতে অসম গণ পৰিষদৰ কেইবাগৰাকী নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।





## বশিষ্ঠ আৰক্ষীৰ জালত ছজনীয়া ইৰানী গ্ৰুপৰ সদস্য

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** গুৱাহাটীৰ পাঁচটাকৈ সমষ্টিত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠাৰ সময়তে মহানগৰীৰ বিভিন্ন স্থানত অব্যাহত আছে চুৰি-ডকাইতিৰ দৰে অপৰাধজনিত ঘটনা। গুৱাহাটী মহানগৰীৰ সাউকুছিৰ এগৰাকী মহিলাৰপৰা বাইকত অহা দুই দুৰ্বৃত্তই মহিলাগৰাকীৰ ডিঙিৰপৰা কালি সোণৰ চেইন কাঢ়ি লৈ যোৱাৰ ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয় সমগ্ৰ অঞ্চলটোত। পাছত মহিলাগৰাকীৰ এজাহাৰৰ ভিত্তিত বশিষ্ঠ আৰক্ষীয়ে অভিযান চলাই ঘটনাৰ ২৪ ঘণ্টা নৌহওঁতে ঘটনাত জড়িত থকা ছজনকৈ ইৰানী গেঙৰ সদস্যক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত অভিযুক্তসকল ক্ৰমে কংগ্ৰেছ কুমাৰ, বিকাশ সত্যজিৎ, নাথুনী সত্যজিৎ, ৰিংকু মজুমদাৰ, নয়ন সৰকাৰ আৰু বাবলু সৰকাৰ বুলি আৰক্ষী সূত্ৰে প্ৰকাশ। উল্লেখ্য যে ইৰানী গ্ৰুপৰ সদস্যসকলে দীৰ্ঘদিন ধৰি মহানগৰীৰ বিভিন্ন ঠাইত চুৰি-ডকাইতি কাণ্ড সংঘটিত কৰি আহিছে বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে দলটোৰপৰা দুখন স্কুটী, ম'বাইল ফোন আৰু সোণৰ চুৰি অলংকাৰ জব্দ কৰিবলৈ সক্ষম হয়। ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি বৰ্তমান তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

### মধ্য গুৱাহাটী সমষ্টিৰ সাত প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ১,৯২,৬১৫ ভোটাৰে

# পদূলিয়ে পদূলিয়ে ভোট ভিক্ষা প্ৰাৰ্থীৰ




**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** কামৰূপ মহানগৰ জিলাৰ অন্যতম সমষ্টি মধ্য গুৱাহাটী সমষ্টিৰ নিৰ্বাচনৰ পৰিৱেশ আকৰ্ষণীয় হৈ উঠিছে। অন্য প্ৰান্তৰ সমান্তৰালকৈ মধ্য গুৱাহাটীতো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰতিগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰ চলাই ৰাইজক আকৰ্ষণ কৰিবলৈ চেষ্টা চলোৱা দেখা গৈছে। ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে সমষ্টিটোত প্ৰতিগৰাকী প্ৰাৰ্থীয়ে সভা-সমিতি আদিৰ লগতে ঘৰৰ পদূলিয়ে পদূলিয়ে গৈ প্ৰচাৰ চলাই ৰাইজৰ মন জয় কৰিবলৈ চেষ্টা চলাইছে। উল্লেখ্য যে সমষ্টি নতুনকৈ নিৰ্দ্ধাৰণৰ পাছত মধ্য গুৱাহাটীত এইবাৰ সাতগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজয় কুমাৰ গুপ্তা, বিৰোধী মিত্ৰজোঁটৰপৰা অসম জাতীয় পৰিষদৰ প্ৰক্ষেপিত প্ৰাৰ্থী কুংকি চৌধুৰী, আম আদমী পাৰ্টী (আপ)ৰ অনুৰূপা ডেকাৰজা, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ অভিজিত মজুমদাৰ, অল ইণ্ডিয়া ফৰৱাৰ্ড ব্লকৰ বিপুল দেৱনাথ আৰু নিৰ্দলীয় প্ৰাৰ্থী হিচাপে অচ্যুত কলিতা আৰু প্ৰবীণজ্যোতি কলিতাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইতিমধ্যে সমষ্টিটোৰ আটাইকেইগৰাকী প্ৰাৰ্থীয়ে সমৰ্থকক লগত লৈ প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ পাছত পূৰ্বৰ পশ্চিম গুৱাহাটী সমষ্টিটো বিলুপ্তি ঘটাই নতুনকৈ গঠন হোৱা মধ্য গুৱাহাটী সমষ্টিটোত কোনগৰাকী প্ৰাৰ্থী বিধায়ক হিচাপে নিৰ্বাচিত হ'ব, সেয়া সমষ্টিটোৰ ১,৯২,৬১৫ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব। ৰাজ্যৰ অন্যতম সমষ্টি হিচাপে চিহ্নিত হোৱা মধ্য গুৱাহাটী সমষ্টিত পূৰ্বৰ বিধায়কজন অগপৰ আছিল যদিও এইবাৰ বিজেপি আৰু জাতীয় পৰিষদৰ প্ৰক্ষেপিত প্ৰাৰ্থীৰ মাজতে মূলযুঁজখন হ'ব বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে। উল্লেখ্য যে মধ্য গুৱাহাটী বিধানসভা সমষ্টিৰ সৰ্বমুঠ ভোটাৰৰ সংখ্যা ১,৯২,৬১৫ গৰাকী। ইয়াৰ ভিতৰত পুৰুষ ভোটাৰৰ সংখ্যা ৯৪,৩৪৫, মহিলা ভোটাৰৰ সংখ্যা ৯৮,২৬৮ আৰু তৃতীয় লিংগৰ ভোটাৰ দুগৰাকী। জানিব পৰা মতে, সমষ্টিটোত সৰ্বাধিক বাঙালী সম্প্ৰদায়ৰ ভোটাৰ আছে। তথ্য অনুসৰি, বাংলাভাষী ৬৭ হাজাৰ ভোটাৰৰ বিপৰীতে হিন্দীভাষী ৬৬ হাজাৰ, অসমীয়া ৪৩ হাজাৰ, নেপালী ১০ হাজাৰ আৰু কাৰ্বি, বড়ো, ৰাভা আদি জনগোষ্ঠীৰ প্ৰায় ১২ হাজাৰ ভোটাৰ আছে। সমষ্টিটোত পুৰুষ ভোটাৰৰ তুলনাত মহিলা ভোটাৰৰ সংখ্যা বেছি। মধ্য গুৱাহাটী সমষ্টিত মুঠ ভোটকেন্দ্ৰৰ সংখ্যা ২১৮টা। গড় হিচাপে প্ৰতিটো ভোটকেন্দ্ৰত ৮৮৪ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ পাছত প্ৰথমবাৰৰ বাবে অহা ৯ এপ্ৰিলত অনুষ্ঠিত হ'ব অসম বিধানসভাৰ নিৰ্বাচন।

### অসম-মেঘালয় আন্তঃৰাজ্যিক সীমান্তত সতৰ্কতা

## অসম অভিমুখী পথত চি চি কেমেৰা সংস্থাপন



**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰাণী, ৬ এপ্ৰিল ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰাক্ক্ষণত অসম-মেঘালয় আন্তঃৰাজ্যিক সীমা সংযোগী পথৰ লগতে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ বিভিন্ন স্থানত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। সীমা অঞ্চলসমূহত অতিৰিক্ত নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাৰ লগতে অসম অভিমুখী পথসমূহত চি চি কেমেৰা স্থাপন কৰা হৈছে। ইতিমধ্যে অসম-মেঘালয় আন্তঃৰাজ্যিক সীমা সংযোগী মাইৰাং-ৰাণী পথৰ শুকুৰবীয়াত চি চি কেমেৰা স্থাপন কৰিছে। লগতে আন্তঃৰাজ্যিক সীমাৰ অন্যান্য পথ উমচুৰ আৰু বাখালাপাৰাতো চি চি কেমেৰা স্থাপন কৰিছে। আনহাতে, কামৰূপ মহানগৰ জিলাৰ গড়ভঙা সংৰক্ষিত বনাঞ্চলৰ লখৰা-গড়ভঙা সংযোগী পথ আৰু বশিষ্ঠৰ পিলিংকাটাতো স্থাপন কৰিছে চি চি কেমেৰা। উল্লেখ্য যে আন্তঃৰাজ্যিক সীমা সংযোগী পথ আৰু অঞ্চলসমূহত অসম আৰক্ষী আৰু অৰ্দ্ধসামৰিক বাহিনীৰ লোকে ২৪ ঘণ্টাই পহৰা দিছে। নিৰ্বাচনী আচৰণ বিধি বলবৎ কৰাত সহায়ক হোৱাকৈ অসমে মেঘালয় আৰক্ষীৰ সৈতে ব'ৰ্ডাৰ সমন্বয় সমিতি গঠন কৰিছে। তদুপৰি নগদ ধন, আগ্নেয়াস্ত্ৰ, বিস্ফোৰক সামগ্ৰী, মাদক দ্ৰব্য আদি সৰবৰাহ প্ৰতিৰোধৰ বাবে এছ এছ টি, ফ্লায়িং স্কোৱাড টীম গঠন কৰি সীমাৱৰ্তী পথসমূহৰে চলাচল কৰা যান-বাহনৰ তালাচী অভিযান অব্যাহত ৰাখিছে। দুয়োখন ৰাজ্যৰ আৰক্ষীয়ে অপৰাধী, সন্দেহজনক লোকৰ ওপৰতো বিশেষভাৱে নজৰ ৰাখিছে।




## ভোটদানৰ সজাগতাৰে আৰক্ষীৰ পথ সঞ্চালন অভিযান

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** সমাগত বিধানসভাৰ নিৰ্বাচনৰ প্ৰক্‌মুহূৰ্তত গুৱাহাটী মহানগৰীৰ মেঘালয় সীমাৱৰ্তী অঞ্চলত ৰাইজৰ মাজত ভোটদানৰ সজাগতা বৃদ্ধিৰ লগতে নিৰাপত্তাৰ ভাব অব্যাহত ৰখাৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰ আৰক্ষীৰ পূব গুৱাহাটী জিলাৰ বশিষ্ঠ সংমণ্ডলে বিভিন্ন সজাগতামূলক পদক্ষেপ গ্ৰহণ কৰি আহিছে। তাৰ অংশ হিচাপে আজি পূব গুৱাহাটী জিলাৰ বশিষ্ঠ সংমণ্ডল এলেকাত আৰক্ষীয়ে হাতে হাতে বেনাৰ, প্লে-কাৰ্ড লৈ পথ সঞ্চালনৰ লগতে এৰিয়া ডমিনেচন অভিযান চলায়। মহানগৰ আৰক্ষীৰ বশিষ্ঠ সংমণ্ডলৰ সহকাৰী আৰক্ষী আয়ুক্ত সত্যেন্দ্ৰ সিং হাজাৰীৰ নেতৃত্বত আৰক্ষীৰ এটা বিশেষ দলে অঞ্চলটোত ৯ এপ্ৰিলৰ দিনা সকলো নাগৰিকে নিৰ্ভয়ে ভোটদান কৰিবলৈ ওলাই যাব পাৰে, তাৰ আহ্বান জনোৱাৰ লগতে কোনো ধৰণৰ অপৰাধমূলক কাৰ্যকলাপ সংঘটিত হ'বলৈ নাপায় বা সন্দেহজনক গতিবিধি ৰোধ কৰিব পৰা যায়, তাৰ বাবে পেট্ৰলিং আৰু তালাচী অভিযান চলায়। এই পথ সঞ্চালনৰ সময়ত আৰক্ষীয়ে মেঘালয় সীমাৰ লগতে বশিষ্ঠ অঞ্চলৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থান পৰিদৰ্শন কৰে আৰু স্থানীয় বাসিন্দাসকলৰ সৈতে মত-বিনিময়ো কৰে।

# নাথপাৰাত পথ মেৰামতি ৰাইজৰ

### ৰাণীত বাৰিষাৰ পূৰ্বে শ্ৰমদান কৰিবলৈ ওলাই আহিল স্থানীয় লোক

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰাণী, ৬ এপ্ৰিল ঃ** গুৱাহাটী মহানগৰীৰ পাৰ্শ্বৱৰ্তী ৰাণীৰ নামপাৰা নাথপাৰাত গাঁওখনৰ বাট-পথসমূহ মেৰামতিৰ বাবে ওলাই আহিছে স্থানীয় ৰাইজ। প্ৰশাসনৰ গুৰুত্বহীনতাৰ বাবে ৰাইজে নিজে শ্ৰমদান কৰি বাট-পথসমূহ মেৰামতি কৰে। এই সন্দৰ্ভত স্থানীয় বাসিন্দা টিকেন নাথে কয় যে বাৰিষাৰ পূৰ্বে পথবোৰ মেৰামতি নকৰিলে আমাৰেই অহা-যোৱাৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সৃষ্টি হ'ব। সেয়ে এই কামখিনিৰ মেৰামতিৰ ক্ষেত্ৰত অকল চৰকাৰক ভাৰসা নকৰি আমি গাঁওখনৰ ৰাইজ ওলাই আহি সমূহীয়া শ্ৰমদান কৰিছোঁ। অন্ততঃ বাৰিষা বোকাময় অৱস্থাৰপৰা হাত সাৰিব পাৰিম। উল্লেখ্য যে এসময়ত নিজ গাঁও এখনৰ চলাচল কৰা বাট-পথসমূহ মেৰামতিৰ বাবে ৰাইজে সমূহীয়াভাৱে শ্ৰমদান কৰিছিল। অকল বাট-পথেই নহয়, গাঁওখনৰ উন্নয়নৰ বাবে ৰাইজে মিলি বছৰত কমেও তিনি-চাৰিবাৰ শ্ৰমদান কৰিছিল। প্ৰায় বিশ-পচিশ বছৰ আগলৈও গাঁওসমূহত এনে ব্যৱস্থা প্ৰচলন হৈ আছিল। কিন্তু, আজি-কালিৰ গাঁওবাসীৰ মাজত সমূহীয়া শ্ৰমদান কাৰ্য প্ৰায় নোহোৱা হোৱাৰ দৰে হৈছে। যাৰ ফলত নিজৰ গাঁওখনৰ বাট-পথসমূহ মেৰামতিৰ ক্ষেত্ৰতো আনৰ ওপৰত ভাৰসা কৰিবলগীয়া হৈছে। তেনেক্ষেত্ৰতেই আজি গাঁৱলীয়া বাট-পথসমূহৰ অৱস্থা দিনকদিনে শোচনীয় হৈ একপ্ৰকাৰ যাতায়াতৰ অনুপযোগী হৈ পৰিছে বুলি স্থানীয় লোকসকলে মত পোষণ কৰে।



## 'প্ৰত্নকথা' শীৰ্ষক গ্ৰন্থ উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ৬ এপ্ৰিল ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগত আজি লেখক বিকাশ শৰ্মাৰ 'দাপোণ' প্ৰকাশনৰদ্বাৰা প্ৰকাশিত 'প্ৰত্নকথা' শীৰ্ষক প্ৰবন্ধ সংকলনৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ডঃ ধূৰ্জটি শৰ্মাই সঞ্চালনা কৰা উক্ত অনুষ্ঠানত উন্মোচক হিচাপে অধ্যাপক অনুৰাধা শৰ্মা, প্ৰত্নতত্ত্ব সঞ্চালক ডঃ নৱজিৎ দেউৰী আৰু অধ্যাপক দিলীপ বৰা উপস্থিত থাকে। গ্ৰন্থখন উন্মোচন কৰি ডঃ নৱজিৎ দেউৰীয়ে কয়, 'অসমীয়া ভাষাত প্ৰত্নতত্ত্ব সম্পৰ্কীয় চিন্তা-চৰ্চা এতিয়াও যথেষ্ট সীমিত। তেনেক্ষেত্ৰত বিকাশ শৰ্মাৰ দৰে গৱেষক এজনে এই বিষয়ত গভীৰভাৱে মনোনিৱেশ কৰাটো নিশ্চিতভাৱে আনন্দৰ বতৰা আৰু ই ভৱিষ্যতে অধিক গৱেষণামূলক আলোচনাৰ পথ মুকলি কৰিব। আশা কৰিছোঁ, পাঠক সমাজে উক্ত গ্ৰন্থখন আঁকোৱালি লব।' জ্যেষ্ঠ অধ্যাপক ডঃ দিলীপ ভাৰতীয় জ্ঞান-পৰম্পৰাৰ প্ৰেক্ষাপটত কামৰূপ-অসমৰ ঐতিহাসিক আৰু সাংস্কৃতিক অৱদানক বুজাত এই গ্ৰন্থখনে নতুন দিগন্ত উন্মোচন কৰিব বুলি আমি আশাবাদী। অনুষ্ঠানটিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক ডঃ চন্দন কুমাৰ শৰ্মা আৰু বিশিষ্ট ইতিহাসবিদ তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ গজেন্দ্ৰ অধিকাৰীয়েও গ্ৰন্থাকাৰৰ প্ৰতি উৎসাহজনক বক্তৃতা আগবঢ়ায়।

## ভোট বৰ্জনৰ আহ্বান প্ৰত্যাহাৰ বৃহত্তৰ গুৱাহাটী সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** আগন্তুক নিৰ্বাচনত ভোট বৰ্জনৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিছে বৃহত্তৰ গুৱাহাটী সুলভ মূল্যৰ ব্যৱসায়ী সন্থাই। আজি গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত সংবাদমেলত সন্থাৰ সভাপতি বিষ্ণু দাস আৰু সম্পাদক কল্যাণ কুমাৰ শৰ্মাই কয় যে সন্থাৰ বিভিন্ন সমস্যা সমাধানৰ বাবে দীৰ্ঘদিন ধৰি বিভাগীয় কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিও কোনো সুফল লাভ নকৰাত অৱশেষত যোৱা ২৪ মাৰ্চত সন্থাৰ ফালৰপৰা আগন্তুক বিধানসভা নিৰ্বাচনত কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত পাঁচখন সম-জিলাৰ সুলভ মূল্যৰ ব্যৱসায়ী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গই ভোট বৰ্জন কৰিব বুলি ঘোষণা কৰিছিল। এনে ঘোষণাৰ পাছতে বিভাগীয় কৰ্তৃপক্ষ আৰু ৰাজনৈতিক দলৰ সৈতে পুনৰ হোৱা আলোচনাত আশ্বস্ত হৈ আজি এই সংবাদমেলযোগে ভোট বৰ্জনৰ কাৰ্যসূচী প্ৰত্যাহাৰ কৰা হয়। লগতে সকলো সুলভ মূল্যৰ ব্যৱসায়ী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক আগন্তুক বিধানসভা নিৰ্বাচনত স-পৰিয়ালে নিজৰ বিবেক ভোট প্ৰদান কৰি গণতান্ত্ৰিক ব্যৱস্থাৰ অংশীদাৰ হ'বলৈ তেওঁলোকক আহ্বান জনায়। সংবাদমেলত সন্থাৰ যুটীয়া সম্পাদক জিতু কলিতা আৰু প্ৰচাৰ সম্পাদক স্বৰাজ গোস্বামীকে ধৰি অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।



■ পঞ্জাব নেচনেল বেংক ■

## গুৱাহাটী মণ্ডলৰ নতুন আঞ্চলিক প্ৰবন্ধক

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** পঞ্জাব নেচনেল বেংকৰ গুৱাহাটী মণ্ডলৰ নতুন আঞ্চলিক প্ৰবন্ধক হিচাপে বিজেন্দৰ সিঙে ৪ এপ্ৰিলত আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বে তেওঁ গুৰুগ্ৰাম চাৰ্কলৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল, য'ত তেওঁ গ্ৰাহকমুখী আৰু সেৱাধৰ্মী বেংকিং পৰিৱেশ গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিছিল। বেংকিং খণ্ডত তেওঁৰ দীৰ্ঘ অভিজ্ঞতা আৰু দক্ষতাই গ্ৰাহকৰ সন্তুষ্টি আৰু কাৰ্যদক্ষতা বৃদ্ধিত সদায় গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। দায়িত্বভাৰ গ্ৰহণ কৰি বিজেন্দৰ সিঙে গুৱাহাটী মণ্ডলত গ্ৰাহককেন্দ্ৰিক সেৱা আৰু অধিক উন্নত বেংকিং ব্যৱস্থা গঢ়ি তোলাৰ দৃঢ় প্ৰতিশ্ৰুতি ব্যক্ত কৰে। উল্লেখ্য যে পঞ্জাব নেচনেল বেংকৰ গুৱাহাটী মণ্ডলত সাতটা চাৰ্কল আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যত মুঠ ৪৪৭টা শাখা আছে। কৃষি, ক্ষুদ্ৰ উদ্যোগ আৰু খুচুৰা বেংকিং ক্ষেত্ৰত আৰ্থিক অন্তৰ্ভুক্তি প্ৰসাৰত এই জ'নে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। তেওঁৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলৰ সামাজিক-আৰ্থিক বিকাশত বেংকে আৰু অধিক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব বুলি আশা কৰা হৈছে।

## তৈলেন্দ্ৰ নাথ দাস সোঁৱৰণী গ্ৰন্থ উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ৬ এপ্ৰিল ঃ** গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ বিশ্ববিদ্যালয় আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সদ্যপ্ৰয়াত প্ৰধান শিক্ষক, বিশিষ্ট শিক্ষাবিদ, সু-প্ৰশাসক তৈলেন্দ্ৰ নাথ দাসৰ জীৱন আৰু কৃতি সম্পৰ্কত কালি বিদ্যালয় প্ৰাংগনত 'প্ৰজ্ঞা-প্ৰভাকৰ' শীৰ্ষক সোঁৱৰণী গ্ৰন্থখন লেখিকা ডলী ৰায়চৌধুৰীয়ে আনুষ্ঠানিকভাৱে উন্মোচন কৰে। বন্তি প্ৰজ্বলনেৰে প্ৰয়াত দাসৰ সহধৰ্মিণী মন্তি দাসে আৰম্ভ কৰা সভাখনত তৈলেন্দ্ৰ নাথ দাসৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি প্ৰদান কৰে প্ৰয়াত দাসৰ ভ্ৰাতৃ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ডঃ মনমোহন দাস, প্ৰয়াত দাসৰ বোৱাৰী নীতা কৌশিক দাস, গ্ৰন্থখনৰ সম্পাদক ডঃ সত্যজিৎ দাস আৰু পৰিয়ালবৰ্গই। সোঁৱৰণী গ্ৰন্থখনৰ মুখ্য উপদেষ্টা তথা প্ৰকাশক, অধ্যাপক তৈলেন্দ্ৰ দাসৰ কনিষ্ঠ ভাতৃ মদনমোহন দাসে প্ৰয়াত দাসৰ জীৱনৰ বিষয়ে এটি সুন্দৰ বক্তৃতা প্ৰদান কৰে।

## বামুণীমৈদামত বিধ্বংসী অগ্নিকাণ্ড কেইবাটাও বাসগৃহ ভস্মীভূত

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** গুৱাহাটী মহানগৰীৰ বামুণীমৈদামত আজি নিশা ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। এটা বাসগৃহৰপৰা জুইৰ সূত্ৰপাত হৈ পৰৱৰ্তী সময়ত চিলিণ্ডাৰ বিস্ফোৰণ হোৱাত কেইবাটাও বাসগৃহ জুইত জাহ যায়। নিমিষতে জুয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰে। ৬ নং গেটৰ সমীপৰ বস্তি অঞ্চলত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ পাছতেই হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। খবৰ পোৱা মাত্ৰকে ঘটনাস্থলীত আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ লোক উপস্থিত হৈ জুই নিৰ্বাপন কৰে যদিও কেইবাটাও জুপুৰি ঘৰ জ্বলি ছাই হয়। পাঁচখনকৈ অগ্নি নিৰ্বাপক বাহনে প্ৰায় দুঘণ্টা ধৰি চলোৱা প্ৰচেষ্টাৰ অন্তত জুই নিৰ্বাপন হয় যদিও স্থানীয় লোকসকল আতংকিত হৈ পৰে।

### জৰুৰী ফোন নম্বৰ

| | |
|---|---|
| আৰক্ষী | ঃ ১০০ |
| অগ্নি নিৰ্বাপণ | ঃ ১০১ |
| এম্বুলেন্স | ঃ ১০২ |
| মৃত্যুঞ্জয় | ঃ ১০৮ |
| চাইবাৰ | ঃ ১৯৩০ |
| চাইল্ড লাইন | ঃ ১০৯৮ |

## মৈত্ৰীৰ কুইজ-আবৃত্তি প্ৰতিযোগিতা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** চানমাৰিৰ মৈত্ৰী মহিলা অনুষ্ঠানে বিষ্ণু নিৰ্মলা ভৱনত ছাত্ৰ-ছাত্ৰীৰ মাজত অভিযন্তা অমল চন্দ্ৰ বৰুৱাৰ সোঁৱৰণত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। কুইজ প্ৰতিযোগিতাখনত বিভিন্ন প্ৰান্তৰপৰা অহা ৩৭টা দলে ভাগ লয়। প্ৰতিযোগিতাখন পৰিচালনা কৰে 'দৈনিক অসম' কাকতৰ উপ-সম্পাদক দীপাংকৰ কৌশিকে। দুপৰীয়া ৩ বজাৰপৰা মহিলাসকলৰ মাজত আবৃত্তি প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত প্ৰথম হয় কল্পনা কোঁৱৰ, দ্বিতীয় মঞ্জু কটকী, তৃতীয় ৰীণা চক্ৰৱৰ্তী আৰু উদগনি বঁটা লাভ কৰে শিখা তালুকদাৰে। ২০ গৰাকী প্ৰতিযোগীয়ে যোগদান কৰা প্ৰতিযোগিতাখনৰ বিচাৰকৰ আসনত আছিল ডঃ বনিমা তালুকদাৰ আৰু অনুৰাধা বৰুৱা। মঞ্চত মৈত্ৰীৰ সদস্যা কৃষ্ণা দাসক সম্বৰ্দ্ধনা জনোৱা হয়। মৈত্ৰী মহিলা অনুষ্ঠানৰ সভানেত্ৰী বৰ্ণালী তালুকদাৰ আৰু সম্পাদিকা ৰীতা দাসে অনুষ্ঠানৰ সকলো কাৰ্যসূচী পৰিচালনা কৰে।

## কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বাণিজ্য মেলা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** মহানগৰীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাক্-ৰঙালী বিহুৰ লগত সংগতি ৰাখি আজি এখন খাদ্য আৰু বস্ত্ৰমেলাৰ বিপণনৰ আয়োজন কৰে। মহাবিদ্যালয়ৰ বাণিজ্য বিভাগ আৰু শিক্ষা বিভাগৰ উদ্যোগত অনুষ্ঠিত এই প্ৰাক্-ৰঙালী বাণিজ্য আৰু বস্ত্ৰমেলাখন উদ্বোধন কৰে পাঞ্জাবাৰী বিপণন ক্ষেত্ৰৰ স্বত্বাধিকাৰী নয়নজ্যোতি ভট্টাচাৰ্যই। খাদ্য আৰু বস্ত্ৰমেলাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুত কৰা পিঠা-পনা, জলপান, নাইট্ৰ'জেন বিস্কুট, পানীপুৰি আৰু অন্যান্য খাদ্য-সামগ্ৰীৰ লগতে গামোচা, চাদৰ-মেখেলা, হাতেৰে নিৰ্মাণ কৰা অলংকাৰ, ৰুমাল, হাঁচতি ইত্যাদিৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰে।



## মূকাভিনয়ৰ জৰিয়তে সজাগতা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ অধীনত এছ ভি ই ই পি কাৰ্যসূচীৰ অংশ হিচাপে দিছপুৰ মহাবিদ্যালয়, গুৱাহাটীত ইলেকট্ৰ'ল লিটাৰেচী ক্লাব আৰু 'নিৰ্বাক'ৰ সহযোগত 'পাৱাৰ অব ভোট' শীৰ্ষক এক বিশেষ ভোটাৰ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আৰম্ভণিতে দিছপুৰ কলেজৰ অধ্যক্ষ ডঃ নৱজ্যোতি বৰাই উদ্বোধনী ভাষণ আগবঢ়াই ভোটাৰ সজাগতা আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ হৈ সহকাৰী জিলা আয়ুক্ত ঋষি বন্দনা গগৈয়ে বক্তব্য প্ৰদান কৰি বিশেষকৈ যুৱ সমাজৰ মাজত সচেতনতা বৃদ্ধি কৰাত এনে সৃজনশীল কাৰ্যসূচীৰ প্ৰয়োজনীয়তা উল্লেখ কৰে। এই কাৰ্যসূচীৰ মুখ্য আকৰ্ষণ আছিল 'নিৰ্বাক'ৰ নিৰ্দেশক মিনাংক ডেকাৰ পৰিচালনাত অনুষ্ঠিত এক আকৰ্ষণীয় মূকাভিনয় প্ৰদৰ্শন।

### সদৌ অসম লেখিকা সমাৰোহ সমিতি

# মঠঘৰীয়া শাখাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** মঠঘৰীয়া শাখা, লেখিকা সমাৰোহ সমিতিৰ তৃতীয় বৰ্ষপূৰ্তি তথা প্ৰতিষ্ঠা দিৱস কালি উদ্‌যাপন কৰা হয়। পুৱা ১০ বজাত পতাকা উত্তোলন কৰে শাখাৰ সভানেত্ৰী পূৰৱী চৌধুৰীয়ে। শীলা বৰঠাকুৰৰ স্মৃতিচাৰণ কৰি বন্তি প্ৰজ্বলন কৰে শাখাৰ কাৰ্যকৰী সভানেত্ৰী পদুমী দাসে। জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰে হিমানী বৰ্মনে। দিনৰ ২-৩০ বজাত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা ৰাণী দাসে। সভা উদ্বোধন কৰে ৰাজধানী শাখাৰ কাৰ্যকৰী সভানেত্ৰী আইমণি ভূঞাই। সভাত মুখ্য অতিথি হিচাপে ভাগ লয় কামৰূপ মহানগৰ জিলা পৰিষদৰ সম্পাদিকা শেৱালি ভাগৱতীয়ে। অনুষ্ঠানত মামণি হালৈয়ে বৰগীত, অনিতা পাটোৱাৰীয়ে জ্যোতি সংগীত পৰিৱেশন কৰে। কবিতা আবৃত্তি কৰে ক্ৰমে কল্পনা দত্ত, গীতুমণি দাস, কবিতা দেৱী আৰু গীতাৰাণী দাসে। পাৰ্বতি প্ৰসাদৰ সংগীত পৰিৱেশন কৰে পদুমী হালৈয়ে। লোকগীত পৰিৱেশন কৰে মিনু কলিতাই। বিয়ানাম গায় বীণা দাসে। শাখাৰ উপদেষ্টা কনকলতা হাজৰিকাই এটা মন পৰশা সংগীত পৰিৱেশন কৰে। যোৱা ২২ মাৰ্চত অনুষ্ঠিত হৈ যোৱা চিত্ৰাংকন প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকলক এই সভাত পুৰস্কাৰ প্ৰদান কৰা হয়।





# ইডেনত বৰষুণৰ বিঘিনি, কলকাতা-পঞ্জাবৰ মেচ পৰিত্যক্ত

**কলকাতা, ৬ এপ্ৰিল ঃ** কলকাতা নাইট ৰাইডাৰ্ছ আৰু পঞ্জাব কিংছৰ মাজত ইয়াৰ ইডেন গাৰ্ডেনত আজি অনুষ্ঠিত আই পি এলৰ এখন মেচ বৰষুণৰ বাবে পৰিত্যক্ত হয়। মেচখনত টছত জয়লাভ কৰি কলকাতাৰ অধিনায়ক আজিংক্য ৰাহানেই বেট ধৰাৰ সিদ্ধান্ত লয় আৰু ৩.৪ অভাৰত দুই উইকেট হেৰুৱাই ২৫ ৰান কৰা অৱস্থাত বৰষুণে মেচত বিঘিনি ঘটায়। দলৰ ফিন এলেন (৬) আৰু কেমেৰন গ্ৰীন (৪) জেভিয়াৰ বাৰ্টলেটৰ বলত আউট হোৱাৰ বিপৰীতে ৰাহানেই ৮ আৰু অংগৰীক্ষ ৰঘুবংশীয়ে ৭ ৰানত অপৰাজিত হৈ ৰয়। দীৰ্ঘ সময় ধৰি হোৱা বৰষুণৰ বাবে নিশা ১১.০২ বজাত আম্পায়াৰদ্বয়ে মেচ পৰিত্যক্ত ঘোষণা কৰে। দুয়োটা দলে পইণ্ট ভগাই ল'বলৈ বাধ্য হয়।


## এছিয়ান বক্সিং চেম্পিয়নশ্বিপ ঃ প্ৰীতি, প্ৰিয়া, অৰুন্ধতী ফাইনেলত

# ব্ৰঞ্জতে থমকিল লাভলীনা, অংকুশিতা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** অসমৰ তাৰকা মহিলা বক্সাৰদ্বয় লাভলীনা বৰগোহাঁই আৰু অংকুশিতা বড়ো মংগোলিয়াৰ উলানবাটাৰত চলি থকা এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাৰ ছেমি ফাইনেলৰ পৰাই বিদায় লয় অলিম্পিক পদক জয়ী লাভলীনা বৰগোহাঁয়ে। উজবেকিস্তানৰ আজিজা জকিৰ'ভাৰ বিৰুদ্ধে খেলা মেচখনত লাভলিনা ০-৫ ব্যৱধানত পৰাস্ত হয়। ৭০ কিলোগ্ৰাম শাখাৰ বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক জয়ী







জকিৰ'ভাৰ বিৰুদ্ধে সুনাম অনুযায়ী প্ৰদৰ্শন দাঙি ধৰাত ব্যৰ্থ হয় লাভলীনা। অসমৰ আন এগৰাকী বক্সাৰ অংকুশিতা বড়োৱে ছেমি ফাইনেলত পেৰিছ অলিম্পিকৰ ব্ৰঞ্জ জয়ী চাইনীজ টাইপেইৰ নিয়েন চিন চেনৰ হাতত ০-৩ ব্যৱধানত পৰাস্ত হয়। বাউটটোৰ প্ৰথম ৰাউণ্ডৰ শেষত বিদ্যুৎ সৰবৰাহ বন্ধ হোৱাত খেল কিছু সময়ৰ বাবে বাধাগ্ৰস্ত হৈছিল। অসমৰ খেলুৱৈ দুগৰাকীৰ বিপৰীতে বেণ্টামৱেইট শাখাত প্ৰীতি পাৱাৰে চমকপ্ৰদ প্ৰদৰ্শনেৰে ফাইনেলত প্ৰৱেশ কৰিছে। ৫৪ কিলোগ্ৰাম শাখাৰ ছেমি ফাইনেলত প্ৰীতিয়ে পেৰিছ অলিম্পিকৰ ব্ৰঞ্জ জয়ী কোৰিয়াৰ এজি ইমক ৫-০ ব্যৱধানত পৰাস্ত কৰে। ফাইনেলত প্ৰীতিয়ে তিনিবাৰৰ বিশ্ব চেম্পিয়ন (২০১৯, ২০২৩, ২০২৫) আৰু টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ জয়ী চাইনীজ টাইপেইৰ হুৱাং চিয়াও ৱেনৰ মুখামুখি হ'ব। মহিলাৰ ৬০ কিলোগ্ৰাম শাখাত প্ৰিয়াই মংগোলিয়াৰ নামুন মনখৰক ৫-০ ব্যৱধানত পৰাস্ত কৰে। খিতাপৰ যুঁজত প্ৰিয়াই উত্তৰ কোৰিয়াৰ উন গয়ঙৰ মুখামুখি হ'ব। মহিলাৰ ৭০ কিলোগ্ৰাম শাখাত অৰুন্ধতী চৌধুৰীয়ে উজবেকিস্তানৰ অ'ইশা ট'ইৰভাক ৪-১ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত উপনীত হৈছে। ফাইনেলত অৰুন্ধতীয়ে কাজাখস্তানৰ বাকাইট ছেইদিশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

# নিউষ্টাৰ, স্প'ৰ্টিং ইউনাইটেড চেম্পিয়ন


**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** নিউষ্টাৰ ক্লাবে ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়ামত



গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত যোৱা ৪-৫ এপ্ৰিলত অনুষ্ঠিত জি এছ এ আন্তঃক্লাব আৰু মুকলি টেবল টেনিছ চেম্পিয়নশ্বিপৰ পুৰুষৰ দলগত শাখাত চেম্পিয়নৰ খিতাপ জয় কৰিছে। প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত পুৰুষৰ ফাইনেলত নিউষ্টাৰে মহাৰাণা ক্লাবক ৩-২ ব্যৱধানত পৰাস্ত কৰে। মহিলাৰ শাখাৰ ফাইনেলত স্প'ৰ্টিং ইউনাইটেড ক্লাবে আমবাৰী ইউনাইটেড ক্লাবক ৩-১ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়ন হয়। ব্যক্তিগত ইভেণ্টৰ ছোৱালীৰ অনূৰ্দ্ধ ১১ বছৰ শাখাত জানেস্কি পি আৰিয়ান, ল'ৰাত ৰিভান কে কাশ্যপ, অনূৰ্দ্ধ ১৩ ছোৱালীত নাফিচা ৰাজিয়া, ল'ৰাত প্ৰতীক ভট্টাচাৰ্য, অনূৰ্দ্ধ ১৫ বছৰ ছোৱালীত তনয়া কলিতা, ল'ৰাত দেৱাংগ এছ বৰুৱা, অনূৰ্দ্ধ ১৭ ছোৱালীত দেৱীকা বৰ্মন, ল'ৰাত দিব্যাংশ কাশ্যপ, অনূৰ্দ্ধ ১৯ ছোৱালীত ঈশানী গগৈ, ল'ৰাত দিব্যাংশ কাশ্যপ, মহিলাত গাৰ্গী শইকীয়া আৰু চিন্ময় শৰ্মা।

**আই পি এলত আজিৰ খেল**



**ৰাজস্থান ৰয়েলছ**
**বনাম**
**মুম্বাই ইণ্ডিয়ানছ**
**সন্ধিয়া ৭.৩০ বজাৰপৰা**
**স্থান ঃ গুৱাহাটী**

## পেনচাক চিলাট লীগ

# অসমৰ স্বৰ্ণসহ ৫টা পদক অৰ্জন

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** অসমে গুজৰাটৰ যুগপুৰুষ স্প'ৰ্টছ কমপ্লেক্সৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত অস্মিতা খেলো ইণ্ডিয়া পেনচাক চিলাট লীগত ২টা স্বৰ্ণ, ১টা ৰূপ আৰু ২টা ব্ৰঞ্জসহ মুঠ ৫টা পদক অৰ্জন কৰিছে। প্ৰতিযোগিতাখনত ধেমাজিৰ হেমী মেদক আৰু ৰাজশ্ৰী বৰাই স্বৰ্ণপদক, পূবালী চুতীয়া আৰু দীপশিখা গগৈয়ে ব্ৰঞ্জৰ পদক আৰু শোণিতপুৰৰ প্ৰগতি মহন্তই ৰূপৰ পদক অৰ্জন কৰে।

## জয়ৰ হেটট্ৰিকৰ লক্ষ্য পৰাগ বাহিনীৰ ঃ বুমৰাহৰ প্ৰত্যাহ্বানলৈ সাজু সূৰ্যবংশী

# বৰ্ষাপাৰাত মুম্বাইৰ সন্মুখত আজি ৰাজস্থান

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** বৰ্ষাপাৰাৰ এ চি এ ক্ৰিকেট ষ্টেডিয়ামত কাইলৈ ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে আই পি এলৰ এখন গুৰুত্বপূৰ্ণ মেচত অৱতীৰ্ণ হ'ব। হাইভল্টেজ মেচখনক লৈ ইতিমধ্যে ক্ৰিকেট অনুৰাগীৰ উৎকণ্ঠা বৃদ্ধি পাইছে। নেতৃত্বৰ বিচক্ষণতাৰে ইতিমধ্যে ক্ৰিকেট মহলত চৰ্চিত হোৱা ৰিয়ান পৰাগ বাহিনীয়ে কাইলৈৰ মেচখনতো জয়ৰ বাবে সংকল্পবদ্ধ হৈছে। ইতিমধ্যে ক্ৰমাগত দুখন মেচত জয়েৰে আত্মবিশ্বাসী হৈ উঠা ৰাজস্থান দলটোক অ'পেনিঙত যশস্বী জয়ছোৱাল আৰু বৈভৱ সূৰ্যবংশীয়ে পুনৰ দৃঢ়তা দিয়াৰ সম্ভাৱনা আছে। টীম ইণ্ডিয়াৰ ভয়াৱহ পেচাৰ তথা মুম্বাই ইণ্ডিয়ানছৰ মুখ্য বলাৰ যশপ্ৰীত বুমৰাহৰ মুখামুখি হ'বলৈ সাজু হৈছে বেটিং চাঞ্চল্য বৈভৱ সূৰ্যবংশী। উল্লেখ্য যে পেছাদাৰী ক্ৰিকেটত দুয়োৱে পূৰ্বে মুখামুখি হোৱা নাছিল।





ৰাজস্থানৰ বেটিঙত অ'পেনাৰদ্বয়ৰ উপৰি ধ্ৰুৱ জুৰেল, ছিমৰন হেটমেয়াৰ, ৰবীন্দ্ৰ জাডেজাই কাইলৈৰ মেচতো দৃঢ়তা দিয়াৰ সম্ভাৱনা আছে। অৱশ্যে অধিনায়ক ৰিয়ান পৰাগে নেতৃত্বৰ উপৰি বেটিঙতো আত্মবিশ্বাস ঘূৰাই আনিলে দলটো উপকৃত হ'ব। মুম্বাই ইণ্ডিয়ানছত কাইলৈ হাৰ্ডিক পাণ্ডিয়াই দললৈ প্ৰত্যাৱৰ্তন কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে দিল্লী কেপিটেলছৰ বিৰুদ্ধে শনিবাৰে ৬ উইকেটত পৰাস্ত হোৱা মেচখনত অসুস্থতাৰ বাবে মুম্বাই দলত নাছিল নিৰ্ভৰযোগ্য অলৰাউণ্ডাৰ পাণ্ডিয়া। ইফালে মুম্বাই ইণ্ডিয়ানছৰ অ'পেনাৰ বেটছমেন ৰোহিত শৰ্মা আৰু তিলক বাৰ্মাই আজি দিনৰ ভাগত কামাখ্যা মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা কৰে।

## পুলিন দাস ক্ৰিকেট

# নগাঁৱৰ বিৰুদ্ধে বৰপেটাৰ জয়

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**বৰপেটা, ৬ এপ্ৰিল ঃ** বৰপেটাৰ বাৰাদিস্থিত এচিএ ক্ৰিকেট একাডেমী গ্ৰাউণ্ডত চলি থকা তৃতীয় বাৰ্ষিক পুলিন দাস স্মৃতি আন্তঃজিলা ১৪ বছৰ অনূৰ্দ্ধ ক্ৰিকেটত বৰপেটাই নগাঁৱৰ বিৰুদ্ধে প্ৰথম ইনিংছৰ অগ্ৰগতিৰ সহায়ত জয়লাভ কৰে। দুদিনীয়া মেচখনৰ আজি দ্বিতীয় দিনা বৰপেটাই কালি সংগ্ৰহ কৰা ৪ উইকেটত ৭৮ ৰানৰ পৰা দিনটোৰ খেল আৰম্ভ কৰি মুঠ ৮৫ অভাৰত ১৮৭ ৰান সংগ্ৰহ কৰে। আদিত্য মাহাতোৱে আজি দমনীয় বেটিং বিক্ৰমেৰে ৮৪ ৰানৰ অনবদ্য বৰঙণি আগবঢ়ায়। নগাঁৱৰ মহছিন আখতাৰ ৰহমানে ৪টা উইকেট দখল কৰে। ৫৯ ৰানত পিছ পৰি ৰোৱা নগাঁৱে আজি দ্বিতীয় ইনিংছত ৫০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৩৬ ৰান কৰোঁতেই দুদিনীয়া মেচখন অমীমাংসিত হৈ সামৰণি পৰে। দ্বিতীয় ইনিংছত নগাঁৱৰ বেটাৰ গৌৰৱ দাসে ৩২ আৰু প্ৰিয়ম কুণ্ডুৱে ২৭ ৰান আগবঢ়ায়। বিপৰীতে বৰপেটাৰ হৈ আদিত্য মাহাতোৱে ৩৭ ৰানত ৬টা উইকেট দখল কৰে। মেচখনৰ প্ৰথম ইনিংছত নগাঁৱে ১২৮ ৰান সংগ্ৰহ কৰিছিল।

## পুলিন দাস সোঁৱৰণী ক্ৰিকেট ঃ ধৃতিমানৰ শতক

# তিনিচুকীয়াৰ বিৰুদ্ধে জয়লাভ গুৱাহাটীৰ



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** গুৱাহাটীয়ে উত্তৰ গুৱাহাটীৰ ফুলুংস্থিত এ চি এ একাডেমী গ্ৰাউণ্ডত চলি থকা তৃতীয় পুলিন দাস সোঁৱৰণী অনূৰ্দ্ধ ১৪ আন্তঃজিলা ক্ৰিকেট টুৰ্নামেণ্টৰ ছেমি ফাইনেল লীগত তিনিচুকীয়াৰ বিৰুদ্ধে প্ৰথম ইনিংছৰ অগ্ৰগতিৰ জৰিয়তে জয়লাভ কৰিছে। মেচখনৰ আজি দ্বিতীয় তথা অন্তিম দিনা গুৱাহাটীয়ে কালিৰ ২৭৭/৪ৰ পৰা দিনটোৰ খেল আৰম্ভ কৰে আৰু ৯ উইকেটত ৪২৪ ৰান (৮০.১ অভাৰ) কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। দলীয় ইনিংছত আজি ধৃতিমান কুমাৰে ১০০ (৯৮ বলত ৪×১২, ৬×২) ৰান যোগ দিয়ে। প্ৰথম ইনিংছত ৩৩১ ৰানত পিছপৰি ৰোৱা তিনিচুকীয়াই আজি দ্বিতীয় ইনিংছ আৰম্ভ কৰি ৫১ অভাৰত ৫ উইকেটৰ বিনিময়ত ১০৮ ৰান কৰা অৱস্থাত মেচ ড্ৰ হয়। দলীয় ইনিংছত ফাৰহাদ আহমেদে ২৩ আৰু প্ৰিন্স কুমাৰ ছাহে ২১ ৰান যোগ দিয়ে। গুৱাহাটীৰ ধৃতিমান কুমাৰ, শুভম মজুমদাৰ আৰু নীৰৱ জৈনে একোটাকৈ উইকেট দখল কৰে।

# ডিগবৈ প্ৰিমিয়াৰ লীগত টাইটানৰ খিতাপ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিগবৈ, ৬ এপ্ৰিল ঃ** ডিগবৈ সমন্বয় সংঘ আৰু ডিগবৈ ক্ৰিকেট ক'চিং চেণ্টাৰৰ যৌথ উদ্যোগত মুলিয়াবাৰী খেলপথাৰত অনুষ্ঠিত চতুৰ্থ ডিগবৈ প্ৰিমিয়াৰ লীগ প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত টাইটান চূড়ান্ত বিজয়ী হয়। মুঠ ছটাকৈ দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত চূড়ান্ত খেলত টাইটানে ডিগবৈ সমন্বয় সংঘক ৩৩ ৰানত পৰাভূত কৰে। টাইটানে ২০ অভাৰত ছটা উইকেট হেৰুৱাই ১০৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত সমন্বয় সংঘই আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৭৬ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। পৰন কৈৰীয়ে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ আৰু ফাইনেলৰ শ্ৰেষ্ঠ, প্ৰতীক গুৰুঙে শ্ৰেষ্ঠ বেটাৰ, পংকজ কোঁৱৰে শ্ৰেষ্ঠ বলাৰ আৰু ফেয়াৰ প্লে বঁটা লাভ কৰে ডিব্ৰুগড়ৰ এইচ এম স্প'ৰ্টছ ক্লাবে।

# বিজেপিৰ পৰৱৰ্তী লক্ষ্য এক দেশ, এক নিৰ্বাচন-ইউ চি চি

**নতুন দিল্লী, ৬ এপ্ৰিল ঃ** দেশত এক দেশ, এক নিৰ্বাচন ব্যৱস্থা আৰু উমৈহতীয়া দেৱানী বিধি বা ইউনিফৰ্ম চিভিল কোড প্ৰৱৰ্তন বিজেপিৰ পৰৱৰ্তী লক্ষ্য। দলৰ প্ৰতিষ্ঠা দিৱসত এই মন্তব্য কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। আজি বিজেপিয়ে দেশজুৰি দলৰ ৪৭সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী পালন কৰিছে। প্ৰতিষ্ঠা দিৱস উপলক্ষে দলৰ কাৰ্যকৰ্তাসকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোডীয়ে কয় যে বিজেপিয়ে এতিয়ালৈ তিনি তালাক আইন প্ৰৱৰ্তন, নাগৰিকত্ব সংশোধনী আইন (কা) বলৱৎ কৰা আৰু অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণৰ দৰে পূৰ্বনিৰ্দ্ধাৰিত বৃহৎ লক্ষ্যসমূহ সফলতাৰে আহৰণ কৰিছে। ইয়াৰ পাছত উমৈহতীয়া দেৱানী বিধি আৰু এক দেশ, এক নিৰ্বাচন ব্যৱস্থা দেশত প্ৰৱৰ্তন কৰাটো দলৰ প্ৰধান লক্ষ্য। কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে এতিয়ালৈ গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে প্ৰতিটো প্ৰত্যাহ্বানৰে মোকাবিলা কৰিবলৈ সততাৰে বিজেপিয়ে প্ৰয়াস কৰি থকাৰ কথা দেশৰ জনতাই জানে। এই প্ৰয়াস অব্যাহত থাকিব। সম্প্ৰতি দেশবাসীৰ মাজত এক দেশ, এক নিৰ্বাচন আৰু উমৈহতীয়া দেৱানী বিধিৰ প্ৰসংগ গুৰুত্বসহকাৰে চৰ্চা হৈ থকা বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

**দলৰ প্ৰতিষ্ঠা দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী**



প্ৰধানমন্ত্ৰীৰ এনে মন্তব্যৰ পাছত বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে ২০২৯ চনৰ ভিতৰত দুয়োটা লক্ষ্য আহৰণৰ বাবে প্ৰয়াস চলাব বুলি ঘোষণা কৰা হৈছে। বিজেপিৰ মতে একেলগে সমস্ত দেশতে নিৰ্বাচন অনুষ্ঠিত হ'লে নিৰ্বাচনী ব্যয় যথেষ্ট হ্ৰাস পাব। আনহাতে, বাৰে বাৰে নিৰ্বাচন অনুষ্ঠিত হ'লে আৰক্ষী, নিৰাপত্তাৰক্ষী আৰু প্ৰশাসনৰ কৰ্মচাৰীৰ নিয়মীয়া কাম-কাজসমূহ প্ৰভাৱিত হয়। আনহাতে, ঘনে ঘনে বিভিন্ন নিৰ্বাচন অনুষ্ঠিত হ'লে বিকাশমূলক কাম-কাজো বাধাগ্ৰস্ত হয়। বিপৰীতে একে সময়তে সকলো নিৰ্বাচন সম্পন্ন হৈ গ'লে চৰকাৰে পৰৱৰ্তী পাঁচটা বছৰ নীতি নিৰ্দ্ধাৰণ আৰু উন্নয়নমূলক কাম-কাজসমূহত গভীৰভাৱে মনোনিৱেশ কৰিবলৈ সক্ষম হ'ব। তদুপৰি ভোটাৰসকলেও বাৰে বাৰে ভোটদান কৰিবলগীয়া হোৱা ব্যৱস্থাৰপৰা সকাহ পাব। একেদৰেই উমৈহতীয়া দেৱানী বিধি বলৱৎ হ'লে জাতি-ধৰ্ম-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে দেশৰ প্ৰতিগৰাকী নাগৰিক একেখন আইনৰ আওতালৈ আহিব। মহিলাসকলৰ অধিকাৰ সুৰক্ষিত হ'ব। বিবাহ, বিবাহ বিচ্ছেদ, সন্তান দত্তক লোৱা, সম্পত্তিৰ উত্তৰাধিকাৰ আদি বিষয়ত আইন সকলোৰে বাবে সমান হ'ব। ইতিমধ্যে দেশৰ কেইবাখনো ৰাজ্যত বিজেপি চৰকাৰে উমৈহতীয়া দেৱানী বিধি বা ইউনিফৰ্ম চিভিল কোড বলৱৎ কৰিছে। আনহাতে, এক দেশ, এক নিৰ্বাচন ব্যৱস্থা প্ৰৱৰ্তনৰ বিষয়ত দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দৰ নেতৃত্বত গঠন কৰি দিয়া সমিতিয়ে প্ৰতিবেদনো দাখিল কৰিছে। সম্প্ৰতি বিষয়টো সন্দৰ্ভত বিভিন্ন পক্ষৰ মতামত গ্ৰহণ কৰি প্ৰতিবেদন দাখিলৰ প্ৰস্তুতি চলাইছে সংসদৰ যুটীয়া সমিতিয়ে।



# সুৰক্ষাবেষ্টনী ভাঙি দিল্লী বিধানসভা চৌহদত যুৱকৰ প্ৰৱেশ

**নতুন দিল্লী, ৬ এপ্ৰিল ঃ** দিল্লী বিধানসভা চৌহদত বেৰিকেড ভাঙি প্ৰৱেশ কৰা এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। আৰক্ষীয়ে যুৱকজনৰ বাহনো জব্দ কৰিছে। জানিব পৰা মতে, আজি দুপৰীয়া যুৱকজনে বেৰিকেড ভাঙি বাহনেৰে দিল্লী বিধানসভা চৌহদত প্ৰৱেশ কৰিছিল। ইয়াৰ পাছতে দিল্লী বিধানসভাৰ নিৰাপত্তাক লৈ প্ৰশ্ন উত্থাপন হৈছে। আৰক্ষীয়ে জনোৱা মতে আজি বিয়লি প্ৰায় ২.০৫ বজাত এজন মুখাধাৰী লোকে দিল্লী বিধানসভা চৌহদৰ প্ৰৱেশদ্বাৰ ভাঙি বাহনেৰে ভিতৰত প্ৰৱেশ কৰে। লগে লগে বিধানসভা চৌহদত আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। উত্তৰ প্ৰদেশৰ নম্বৰপ্লেট থকা বাহনখনৰ চালকে বিধানসভা চৌহদত বাহনৰ পৰা নামি অধ্যক্ষ বীজেন্দ্ৰ গুপ্তাৰ কাৰ্যালয়ৰ ফালে আগবাঢ়ি যায়। তাৰ পাছত কাৰ্যালয়টোৰ সন্মুখৰ বাৰান্দাত কিছু কাগজৰ সৈতে এটা ফুলৰ তোড়া থৈ পুনৰ নিজৰ বাহনলৈ উভতি আহে। পাছত লোকজনে বাহনখন লৈ বিধানসভা চৌহদৰ পৰা পলায়ন কৰে। যি সময়ত এই ঘটনা সংঘটিত হৈছিল তেতিয়া বিধানসভাৰ অধ্যক্ষ গুপ্তা কাৰ্যালয়টোতে আছিল। গতিকে নিৰাপত্তাৰ ব্যৱস্থা থকাৰ পাছতো এনেদৰে এজন লোক বাহন লৈ বিধানসভা চৌহদত প্ৰৱেশ কৰাক লৈ দিল্লী আৰক্ষী প্ৰশ্নৰ সন্মুখীন হৈছে।

## একেলগে ৭১১ ন্যায়াধীশক বদলি

# উত্তৰ প্ৰদেশৰ ন্যায়িক ব্যৱস্থাত বৃহৎ ৰদ-বদল




**লক্ষ্ণৌ, ৬ এপ্ৰিল ঃ** উত্তৰ প্ৰদেশৰ ন্যায়িক ব্যৱস্থাক গতিশীল কৰাৰ উদ্দেশ্যে বৃহৎ হাৰত ন্যায়াধীশ ৰদ-বদল কৰিছে এলাহাবাদ উচ্চ ন্যায়ালয়ে। ন্যায়ালয়ে ২০২৬ৰ বাৰ্ষিক বদলিৰ তালিকাত মুঠ ৭১১গৰাকী ন্যায়াধীশক স্থানান্তৰ কৰিছে। এয়া ৰাজ্যখনত হ'বলগীয়া বৃহৎ প্ৰশাসনিক ৰদ-বদলৰ অংশ বুলি চৰ্চিত হৈছে। উচ্চ ন্যায়ালয়ে জাৰি কৰা তালিকা অনুসৰি এইবাৰ ২৬৬গৰাকী অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ, ১৬৯গৰাকী জ্যেষ্ঠ শাখাৰ চিভিল ন্যায়াধীশ আৰু ২৭৬গৰাকী কনিষ্ঠ শাখাৰ চিভিল ন্যায়াধীশক বদলি কৰা হৈছে। জিলা আদালতসমূহত দীৰ্ঘ সময় ধৰি অমীমাংসিত হৈ পৰি ৰোৱা গোচৰসমূহৰ বিচাৰ প্ৰক্ৰিয়াক গতি দিয়া আৰু ন্যায়িক কাৰ্যব্যৱস্থাক সন্তুলিত কৰাৰ লক্ষ্যৰে এলাহাবাদ উচ্চ ন্যায়ালয়ে এই পদক্ষেপ গ্ৰহণ কৰা বুলি কোৱা হৈছে। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অৰুণ ভাঞ্চালীয়ে অনুমোদন জনোৱাৰ পাছত তালিকাখন প্ৰকাশ কৰা হৈছে। তালিকাৰ লগতে দিয়া নিৰ্দেশনাত কোৱা হৈছে যে যিসকল ন্যায়িক বিষয়াক বদলি কৰা হৈছে, তেওঁলোকে অহা ১৫ এপ্ৰিলৰ ভিতৰত নতুন স্থানত কাৰ্যভাৰ গ্ৰহণ কৰিব লাগিব। শীঘ্ৰে এই সম্পৰ্কীয় অধিসূচনাও জাৰি কৰা হ'ব বুলি কোৱা হৈছে। এলাহাবাদ উচ্চ ন্যায়ালয়ে তালিকাখন নিজৰ ৱেবছাইটতো সংলগ্ন কৰিছে। জানিব পৰা মতে এই বাৰ ৰাজ্যখনৰ প্ৰশাসনতো বৃহৎ ৰদ-বদল কৰা হৈছে। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ লক্ষ্ণৌ পীঠৰ কেইবাগৰাকীও পঞ্জীয়ক পৰ্যায়ৰ বিষয়াকো বদলি কৰিছে।

# ৪০ সতীৰ্থসহ দুৰ্দ্ধৰ্ষ মাওবাদী কেশালুৰ আত্মসমৰ্পণ



**হায়দৰাবাদ, ৬ এপ্ৰিল ঃ** তেলেংগানা-চত্তিছগড় সীমাঞ্চলত সক্ৰিয় হৈ থকা মাওবাদী শিবিৰত মোক্ষম আঘাত হানি মূলসুঁতিলৈ উভতি আহিছে ৪০জনৰো অধিক বিদ্ৰোহী। আজি ৪০জন সতীৰ্থক লগত লৈ তেলেংগানা আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰিছে দুৰ্দ্ধৰ্ষ মাওবাদী নেতা তথা পিপল্‌ছ লিবাৰেচন গেৰিলা আৰ্মীৰ শীৰ্ষ কমাণ্ডাৰ সোডী কেশালুৱে। ইয়াৰ লগে লগে বাষ্টাৰ আৰু তাৰ সীমাৱৰ্তী এলেকা সম্পূৰ্ণৰূপে নক্সালমুক্ত হোৱাৰ দিশে আগবাঢ়িছে। আত্মসমৰ্পণ কৰা নক্সাল বিদ্ৰোহীৰ দলটোৱে আৰক্ষীৰ ওচৰত বৃহৎ পৰিমাণে অস্ত্ৰ-শস্ত্ৰ জমা দিছে। আৰক্ষীয়ে জনোৱা মতে, কৰৰেগুট্টা নামৰ দুৰ্গম পাহাৰীয়া অঞ্চলত সোডী কেশালুৱে মাওবাদীৰ ২০ৰপৰা ৩০জনীয়া দল এটাক নেতৃত্ব দি আছিল। চৰকাৰে কেশালুৰ সন্ধান দিওঁতালৈ প্ৰায় ২০ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। ইয়াৰ পূৰ্বে যোৱা ২ জানুৱাৰীত পিপ্‌লছ লিবাৰেচন গেৰিলা আৰ্মীৰ আন এজন দুৰ্দ্ধৰ্ষ কমাণ্ডাৰ বৰ্ষা দেৱা ওৰফে দেবন্নাই আত্মসমৰ্পণ কৰিছিল। ২২ ফেব্ৰুৱাৰীত আত্মসমৰ্পণ কৰিছিল ৪০ বছৰে মাওবাদী শিবিৰত সক্ৰিয় হৈ থকা পলিটব্যুৰ' সদস্য তথা চেণ্ট্ৰেল মিলিটাৰী কমিছনৰ আগশাৰীৰ নেতা থিপ্পিৰী তিৰুপতি ওৰফে দেৱজীয়ে। তেওঁৰ লগতে ২০জন সতীৰ্থয়ো আত্মসমৰ্পণ কৰিছিল।

## চৰকাৰী ঠিকা কেলেংকাৰীৰ অভিযোগ

# অৰুণাচলৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে চি বি আই তদন্তৰ নিৰ্দেশ ন্যায়ালয়ৰ


**ইটানগৰ, ৬ এপ্ৰিল ঃ** অৱশেষত মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ আত্মীয়ৰ বুলি অভিযোগ উঠা একাংশ কোম্পানীক অৰুণাচল প্ৰদেশত বিভিন্ন কামৰ আবণ্টন দিয়াক লৈ উচ্চতম ন্যায়ালয়ে চি বি আইৰ তদন্তৰ নিৰ্দেশ জাৰি কৰিছে। দুসপ্তাহৰ ভিতৰত তদন্তকাৰী সংস্থাটোক প্ৰাথমিক অনুসন্ধান আগবঢ়াবলৈ আজি ন্যায়ালয়ে নিৰ্দেশ দিয়ে। ন্যায়াধীশ বিক্ৰম নাথ, ন্যায়াধীশ সন্দীপ মেহতা আৰু ন্যায়াধীশ এন ভি আনজাৰিয়াৰ এখন বিচাৰপীঠে এই সন্দৰ্ভত কয় যে ২০১৫ চনৰ জানুৱাৰীৰপৰা ২০২৫ চনৰ ডিচেম্বৰলৈ ৰাজ্যখনত আবণ্টন দিয়া ৰাজহুৱা কাম, চুক্তি আৰু বিভিন্ন ৱৰ্ক অৰ্ডাৰ সন্দৰ্ভত চি বি আয়ে এই তদন্ত চলাব। ন্যায়ালয়ে লগতে ৰাজ্য চৰকাৰক এইক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিয়াৰ লগতে তদন্তকাৰী সংস্থাটোৰ সৈতে সমন্বয় ৰক্ষাৰ বাবে এজন ন'ডেল বিষয়াক নিযুক্তি দিবলৈ অৰুণাচলৰ মুখ্য সচিবক নিৰ্দেশ দিছে। তদুপৰি একেটা ৰায়দানত কোনোধৰণৰ তথ্য-প্ৰমাণ যাতে নষ্ট কৰা নহয়, সেই বিষয়েও চৰকাৰক সকীয়াই দিয়ে। ইফালে ১৬ সপ্তাহৰ ভিতৰত এই তদন্তৰ প্ৰতিবেদন ন্যায়ালয়ক জমা দিবলৈ সময়সীমা বান্ধি দিছে। স্মৰ্তব্য যে ছেভ মন ৰিজ'ন ফেডাৰেচন আৰু স্বেচ্ছাসেৱী অৰুণাচল সেনাই মুখ্যমন্ত্ৰী, তেওঁৰ পত্নী, মাতৃ আৰু ভতিজাকৰ নামত থকা বিভিন্ন কোম্পানীক কোটি কোটি টকাৰ কামৰ আবণ্টন দিয়া বুলি অভিযোগ কৰি ন্যায়ালয়ত আবেদন জনাইছিল। আবেদনকাৰীসকলে এই দাবীও কৰিছে যে উক্ত সময়ছোৱাত ৰাজ্যখনত প্ৰদান কৰা মুঠ কামৰ প্ৰায় তিনি শতাংশ কেৱল আত্মীয়ক আবণ্টন দিছিল মুখ্যমন্ত্ৰী খাণ্ডুৱে।

# 'আইআৰজিচি'ৰ চোৰাংচোৱা শাখাৰ মুৰব্বী মাজিদ খামেদী নিহত



**ইৰানত পুনৰ ইজৰাইল-আমেৰিকাৰ আক্ৰমণ**

**তেহৰান, ৬ এপ্ৰিল ঃ** যুদ্ধত ইৰানৰ ওপৰত আন এক মোক্ষম আঘাত হানিছে ইজৰাইল-আমেৰিকাই। দেশ দুখনৰ যৌথ আক্ৰমণত নিহত হৈছে ইৰানৰ আটাইতকৈ শক্তিশালী সৈন্যবাহিনী ইছলামিক ৰিভলিউচনাৰী গাৰ্ড ক'ৰ্পছ, চমুকৈ আই আৰ জি চি চোৰাংচোৱা শাখাৰ মুৰব্বী মাজিদ খাদেমী। নিজৰ টেলিগ্ৰাম চেনেলত খোদ আই আৰ জি চিয়ে এই কথা সদৰি কৰিছে। আই আৰ জি চিয়ে প্ৰকাশ কৰিছে যে চোৰাংচোৱা শাখাৰ শক্তিশালী আৰু শিক্ষিত মুৰব্বী মেজৰ জেনেৰেল মাজিদ খাদেমী আমেৰিকা-ইজৰাইলৰ সন্ত্ৰাসবাদী আক্ৰমণত শ্বহীদ হৈছে। জানিব পৰা মতে আজি ইজৰাইল আৰু আমেৰিকাই যৌথভাৱে ইৰানৰ ওপৰত ভয়ংকৰ আক্ৰমণ কৰে। আক্ৰমণত নিহত হৈছে ২৫জনৰো অধিক লোক। সেই নিহত লোকসকলৰ মাজত আছে আই আৰ জি চিৰ চোৰাংচোৱা শাখাৰ মুৰব্বী মাজিদ খাদেমী। মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইয়াৰ পূৰ্বে হৰমুজ প্ৰণালী খুলি দি আমেৰিকাৰে বুজাবুজি কৰিবলৈ ইৰানক ৪৮ ঘণ্টাৰ সময়সীমা বান্ধি দিছিল। ৰাষ্ট্ৰপতি ট্ৰাম্পে পুনৰ ইৰানক হৰমুজ প্ৰণালী সকলোৰে বাবে মুকলি কৰি দিবলৈ কাইলৈ নিশা ৮ বজালৈ সময়সীমা নিৰ্দ্ধাৰণ কৰি দিছে। অন্যথা ইৰানৰ বিদ্যুৎ কেন্দ্ৰ আৰু সেতুসমূহৰ ওপৰত আক্ৰমণ কৰা হ'ব বুলি সকীয়নি দিছে ট্ৰাম্পে। কিন্তু এনে সকীয়নিক মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীৰ হতাশা বুলিহে আখ্যা দিছে ইৰানে।



# চাইকেল চলাই এভাৰেষ্টৰ বেষ্টকেম্পত দিব্যা সিং

**নতুন দিল্লী, ৬ এপ্ৰিল ঃ** উত্তৰ প্ৰদেশৰ গোৰখপুৰৰ ২৮বছৰীয়া এগৰাকী শিক্ষয়িত্ৰীয়ে ৰচিলে এক বিশেষ অভিলেখ। মহিলাগৰাকীয়ে শেহতীয়াকৈ চাইকেল চলাই মাউণ্ট এভাৰেষ্টৰ এটা বেছ কেম্পত উপস্থিত হয়। এই দুঃসাহসিক অভিযানেৰে তেওঁ প্ৰথমগৰাকী ভাৰতীয় আৰু বিশ্বৰ ভিতৰতে দ্বিতীয়গৰাকী মহিলাৰূপে পৰিগণিত হৈ ইতিহাস ৰচনা কৰে। দিব্যা সিং নামৰ মহিলাগৰাকীয়ে কাঠমাণ্ডুৰপৰা যাত্ৰা আৰম্ভ কৰি ১৪দিনীয়া কষ্টকৰ পৰিক্ৰমাৰ অন্তত ১৭,৫৬০ ফুট উচ্চতাত অৱস্থিত এই বেছ কেম্পটোত উপস্থিত হয়। এই যাত্ৰাকালত তেওঁ -১২ ডিগ্ৰী চেলছিয়াছ ঠাণ্ডা, পৰ্যাপ্ত অক্সিজেনৰ অভাৱ আৰু প্ৰচণ্ড বতাহৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। সিঙে প্ৰতিদিনে ১০ৰপৰা ১২ ঘণ্টা পৰ্যন্ত চাইকেল চলাই পাহাৰীয়া ঠেক, ওখোৰা-মোখোৰা পথছোৱা অতিক্ৰম কৰিছিল। আনকি এনে একাংশ অঞ্চলো আছিল, য'ত চাইকেল চলোৱাটো অসম্ভৱ হৈ পৰিছিল। অৱশেষত সামাজিক মাধ্যমত এই দুঃসাহসিক যাত্ৰাৰ ভিডিঅ' ভাইৰেল হৈ পৰাত লাখ লাখ অনুৰাগীয়ে দিব্যা সিঙক শুভেচ্ছা-অভিনন্দনেৰে ওপচাই তোলে। তেওঁৰ এই অসামান্য কৃতিত্বই গৃহ চহৰ গোৰখপুৰলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে সমগ্ৰ দেশৰ খেলুৱৈ আৰু দুঃসাহসিক অভিযানৰ অনুৰাগীসকলৰ প্ৰেৰণাৰ উৎস হৈ পৰিছে। উল্লেখ্য যে মহিলাগৰাকীয়ে সীমিত সা-সুবিধা সত্বেও নিজৰ কঠোৰ প্ৰশিক্ষণ আৰু অনুশীলনৰ জৰিয়তে এই অভিলেখ ভংগকাৰী কৃতিত্বৰ বাবে প্ৰস্তুত হৈছিল।



# অভয়পুৰীয়াত ‘বৰাহৰ পৃথিৱী উদ্ধাৰ’ প্ৰদৰ্শন

**দৈনিক অসমৰ প্ৰতিনিধি**

**লাকুৱা, ৬ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ শিমলুগুৰি অভয়পুৰীয়া গাঁৱত গুৰুজনাৰ অনুপম সৃষ্টি ভাওনা প্ৰদৰ্শন কৰা হয়। অভয়পুৰীয়া গাঁৱৰ গোবিন্দ নামঘৰত গাঁৱৰ বাৰ্ষিক সবাহ ভাওনা অনুষ্ঠিত কৰা হয়। ৪ এপ্ৰিলত দিনজোৰা কাৰ্যসূচীৰে গাঁৱৰ পৰম্পৰা ৰক্ষা কৰি বাৰ্ষিক সবাহ অনুষ্ঠিত কৰে। দিনৰ ভাগত নাম-প্ৰসংগ কীৰ্তন পাঠেৰে কাৰ্যসূচী সমাপ্ত হোৱাৰ পাছত নিশা ‘বৰাহৰ পৃথিৱী উদ্ধাৰ’ ভাওনা প্ৰদৰ্শন কৰা হয়।

# মাজুলীত বেতৰ বিচনী তৈয়াৰ কৰ্মশালা

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ৬ এপ্ৰিল ঃ** ঐতিহাসিক আউনীআটী সত্ৰৰ অপূৰ্ব হস্তশিল্প হেঙুল হাইতাল বোলোৱা বেতৰ বিচনীৰ তৈয়াৰৰ কুৰিদিনীয়া কৰ্মশালাৰ ৪ এপ্ৰিলত সামৰণি পৰে। কৰ্মশালাত কুৰিগৰাকী শিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে। দুটা স্থানত অনুষ্ঠিত কৰ্মশালাৰ নতুন বোকোৰা গাঁৱত হোৱা শিবিৰত ৯গৰাকী মহিলা আৰু এজন যুৱকে প্ৰশিক্ষণ গ্ৰহণ কৰে। আনটো শিবিৰ উজনি মাজুলীৰ ভকতিদুৱাৰ আঞ্চলিক জ্যোতি ৰংঘৰত অনুষ্ঠিত হৈছিল। উল্লেখ্য যে বেতৰ বিচনীৰ জি আই টেগ অৰ্জনৰ বাবে আয়োজিত উক্ত কৰ্মশালা যোৱা ১৫ মাৰ্চৰ পৰা একেলগে মাজুলীৰ দুটা স্থানত আৰম্ভ হৈছিল। কৰ্মশালাৰ দুয়োটা স্থানতে আউনীআটী সত্ৰৰ অভিজ্ঞ শিল্পীয়ে সমল ব্যক্তিৰূপে প্ৰশিক্ষণ প্ৰদান কৰিছিল। উল্লেখ্য যে ‘মাজুলীৰ সাহিত্য’ বেতৰ বিচনীৰ জি আই টেগ অৰ্জনৰ লগতে উদ্যোগীকৰণৰ ক্ষেত্ৰত সহযোগ আগবঢ়াইছে অইল ইণ্ডিয়া লিমিটেড দুলীয়াজানে। অইল ইণ্ডিয়া ৰুৰেল ডেভেলপমেণ্ট ছ’চাইটীৰ পৰা ‘অইল সংস্কৃতি’ শীৰ্ষক আঁচনিত পৃষ্ঠপোষকতা কৰা এই কাৰ্যসূচীত মুঠ কুৰিগৰাকী নতুন শিক্ষাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰে। জি আই টেগৰ আবেদনৰ বাবে নিম্নতম এশগৰাকী শিল্পী সেই শিল্পত জড়িত থকাটো প্ৰয়োজন। জি আই টেগ অৰ্জনৰ বাবে আবেদনৰ এই চৰ্ত সম্পূৰ্ণ কৰি উৎসাহিত হৈছে ‘মাজুলীৰ সাহিত্য’। চলিত মাহতে মনোনয়ন দাখিলৰ বাবে এখোজ আগুৱালে সংগঠনটো। জি আই টেগৰ অন্যান্য পদক্ষেপৰ অন্তৰ্গত অচিৰেই এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰিব মাজুলীৰ সাহিত্যই। সেইদিনাই কৰ্মশালাৰ শিক্ষাৰ্থীসকলক মানপত্ৰসমূহ বিতৰণ কৰিব।

# বান্দৰদেৱাত হেৰ'ইনসহ ধৃত ১




**দৈনিক অসমৰ প্ৰতিনিধি**

**বান্দৰদেৱা, ৬ এপ্ৰিল ঃ** লখিমপুৰ জিলাৰ শিমলুগুৰিৰ পৰা বান্দৰদেৱা অভিমুখে অহা ডব্লিউ বি-৩৮ এ বি-৫৫৮৮ নম্বৰৰ বলেৰো বাহনখনত সন্দেহজনক হেৰ'ইন কঢ়িয়াই অনাৰ সন্দেহত আৰক্ষীয়ে কালিনিশা এজন লোকক আটক কৰে। লখিমপুৰ জিলাৰ বান্দৰদেৱাৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বান্দৰদেৱা বজাৰ এলেকাত বাহনখনত আৰক্ষীয়ে তালাচী চলায়। আৰক্ষীৰ তালাচীত ২ নং পাৰ্বতীপুৰৰ লেফটেনেণ্ট ৰাজেন মাল্লাৰ পুত্ৰ কৈলাস মল্ল (২৮)ক আটক কৰাৰ লগতে সন্দেহযুক্ত হেৰ'ইনভৰ্তি ১৫ টা কণ্টেইনাৰ উদ্ধাৰ কৰে।

## ডিগবৈত বিজেপিৰ প্ৰাৰ্থী-বিৰোধী ঐক্যমঞ্চৰ মাজতে হ'ব মূল যুঁজ

# নিৰ্ণায়ক ভূমিকা ল'ব চাহ জনগোষ্ঠীয় ভোটাৰে

## ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী ভৰত নায়কৰ উত্থানে আউল লগাইছে এন ডি এৰ প্ৰাৰ্থীৰ অংকত

**দৈনিক অসমৰ প্ৰতিনিধি**

**ফিল'বাৰী, ৬ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি তিনিচুকীয়া জিলাৰ ৮৪ নং ডিগবৈ বিধানসভা সমষ্টিত প্ৰাৰ্থীসকলৰ মাজত অব্যাহত নিৰ্বাচনী তৎপৰতাই বিশেষ আকৰ্ষণৰ সৃষ্টি কৰিছে। সমষ্টিটোৰ চুকে-কোণে ধাৰাবাহিক নিৰ্বাচনী প্ৰচাৰ অব্যাহত থকাৰ মাজতে বিজেপি প্ৰাৰ্থী সুৰেন ফুকন ভিতৰি শংকিত হৈ পৰা বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে। সমষ্টিটোত থকা ‘আণ্ডাৰ কাৰেণ্ট’-এ মোক্ষম আঘাত হানিব পাৰে বুলি সমষ্টিৰ একাংশ লোকে মন্তব্য কৰিছে। কাৰণ, প্ৰথমতে নিজৰ মানুহ বুলি ভবা ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী ভৰত নায়কৰ প্ৰতি ৰাইজৰ সঁহাৰিৰ বাবে চিন্তিত হৈ পৰিছে সুৰেন ফুকনৰ লগতে আন প্ৰাৰ্থীসকল। বিৰোধী মিত্ৰজোঁটৰ ‘ৰাইজৰ দল’ৰ প্ৰাৰ্থী দুলাল মৰাণেও নিজৰ জোখাৰে নিৰ্বাচনী প্ৰচাৰ তুংগত তুলিছে। নিৰ্দলীয় প্ৰাৰ্থী লক্ষেশ্বৰ মৰাণৰ পৰা জানিব পৰা মতে, বিভিন্ন শক্তিয়ে সহযোগিতা আগবঢ়াই তেওঁক জয়ী কৰাৰ পণ বান্ধি লৈছে। অৱশ্যে শেহতীয়াকৈ ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী ভৰত নায়কৰ উত্থানে বিশেষকৈ বিজেপি প্ৰাৰ্থীগৰাকীক চিন্তাত পেলাইছে। ইতিপূৰ্বে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে তিনিচুকীয়া জিলাত প্ৰচাৰ চলাই যোৱাৰ পাছত ভৰতৰ স্থিতি অধিক শক্তিশালী হোৱা পৰিলক্ষিত হৈছে। ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী ভৰত নায়কে চাহ জনগোষ্ঠীয় আৰু আদিবাসী ভোট (প্ৰায় ৫৩ হাজাৰ)ক মূলধন হিচাপে লৈ আগবঢ়াৰ পাছত বিজেপি তথা অন্যান্য প্ৰাৰ্থীসকলৰ ভাগত এই ভোট কিমান পৰে সেয়া কোৱা কঠিন। হিন্দীভাষী (১০ হাজাৰ+), গোৰ্খা (১০ হাজাৰ) আৰু বাংলাভাষী (১৫ হাজাৰ+) ভোটৰ ৯০ শতাংশ বিজেপিৰ হাতলৈ যোৱাৰ সম্ভাৱনা বেছি। কিন্তু চাহ বাগিচাৰ হিন্দু আৰু খৃষ্টান (৫৩ হাজাৰ+) ভোটাৰৰ বৃহৎ অংশৰ ভোট ঝাৰখণ্ড মুক্তি মৰ্চাৰ হাতলৈ যোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। সমষ্টিটোৰ প্ৰায় ৬০ হাজাৰ খিলঞ্জীয়া ভোট সুৰেন ফুকন, দুলাল মৰাণ আৰু লক্ষেশ্বৰ মৰাণৰ মাজত বিভক্ত হোৱাৰ বিপৰীতে পিছৰ দুজনে কিছুমান পকেট ভোট পাব পাৰে। তাৰ মাজতে ভিতৰি চলা ‘আণ্ডাৰ কাৰেণ্ট’-এ কাক কেনেকৈ সহায় কৰে সেয়া সময়ৰ কথা। সমষ্টিটোত মুঠ ১,৪৬,৯১৭গৰাকী ভোটাৰ (৭১,৫৩৬ পুৰুষ, ৭৫,৩৭৭ মহিলা, ৪ গৰাকী তৃতীয় লিংগ) আৰু ১৮৯টা ভোটকেন্দ্ৰ আছে। ১৩খন গাঁও পঞ্চায়ত, তিনিটা মণ্ডল, ১খন পৌৰসভা আৰু প্ৰায় ১৪খন সৰু-বৰ চাহ বাগিচা আছে। এইবাৰ বিজেপিৰ টিকটকেন্দ্ৰিক সংঘাতৰ বতাহ ডিগবৈ বিধানসভা সমষ্টিত বাৰুকৈয়ে কোবোৱা পৰিলক্ষিত হৈছিল। এই সমষ্টিৰ বিজেপিত টিকট আবেদন কৰি বঞ্চিতসকলৰ ভিতৰত আছিল ৰাজ্যিক বিজেপি সম্পাদক লক্ষ্য কোঁৱৰ, জিলা বিজেপিৰ উপ-সভাপতি মূলেন্দ্ৰ মৰাণ, আৰ এছ এছৰ নত্বভূষণ সোণোৱাল, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ভাদেশ্বৰ মৰাণ আদি। কংগ্ৰেছৰ পৰাও ১০গৰাকীয়ে প্ৰাৰ্থিত্ব বিচাৰিছিল। কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত আসন বুজাবুজিৰ ফলত ৰাইজৰ দলক এই সমষ্টিটো এৰি দিয়াৰ পিছত কংগ্ৰেছৰ টিকট নোপোৱা লক্ষেশ্বৰ মৰাণ নিৰ্দলীয় হৈ, দুলাল মৰাণ ‘ৰাইজৰ দল’ৰ হৈ, ঝাৰখণ্ড মুক্তি মৰ্চাৰ হৈ ভৰত নায়ক, আৰু তৃণমূল কংগ্ৰেছৰ হৈ জিতেন নাগে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইপিনে উচ্চশিক্ষিত, নম্ৰ আৰু অবিতৰ্কিত ভৰত নায়কৰ ক্ৰমাগত উত্থানে এইবাৰ ডিগবৈত প্ৰায় চাৰিকোণীয়া যুঁজ এখন হোৱাৰ প্ৰবল সম্ভাৱনা দাঙি ধৰিছে। উল্লেখ্য যে প্ৰায় ১৩ বছৰৰ আগতে পঞ্চায়ত নিৰ্বাচনত চামদাং জিলা পৰিষদ সমষ্টিত ভৰত নায়কৰ হাতত পৰাজিত হৈছিল সুৰেন ফুকন। ‘এবাৰ সাপে খালে কেঁচুলৈকে ভয়’ বুলি মাজে মাজে ৰোমন্থন কৰা ‘কৰ্মযোগী বিধায়ক’ সুৰেন ফুকন বৰ্তমান এক প্ৰকাৰ চক্ৰবেহুৰ মাজত পৰিছে যদিও তেওঁৰ জয় বা পৰাজয় কম ভোটৰ ব্যৱধানত হ'ব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।



# টিংখাঙত শাসক-বিৰোধীৰ বাইক শোভাযাত্ৰাৰে প্ৰচাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ/টিংখাং, ৬ এপ্ৰিল ঃ** উজনি অসমৰ অতি গুৰুত্বপূৰ্ণ সমষ্টি হিচাপে পৰিচিত ৯১ নং টিংখাং বিধানসভা সমষ্টিত কালি শাসকীয় এনডিএৰ লগতে বিৰোধী ঐক্যমঞ্চৰ কংগ্ৰেছ প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰ চলাই শক্তি প্ৰদৰ্শন কৰে। সমষ্টিটোৰ প্ৰধান ৰাজগড় চাহ বাগিচাৰ পৰা শাসকীয় এনডিএৰ বিজেপি প্ৰাৰ্থী বিমল বড়াই এক বিশাল মটৰচাইকেল শোভাযাত্ৰা আৰম্ভ কৰে। দলটোৰ শোভাযাত্ৰাকাৰীসকলে সমষ্টিটোৰ টিংখাং ফেটেঙীবৰ হৈ শ'লগুৰি, লেঙেৰী, বামুণবাৰী, মৰাণ আদি পৰিভ্ৰমণ কৰে। আনহাতে বিৰোধী ঐক্যমঞ্চৰ কংগ্ৰেছ প্ৰাৰ্থী বিপুল গগৈয়ে সমষ্টিটোৰ অন্যতম দিৰাই চাহ বাগিচাৰ পৰা মটৰচাইকেলেৰে শোভাযাত্ৰা আৰম্ভ কৰে। দলটোৰ বিশাল শোভাযাত্ৰাত ঐক্যমঞ্চৰ অংশীদাৰী দলৰ নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। সমষ্টিটোৰ ৰাজগড়, টিংখাং, লেঙেৰী, বামুণবাৰী, মৰাণ আদি অঞ্চলবোৰত শোভাযাত্ৰাকাৰী বিৰোধী দলটোৱেও ব্যাপক প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়। দুয়োটা দলৰ প্ৰচাৰ অভিযানত সমষ্টিটোৰ সহস্ৰাধিক যুৱক-যুৱতীৰ লগতে পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। ইপিনে, কালি সন্ধিয়া সমষ্টিটোৰ সৰোজনী, টিংখাং চাহ বাগিচাৰ লগতে কেইবা ঠাইত এনডিএৰ প্ৰাৰ্থীগৰাকী নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি প্ৰচাৰকাৰ্য চলায়। একেদৰে বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীগৰাকীয়ে সমষ্টিটোৰ কেইবাঠাইত প্ৰচাৰ চলোৱাৰ লগতে বিভিন্নজনক সাক্ষাৎ কৰি ভোট ভিক্ষা কৰে। উল্লেখ্য যে প্ৰায় ডেৰকুৰিৰো অধিক বৃহৎ চাহ কোম্পানীৰ চাহ বাগিচা, সহস্ৰাধিক ক্ষুদ্ৰ চাহ বাগিচা আৰু অইল ইণ্ডিয়া লিমিটেডৰ কুৰিটাৰো অধিক তৈল খাদ, অচিএছ আৰু জিচিএছৰে পৰিৱেষ্টিত সমষ্টিটোৰ বাট-পথ, শিক্ষা, জনস্বাস্থ্য, খোৱাপানী, জলসিঞ্চন, বান-খহনীয়া, ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যা আদিৰ বাবে জনসাধাৰণে দুৰ্ভোগ ভুগি আহিছে। টাই আহোম, চাহ জনগোষ্ঠী আদিবাসী, সোণোৱাল কছাৰী, নেপালী, হিন্দীভাষী, বাংলাভাষী, কোচ, কলিতা, চুতীয়া, মিচিং, দেউৰী, কৈৱৰ্ত আদি বিভিন্ন জাতি-জনগোষ্ঠীয়ে বসবাস কৰা ৰাজ্যখনৰ ভিতৰতে সামগ্ৰিকভাৱে অনগ্ৰসৰ ১৯খন গাঁও পঞ্চায়তেৰে গঠিত সমষ্টিটোৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ১,৭৮,২০১গৰাকী। ইয়াৰে ৮৫,৯৬০গৰাকী পুৰুষ ভোটাৰ আৰু ৯২,২৪১গৰাকী হৈছে মহিলা ভোটাৰ।

## ■ ভোটাৰ সজাগতা বৃদ্ধিৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ ■

# যোৰহাটত এছ ভি ই ই পি কোষৰ পদযাত্ৰা কাৰ্যসূচী




**দৈনিক অসমৰ প্ৰতিনিধি**

**নকছাৰি, ৬ এপ্ৰিল ঃ** ভোটাৰ সজাগতা বৃদ্ধিৰ লক্ষ্যৰে কালি যোৰহাটত এক বিশাল পদযাত্ৰা কাৰ্যসূচী গ্ৰহণ কৰা হয়। যোৰহাট জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ নিৰ্দেশনাত, যোৰহাট জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় আৰু অ' এন জি চিৰ উদ্যোগত তথা জিলা এছ ভি ই ই পি কোষৰ সহযোগত আয়োজিত এই পদযাত্ৰাৰ মূল উদ্দেশ্য হ'ল ৯ এপ্ৰিলত হ'বলগীয়া নিৰ্বাচনত ১০০% ভোটদান নিশ্চিত কৰা। এই বিশেষ সজাগতামূলক যাত্ৰাটি যোৰহাট পৌৰসভাৰ কাৰ্যবাহী বিষয়া কল্লোল ডেকাই আনুষ্ঠানিকভাৱে ফ্লেগ অফ কৰি শুভাৰম্ভ কৰে। এই পদযাত্ৰা যোৰহাট ষ্টেডিয়ামৰ পৰা আৰম্ভ হৈ চহৰখনৰ ব্যস্ত পথ কে বি ৰোড, এম জি ৰোড আৰু এ টি ৰোডেৰে পৰিক্ৰমা কৰি অৱশেষত জে বি কলেজৰ সমীপত সামৰণি পৰে। কাৰ্যসূচীত জিলা ক্ৰীড়া বিষয়া (ভাৰপ্ৰাপ্ত), বিভাগীয় কৰ্মচাৰীবৃন্দৰ লগতে প্ৰশিক্ষাৰ্থীসকলৰ অভিভাৱক আৰু স্থানীয় সচেতন ৰাইজ উপস্থিত থাকে।

# দেৰগাঁৱত আপৰ পুলিন গগৈৰ জোৰদাৰ জনসংযোগ সভা



**দৈনিক অসমৰ প্ৰতিনিধি**

**দেৰগাঁও, ৬ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি দেৰগাঁও সমষ্টিত ৰাজনৈতিক তৎপৰতা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। এই পৰিপ্ৰেক্ষিতত আম আদমি পাৰ্টীৰ চমুকৈ ‘আপ’ৰ প্ৰাৰ্থী পুলিন গগৈয়ে সমৰ্থকসকলৰ সৈতে সমষ্টিটোৰ বিভিন্ন স্থানত ব্যাপক জনসংযোগ অভিযানেৰে নিৰ্বাচনী সভাৰ আয়োজন কৰি আছে। তেওঁ ঘৰে ঘৰে গৈ ভোটাৰসকলৰ সৈতে প্ৰত্যক্ষ সংযোগ স্থাপন কৰি ‘আপ’ৰ নীতি-আদৰ্শ আৰু উন্নয়নমূলক পৰিকল্পনাসমূহৰ বিষয়ে বিশদভাৱে অৱগত কৰে। সৰু সৰু নিৰ্বাচনী সভাৰ জৰিয়তে তেওঁ শিক্ষা, স্বাস্থ্য, নিয়োগ, পথ-ঘাট, খোৱাপানী, পৰ্যটন আৰু স্থানীয় উন্নয়নৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহ উত্থাপন কৰিছে। সভাসমূহত ভাষণ দি তেওঁ দেৰগাঁও সমষ্টিৰ সামগ্ৰিক উন্নয়ন, স্বচ্ছ প্ৰশাসন আৰু জন অংশগ্ৰহণ অত্যাৱশ্যক বুলি কয়। তেওঁ ৰাইজক পৰিৱৰ্তনৰ ৰাজনীতিক সমৰ্থন জনাই অঞ্চলটোৰ উন্নয়নৰ স্বাৰ্থত ‘আপ’ক এটা সুযোগ দিবলৈ আহ্বান জনায়। তেওঁৰ সৈতে দলটোৰ কৰ্মী আৰু সমৰ্থক সকলো বৃহৎ সংখ্যাত উপস্থিত থাকি ৰাইজৰ মাজলৈ বাৰ্তা পঠিয়াবলৈ সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আছে। গাঁও আৰু চহৰত অনুষ্ঠিত এই সভাসমূহৰ সময়ত পুলিন গগৈয়ে যুৱক-যুৱতী, মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে পৃথকে পৃথকে সাক্ষাৎ কৰি তেওঁলোকৰ সমস্যাসমূহ শুনি সমাধানৰ আশ্বাস প্ৰদান কৰে।

## অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী

# সত্যৱতী গোহাঁইৰ মৃত্যুত চৰাইদেউত শোক

**দৈনিক অসমৰ প্ৰতিনিধি**

**দিচাংমুখ, ৬ এপ্ৰিল ঃ** পাণবেচা ধোপাবৰীয়া গাঁও নিবাসী তথা চৰাইদেউ বৰুৱা নগৰৰ প্ৰফুল্ল চন্দ্ৰ বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী সত্যৱতী গোহাঁই (৬৬)ৰ ৪ এপ্ৰিলৰ নিশা অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত বিশিষ্ট সমাজকৰ্মী ধনেশ্বৰ গোহাঁইকে ধৰি দুগৰাকী জ্যেষ্ঠ ভাতৃ, এগৰাকী জ্যেষ্ঠ ভগ্নী, এগৰাকী ভগ্নীৰ লগতে বহু আত্মীয়-স্বজন, গুণমুগ্ধক ইহসংসাৰত এৰি থৈ গৈছে। এখন কবিতা পুথিৰ উপৰি গোহাঁয়ে অসম সাহিত্য সভাৰ বৰুৱা নগৰ শাখাৰ প্ৰাক্তন সভানেত্ৰী আৰু সাহিত্য সভাৰ আজীৱন সদস্য। বৰুৱা নগৰ আৰু বানমুখ-পাণবেচা অঞ্চলটোৰ বহু সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত তেওঁ ওতপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত ভাৰপ্ৰাপ্ত অধ্যক্ষ মুকুট বৰগোহাঁই, বানমুখ উদয়ন যুৱক সমাজ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# নাজিৰাৰ শিমলুগুৰিত হনুমান জন্মোৎসৱ উদ্‌যাপন



**দৈনিক অসমৰ প্ৰতিনিধি**

**নাজিৰা, ৬ এপ্ৰিল ঃ** নাজিৰাৰ শিমলুগুৰি নগৰৰ ৭ নং ৱাৰ্ডৰ কৈৰীবস্তিত স্থানীয় ৰাইজৰ সহযোগত ১ আৰু ২ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হনুমান জন্মোৎসৱ উদ্‌যাপন কৰা হয়। কৈৰীবস্তিৰ সাৰ্বজনীন কালীমন্দিৰ আৰু অষ্টভুজা দুৰ্গামন্দিৰ প্ৰাংগণত আয়োজন কৰা কাৰ্যসূচীৰ প্ৰথমদিনা সন্ধিয়া ৭ বজাৰ পৰা ‘সুন্দৰা কাণ্ড’ পাঠ কৰা হয়। দ্বিতীয়দিনা পুৱা ধৰ্মধ্বজা উত্তোলনৰ পাছতে পূজা, আৰতি আৰু পূৰ্ণাহুতিৰ পাছতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত হনুমান, শিৱ, পাৰ্বতী, সুগ্ৰীৱ, বালী আৰু ৰামায়ণৰ কিছু দৃশ্যাংশ প্ৰদৰ্শনে ৰাইজক মোহিত কৰে। কৈৰীবস্তিৰ সাৰ্বজনীন কালীমন্দিৰ আৰু অষ্টভুজা দুৰ্গামন্দিৰ প্ৰাংগণৰ পৰা আৰম্ভ কৰা শোভাযাত্ৰা শিমলুগুৰি নগৰৰ বালিঘাট, নাজিৰা নগৰেদি গৈ পুনৰ মন্দিৰ প্ৰাংগণত সামৰণি পেলায়। আনহাতে হনুমান জন্মোৎসৱৰ পাছতেই একে স্থানত ২ এপ্ৰিলৰ পৰা ৬ এপ্ৰিললৈকে পঞ্চকুণ্ডীয় হোমাত্মক শত চণ্ডী মহাযজ্ঞ চলি আছে। এই কাৰ্যসূচী অনুসৰি প্ৰথমদিনা পুৱা কুণ্ড পূজা (অগ্নিকুণ্ড) ঘট স্থাপন আৰু মণ্ডপ প্ৰৱেশৰ পাছতে আৰতি, দ্বিতীয়দিনা পুৱা মণ্ডপ পূজন, বেদী পূজন, অগ্নি মন্থন, হৱন আৰু আৰতি, তৃতীয় আৰু চতুৰ্থদিনা মণ্ডপ, বেদী পূজন, ধৰ্মাত্মক হৱন, আৰতি, শেষৰ দিনা মণ্ডপ, বেদী পূজন, আমন্ত্ৰিত দেৱতাসকলৰ হৱন, পূৰ্ণাহুতি, আৰতি বিসৰ্জনেৰে কাৰ্যসূচীৰ সামৰণি পৰিব। উক্ত সমূহ কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি আৰু সহযোগিতাৰ বাবে আয়োজক সমিতিৰ সভাপতি কৃপাশংকৰ সিং, সম্পাদক শিৱা শৰ্মা তথা আয়োজক সমিতিয়ে আহ্বান জনাইছে।



# স্বৰাজ একাডেমীত চিত্ৰাংকন প্ৰতিযোগিতা

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিমলুগুৰি, ৬ এপ্ৰিল ঃ** ৰঙালী বিহুৰ প্ৰাক্‌ক্ষণত নাজিৰা স্বৰাজ একাডেমী আৰু স্বৰাজ সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক সমাজে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰে। পুৱা শংকৰদেৱ বিদ্যা নিকেতন, নাজিৰাৰ প্ৰধান আচাৰ্য গোপাল বৰুৱাই উদ্বোধন কৰা চিত্ৰাংকন প্ৰতিযোগিতাত নাজিৰা সমজিলাৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে স্বৰাজ একাডেমীৰ শৈক্ষিক তত্ত্বাৱধায়ক তন্ময় শইকীয়াই আঁত ধৰা স্বৰাজ একাডেমীৰ অধ্যক্ষা ডঃ অসমী গগৈৰ সঞ্চালনাত আয়োজিত বঁটা বিতৰণী সভাত শিক্ষক তথা চিত্ৰশিল্পী দীপালি দুৱৰা আৰু মনোৱাৰা বেগম, লগতে কাৰ্টুনিষ্ট ভাস্কৰজ্যোতি মহন্ত অতিথি হিচাপে উপস্থিত থাকে। বঁটা বিতৰণী অনুষ্ঠানতে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত, কবিতা আবৃত্তিৰে অনুষ্ঠানটো জীপাল কৰি তোলে।

## অসম সাহিত্য সভাৰ অসমতত্ত্ব গৱেষণা সংস্থানৰ উদ্যোগ

# মৃত্যু তিথিত সাহিত্যপ্ৰাণ ডঃ কুতুবুদ্দিন আহমেদক স্মৰণ



**দৈনিক অসমৰ প্ৰতিনিধি**

**যোৰহাট, ৬ এপ্ৰিল ঃ** স্বনামধন্য সাহিত্যিক, শিক্ষাবিদ, সাহিত্য সমালোচক, অসমীয়া শ্বায়েৰীৰ স্ৰষ্টা, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, অসম সাহিত্য সভাৰ বিদ্যায়তনিক কেন্দ্ৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ডঃ মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থানৰ প্ৰাক্তন পঞ্জীয়ক সাহিত্যপ্ৰাণ ডঃ কুতুবুদ্দিন আহমেদৰ পঞ্চম স্মৃতি দিৱস উপলক্ষে কালি অসমতত্ত্ব গৱেষণা সংস্থানৰ উদ্যোগত দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনৰ ভুৱন বৰুৱা সভাকক্ষত এক স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে ডঃ কুতুবুদ্দিন আহমেদৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে আৰু স্মৃতি তৰ্পণ কৰে সভাৰ ধনভৰালী মণিৰাম লাহনে। জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ডঃ কল্যাণী গোস্বামীয়ে এটি মংগলাচৰণ পৰিৱেশন কৰে। সংস্থানৰ সমন্বয়ক ডঃ ৰাজশ্ৰী হাজৰিকাই আঁত ধৰা অনুষ্ঠানত পঞ্জীয়ক ডঃ অদিতি বেজবৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰি কয় যে প্ৰাচ্যবিদ্যাৰ্ণৱ ডঃ মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থানৰ পঞ্জীয়ক হিচাপে ডঃ কুতুবুদ্দিন আহমেদে অসম সাহিত্য সভাৰ বিদ্যায়তনিক কেন্দ্ৰটিক পুনৰুজ্জীৱিত কৰিছিল আৰু ‘ডঃ কুতুবুদ্দিন আহমেদ-এলিজা বেগম অসমতত্ত্ব গৱেষণা ন্যাস’ প্ৰদানেৰে সংস্থানৰ গৱেষণাকাৰ্যক গতিশীল কৰি তুলিছিল। নিজা বক্তব্যত অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে সভাৰ সহকাৰী সম্পাদক, ভাষাজ্ঞান সংসদৰ সচিব হিচাপে দায়িত্ব পালন কৰা ডঃ কুতুবুদ্দিন আহমেদে জাতীয় অনুষ্ঠানটিৰ প্ৰতি আজীৱন নিস্বাৰ্থ সেৱা আগবঢ়াইছিল। ডঃ গোস্বামীয়ে সতীৰ্থ কুতুবুদ্দিন আহমেদৰ সান্নিধ্য আৰু ৰসাল স্বভাৱকো স্মৰণ কৰে। পৰিয়ালৰ তৰফৰ পৰা ডঃ আহমেদৰ সহধৰ্মিণী এলিজা বেগমে বক্তব্য আগবঢ়ায়। সভাৰ ধনভৰালী মণিৰাম লাহন, প্ৰধান সচিব অশোক কুমাৰ সেনাপতি আৰু যোৰহাট জিলা সাহিত্য সভাৰ সম্পাদক মিতালী শইকীয়াই অসম সাহিত্য সভাৰ মজিয়াত ডঃ আহমেদৰ সান্নিধ্যত কটোৱা সময়ছোৱাৰ স্মৃতিচাৰণ কৰে আৰু তেওঁৰ ব্যক্তিত্বৰ বিভিন্ন দিশত আলোকপাত কৰে। কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক, বিশিষ্ট কবি-গৱেষক ডঃ জ্যোতিৰেখা হাজৰিকাই ডঃ কুতুবুদ্দিন আহমেদৰ অভিনৱ সৃষ্টি ‘অসমীয়া শ্বায়েৰী’ৰ এক সাৱলীল আলোচনা আগবঢ়াই এই বিষয়ৰ বিদ্যায়তনিক অধ্যয়নৰ পোষকতা কৰে। বিশিষ্ট কবি ৰণজিৎ গগৈয়ে তেওঁৰ বক্তব্যত ডঃ আহমেদে নৱপ্ৰজন্মৰ সাহিত্যসেৱীসকলক উৎসাহিত কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে ব্যক্ত কৰি শ্ৰদ্ধাৰ্ঘ্য আগবঢ়ায়। অনুষ্ঠানতে গীতৰত্ন নগেন বৰাৰ সহধৰ্মিণী, সাহিত্যসেৱী ৰেণু বৰাৰ বিয়োগত শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ সদ্‌গতিৰ অৰ্থে এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত ডঃ কুতুবুদ্দিন আহমেদৰ গুণমুগ্ধ ব্যক্তিসকলৰ লগতে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সমূহ কৰ্মচাৰী উপস্থিত থাকে।

■ কাম নকৰাকৈ উলিয়াই নিলে পঞ্চদশ বিত্তীয়ৰ লক্ষাধিক টকা ■

# বৰক্ষেত্ৰীৰ কুৰিহামাৰী বৰচুলীয়া পঞ্চায়তত দুৰ্নীতি



**দৈনিক অসমৰ প্ৰতিনিধি**
**মুকালমুৱা, ৬ এপ্রিল ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত কুৰিহামাৰী বৰচুলীয়া পঞ্চায়তত পঞ্চদশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণৰ নামত বিয়াগোম কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত দুৰ্গম চৰাঞ্চলৰ উক্ত পঞ্চায়তত অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ নকৰাকৈ লক্ষাধিক টকা আত্মসাৎ কৰাৰ তথ্য পোহৰলৈ আহিছে। বিভাগীয়ভাৱে কণ কণ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাগ্ৰহণৰ সুবিধাৰ্থে নিৰ্মাণ কৰিবলৈ দিয়া গৃহ নিৰ্মাণ নকৰাকৈ সমুদায় টকা লুণ্ঠন কৰাৰ পিছতো কিন্তু ৰহস্যজনকভাৱে নীৰৱতা অৱলম্বন কৰিছে নলবাৰী জিলা আয়ুক্তৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে। পঞ্চায়তখনৰ অন্তৰ্গত বৰচুলীয়াত থকা ২৬ নং অংগনৱাড়ী কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ বাবে বিভাগীয়ভাৱে ২০২২-২৩ বিত্তীয় বৰ্ষত পঞ্চদশ বিত্তীয় আয়োগৰ পৰা কেন্দ্ৰটোত দুই লক্ষাধিক টকা আবণ্টন দিছিল। কিন্তু আশ্চৰ্যজনকভাৱে অংগনৱাড়ী কেন্দ্ৰটোৰ গৃহ নিৰ্মাণৰ কাম নকৰাকৈয়ে নিৰ্মাণ সমিতিয়ে উলিয়াই নিয়ে আবণ্টিত সকলো ধন। অভিযোগ অনুসৰি, গাঁও পঞ্চায়তখনৰ সচিব আৰু পূৰ্বৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মনে অভিযন্তাৰে মিলি নিৰ্মাণ সমিতিয়ে উলিয়াই নিয়ে আবণ্টিত ধনৰাশি। বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অধীনৰ গাঁও পঞ্চায়তসমূহত এনেবোৰ বিয়াগোম দুৰ্নীতি সংঘটিত হৈ অহাত নীৰৱ ভূমিকা পালন কৰি আহিছে নলবাৰী জিলা আয়ুক্তই। পৰৱৰ্তী সময়ত গ্ৰামোন্নয়ন বিভাগ তথা নলবাৰী জিলা আয়ুক্তক বিভাগীয়ভাৱে তদন্ত কৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে চৰাঞ্চলৰ সচেতন মহলে।

# মৰিগাঁৱত মাকৈ চপোৱা উৎসৱ

**‘টাজা-টি ২৩৫৫’ জাতৰ মাকৈৰ বীজে আনিছে সুফল**

**দৈনিক অসমৰ প্ৰতিনিধি**
**ভূৰবন্ধা, ৬ এপ্রিল ঃ** মৰিগাঁও জিলাৰ কৃষিখণ্ডত এক নতুন আশাৰ বতৰা কঢ়িয়াই আনিছে ভূৰবন্ধা উন্নয়ন খণ্ডৰ অন্তৰ্গত মানিপুৰস্থিত ‘ইয়াংলি এফ পি চি লিমিটেড’ নামৰ কৃষক উৎপাদক কোম্পানীটোৱে। মৰিগাঁৱৰ কৃষক সমাজৰ আৰ্থিক ভেটি মজবুত কৰাৰ লক্ষ্যৰে কোম্পানীটোৱে শেহতীয়াকৈ এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। আজি জিলাখনৰ মানিপুৰত ‘টাজা-টি ২৩৫৫ জাতৰ উন্নতমানৰ মাকৈ চপোৱা কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। আজিৰ এই বিশেষ মাকৈ চপোৱা উৎসৱটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে আৰ জি ভি এনৰ প্ৰকল্পৰ ক্ষেত্ৰ সমন্বয়ক উদয় কুমাৰে। তেওঁ মৰিগাঁৱৰ মাটিৰ উৰ্বৰতা আৰু মাকৈ খেতিৰ জৰিয়তে কৃষকসকল স্বাৱলম্বী হোৱাৰ দিশটোৰ ওপৰত আলোকপাত কৰে। এই উন্নত জাতৰ মাকৈয়ে কৃষকসকলক অধিক উৎপাদনৰ লগতে লাভৰ মুখ দেখুৱাব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে। উদ্বোধনী অনুষ্ঠানটোত স্থানীয় কৃষক সমাজৰ মাজত এক অভূতপূৰ্ব উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়। এই অনুষ্ঠানৰ মঞ্চৰ পৰাই কৃষি ক্ষেত্ৰত দেখুওৱা নিষ্ঠা আৰু সফলতাৰ বাবে অঞ্চলটোৰ তিনিগৰাকী প্ৰগতিশীল মাকৈ খেতিয়ক ক্ৰমে— প্ৰফুল্ল কোঁৱৰ, সোণমণি বৰদলৈ আৰু কুশল দাসক ইয়াংলি এফ পি চিৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্দ্ধনা জনাই সন্মানিত কৰা হয়। তদুপৰি কোঁৱৰ গাঁও, মালপুতা, দুৰিমাৰী আৰু মানিপুৰ অঞ্চলৰ শতাধিক কৃষক এই অনুষ্ঠানত উপস্থিত থাকি কৃষক গোটটোৰ একতাৰ পৰিচয় দাঙি ধৰে।

# পাণবাৰীৰ ৰাঙামাটিত ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত ১

**দৈনিক অসমৰ প্ৰতিনিধি**
**গৌৰীপুৰ, ৬ এপ্রিল ঃ** ধুবুৰী জিলাৰ বগৰবাৰী থানাৰ অন্তৰ্গত পাণবাৰীৰ ৰাঙামাটি অঞ্চলৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত কালি নিচেই পুৱাতে ছুইফ্‌ট ডিজেয়াৰ আৰু বাইকৰ মাজত মুখামুখি সংঘৰ্ষ হয়। ফলত বাইক চালকজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত স্থানীয় লোকে ততাতৈয়াকৈ ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। অৱশ্যে বাইক চালকজনৰ চিকিৎসালয়ত মৃত্যু ঘটে। নিহত চালকজন ধুবুৰীৰ আদাবাৰীৰ শিক্ষক ছহিদুৰ ৰহমান বুলি বুলি জনা গৈছে। দুৰ্ঘটনাত পতিত হোৱা ছুইফ্‌ট ডিজেয়াৰখনৰ নম্বৰ AS-01-EF-2562 আৰু বাইকখনৰ নম্বৰ AS-17-H-2694। দুৰ্ঘটনাৰ খবৰ পাই বগৰীবাৰী আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ বাহন দুখন উদ্ধাৰ কৰি থানালৈ আনে।

# গহপুৰত একেনিশাই তিনিখন জুৱেলাৰীত চোৰৰ চাফাই অভিযান

**দৈনিক অসমৰ প্ৰতিনিধি**
**গহপুৰ, ৬ এপ্রিল ঃ** গহপুৰ আৰক্ষীৰ নাকৰ তলতেই ধাৰাবাহিকভাৱে সংঘটিত হোৱা চুৰি কাণ্ডই চূড়ান্ত নিৰাপত্তাহীনতাত ভোগাইছে গহপুৰ নগৰবাসীক। সঘনাই হৈ থকা এই চুৰি কাণ্ডসমূহে গহপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ ব্যৰ্থতাক বাৰুকৈয়ে উন্মোচিত কৰি তুলিছে। নিধিৰাম চৰ্দাৰৰূপী গহপুৰ থানাৰ আশে-পাশে সংঘটিত হৈ অহা ধাৰাবাহিক চুৰি কাণ্ডই গহপুৰ নগৰবাসী ৰাইজক আচৰিত কৰি তুলিছে। কালিনিশা গহপুৰ থানাৰ সন্মুখৰ ধেনুধৰা সংযোগী ছাৰ্ভিচ ৰোডৰ কাষতে থকা তিনিখন জুৱেলাৰীৰ পিছফালৰ পকী বেৰ কাটি চোৰে লুটি নিয়ে বহু পৰিমাণৰ সোণ-ৰূপৰ গহনা। চোৰৰ দলটোৱে কাষতে থকা আৰু এখন জুৱেলাৰীতো চুৰি কাৰ্য সংঘটিত কৰাৰ চেষ্টা চলাইছিল যদিও ব্যৰ্থ হয়। উল্লেখযোগ্য যে যোৱা ২৪ মাৰ্চৰ নিশা উক্ত স্থানত থকা স্বপন কৰ্মকাৰৰ ‘মাতৃ জুৱেলাৰ্ছ’ত চুৰিকাণ্ড সংঘটিত হোৱাৰ চাঞ্চল্য মাৰ নৌযাওঁতেই পুনৰ একেটা স্থানতে চুৰি কাণ্ড সংঘটিত হোৱাত গহপুৰ আৰক্ষীৰ অসহায় অৱস্থাক প্ৰতিফলিত কৰি তুলিছে। এনেধৰণৰ চুৰি কাণ্ডৰ পিছত গহপুৰ থানাৰ আৰক্ষী আহি নিয়মমাফিকভাৱে উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ



বাহিৰে কোনোধৰণৰ সফল অভিযান চলাব পৰা নাই। স্মৰ্তব্য যে যোৱা ১৭ ফেব্ৰুৱাৰীৰ নিশা গহপুৰ নগৰৰ শ্ৰীৰাম মন্দিৰত এক চুৰিকাণ্ড সংঘটিত হোৱাৰ পিছত ২৫ ফেব্ৰুৱাৰীৰ নিশা গহপুৰ থানাৰ চৌহদৰ বেৰৰ কাষতে গাতে লাগি থকা গহপুৰ শিৱ আৰু দুৰ্গা মন্দিৰৰ তলা ভাঙি চোৰে লৈ গৈছিল জমা থকা বৰঙণিৰ ধন। কেৱল ইমানেই নহয়, ২৮ জানুৱাৰীৰ নিশা গহপুৰ নগৰৰ মাজমজিয়াত থকা নিউ জুৱেলাৰ্ছতো সংঘটিত হৈছিল চুৰিকাণ্ড। গহপুৰ থানাৰ সন্মুখত অৱস্থিত জুৱেলাৰীখনৰ পিছফালৰ পকী বেৰ কাটি চোৰে উঠাই লৈ গৈছিল এটা লোৰ চন্দুক। সেই চন্দুকটোৰ ভিতৰতে আছিল প্ৰায় ৫/৬ লক্ষাধিক টকাৰ সোণ-ৰূপৰ আ-অলংকাৰ। তদুপৰি যোৱা ১ মাৰ্চৰ দিন-দুপৰতে ধেনুধৰাৰ ৰূপা ভূএগ্ৰাৰ ঘৰত সংঘটিত হৈছিল আন এক চুৰিকাণ্ড। ঘৰত কোনো নথকা অৱস্থাত খিৰিকীৰ লোৰ গ্ৰীল এৰুৱাই ভিতৰত প্ৰৱেশ কৰি ৰূপা ভূএগ্ৰাৰ ঘৰৰ ভিতৰৰ গডৰেজৰ তলা ভাঙি চোৰে লৈ গৈছিল নগদ ধনসহ সোণৰ অলংকাৰ। এনেদৰে গহপুৰ নগৰৰ মাজমজিয়াত সঘনাই সংঘটিত হৈ অহা চুৰি কাণ্ডসমূহক লৈ এতিয়া গভীৰ নিৰাপত্তাহীনতাত ভুগিছে গহপুৰ নগৰৰ ৰাইজ। অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ ক্ষেত্ৰত চূড়ান্তভাৱে ব্যৰ্থ হোৱা গহপুৰ আৰক্ষীৰ এই সোপা-ঢিলা কাৰ্যৰ ওপৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ ওচৰত প্ৰবল দাবী জনাইছে গহপুৰৰ সচেতন ৰাইজে।

**ঢেঁকীয়াজানীত ইউপিপিএলৰ প্ৰাৰ্থী জৌংশ্ৰাং ব্ৰহ্মৰ প্ৰচাৰ সভাত প্ৰমোদ বড়ো**

# বি পি এফে অৰুণোদয় কটাৰ ভয় দেখুৱাই ভোটাৰক গোলাম কৰিব নোৱাৰে



**দৈনিক অসমৰ প্ৰতিনিধি**
**শালবাৰী, ৬ এপ্রিল ঃ** নিৰ্বাচনী প্ৰচাৰৰ অন্তিম ক্ষণত ৪১ নং মানাহ বিধানসভা সমষ্টিত ইউপিপিএল দলে নিৰ্বাচনী তৎপৰতা তীব্ৰতৰ কৰি তুলিছে। কালি সমষ্টিটোৰ অন্তৰ্গত ঢেকীয়াজানীত ইউপিপিএলৰ প্ৰাৰ্থী তথা জনপ্ৰিয় শিল্পী জৌংশ্ৰাং ব্ৰহ্মৰ সমৰ্থনত আয়োজিত এক বিশাল নিৰ্বাচনী জনসভাত অংশগ্ৰহণ কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউপিপিএলৰ মুৰব্বী প্ৰমোদ বড়োৱে। এই সভাতে বিজেপি আৰু বিপিএফৰ পৰা কেইবাগৰাকীও কৰ্মীয়ে আনুষ্ঠানিকভাৱে ইউপিপিএলত যোগদান কৰে। সভাত ভাষণ প্ৰদান কৰি প্ৰমোদ বড়োৱে কয়, বিগত পাঁচ বছৰত ইউপিপিএল দলে বিটিচিত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। মন্দিৰ-মছজিদত আৰ্থিক সহায় আগবঢ়োৱাৰ লগতে কোনো পইচা নোলোৱাকৈ ৮ হাজাৰ নিবনুৱাক চাকৰি প্ৰদান কৰিছোঁ। ৰাজনীতি দুখীয়া মানুহক সহায় কৰিবলৈহে কৰা হয় বুলি উল্লেখ কৰি তেওঁ কয় যে বিপিএফে অৰুণোদয় কটাৰ ভয় দেখুৱাই মানুহক গোলাম বনাব নোৱাৰে। বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীক তীব্ৰ সমালোচনা কৰি বড়োৱে কয় যে মহিলাৰীৰ সকলো কথা বাস্তৱ নহয়। মানাহ সমষ্টিত বিপিএফৰ প্ৰাৰ্থীক লৈ খোদ তেওঁলোকৰ কৰ্মকৰ্তাসকলেই সন্তুষ্ট নহয় বুলিও তেওঁ দাবী কৰে। তামুলপুৰ সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰসংগ টানি তেওঁ কয় যে তামুলপুৰত উপ-নিৰ্বাচন নহয়, ৰাজ্যসভাতহে হ’ব আৰু তামুলপুৰত ইউপিপিএলৰ জয় নিশ্চিত। বিটিচিৰ ১০-১২টা সমষ্টিত ইউপিপিএলে জয়লাভ কৰিব বুলিও তেওঁ দাবী কৰে। প্ৰাৰ্থী জৌংশ্ৰাং ব্ৰহ্মৰ হৈ ভোট বিচাৰি বড়োৱে কয় যে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ উন্নয়ন, মথাউৰি নিৰ্মাণ আৰু আন্তঃগাঁথনিৰ সমস্যাসমূহ সমাধান কৰাটো ইউপিপিএলৰ অগ্ৰাধিকাৰ হ’ব। শিল্পী আৰু শিক্ষাবিদ হিচাপে জৌংশ্ৰাং ব্ৰহ্মৰ দৰে এজন যোগ্য ব্যক্তিক জয়ী কৰিবলৈ তেওঁ ৰাইজক আহ্বান জনায়।

**সোণতলীত এআইইউডিএফৰ নিৰ্বাচনী সভাত আদিত্য লাংথাছা**

# ছমৰীয়াৰপৰা ৰেকিবুদ্দিনক বিদায় দিয়াৰ আহ্বান



**দৈনিক অসমৰ প্ৰতিনিধি**
**সোণতলী, ৬ এপ্রিল ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত সোণতলী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত কালি দুপৰীয়া এ আই ইউ ডি এফৰ নিৰ্বাচনী গণসমাৱেশ অনুষ্ঠিত হয়। সভাত অংশগ্ৰহণ কৰি এ আই ইউ ডি এফৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি আদিত্য লাংথাছাই সমষ্টিটোৰ পৰা বহিৰাগত ৰেকিবুদ্দিন আহমেদক বিদায় দিয়াৰ বাবে আহ্বান জনায়। এ আই ইউ ডি এফৰ প্ৰাৰ্থী ইমদাদ হুছেইন জয়ী হ’লে ছমৰীয়া সমষ্টিত আজমল ছুপাৰ-৪০ৰ শাখা স্থাপনৰ কথা ঘোষণা কৰে। স্বাধীনতাৰ পাছৰ পৰাই সংখ্যালঘু ৰাইজে কংগ্ৰেছৰ অপশাসন আৰু কুশাসনৰ ফল ভুগি অহা বুলি কয়। কংগ্ৰেছে শিক্ষা, উন্নয়ন, জীৱিকাৰ ক্ষেত্ৰত সামাজিকভাৱে সংখ্যালঘুক বঞ্চিত কৰি আহিছে। সেই বঞ্চনা-লাঞ্ছনাৰ উচিত জবাব ৰাইজক ভোটৰ জৰিয়তে দিবলৈ আদিত্য লাংথাছাই আহ্বান জনায়। দক্ষিণ কামৰূপ জিলা এ আই ইউ ডি এফৰ সভাপতি আছৰাফ উদ্দিন আহমেদৰ সঞ্চালনাত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি চেঙা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইনে উচ্ছেদৰ নামত সংখ্যালঘু মুছলমান মানুহক হাৰাশাস্তি কৰা বিজেপি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰা এ আই ইউ ডি এফ একমাত্ৰ দল বুলি কয়। ছমৰীয়া সমষ্টিৰ এ আই ইউ ডি এফৰ মনোনীত প্ৰাৰ্থী ইমদাদ হুছেইনে হিমন্ত বিশ্ব শৰ্মাৰ আশীৰ্বাদ লৈ ৰেকিবুদ্দিন আহমেদ ছমৰীয়া সমষ্টিত ভোট খেলি থকা বুলি কয়। আনকি ছমৰীয়া সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হ’লে ইমদাদ হুছেইনে মাটিৰ পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতিও দিয়ে। এ আই ইউ ডি এফ প্ৰধান বদৰুদ্দিন আজমলৰ পুত্ৰ আব্দুৰ ৰহিম আজমলে সভাত অংশগ্ৰহণ কৰি প্ৰতিগৰাকী এ আই ইউ ডি এফৰ কৰ্মী-সমৰ্থকক মানুহৰ ঘৰে ঘৰে গৈ ইমদাদ হুছেইনৰ হৈ প্ৰচাৰ চলাবলৈ আহ্বান জনায়। এ আই ইউ ডি এফ এটা ৰাজনৈতিক দলেই নহয়, বৰং আমাৰ মান-সন্মান, অস্তিত্ব, জাতিৰ সুৰক্ষা কৰাৰ সংগ্ৰাম বুলি কয়। আব্দুৰ ৰহিম আজমলে কংগ্ৰেছক বিষাক্ত দল বুলি আখ্যায়িত কৰি কয় যে কংগ্ৰেছে কোনোদিনে মুছলমানৰ হৈ মাত মতা নাই। সভাত এ আই ইউ ডি এফৰ নুৰ আলম খান, ডঃ পাৰবীন ৰেজিনা চুলতানা, নুৰ আলম, আক্ৰাম হুছেইন, বাহাৰুল ইছলাম, আব্দুৰ ৰেজ্জাক প্ৰমুখ্যে ভালেসংখ্যক দলীয় নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# পাঠশালাত মিত্ৰজোঁটৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ ৰয়ৰ হৈ প্ৰচাৰ মন্ত্ৰী জয়ন্তমল্লৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বজালী, ৬ এপ্রিল ঃ** অসমৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থতে অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোটদানেৰে জয়যুক্ত কৰাৰ আহ্বান জনালে মন্ত্ৰী তথা নলবাৰী সমষ্টিৰ মিত্ৰজোঁট বিজেপিৰ প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱাই। বজালী বিধানসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ ৰয়ৰ হৈ প্ৰচাৰ চলাবলৈ আহি কালি সন্ধিয়া পাঠশালা চহৰৰ মাজেৰে উলিওৱা হয় এক পদযাত্ৰা। পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা আৰম্ভ কৰা পদযাত্ৰা পাঠশালা চহৰৰ মাজেৰে পৰিভ্ৰমণ কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ উৰণীয়া সেতুৰ তলত সামৰণি মাৰে। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিজেপি অগপ মিত্ৰজোঁটৰ কাৰ্যকৰ্তাসকলৰ উপৰি বজালী সমষ্টিৰ অগপৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ ৰয়ে অংশগ্ৰহণ কৰা পদযাত্ৰাত বজালী সমষ্টিৰ ৰাইজক সমষ্টিৰ উন্নয়ন, অসমৰ সামগ্ৰিক বিকাশৰ বাবেই বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ ৰয়ক ভোটদান কৰিবলৈ ৰাইজলৈ আহ্বান জনায় মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। অসমত পুনৰ এনডিএৰ চৰকাৰ আৰু ডঃ হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হ’ব বুলি উল্লেখ কৰি মিত্ৰজোঁটৰ হাত শক্তিশালী কৰিবলৈ আহ্বান জনায়। জাতীয়তাবাদী দল বুলি জাহিৰ কৰি ফুৰা অজাপ আৰু ৰাইজৰ দলে বিৰোধী ঐক্যমঞ্চৰ বেনাৰ লৈ কংগ্ৰেছৰ লগত লগ লগা কথাটো এক লজ্জাৰ বিষয় বুলি মন্তব্য কৰে।

**স্বচ্ছ-নিকা-শান্তিপূৰ্ণ ভোটগ্ৰহণৰ প্ৰস্তুতি**

# চিৰাঙত ভোটগ্ৰহণ বিষয়াৰ চূড়ান্ত পৰ্যায়ৰ প্ৰশিক্ষণ

**দৈনিক অসমৰ প্ৰতিনিধি**
**চিৰাং, ৬ এপ্রিল ঃ** চিৰাং জিলাৰ দুটাকৈ সমষ্টিত অনুষ্ঠিত হ’বলগীয়া বিধানসভা নিৰ্বাচন স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে পৰিচালনা কৰিবলৈ জিলা প্ৰশাসনে পূৰ্ণগতিত প্ৰস্তুতি চলাই আছে। জিলা প্ৰশাসন এই প্ৰস্তুতিৰ অংশ হিচাপে ভোটগ্ৰহণ প্ৰক্ৰিয়াত নিয়োজিত সকলো বিষয়াৰ বাবে বিস্তৃত আৰু চূড়ান্ত পৰ্যায়ৰ প্ৰশিক্ষণ দ্বিতীয় দিনৰ বাবে অনুষ্ঠিত কৰা হৈছে। নিৰ্বাচন অনুষ্ঠিত হ’বলগীয়া ১৯ নং চিদলী-চিৰাং (জনজাতি) বিধানসভা আৰু ২০ নং বিজনী বিধানসভা সমষ্টিৰ ভোটগ্ৰহণৰ বাবে বিষয়াসকলৰ প্ৰশিক্ষণ কাজলগাঁওস্থিত ইউ এন ব্ৰহ্ম কলেজ আৰু বিজনী কলেজত অনুষ্ঠিত হয়। চিৰাং জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত মধুসূদন নাথে এই প্ৰশিক্ষণ সম্পৰ্কে জানিবলৈ দিয়ে যে প্ৰশিক্ষণ ব্যৱস্থা এনেদৰে প্ৰস্তুত কৰা হৈছে যাতে প্ৰতিজন বিষয়াই ভাৰতীয় নিৰ্বাচন আয়োগে নিৰ্দ্ধাৰণ কৰা মান ৰক্ষাৰ বাবে প্ৰয়োজনীয় কাৰিকৰী জ্ঞান আৰু পদ্ধতিগত অভিজ্ঞতাৰে সম্পূৰ্ণ সুসজ্জিত হয়। তেওঁ লগতে কয় যে জিলাখনৰ ভোটাৰসকলৰ এক সন্তোষজনক অভিজ্ঞতা হোৱাকৈ ভোটগ্ৰহণ কৰ্মচাৰীসকল সাজু হোৱাটো নিশ্চিত কৰি স্বচ্ছ, নিৰাপদ আৰু নিখুঁত নিৰ্বাচনী প্ৰক্ৰিয়া নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

**মহিলা ভোটাৰৰ মন জয় কৰিবলৈ ঘৰে ঘৰে যাত্ৰা**

# মন্দিয়াত ডঃ হাফিজ ৰফিকুল ইছলামৰ প্ৰচাৰ



**দৈনিক অসমৰ প্ৰতিনিধি**
**বাঘবৰ, ৬ এপ্রিল ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে প্ৰতিটো ৰাজনৈতিক দল তথা প্ৰাৰ্থীৰ মাজত আৰম্ভ হৈছে ব্যাপক তৎপৰতা। ৰাজ্যৰ অন্যান্য জিলাতকৈ ব্যতিক্ৰম নহয় বৰপেটা জিলাও। বিশেষকৈ ২২ নং মন্দিয়া বিধানসভা সমষ্টিত এতিয়া প্ৰাৰ্থীসকলৰ নিৰদ্ৰা হৰণ হৈছে। ভোটাৰৰ মন জয় কৰিবলৈ প্ৰতিগৰাকী প্ৰাৰ্থীয়েই নন কৌশল অৱলম্বন কৰা পৰিলক্ষিত হৈছে। কালি ডঃ হাফিজ ৰফিকুল ইছলামে নিজৰ নিৰ্বাচনী প্ৰচাৰত এক অনন্য মাত্ৰা প্ৰদান কৰিছে। কালি দিনজোৰা কাৰ্যসূচীৰে তেওঁ পুৰণি বাঘবৰ সমষ্টিৰ বিভিন্ন প্ৰান্তত ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁৰ লক্ষ্য কেৱল ভোট সংগ্ৰহ কৰাই নহয়, বৰঞ্চ প্ৰতিগৰাকী ভোটাৰৰ সৈতে ব্যক্তিগতভাৱে সংযোগ স্থাপন কৰা। কালিৰ দিনটোত প্ৰাৰ্থীগৰাকীয়ে মন্দিয়া, সত্ৰকনৰা, বাঘবৰ, চাচৰা, শিলোচী পথাৰ, সেউৰাৰভিটা, সোণাবাৰী, বালিকুৰি আদি কৰি ৫খনকৈ গুৰুত্বপূৰ্ণ গাঁও পঞ্চায়তত নিৰ্বাচনী প্ৰচাৰ অভিযান চলায়। প্ৰতিটো চুবুৰিতে তেওঁক উষ্ম আদৰণি জনোৱা দেখা যায়। আই-মাতৃসকলৰ আশীৰ্বাদ অবিহনে জয়লাভ সম্ভৱ নহয়। তেওঁলোকৰ অভাৱ-অভিযোগসমূহ পোনপটীয়াকৈ শুনাৰ বাবেই মই তেওঁলোকৰ দুৱাৰমুখলৈ আহিছোঁ, প্ৰচাৰৰ মাজতে এইদৰে মন্তব্য কৰে প্ৰাৰ্থীগৰাকীয়ে। প্ৰচাৰ অভিযানৰ মাজতে ডঃ হাফিজ ৰফিকুল ইছলামে বিৰোধীপক্ষকো আক্ৰমণ কৰিবলৈ এৰা নাই। বিশেষকৈ টিএমচিৰ প্ৰাৰ্থী শ্বেৰমান আলীক লক্ষ্য কৰি তেওঁ তীক্ষ্ণ সমালোচনা কৰে। তেওঁ দাবী কৰে যে বিৰোধীৰ কোনো জনভিত্তি নাই আৰু ৰাইজৰ মাজত তেওঁ যি অভূতপূৰ্ব সঁহাৰি লাভ কৰিছে, তাৰ পৰাই ফলাফল স্পষ্ট হৈ পৰিছে। তেওঁৰ মতে, জনসাধাৰণে উন্নয়ন আৰু বিশ্বাসযোগ্যতাৰ পক্ষত ভোট দিব। নিৰ্বাচনৰ ফলাফল যিয়েই নহওক কিয়, ডঃ ইছলামৰ এই ‘ড’ৰ টু ড’ৰ’ প্ৰচাৰ অভিযানে সমগ্ৰ সমষ্টিটোতে এক বিশেষ চৰ্চাৰ সৃষ্টি হৈছে।

**ঘগ্ৰাপাৰ অঞ্চলত জয়ন্তমল্ল বৰুৱাৰ হৈ পত্নী জুলি ডেকা বৰুৱাৰ নিৰ্বাচনী প্ৰচাৰ**

# মহিলাৰ নিৰাপত্তাৰ স্বাৰ্থত বিজেপিক ভোটদানৰ আহ্বান



**দৈনিক অসমৰ প্ৰতিনিধি**
**ঘগ্ৰাপাৰ, ৬ এপ্রিল ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। ইয়াৰ মাজতে ৪ এপ্রিলৰ সন্ধিয়া নলবাৰী সমষ্টিৰ এনডিএৰ প্ৰাৰ্থী জয়ন্তমল্ল বৰুৱাৰ সমৰ্থনত বিজেপিৰ মহিলা মৰ্চাৰ উদ্যোগত নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ ঘগ্ৰাপাৰ, দিহজাৰী, খাতিকুছি, বৰাজোল আদি অঞ্চলত নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰে। তদুপৰি নিশা ৮.৩০ বজামানত ঘগ্ৰাপাৰৰ লাটিমা গাঁৱত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত জয়ন্ত মল্ল বৰুৱাৰ পত্নী জুলি ডেকা বৰুৱাই ভাষণ প্ৰসংগত কয় যে মহিলাৰ নিৰাপত্তা আৰু অসমৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত বিজেপিৰ প্ৰাৰ্থীক ভোটদান কৰক। সভাত নলবাৰী জিলা বিজেপিৰ সম্পাদক পংকজ ডেকাই বিজেপি চৰকাৰৰ উন্নয়নমূলক কাম-কাজ আৰু সমবিকাশ, উন্নয়নৰ বাবে পুনৰ এনডিএৰ প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱাক ভোট দিবলৈ ভোটাৰ ৰাইজক আহ্বান জনায়। সভাত নলবাৰী জিলা মহিলা মৰ্চাৰ সভানেত্ৰী মাধৱী ৰাজবংশী, মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী হিমাশ্ৰী বৰ্মন, পঞ্চায়ত প্ৰভাৰী জয়ন্ত তালুকদাৰ, শক্তি কেন্দ্ৰ আহ্বায়ক মানৱ দাসকে ধৰি কিছুসংখ্যক লোকে অংশগ্ৰহণ কৰে।

# ওদালগুৰিত পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত সহকাৰী আয়ুক্ত

**দৈনিক অসমৰ প্ৰতিনিধি**
**ওদালগুৰি, ৬ এপ্রিল ঃ** কালি পুৱতিনিশা প্ৰায় ২.৪৫ বজাত ওদালগুৰি চহৰৰ নিকটৱৰ্তী অম্বাগাঁও চ’কৰ দলঙৰ সমীপত এক ভয়ানক পথ দুৰ্ঘটনাত ওদালগুৰি জিলাৰ সহকাৰী আয়ুক্ত অংশুমান হাজৰিকা গুৰুতৰভাৱে আহত হয়। পুৱতিনিশা ওদালগুৰিৰ পৰা ভেৰগাঁও অভিমুখে এখন চাৰিচকীয়া বাহনত গৈ থকা অৱস্থাত হঠাৎ নিয়ন্ত্ৰণ হেৰুৱাই দলঙৰ ৰেলিঙৰ খুঁটাত খুন্দিওৱাত বাহনখন দলঙৰ নদীৰ দাঁতিত সৰি পৰে। ফলত বাহনত থকা আৰোহী তথা ওদালগুৰি জিলাৰ সহকাৰী আয়ুক্ত অংশুমান হাজৰিকা গুৰুতৰভাৱে আহত হয়। ততাতৈয়াকৈ তেওঁক হৰিশিঙাস্থিত ওদালগুৰি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। চিকিৎসকে প্ৰাথমিক চিকিৎসা প্ৰদান কৰে আৰু উন্নতি চিকিৎসাৰ বাবে কালিয়ে গুৱাহাটীলৈ নিয়া হয়। বৰ্তমান তেওঁ আই চি ইউত চিকিৎসাধীন হৈ আছে।

# মানকাচৰত নিচাযুক্ত টেবলেটসহ দুই সৰবৰাহকাৰী আটক

**দৈনিক অসমৰ প্ৰতিনিধি**
**ধৰ্মশালা, ৬ এপ্রিল ঃ** মানকাচৰ থানাৰ অন্তৰ্গত কালাপানী অঞ্চলত ৪ এপ্রিলৰ নিশা আৰক্ষীয়ে এক ড্ৰাগছবিৰোধী অভিযান চলাই মুঠ ২২৪টা নিচাযুক্ত ‘য়াবা’ টেবলেট জব্দ কৰাৰ লগতে দুজন যুৱকক আটক কৰে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, হাটশিঙিমাৰীৰ পৰা কালাপানী দিশে আহি থকা অৱস্থাত এখন তিনিচকীয়া অটোৰিক্সাৰ পৰা আৰক্ষীয়ে অভিযান চলাই মুঠ ২২৪টা নিচাযুক্ত ‘য়াবা’ টেবলেট উদ্ধাৰ কৰে। আৰক্ষীয়ে ইতিমধ্যে অটোৰিক্সাখনৰ লগতে দুই সৰবৰাহকাৰীয়ে ব্যৱহাৰ কৰা দুটা ম’বাইল ফোনৰ লগতে সৰবৰাহকাৰী দুজনক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ঘটনা সংক্ৰান্তত মানকাচৰ আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰখা বুলি জানিবলৈ দিছে। উল্লেখযোগ্য যে হাটশিঙিমাৰী, মানকাছাৰ অঞ্চলত এচাম দুষ্কৃতিকাৰীয়ে নিতৌ নতুন কৌশল অৱলম্বন কৰি অঞ্চলটোত নিচা জাতীয় দ্ৰব্যৰ বেহা চলাই আহিছে।




দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিংছ, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ

১ পৃষ্ঠাৰপৰা

# সঠিক কৌশল আৰু ধাৰাবাহিকতাই লক্ষ্যত উপনীত হোৱাত সহায় কৰে

নিদৰ্শন, যিয়ে প্ৰমাণ কৰিলে যে লক্ষ্য স্থিৰ থাকিলে আৰু সঠিক দিশত আগবাঢ়িলে যিকোনো কঠিন প্ৰত্যাহ্বান নেওচি সফলতাৰ শিখৰত আৰোহণ কৰিব পাৰি।

অনুজ অগ্নিহোত্ৰীৰ জন্ম আৰু শৈশৱৰ শিক্ষাৰ যাত্ৰা আৰম্ভ হৈছিল ৰাজস্থানৰ চিতোৰগড় জিলাত। এগৰাকী মেধাৱী ছাত্ৰ হিচাপে তেওঁ সৰুৰে পৰাই নিজৰ অধ্যয়নৰ প্ৰতি অত্যন্ত নিষ্ঠাৱান আছিল। তেওঁ পাৰমাণৱিক শক্তি কেন্দ্ৰীয় বিদ্যালয়ৰ (এট'মিক এনাৰ্জী চেণ্ট্ৰেল স্কুল) পৰা দশম শ্ৰেণীৰ শিক্ষা সম্পূৰ্ণ কৰিছিল, যিয়ে তেওঁৰ শৈক্ষিক ভেটি মজবুত কৰাত বিশেষ ভূমিকা পালন কৰিছিল। ইয়াৰ পিছত তেওঁ কোটাৰ এম বি পাব্লিক ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ পৰা দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হয়। বিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰাৰ পাছত তেওঁ চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰখনত আগবাঢ়ি যোৱাৰ সিদ্ধান্ত লয় আৰু দেশৰ অন্যতম শ্ৰেষ্ঠ চিকিৎসা প্ৰতিষ্ঠান অল ইণ্ডিয়া ইনষ্টিটিউট অব মেডিকেল ছায়েন্সেছ (এইম্‌ছ) যোধপুৰত নামভৰ্তি কৰে। তাৰ পৰাই তেওঁ সফলতাৰে এম বি বি এছ ডিগ্ৰী লাভ কৰি এগৰাকী চিকিৎসক হিচাপে নিজকে গঢ়ি তুলিছিল।

এগৰাকী চিকিৎসক হিচাপে উজ্জ্বল ভৱিষ্যৎ থকাৰ পিছতো অনুজে দেশৰ প্ৰশাসনিক ব্যৱস্থাৰ সৈতে জড়িত হৈ জনসেৱা কৰাৰ এক মহৎ লক্ষ্য বুকুত বান্ধি লৈছিল। সেই উদ্দেশ্য আগত ৰাখিয়েই তেওঁ চিকিৎসা বিজ্ঞানৰ বৃত্তিটোৰ পৰা কিছু আঁতৰি আহি ইউ পি এছ চি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱাৰ কঠিন সিদ্ধান্ত গ্ৰহণ কৰে। ২০২২ চনত তেওঁ যেতিয়া এম বি বি এছৰ ইণ্টাৰ্নশ্বিপ কৰি আছিল, তেতিয়াই তেওঁ এই পৰীক্ষাৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ কৰিছিল। এজন চিকিৎসকৰ ব্যস্ত জীৱন আৰু ইণ্টাৰ্নশ্বিপৰ কৰ্তব্য পালন কৰাৰ লগতে ইউ পি এছ চিৰ দৰে বিশাল পাঠ্যক্ৰমৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো নিশ্চিতভাৱে এক প্ৰত্যাহ্বানমূলক কাম আছিল, কিন্তু অনুজে সময়ৰ সঠিক ব্যৱহাৰ আৰু কৌশলগত পৰিকল্পনাৰে নিজৰ লক্ষ্যৰ ফালে আগবাঢ়ি গৈছিল।

ইউ পি এছ চিৰ দৰে পৰীক্ষাত প্ৰথম প্ৰচেষ্টাতে সফলতা লাভ কৰাটো সকলোৰে বাবে সম্ভৱ নহয় আৰু অনুজৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম হোৱা নাছিল। তেওঁ নিজৰ তৃতীয়টো প্ৰচেষ্টাতহে সৰ্বভাৰতীয় পৰ্যায়ত শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হয়। এই দীঘলীয়া যাত্ৰাত তেওঁ বহুতো বাধা-বিঘিনিৰ মুখামুখি হৈছিল যদিও তেওঁ কেতিয়াও হাৰ মনা নাছিল। তেওঁৰ প্ৰতিটো বিফল প্ৰচেষ্টাই তেওঁক নতুন শিক্ষা দিছিল আৰু তেওঁ নিজৰ ভুলবোৰ বিশ্লেষণ কৰি অধিক শক্তিশালী ৰূপত উভতি আহিছিল। তেওঁৰ এই সফলতাই সোঁৱৰাই দিয়ে যে ধাৰাবাহিকতা আৰু ধৈৰ্য থাকিলেহে এনে এক কঠিন পৰীক্ষাত সফলতাৰ শেষ হাঁহি মাৰিব পাৰি। অনুজৰ বাবে চিকিৎসা বিজ্ঞান আছিল তেওঁৰ আটাইতকৈ শক্তিশালী দিশ, সেয়েহে তেওঁ মূল পৰীক্ষাত বৈকল্পিক বিষয় হিচাপে চিকিৎসা বিজ্ঞানকে নিৰ্বাচন কৰিছিল।

২০২৫ চনৰ ইউ পি এছ চি মূল পৰীক্ষাত অনুজ অগ্নিহোত্ৰীয়ে লাভ কৰা নম্বৰৰ তালিকাখন সঁচাকৈয়ে প্ৰণিপাতযোগ্য। তেওঁ ৰচনা পত্ৰত ১০৮ নম্বৰ, সাধাৰণ অধ্যয়ন ১ত ১১১ নম্বৰ, সাধাৰণ অধ্যয়ন ২ ত ১২৭ নম্বৰ, সাধাৰণ অধ্যয়ন ৩ত ১০৩ নম্বৰ আৰু সাধাৰণ অধ্যয়ন ৪ত ১২৬ নম্বৰ লাভ কৰিছিল। তেওঁৰ বৈকল্পিক বিষয় চিকিৎসা বিজ্ঞানৰ প্ৰথম আৰু দ্বিতীয় পত্ৰত ক্ৰমান্বয়ে ১৪২ আৰু ১৫০ নম্বৰ লাভ কৰি তেওঁ নিজৰ আধিপত্য বিস্তাৰ কৰিছিল। মুঠ লিখিত পৰীক্ষাত তেওঁ ৮৬৭ নম্বৰ লাভ কৰাৰ বিপৰীতে ব্যক্তিত্ব পৰীক্ষাত (ইণ্টাৰভিউ) ২০৪ নম্বৰ লাভ কৰি মুঠ ১০৭১ নম্বৰেৰে শীৰ্ষস্থান দখল কৰে। এই নম্বৰৰ পৰিসংখ্যাই তেওঁৰ গভীৰ জ্ঞান আৰু প্ৰতিটো বিষয়ত থকা দখলৰ কথাকে প্ৰমাণ কৰে।

অনুজৰ প্ৰস্তুতিৰ কৌশল আছিল অত্যন্ত বৈজ্ঞানিক আৰু শৃংখলাবদ্ধ। তেওঁ কেৱল মুখস্থবিদ্যাৰ ওপৰত গুৰুত্ব নিদি মৌলিক ধাৰণাসমূহ স্পষ্ট কৰাৰ ওপৰতহে অধিক গুৰুত্ব দিছিল। তেওঁ সাধাৰণ অধ্যয়নৰ বিষয়সমূহক বৰ্তমানৰ সমসাময়িক ঘটনাসমূহৰ সৈতে সংলগ্ন কৰি অধ্যয়ন কৰিছিল। ইয়াৰ উপৰি তেওঁ উত্তৰ লিখাৰ শৈলী উন্নত কৰিবলৈ প্ৰতিদিনেই অনুশীলন কৰিছিল, য'ত উদাহৰণ আৰু তথ্যৰ সঠিক ব্যৱহাৰ কৰা হৈছিল। নিয়মীয়া মক টেষ্ট আৰু বাৰে বাৰে কৰা পুনৰীক্ষণে তেওঁক পৰীক্ষাৰ সময়ত সঠিক উত্তৰ লিখাত সহায় কৰিছিল। ইমানখিনি ব্যস্ততা আৰু মানসিক চাপৰ মাজতো তেওঁ ক্ৰিকেট খেলা বা খেল-ধেমালিৰ দৰে চখবোৰ জীয়াই ৰাখিছিল, যিয়ে তেওঁক মানসিকভাৱে সতেজ কৰি ৰখাত সহায় কৰিছিল।

বৰ্তমান সময়ত অনুজ অগ্নিহোত্ৰী কেৱল ৰাজস্থানৰে নহয়, সমগ্ৰ ভাৰতৰে যুৱপ্ৰজন্মৰ বাবে এক আইকন হৈ পৰিছে। এগৰাকী সফল চিকিৎসক হোৱাৰ সম্ভাৱনা থকাৰ পিছতো দেশৰ সেৱাৰ বাবে তেওঁ যি ত্যাগ কৰিলে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। তেওঁৰ কাহিনীয়ে আমাক শিকালে যে সফলতাৰ কোনো চমু পথ নাই, ইয়াৰ বাবে লাগে কেৱল একাগ্ৰতা আৰু আত্মবিশ্বাস। ইউ পি এছ চিৰ অফিচিয়েল প'ৰ্টেলত তেওঁৰ নামৰ বিপৰীতে থকা ৰিক'মেণ্ডেড শব্দটোৱে তেওঁৰ জীৱনৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে। তেওঁৰ এই বিৰল কৃতিত্বই আগন্তুক দিনবোৰত বহুতো মেধাৱী যুৱক-যুৱতীক প্ৰশাসনিক সেৱাৰ জৰিয়তে সমাজৰ হকে কাম কৰিবলৈ উদগনি যোগাব বুলি আশা কৰিব পাৰি।

১ পৃষ্ঠাৰপৰা

# ভাৰতৰ উন্নীত জলবায়ু লক্ষ্যসমূহ

থকা চুক্তি আৰু প্ৰট'কলসমূহ, যেনে— কিঅ'টো প্ৰট'কল (kyoto protocl) আৰু পেৰিছ চুক্তি ( Paris Agreement) আইনগতভাৱে বাধ্যতামূলক।

খ) UNCBD (জৈৱ-বৈচিত্ৰ্যৰ ওপৰত ৰাষ্ট্ৰসংঘৰ সন্মিলন) ঃ

- ই এক আইনগতভাৱে বাধ্যতামূলক (Legally binding) চুক্তি।

গ) UNCCD (মৰুভূমিকৰণ ৰোধৰ বাবে ৰাষ্ট্ৰসংঘৰ সন্মিলন) ঃ

- ই এক আইনগতভাৱে বাধ্যতামূলক চুক্তি— মৰুভূমিকৰণ ৰোধৰ বাবে ই প্ৰথম আৰু একমাত্ৰ আন্তঃৰাষ্ট্ৰীয় আইনগতভাৱে বাধ্যতামূলক কাঠামো।

**৩ খন নথি (3 Documents) ঃ**

১) এজেণ্ডা ২১ (Agenda 21) ঃ ২১ শতিকাত বহনক্ষম উন্নয়নৰ (Sustainable development) বাবে এক পৰিকল্পনা।

২) বন নীতি (Forest Principles) ঃ বনাঞ্চল সংৰক্ষণৰ বাবে নিৰ্দেশনা।

৩) ৰিঅ' ঘোষণা (Rio Declaration) ঃ পৰিৱেশ আৰু উন্নয়নৰ ওপৰত ৰিঅ' ঘোষণাপত্ৰ।

**UNFCCC (জলবায়ু পৰিৱৰ্তনৰ ওপৰত ৰাষ্ট্ৰসংঘৰ কাঠামো সন্মিলন)**

- ই ৰাষ্ট্ৰসংঘৰ সদস্য দেশসমূহৰ দ্বাৰা স্বাক্ষৰিত এক আন্তঃচৰকাৰী চুক্তি।
- ১৯৯২ চনত ৰিঅ' ডি জেনেৰিঅ'ত ৰাষ্ট্ৰসংঘৰ সদস্য দেশসমূহৰ এখন সভা আহ্বান কৰা হৈছিল।
- এই সভাখন আৰ্থ ছামিট (Earth Summit) নামেৰে জনাজাত।
- এই চুক্তিখন ১৯৯৪ চনৰ পৰা কাৰ্যকৰী হয়।
- উদ্দেশ্য ঃ বায়ুমণ্ডলত সেউজগৃহ গেছৰ (Greenhouse gases) মাত্ৰা স্থিৰ কৰা।
- ইয়াৰ বাবে সকলো সদস্য দেশে বছৰত এবাৰকৈ মিলিত হ'ব।
- এই সভাখনক CoP (Conference of Parties) বুলি জনা যায়।

পৰিৱেশৰ ক্ষেত্ৰত 'সাধাৰণ কিন্তু পৃথক দায়িত্ব' (Common but Differentiated Responsibilities) আৰু 'প্ৰদূষণকাৰীয়ে পৰিশোধ কৰে' (Polluter Pays) নীতিৰ আধাৰ।

**'দৰিদ্ৰতা হ'ল আটাইতকৈ ডাঙৰ প্ৰদূষক'**
— ১৯৭২ চনৰ ষ্টকহোম সন্মিলনত ইন্দিৰা গান্ধী।

পেৰিছ চুক্তি আৰু ভাৰতৰ পঞ্চামৃত কৌশল (Paris Agreement and India's Panchamrit Strategy) UNFCCC-CoP 21 (বৰ্ষ ২০১৫)

- পেৰিছ চুক্তিয়ে কোনো দেশৰ বাবে নিৰ্দিষ্টকৈ নিৰ্গমন হ্ৰাসৰ লক্ষ্য ধাৰ্য কৰি নিদিয়ে।
- তাৰ পৰিৱৰ্তে, ই সকলোকে নিজৰ সাধ্যানুসৰি সৰ্বোত্তমখিনি কৰিবলৈ আহ্বান জনায়।
- কিন্তু দেশসমূহে নিজৰ বাবে নিৰ্দ্ধাৰণ কৰা লক্ষ্যসমূহ, যাক INDC (Intended Nationally Determined Contribution) বুলি জনা যায়, সেইবোৰ ৰিপ'ৰ্ট কৰিব লাগে আৰু পৰীক্ষণ (verify) কৰিব লাগে।

**পেৰিছ চুক্তিৰ উদ্দেশ্য ঃ**

- গোলকীয় উষ্ণতা বৃদ্ধিৰ মাত্ৰা প্ৰাক্-ঔদ্যোগিক যুগৰ (১৮৭০ চন) তুলনাত ২ ডিগ্ৰী চেলচিয়াছৰ ভিতৰত সীমিত ৰখা, আৰু পছন্দ মতে ১.৫ ডিগ্ৰী চেলচিয়াছৰ তলত ৰখা।

**ভাৰতৰ পঞ্চামৃত কৌশল (Panchamrit Strategy of India) ঃ**

- ২০১৫ চনৰ পেৰিছ চুক্তিৰ অংশ হিচাপে এতিয়ালৈকে প্ৰায় ১৭০খন দেশে নিজৰ ৰাষ্ট্ৰীয়ভাৱে নিৰ্দ্ধাৰিত অৱদান (NDC) দাখিল কৰিছে।
- ভাৰতে ইয়াৰ INDC হিচাপে ৫টা কৌশলৰ এক লক্ষ্য গ্ৰহণ কৰিছে, যাক 'পঞ্চামৃত কৌশল' বুলি জনা যায়।

**বৰ্তমান বাতৰি (Current news)**

- ভাৰতে ইয়াৰ জলবায়ু লক্ষ্যসমূহ (Climate goals) উন্নীত কৰিছে।
- পেৰিছ চুক্তিৰ এজন স্বাক্ষৰকাৰী হিচাপে ভাৰতে ২০২৫ চনত এক উন্নীত NDC জাৰি কৰাৰ প্ৰয়োজন আছিল।
- যোৱা বছৰ নৱেম্বৰত ব্ৰাজিলৰ বেলেম (Belem)ত অনুষ্ঠিত UNFCCC-ৰ ৩০ সংখ্যক সংস্কৰণৰ (CoP 30) সন্মিলনত পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে কৈছিল যে ভাৰতে 'বছৰটোৰ শেষৰ ফালে' NDC ঘোষণা কৰিব।

**ভাৰতৰ জলবায়ু লক্ষ্যসমূহ (India Climate Targets - NDC)**

১) ২০৩৫ চনৰ ভিতৰত— অ-জীৱাশ্ম উৎসৰ (non-fossil sources) পৰা ৬০শতাংশ বিদ্যুৎ উৎপাদন ক্ষমতাৰ লক্ষ্য।

২) ২০৩৫ চনৰ ভিতৰত— নিৰ্গমনৰ তীব্ৰতা (Emissions intensity i.e., emission/GDP) ৪৭ শতাংশ হ্ৰাস কৰা (ভিত্তি বৰ্ষ ঃ ২০০৫)।

৩) কাৰ্বন ছিংক (Carbon sink) লক্ষ্য— ২০৩৫ চনৰ ভিতৰত ৩.৫-৪ বিলিয়ন টন $CO_2$ সমতুল্য কাৰ্বন শোষণৰ ক্ষমতা বৃদ্ধি কৰা।

**উদ্বেগৰ বিষয় (Concerns)**

- বিশ্বৰ দেশসমূহৰ INDC-ৰ প্ৰথমটো গ্ল'বেল ষ্টকটেক (First Global Stocktake ২০২১ চনৰ তথ্যৰ ওপৰত ভিত্তি কৰি) পৰা দেখা গৈছে যে বিশ্ব ১.৫ চেলচিয়াছ লক্ষ্যৰ সঠিক পথত নাই।

**কাৰ্বন ছিংক (Carbon sink) কি ?**

- এটা কাৰ্বন ছিংক হ'ল এনে এক উৎস যিয়ে বায়ুমণ্ডলৰ পৰা নিৰ্গত হোৱা কাৰ্বন ডাই অক্সাইড ($CO_2$) তকৈ অধিক পৰিমাণৰ কাৰ্বন শোষণ কৰে। উদাহৰণ ঃ বনাঞ্চল, মহাসাগৰ ইত্যাদি।

### অনুশীলন প্ৰশ্ন

**প্ৰশ্ন ঃ** নিৰ্গমনৰ তীব্ৰতা (Emissions intensity) সন্দৰ্ভত তলৰ বিবৃতিসমূহ বিবেচনা কৰক ঃ

১) নিৰ্গমনৰ তীব্ৰতাই এখন দেশে এবছৰত নিৰ্গত কৰা মুঠ সেউজগৃহ গেছৰ পৰিমাণক বুজায়।
২) ই অৰ্থনৈতিক উৎপাদনৰ প্ৰতি একক (যেনে— GDP) বিপৰীতে নিৰ্গমনৰ পৰিমাণ জোখে।
৩) নিৰ্গমনৰ তীব্ৰতা হ্ৰাস হোৱাৰ অৰ্থ সদায় এইটোৱেই যে মুঠ নিৰ্গমন (Total emissions) হ্ৰাস পাইছে।
৪) নিৰ্গমনৰ ক্ষেত্ৰত এখন অৰ্থনীতিয়ে কিমান দক্ষতাৰে সামগ্ৰী উৎপাদন কৰে, তাক মূল্যায়ন কৰিবলৈ ইয়াৰ ব্যৱহাৰ কৰা হয়।

ওপৰৰ কোনটো বিবৃতি শুদ্ধ ?
(ক) কেৱল ১, ২
(খ) কেৱল ২, ৩
(গ) কেৱল ২, ৪
(ঘ) কেৱল ১, ২, ৩

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিংছ, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ

দৈনিক অসম
শিক্ষা-চাকৰি
মঙলবাৰ, ৭ এপ্ৰিল, ২০২৬
Tuesday, April 7, 2026

ভিতৰৰ পৃষ্ঠাত...
❖ বিভিন্ন চাকৰিৰ বিতং খবৰ
❖ পৰীক্ষাৰ দৃষ্টিকোণেৰে সাম্প্ৰতিক ঘটনাৱলী
❖ আনন্দ চন্দ্ৰ বৰুৱা

## প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১ ঃ** হৰ্ষবৰ্দ্ধনৰ জীৱনী 'হৰ্ষচৰিত' কোনে ৰচনা কৰিছিল ?
(ক) হিউৱেন চাং, (খ) বাণভট্ট
(গ) ৰবিকীৰ্তি, (ঘ) কালিদাস
**উত্তৰ ঃ** (খ) বাণভট্ট

**প্ৰশ্ন ২ ঃ** কোনজন চীনা পৰিব্ৰাজকে হৰ্ষবৰ্দ্ধনৰ দিনত ভাৰত ভ্ৰমণ কৰিছিল ?
(ক) ফা-হিয়ান, (খ) বখতিয়াৰ খিলজী
(গ) হিউৱেন চাং, (ঘ) আল-বেৰুনী
**উত্তৰ ঃ** (গ) হিউৱেন চাং

**প্ৰশ্ন ৩ ঃ** হৰ্ষবৰ্দ্ধনক নৰ্মদাৰ পাৰত কোনে পৰাস্ত কৰিছিল ?
(ক) প্ৰথম মহেন্দ্ৰ বৰ্মন, (খ) শশাংক
(গ) দ্বিতীয় পুলকেশী, (ঘ) বিক্ৰমাদিত্য
**উত্তৰ ঃ** (গ) দ্বিতীয় পুলকেশী

**প্ৰশ্ন ৪ ঃ** হৰ্ষবৰ্দ্ধনৰ ৰাজধানী ক'ত আছিল ?
(ক) পাটলিপুত্ৰ, (খ) কনৌজ
(গ) কাঞ্চীপুৰম, (ঘ) প্ৰয়াগ
উত্তৰ ঃ (খ) কনৌজ

**প্ৰশ্ন ৫ ঃ** তলৰ কোনখন গ্ৰন্থ হৰ্ষবৰ্দ্ধনৰ দ্বাৰা ৰচিত ?
(ক) কাদম্বৰী, (খ) মেঘদূতম
(গ) ৰত্নাৱলী, (ঘ) ৰাজতৰংগিনী
**উত্তৰ ঃ** (গ) ৰত্নাৱলী

**প্ৰশ্ন ৬ ঃ** হৰ্ষবৰ্দ্ধনৰ শাসনকালত কোনখন বিশ্ববিদ্যালয় শিক্ষাৰ প্ৰধান কেন্দ্ৰ আছিল ?
(ক) তক্ষশীলা বিশ্ববিদ্যালয়
(খ) বিক্ৰমশীলা বিশ্ববিদ্যালয়
(গ) নালন্দা বিশ্ববিদ্যালয়
(ঘ) বল্লভী বিশ্ববিদ্যালয়
উত্তৰ ঃ (গ) নালন্দা বিশ্ববিদ্যালয়

**প্ৰশ্ন ৭ ঃ** হৰ্ষবৰ্দ্ধনে তেওঁৰ ৰাজধানী থানেশ্বৰৰ পৰা ক'লৈ স্থানান্তৰ কৰিছিল ?
(ক) মগধ, (খ) কনৌজ,
(গ) প্ৰয়াগ, (ঘ) উজ্জয়িনী।
**উত্তৰ ঃ** (খ) কনৌজ

**প্ৰশ্ন ৮ ঃ** চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ ভ্ৰমণ বৃত্তান্ত থকা গ্ৰন্থখনৰ নাম কি ?
(ক) ইণ্ডিকা, (খ) চি-ইউ-কি
(গ) ফো-কুয়ো-কি, (ঘ) কিতাব-উল-হিন্দ
**উত্তৰ ঃ** (খ) চি-ইউ-কি

**প্ৰশ্ন ৯ ঃ** হৰ্ষবৰ্দ্ধনে ৰচনা কৰা নাট্যত্ৰয়ীৰ ভিতৰত তলৰ কোনখন অন্তৰ্ভুক্ত নহয় ?
(ক) প্ৰিয়দৰ্শিকা, (খ) ৰত্নাৱলী
(গ) নাগানন্দ, (ঘ) কাদম্বৰী
**উত্তৰ ঃ** (ঘ) কাদম্বৰী

**প্ৰশ্ন ১০ ঃ** বাণভট্টই 'হৰ্ষচৰিত'ৰ বাহিৰে আন কোনখন বিখ্যাত গ্ৰন্থ লিখিছিল ?
(ক) ৰত্নাৱলী, (খ) কাদম্বৰী
(গ) পঞ্চতন্ত্ৰ, (ঘ) অৰ্থশাস্ত্ৰ
**উত্তৰ ঃ** (খ) কাদম্বৰী

## ঐতিহাসিক চমু আভাস

# গুপ্ত সাম্ৰাজ্যৰ পৰৱৰ্তী ভাৰত



ভাৰতীয় ইতিহাসত গুপ্ত যুগক 'সোণালী যুগ' বুলি কোৱা হয় যদিও, এই সাম্ৰাজ্যৰ পতনৰ পাছত দেশৰ ৰাজনৈতিক পৰিস্থিতি যথেষ্ট সলনি হৈছিল। কোনো এক কেন্দ্ৰীয় শক্তি নোহোৱা হোৱাৰ বাবে ভাৰতৰ বিভিন্ন প্ৰান্তত সৰু-বৰ বহুতো আঞ্চলিক শক্তিৰ উত্থান ঘটিছিল। আজিৰ এই শিতানত আমি সেই সময়ছোৱাৰ কিছু গুৰুত্বপূৰ্ণ দিশ আলোচনা কৰিম।

### ১) হৰ্ষবৰ্দ্ধন আৰু বৰ্দ্ধন বংশ ঃ

গুপ্তোত্তৰ কালৰ কথা ক'বলৈ গ'লে সকলোতকৈ আগেয়ে মনলৈ আহে ৰজা হৰ্ষবৰ্দ্ধনৰ নাম। তেওঁ ৬০৬ খৃষ্টাব্দত সিংহাসনত বহিছিল। তেওঁৰ শাসনকালৰ আটাইতকৈ উল্লেখযোগ্য কথাটো হ'ল তেওঁ নিজৰ ৰাজধানী থানেশ্বৰৰ পৰা কনৌজলৈ উঠাই নিছিল। হৰ্ষবৰ্দ্ধন কেৱল এজন বীৰ যোদ্ধাই নাছিল, তেওঁ নিজে এজন উচ্চ পৰ্যায়ৰ সাহিত্যিকো আছিল। তেওঁ সংস্কৃতত 'ৰত্নাৱলী', 'প্ৰিয়দৰ্শিকা' আৰু 'নাগানন্দ' নামৰ তিনিখন নাট ৰচনা কৰিছিল।

### ২) বাণভট্ট আৰু হিউৱেন চাং ঃ

হৰ্ষবৰ্দ্ধনৰ ৰাজসভা শুৱনি কৰিছিল কবি বাণভট্টই। তেওঁৰ লিখা 'হৰ্ষচৰিত'ৰ পৰাই আমি সেই সময়ৰ বহুতো কথা জানিব পাৰোঁ। ঠিক একেদৰে, চীনদেশৰ পৰিব্ৰাজক হিউৱেন চাঙৰ ভাৰত ভ্ৰমণ এই যুগৰে এক অন্যতম ঘটনা। তেওঁ নালন্দা বিশ্ববিদ্যালয়ত কেইবাবছৰো কটাইছিল আৰু ভাৰতৰ বিষয়ে তেওঁৰ অভিজ্ঞতা 'চি-ইউ-কি' নামৰ গ্ৰন্থত লিখি থৈ গৈছে।

### ৩) দক্ষিণ ভাৰতৰ শক্তি আৰু যুদ্ধ ঃ

উত্তৰ ভাৰতত হৰ্ষবৰ্দ্ধন শক্তিশালী হ'লেও দক্ষিণ ভাৰতৰ চালুক্য ৰজা দ্বিতীয় পুলকেশীৰ হাতত তেওঁ নৰ্মদা নদীৰ পাৰত পৰাস্ত হ'বলগীয়া হৈছিল। এই যুদ্ধই প্ৰমাণ কৰিছিল যে সেই সময়ত দক্ষিণৰ শক্তিসমূহো সমানেই প্ৰবল আছিল। আনহাতে, পল্লৱ বংশৰ ৰজাসকলেও এই সময়ছোৱাত স্থাপত্য আৰু ভাস্কৰ্যৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিছিল।

**সামৰণি ঃ**
সাম্প্ৰতিক প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ বাবে এই সময়ছোৱাৰ সাহিত্যিক উৎস, ৰাজবংশসমূহৰ ৰাজধানী আৰু বিদেশী পৰিব্ৰাজকৰ টোকাৰ ওপৰত বিশেষ চকু দিয়াটো প্ৰয়োজন।

## অনুপ্ৰেৰণা



...চিকিৎসা বিজ্ঞানৰ বৃত্তি ত্যাগ কৰি জনসেৱাৰ লক্ষ্যৰে ইউ পি এছ চি ২০২৫ত সৰ্বভাৰতীয় পৰ্যায়ত প্ৰথম স্থান দখল কৰা অনুজ অগ্নিহোত্ৰীৰ যাত্ৰা হ'ল একাগ্ৰতা আৰু অধ্যৱসায়ৰ এক অনন্য নিদৰ্শন। তেওঁৰ এই সাফল্যই বৰ্তমান দেশৰ সহস্ৰাধিক অসামৰিক সেৱাৰ প্ৰাৰ্থীৰ বাবে এক শক্তিশালী অনুপ্ৰেৰণাৰ উৎস হিচাপে থিয় দিছে।...

### সঠিক কৌশল আৰু ধাৰাবাহিকতাই লক্ষ্যত উপনীত হোৱাত সহায় কৰে

ভাৰতীয় প্ৰশাসনিক সেৱাৰ দৰে দেশৰ আটাইতকৈ কঠিন তথা মৰ্যাদাপূৰ্ণ পৰীক্ষাত সফলতা অৰ্জন কৰাটো যিকোনো শিক্ষাৰ্থীৰ বাবে এটা সপোনৰ দৰে। ইউ পি এছ চি ২০২৫ বৰ্ষৰ অসামৰিক সেৱা পৰীক্ষাত সৰ্বভাৰতীয় পৰ্যায়ত প্ৰথম স্থান (এ আই আৰ ১) দখল কৰি সমগ্ৰ দেশৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে অনুজ অগ্নিহোত্ৰীয়ে। তেওঁৰ এই অনন্য সাফল্যই কেৱল তেওঁৰ পৰিয়াল বা ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই অনা নাই, বৰঞ্চ দেশৰ হাজাৰ হাজাৰ আই এ এছ, আই পি এছ আৰু আই এফ এছ বিষয়া হোৱাৰ সপোন দেখা পৰীক্ষাৰ্থীৰ বাবে তেওঁ এক নতুন আদৰ্শ হৈ পৰিছে। অনুজৰ এই যাত্ৰা আছিল একাগ্ৰতা, অদম্য সাহস আৰু কঠোৰ পৰিশ্ৰমৰ এক সুন্দৰ *শেষাংশ ৮ পৃষ্ঠাত*


## ভাৰতৰ উন্নীত জলবায়ু লক্ষ্যসমূহ

**আন্তঃৰাষ্ট্ৰীয় জলবায়ু পৰিৱেশ সম্পৰ্কীয় আলোচনা**

**১৯৭২**
- ষ্টকহোম (Stockholm)ত প্ৰথমখন ৰাষ্ট্ৰসংঘৰ পৰিৱেশ সন্মিলন অনুষ্ঠিত হয়।
- ইয়াৰ পৰিণতিস্বৰূপে ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচী (UNEP) প্ৰতিষ্ঠা কৰা হয়।

**১৯৮৮**
- জলবায়ু পৰিৱৰ্তনৰ আন্তঃচৰকাৰী পেনেল (IPCC) ৰ প্ৰতিষ্ঠা।

**১৯৯২**
- ব্ৰাজিলত ৰিঅ' আৰ্থ ছামিট (Rio Earth Summit) অনুষ্ঠিত হয়।
- ইয়াত ৩খন চুক্তি চূড়ান্ত কৰা হয় আৰু ৩খন নথি (documents) গ্ৰহণ কৰা হয়।



**১৯৯২ চনৰ ৰিঅ' আৰ্থিক ছামিটৰ ফলাফল (outcome of Rio Earth Summit, 1992) ৩ খন চুক্তি (3 Agreements):**

ক) UNFCCC (আইনগতভাৱে বাধ্যতামূলক নহয়)ঃ
- কিন্তু UNFCCC-ৰ অধীনত *শেষাংশ ৮ পৃষ্ঠাত*



# ৰে'ল বিভাগত ২ সহস্ৰাধিক শিক্ষানবিচৰ প্ৰয়োজন

**আবেদনৰ অন্তিম তাৰিখ ১১ এপ্ৰিল**

**ভা**ৰতীয় ৰে'লত ২,৫০০ৰো অধিক শিক্ষানবিচ (এপ্ৰেণ্টিছ)ৰ প্ৰয়োজন। ৰে'লৰ দক্ষিণ-মধ্য শাখাৰ তৰফৰ পৰা এই বিষয়ে বিজ্ঞাপন প্ৰকাশ কৰিছে। এই বিজ্ঞাপন অনুসৰি, শিক্ষানবিচ হিচাপে প্ৰশিক্ষণ দিবলগীয়া প্ৰাৰ্থীসকল দশম শ্ৰেণী উত্তীৰ্ণ হোৱা বাঞ্ছনীয়। মুঠ খালী পদৰ সংখ্যা ২,৮০১টা। প্ৰশিক্ষণ গ্ৰহণৰ বাবে আগ্ৰহীসকলক ৱেল্ডাৰ, মেকানিষ্ট, পেণ্টাৰ, ইলেক্ট্ৰিচিয়ান, এচি মেকানিকসহ বিভিন্ন ট্ৰেডত আই টি আই উত্তীৰ্ণ হ'ব লাগিব। প্ৰশিক্ষণ চলাকালীন চৰকাৰী নিয়ম অনুসৰি, শিক্ষানবিচসকলে ভাট্টা লাভ কৰিব। মুঠ এবছৰৰ বাবে তেওঁলোকক প্ৰশিক্ষণ দিয়া হ'ব। উল্লিখিত বিভাগত প্ৰশিক্ষণ গ্ৰহণৰ বাবে আগ্ৰহীসকলৰ বয়স ১৫ৰ পৰা ২৪ বছৰৰ ভিতৰত হোৱা প্ৰয়োজন। আবেদনকাৰীসকলক দ্বাদশৰ পৰীক্ষাত আৰু আই টি আই ট্ৰেডত প্ৰাপ্ত নম্বৰৰ ভিত্তিত বাছনি কৰা হ'ব। এই পৰীক্ষাত প্ৰাৰ্থীৰ কমেও ৫০ শতাংশ নম্বৰ থকা আৱশ্যক। আগ্ৰহীসকলে অনলাইনত আবেদন জমা দিব লাগিব। আবেদনৰ শেষ দিন ১১ এপ্ৰিল ধাৰ্য কৰা হৈছে।

# বেংক অব বৰোডাত ১০৪টা চাকৰি

**আবেদনৰ অন্তিম দিন ১৬ এপ্ৰিল**

बैंक ऑफ़ बड़ौदा Bank of Baroda

**বে**ংক অব বৰোডাই প্ৰতিষ্ঠানটোত খালী হোৱা মুঠ ১০৪টা পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে। পদসমূহ ১০৪টা এভিপি আৰু ডেপুটী মেনেজাৰৰ পদ। বিজ্ঞাপন অনুসৰি, এভিপি ১১ গ্ৰুপ হেডৰ ৪টা পদ। এই পদৰ বাবে প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ৩১-৪৫ বছৰ। আনহাতে, এভিপি ১১ টেৰিটৰী হেডৰ পদৰ সংখ্যা ১৭টা। বয়স ২৭ৰ পৰা ৪০ বছৰ। ডেপুটী মেনেজাৰ ছিনিয়ৰ ৰিলেচনশ্বিপ মেনেজাৰৰ পদৰ সংখ্যা ৭০টা। বয়স ২৪-৩৫ বছৰ। ডেপুটী মেনেজাৰ ৱেল্থ ষ্ট্ৰেটেজিষ্ট (ইনভেষ্টমেণ্ট এণ্ড ইনছুৰেন্স)ৰ পদৰ সংখ্যা ১৩টা। বয়স ২৪-৪০ বছৰ। প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা হ'ব লাগিব যিকোনো বিভাগত স্নাতক ডিগ্ৰীধাৰী। অৱশ্যে পদ অনুসৰি শিক্ষাগত অৰ্হতা ভিন ভিন। আবেদন মাচুল— পি ডব্লিউ বি ডি/ই এছ এম/ মহিলাৰ ১৭৫ টকা, অসংৰক্ষিত, ই ডব্লিউ এছ /অ' বি চিৰ ৮৫০ টকা। আবেদনৰ অন্তিম তাৰিখ ১৬ এপ্ৰিল।



**আবেদনৰ শেষ দিন ২০ এপ্ৰিল**


# ভুৱনেশ্বৰৰ ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াত চাকৰি

**ভু**ৱনেশ্বৰৰ ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াত চাকৰিৰ সুযোগ। সেইমৰ্মে বেংকৰ ৱেবছাইটত বিজ্ঞাপন প্ৰকাশ পাইছে। বিজ্ঞাপন অনুসৰি খালী পদৰ সংখ্যা ২টা। বিত্তীয় প্ৰতিষ্ঠানটোৱে মেডিকেল পৰামৰ্শদাতাৰূপে প্ৰাৰ্থী নিযুক্তি দিব। এই পদত চুক্তিৰ ভিত্তিত কাম কৰিব লাগিব। প্ৰাথমিকভাৱে ৩ বছৰৰ বাবে নিযুক্তি দিয়া হ'ব যদিও প্ৰয়োজন অনুসৰি ম্যাদ বৃদ্ধি কৰা হ'ব পাৰে। নিযুক্তিপ্ৰাপ্তক প্ৰতি ঘণ্টাত ১,০০০ টকাকৈ পাৰিশ্ৰমিক দিয়া হ'ব। আবেদনৰ বাবে প্ৰাৰ্থী মেডিকেল কাউন্সিল অব ইণ্ডিয়াৰ স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানৰ পৰা এম বি বি এছ ডিগ্ৰীধাৰী হোৱা প্ৰয়োজন। জেনেৰেল মেডিচিনত স্নাতকোত্তৰ যোগ্যতা থকা প্ৰাৰ্থীয়েও আবেদন জনাব পাৰিব। সংশ্লিষ্ট ক্ষেত্ৰত প্ৰাৰ্থীৰ কমেও দুবছৰৰ অভিজ্ঞতা থকা বাঞ্ছনীয়। এই সম্পৰ্কীয় সবিশেষ তথ্যৰ বাবে প্ৰাৰ্থীসকলে প্ৰতিষ্ঠানটোৰ ৱেবছাইট চাব পাৰিব। ২০ এপ্ৰিল আবেদনৰ অন্তিম তাৰিখ ধাৰ্য কৰা হৈছে।

# অসম কো-অপাৰেটিভ এপেক্স বেংকত চাকৰি

**আবেদনৰ অন্তিম তাৰিখ ২০ এপ্ৰিল**

**দ্য** আছাম কো-অপাৰেটিভ এপেক্স বেংক লিমিটেডত খালী হোৱা কেইটামান পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। প্ৰকাশিত নিয়োগ বিজ্ঞপ্তি অনুসৰি, খালী হোৱা ১৫টা পদ হৈছে বেংকটোৰ অফিচাৰ গ্ৰেড ই পদৰ অধীনস্থ সহকাৰী শাখা পৰিচালক/ সহকাৰী পৰিচালকৰ পদ। প্ৰাৰ্থীক নিযুক্তিৰ পিছত মাহিলি ৩১,৬৩০ টকাৰ পৰা ৮২,২৯০ টকা দৰমহা দিয়া হ'ব। গ্ৰেড পে ৭,৯০০ টকা। আবেদনকাৰীৰ বয়স হ'ব লাগিব ১ জানুৱাৰী, ২০২৬ তাৰিখৰ ভিত্তিত ২৮ৰ পৰা ৪০ বছৰৰ ভিতৰত। আবেদনৰ বাবে প্ৰাৰ্থী কমেও ৫৫ শতাংশ নম্বৰসহ স্নাতক অথবা স্নাতকোত্তৰ ডিগ্ৰীধাৰী। চি এ অথবা এম বি এ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। প্ৰাৰ্থীৰ বিত্তীয় প্ৰতিষ্ঠানত ন্যূনতম ৪ বছৰ কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। প্ৰাৰ্থীৰ স্থানীয় ভাষাৰ জ্ঞান থকা বাঞ্ছনীয়। আবেদনৰ সৈতে প্ৰাৰ্থীসকলে ১,০০০ টকা মাচুল দিব লাগিব। আবেদনৰ ঠিকনা ঃ পৰিচালন সঞ্চালক, দ্য আছাম কো-অপাৰেটিভ এপেক্স বেংক লিমিটেড, মুখ্য কাৰ্যালয়, এইচ বি ৰোড, পাণবজাৰ, গুৱাহাটী, অসম।



# পঞ্জাব এণ্ড সিন্দ বেংকত ১০০০ পদৰ বিজ্ঞাপন

**আবেদনৰ শেষ দিন ২০ এপ্ৰিল**

**প**ঞ্জাব এণ্ড সিন্দ বেংকে এক নিয়োগ বিজ্ঞপ্তিযোগে ১০০০ লোকেল বেংক অফিচাৰ (এল বি অ') পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে। এই পদসমূহৰ ভিতৰত ১৪৫টা এছ চি, ৬৮টা এছ টি, ২৬৪টা অ'বিচি, ৯৮টা ই ডব্লিউ এছ আৰু সংৰক্ষণমুক্ত ৪২৫টা। অসমত পদৰ সংখ্যা ৫০টা। প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা যিকোনো বিষয়ত স্নাতক ডিগ্ৰীধাৰী। লগতে প্ৰাৰ্থীৰ কমেও ১৮ মাহ কাম কৰাৰ অভিজ্ঞতা থকা বাঞ্ছনীয়। আবেদনকাৰীৰ বয়স হ'ব লাগিব ১ মাৰ্চ, ২০২৬ তাৰিখৰ ভিত্তিত ২০-৩০ বছৰ। অথবা প্ৰাৰ্থী ২ মাৰ্চ, ১৯৯৬ৰ আগত আৰু ১ মাৰ্চ, ২০০৬ পিছত জন্মগ্ৰহণ কৰা হ'ব নালাগিব। অৱশ্যে শ্ৰেণী অনুসৰি অ' বি চিৰ ৩ বছৰ, এছ চিৰ ৫ বছৰ, এছ টি পিৰ ৫ বছৰ, পি ডব্লিউ বি ডিৰ ১০ বছৰ বয়স ৰেহাই দিয়া হ'ব। আবেদনৰ সৈতে জেনেৰেল, ই ডব্লিউ এছ আৰু অ'বিচি শ্ৰেণীৰ প্ৰাৰ্থীয়ে ৮৫০ টকা মাচুল জমা দিব লাগিব। আবেদনৰ অন্তিম তাৰিখ ২০ এপ্ৰিল।



**আবেদনৰ অন্তিম তাৰিখ ১৫ এপ্ৰিল**

# ভট্টদেৱ বিশ্ববিদ্যালয়ত ১১ টা পদ খালী

**উ**চ্চ শিক্ষাৰ প্ৰতিষ্ঠান ভট্টদেৱ বিশ্ববিদ্যালয়ত খালী হোৱা মুঠ ১১টা পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। প্ৰকাশিত বিজ্ঞাপন অনুসৰি পদসমূহ হ'ল— ক) কনিষ্ঠ সহায়ক-২, খ) একাউণ্ট সহায়ক-১, গ) কাৰ্যালয় সহায়ক (এম টি এছ)-৫, ঘ) লাইব্ৰেৰিয়ান-১, ঙ) সহকাৰী লাইব্ৰেৰিয়ান-১, চ) বিত্ত বিষয়া-১। পদ অনুসৰি প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা সুকীয়া সুকীয়া। নিযুক্তিৰ পিছত প্ৰাৰ্থীৰ দৰমহা হ'ব ১২,০০০ টকাৰ পৰা ৩৭,৫০০ টকা আৰু ১,৪৪,২০০ টকাৰ পৰা ২,১৮,২০০ টকা। প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৮ৰ পৰা ৪০ বছৰৰ ভিতৰত। আবেদনকাৰীয়ে মাচুল হিচাপে সাধাৰণ/অ'বিচি প্ৰাৰ্থীয়ে ১০০০ টকা, এছচি/এছটি প্ৰাৰ্থীৰ ৫০০টকা, লাইব্ৰেৰিয়ান আৰু সহকাৰী লাইব্ৰেৰিয়ান (জেনেৰেল/অ'বিচি) ৩,০০০ টকা, লাইব্ৰেৰিয়ান আৰু সহকাৰী লাইব্ৰেৰিয়ান (এছচি/এছটি) ১,৫০০ টকা, বিত্ত বিষয়া (জেনেৰেল/অ'বিচি) ২০০০ টকা, বিত্ত বিষয়া (এছচি/এছটি) ১০০০ টকা। অনলাইন আবেদনৰ অন্তিম তাৰিখ ১৫ এপ্ৰিল। হাৰ্ড কপী জমা দিয়াৰ শেষ তাৰিখ ২২ এপ্ৰিল। ৱেবছাইট ঃ https://www.bhattadevuniversity.ac.in।

# বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ত চাকৰি



**আবেদনৰ অন্তিম তাৰিখ ৩০ এপ্ৰিল**

**বী**ৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়, গোলাঘাটত খালী হোৱা ২০টা অধ্যাপক আৰু লাইব্ৰেৰিয়ানৰ পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰপৰা আবেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে অনলাইনযোগে আবেদন জনাব পাৰিব। বিশ্ববিদ্যালয়খনৰ তৰফৰপৰা প্ৰকাশিত নিয়োগ বিজ্ঞাপন অনুসৰি অধ্যাপকৰ খালী পদৰ সংখ্যা পাঁচটা। ব'টানী, জুলজী, কেমেষ্ট্ৰী, গণিত আৰু ফিজিক্স বিষয়ত এগৰাকীকৈ প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। আনহাতে সহযোগী অধ্যাপকৰ পদৰ সংখ্যা ৭টা। ইয়াৰে ব'টানীৰ ২টা, জুলজীৰ ২টা, কেমেষ্ট্ৰী, গণিত আৰু ফিজিক্সৰ ১টাকৈ পদত প্ৰাৰ্থী নিয়োগ কৰিব। বিজ্ঞাপন অনুসৰি সহকাৰী অধ্যাপকৰ ৭টা পদত নিযুক্তি দিয়া হ'ব প্ৰাৰ্থী। খালী থকা বিভাগসমূহ হ'ল— ব'টানী (২টা), জুলজী (২টা), কেমেষ্ট্ৰী (১টা), গণিত (১টা) আৰু ফিজিক্স (১টা পদ)। ইপিনে লাইব্ৰেৰিয়ানৰ ১টা পদ খালী আছে। এই পদত নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীৰ লগতে অধ্যাপক পদত নিযুক্ত প্ৰাৰ্থীক মাহিলি ১,৪৪,২০০ টকাৰপৰা ২,১৮,২০০ টকা প্ৰদান কৰা হ'ব। সহযোগী অধ্যাপকৰ দৰমহা মাহিলি ১,৩১,৪০০ টকাৰপৰা ২,১৭,১০০ টকা। আনহাতে সহকাৰী অধ্যাপকৰ মাহিলি দৰমহা হ'ব ৫৭,৭০০ টকাৰপৰা ১,৮২,৪০০ টকা। আবেদনৰ সৈতে প্ৰাৰ্থীসকলে ২,৫০০ টকা মাচুল জমা দিব লাগিব। আবেদন প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে আৰু অনলাইন আবেদনৰ অন্তিম দিন ধাৰ্য কৰা হৈছে ৩০ এপ্ৰিল। অনলাইন আবেদনৰ হাৰ্ড কপি জমা দিয়াৰ শেষ দিন ১০ মে'।

# ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰত ৬১৯টা পদ খালী

**আবেদনৰ অন্তিম তাৰিখ উল্লেখ নাই**



**নে**চনেল ইনফ'ৰমেটিক্স চেণ্টাৰ (ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰ)ত খালী হোৱা ছয় শতাধিক পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰপৰা আৱেদন বিচৰা হৈছে। এই সম্পৰ্কীয় নিয়োগ বিজ্ঞাপন অনুসৰি মুঠ খালী পদৰ সংখ্যা ৬১৯টা। ইয়াৰে বিজ্ঞানী 'বি' (গ্ৰুপ এ গ্ৰেজেটেড) পদৰ সংখ্যা ২৪০টা। ইয়াৰে ১০০টা অসংৰক্ষিত, এছ চি ৩৬টা, এছ টি১৮ টা, অ' বি চি-এন চি এল ৬৫টা, ই ডব্লিউ এছ ২৪টা আৰু পি ডব্লিউ বি ডিৰ কাৰণে ১০টা পদ মুকলি থাকিব। নিযুক্তিৰ পাছত ৫৬,১০০-১,৭৭,৫০০ টকা মাহিলি দৰমহা দিয়া হ'ব। আনহাতে প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ৩১ মাৰ্চ ২০২৬ তাৰিখৰ ভিত্তিত সৰ্বাধিক ৩০ বছৰ। বৈজ্ঞানিক/প্ৰযুক্তিগত সহকাৰী 'এ' (গ্ৰুপ বি, নন গেজেটেড) পদৰ সংখ্যা ৩৭৬টা। বিভাগ অনুসৰি অসংৰক্ষিত পদৰ সংখ্যা ১৫৪টা, এছ চি ৫৬টা, এছ টি ২৮টা, অ' বি চি-এন চি এল ১০১টা, ই ডব্লিউ এছ ৩৭টা আৰু পি ডব্লিউ বি ডিৰ কাৰণে ১৮টা পদ মুকলি থাকিব। প্ৰাৰ্থীৰ দৰমহা মাহিলি ৩৫,৪০০-১,১২,৪০০ টকা। প্ৰাৰ্থীসকলে আৱেদনৰ সৈতে মাচুল জমা দিব লাগিব। সেই অনুসৰি অসংৰক্ষিত/অ' বি চি (এন চি এল)/ই ডব্লিউ এছ প্ৰাৰ্থীয়ে ৮০০ টকা মাচুল দিব লাগিব যদিও অন্য শ্ৰেণীৰ প্ৰাৰ্থীৰ কোনো মাচুল নিৰ্দ্ধাৰণ কৰা হোৱা নাই। সবিশেষ জানিবৰ বাবে প্ৰতিষ্ঠানটোৰ ৱেবছাইট চাব পাৰিব। ৱেবছাইট http://recruitment.nic.in

# কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়ত চাকৰি

**আবেদনৰ অন্তিম তাৰিখ ১৪ এপ্ৰিল**



**কু**মাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু প্ৰাচীন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰীত খালী হোৱা কিছুসংখ্যক শিক্ষকৰ পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। প্ৰকাশিত বিজ্ঞাপন অনুসৰি অধ্যাপকৰ খালী পদৰ সংখ্যা ৭টা। আনহাতে, সহযোগী অধ্যাপকৰ খালী পদৰ সংখ্যা ৮টা। পদসমূহত আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়স আৰু শিক্ষাগত সম্পৰ্কীয় সবিশেষ তথ্যৰ বাবে মূল বিজ্ঞাপন চাব লাগিব। প্ৰাৰ্থীসকলে আবেদনৰ সৈতে ২,০০০ টকা মাচুল দিব লাগিব। সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীৰ আবেদন মাচুল ১,৫০০ টকা। আবেদনৰ অন্তিম তাৰিখ ধাৰ্য কৰা হৈছে ১৪ এপ্ৰিল। আবেদনৰ ঠিকনা— পঞ্জীয়ক, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু প্ৰাচীন অধ্যয়ন বিশ্ববিদ্যালয়, নমাটি, নলবাৰী, অসম, পিন-৭৮১৩৩৭।

NLUJA

# নেচনেল ল ইউনিভাৰ্ছিটী আৰু জুডিচিয়েল একাডেমীত পদ খালী

**দ্য** নেচনেল ল ইউনিভাৰ্ছিটী আৰু জুডিচিয়েল একাডেমী, অসমৰ তৰফৰ পৰা প্ৰকাশ কৰিছে এটি নিয়োগ বিজ্ঞাপন। সেই অনুসৰি উচ্চ শিক্ষাৰ অনুষ্ঠানটিত ৯টা শিক্ষকৰ পদ খালী হৈছে। প্ৰতিষ্ঠানটিত খালী হৈছে দুটা আইনৰ অধ্যাপকৰ পদ। দুয়োটা পদ সংৰক্ষণমুক্ত। নিযুক্তিপ্ৰাপ্তক সপ্তম দৰমহা আয়োগৰ নিয়োগ অনুযায়ী দৰমহা দিয়া হ'ব। আইনৰ সহযোগী অধ্যাপকৰ খালী পদ চাৰিটা। এটা পদ এছ চিৰ বাবে সংৰক্ষিত আৰু আন ৩টা পদ সংৰক্ষণমুক্ত। প্ৰাৰ্থীক সপ্তম দৰমহা আয়োগৰ নিয়ম অনুযায়ী দৰমহা প্ৰদান কৰিব। আইনৰ সহকাৰী অধ্যাপকৰ খালী পদৰ সংখ্যা দুটা। ইয়াৰে এটা পদ অসংৰক্ষিত আৰু আনটো পদ পি ডব্লিউ ডি (সংৰক্ষণমুক্ত)। মাহিলি দৰমহা ৫৭,৭০০ টকা। ৰাজনীতি বিজ্ঞানৰ সহযোগী অধ্যাপকৰ ১টা পদত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। প্ৰাৰ্থীক মাহিলি ৫৭,৭০০ টকা দৰমহা দিয়া হ'ব। আবেদনৰ সৈতে এছ চি / এছ টি / পি ডব্লিউ ডি প্ৰাৰ্থীয়ে ১,৫০০ টকা আৰু অন্য প্ৰাৰ্থীয়ে ২,৫০০ টকা মাচুল জমা দিব লাগিব। আবেদনৰ অন্তিম তাৰিখ ৩০ এপ্ৰিল, ২০২৬। ৱেবছাইট-nluassam.ac.in।




**আবেদনৰ অন্তিম তাৰিখ ৩০ এপ্ৰিল**

# ভাৰত সঞ্চাৰ নিগম লিমিটেডত ১২০টা পদৰ বাবে বিজ্ঞাপন



**ভা**ৰত সঞ্চাৰ নিগম লিমিটেডে প্ৰতিষ্ঠানটোত খালী হোৱা শতাধিক পদ পূৰণৰ বাবে ইচ্ছুক আৰু অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা নিয়োগ বিজ্ঞাপনযোগে আবেদন বিচাৰিছে। খালী হোৱা পদৰ নাম ছিনিয়ৰ এক্সিকিউটিভ ট্ৰেইনী। টেলিকম আৰু ফাইনেন্স ষ্ট্ৰীমত খালী হোৱা এই পদৰ সংখ্যা ১২০টা। বিভাগ অনুসৰি ইয়াৰে ৯৫টা পদ টেলিকমৰ আৰু ২৫টা পদ ফাইনেন্সৰ। দৰমহাৰ নিৰিখ মাহিলি ২৪,৯০০ টকাৰ পৰা ৫০,৫০০ টকা। অধিক তথ্যৰ বাবে প্ৰাৰ্থীসকলে ৮৭৪৪৩-৫৮৯৯৫ অথবা ০১১-৩৫৮০৮৩২৮ নম্বৰত যোগাযোগ কৰিব পাৰিব। ই-মেইল- bsnl@cbtexam.co.in। ইঞ্জিনীয়াৰিং/টেকন'লজীৰ স্নাতক পৰীক্ষাত ৬০ শতাংশ নম্বৰসহ প্ৰাৰ্থী উত্তীৰ্ণ হোৱা হ'ব লাগিব। কেৱল ভাৰতীয় নাগৰিকেহে এই পদত আবেদন জনাব পাৰিব। আবেদনকাৰীৰ বয়স আবেদনৰ অন্তিম দিনটোত ২১-৩০ বছৰৰ ভিতৰত হোৱা বাঞ্ছনীয়। অৱশ্যে অ' বি চি-এন চি এলৰ ৩ বছৰ, এছ চি / এছ টিৰ ৫ বছৰ, পি ডব্লিউ বি ডি (অসংৰক্ষিত /ই ডব্লিউ এছ)ৰ ১০ বছৰ, পি ডব্লিউ বি ডি (অ' বি চি)ৰ ১৩ বছৰ আৰু পি ডব্লিউ বি ডি (এছ চি / এছ টি)ৰ ১৫ বছৰ ৰেহাই দিয়া হ'ব। আবেদনৰ লগত সংৰক্ষণমুক্ত / অ' বি চি / ই ডব্লিউ এছ প্ৰাৰ্থীয়ে ২,৫০০ টকা, এছ চি/ এছ টি / পি ডব্লিউ বি ডিয়ে ১,২৫০ টকা মাচুল দিব লাগিব।

আবেদনৰ অন্তিম তাৰিখ ১৫ এপ্ৰিল



# ডি আৰ ডি অ'ৰ অধীনস্থ সংস্থাত চাকৰি

**সাক্ষাৎকাৰৰ তাৰিখ ৪-৭ মে'**

**ডি**ফেন্স ৰিছাৰ্চ এণ্ড ডেভেলপমেণ্ট অৰ্গেনাইজেচন (ডি আৰ ডি অ')ত চাকৰিৰ সুযোগ। প্ৰতিষ্ঠানটোৰ ভেহিকল ৰিছাৰ্চ এণ্ড ডেভেলপমেণ্ট অৰ্গেনাইজেচনত জুনিয়ৰ ৰিছাৰ্চ ফেল' হিচাপে কাম কৰিব লাগিব। ইয়াৰ বাবে মুঠ ৩জনক নিয়োগ কৰা হ'ব। জুনিয়ৰ ৰিছাৰ্চ ফেল' হিচাপে মেকানিকেল আৰু ইলেক্ট্ৰিকেল ইঞ্জিনীয়াৰিং বিষয়ত স্নাতকোত্তৰসকলক বাছনি কৰা হ'ব। প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ২৮ বছৰৰ ভিতৰত। অৱশ্যে উল্লিখিত বিষয়ত স্নাতকোত্তৰসকলে আবেদনৰ সুযোগ লাভ কৰিব। এইক্ষেত্ৰত তেওঁলোক গ্ৰেজুৱেচন এপটিটিউট টেষ্ট (গেট) উত্তীৰ্ণ হোৱা প্ৰয়োজন। সংশ্লিষ্ট কামত নিযুক্তিপ্ৰাপ্তসকলে প্ৰতিমাহে ৩৭ হাজাৰ টকা পাৰিশ্ৰমিক হিচাপে লাভ কৰিব। তেওঁলোকক দুবছৰৰ চুক্তিত নিয়োগ কৰা হ'ব। এই ম্যাদ আৰু দুবছৰৰ বাবে বৃদ্ধি পাব পাৰে। নিযুক্তিপ্ৰাপ্তসকলে ভেহিকল ৰিছাৰ্চ এণ্ড ডেভেলপমেণ্ট অৰ্গেনাইজেচনৰ আহমেদাবাদৰ কাৰ্যালয়ত কাম কৰিব লাগিব। আগ্ৰহীসকলে পোনপটীয়াভাৱে সাক্ষাৎকাৰৰ বাবে কাৰ্যালয়লৈ আহিব পাৰিব। জীৱনপঞ্জী, শিক্ষাগত অৰ্হতাসহ অন্য আনুষংগিক নথিসহ প্ৰাৰ্থীসকল ৪, ৬ আৰু ৭ মে'ত সাক্ষাৎকাৰৰ বাবে উপস্থিত হ'ব লাগিব।

# ব্ৰহ্মপুত্ৰ ভেলী সাৰ নিগমত ২৪ টা পদত নিযুক্তিৰ বিজ্ঞাপন

আবেদনৰ অন্তিম দিন ১৬ এপ্ৰিল

**ব্ৰ**হ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেচন লিমিটেডত খালী হোৱা ২৪টা পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা নিয়োগ বিজ্ঞপ্তি অনুসৰি ছিনিয়ৰ মেনেজাৰ (বিত্ত)ৰ ১টা পদ খালী আছে। এই পদত আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়স হ'ব লাগিব সৰ্বাধিক ৫১ বছৰ। প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা হ'ব লাগিব চি এ অথবা আই চি ডব্লিউ এসহ স্নাতক ডিগ্ৰীধাৰী। আনহাতে, ডেপুটী মেনেজাৰৰ খালী পদ এটাৰ বাবে প্ৰাৰ্থীৰ বয়স হ'ব লাগিব সৰ্বাধিক ৪৮ বছৰ। প্ৰাৰ্থী চি এ অথবা আই চি ডব্লিউ এসহ স্নাতক ডিগ্ৰীধাৰী। বিষয়া (ফাইনেন্স)ৰ খালী পদ দুটা। প্ৰাৰ্থীৰ বয়স হ'ব লাগিব সৰ্বাধিক ৪০ বছৰ। শিক্ষাগত অৰ্হতা ওপৰত পদকেইটাৰ দৰে একেই হোৱা বাঞ্ছনীয়। আনহাতে, ছেফটী অফিচাৰৰ খালী পদ এটা। প্ৰাৰ্থীৰ বয়স সৰ্বাধিক ৪০ বছৰ। শিক্ষাগত অৰ্হতা ফায়াৰ ইঞ্জিনীয়াৰিঙত বিটেক ডিগ্ৰীধাৰী। প্ৰডাকচন ইঞ্জিনীয়াৰিঙৰ খালী পদৰ সংখ্যা ১০টা। প্ৰাৰ্থীৰ বয়স সৰ্বাধিক ৪০ বছৰ। প্ৰাৰ্থী কেমিকেল ইঞ্জিনীয়াৰিঙত বিই/বিটেক ডিগ্ৰীধাৰী হোৱা বাঞ্ছনীয়। মেকানিকেল ইঞ্জিনীয়াৰৰ খালী পদৰ সংখ্যা ৪টা। বয়স সৰ্বাধিক ৪০ বছৰ। তদুপৰি ইনষ্ট্ৰুমেণ্টেচন ইঞ্জিনীয়াৰ (২টা পদ), চিভিল ইঞ্জিনীয়াৰ (১টা), ডেপুটী মেনেজাৰ (এইচ আৰ-১টা পদ), অফিচাৰ (এইচ আৰ-১টা)ৰ পদ খালী আছে। আবেদনৰ সৈতে সংৰক্ষণমুক্ত, অ'বিচি, ইডব্লিউএছ শ্ৰেণীৰ প্ৰাৰ্থীয়ে ২০০ টকাকৈ জমা দিব লাগিব। আবেদনৰ অন্তিম তাৰিখ ১৬ এপ্ৰিল।



# এপেক্স বেংকত ১৫০টা পদ

আবেদনৰ শেষ দিন ১৯ এপ্ৰিল

**অ**সম কো-অপাৰেটিভ এপেক্স বেংক লিমিটেডে প্ৰতিষ্ঠানটোত খালী থকা শতাধিক পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে। বিত্তীয় প্ৰতিষ্ঠানটোত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব ১৫০টা সহকাৰীৰ পদত। নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীক মাহিলি ১৮,৭৩০ টকাৰ পৰা ৬৮,০৪০ টকা দৰমহা প্ৰদান কৰিব। আবেদনকাৰীৰ বয়স হ'ব লাগিব ১ জানুৱাৰী, ২০২৬ তাৰিখৰ ভিত্তিত ২১ বছৰৰ পৰা ৩৮ বছৰৰ ভিতৰত। প্ৰাৰ্থী স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা যিকোনো বিভাগত ৪৫ শতাংশ নম্বৰসহ স্নাতক ডিগ্ৰীধাৰী হোৱা বাঞ্ছনীয়। আবেদনৰ লগতে প্ৰাৰ্থীয়ে কম্পিউটাৰৰ দক্ষতাৰ প্ৰমাণপত্ৰ জমা দিব লাগিব। প্ৰাৰ্থীৰ স্থানীয় ভাষাৰ জ্ঞান থকা প্ৰয়োজন। আবেদনৰ সৈতে প্ৰাৰ্থীসকলে ৭৫০ টকা আবেদন মাচুল জমা দিব লাগিব। ইচ্ছুক আৰু অৰ্হতাসম্পন্ন প্ৰাৰ্থীয়ে ১৯ এপ্ৰিল, ২০২৬ তাৰিখ বা তাৰ পূৰ্বে অনলাইনযোগে আবেদন জনাব পাৰিব।




# সশস্ত্ৰ সীমাবলত ৮২৭ কনিষ্টবলৰ পদ

আবেদনৰ শেষ দিন ২০ এপ্ৰিল

**স**শস্ত্ৰ সীমাবল (এছ এছ বি)ৰ অধীনত খালী হোৱা ৮ শতাধিক পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন আৰু ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। খালী পদৰ নাম কনিষ্টবল (ধোবা, নাপিত, পানীবাহক, ৰেইটাৰ, দৰ্জী, মালী, মুচি)। পদৰ সংখ্যা ৮২৭টা। পদ অনুযায়ী খালীপদ কনিষ্টবল (ভেটেৰিনাৰী) ৩৪টা, পুৰুষ কনিষ্টবল (ড্ৰাইভাৰ) ৫৫৩টা, মালী ৪১টা, পানীবাহক ৫টা, মুচি ২৫টা, দৰ্জী ৪১টা, ধোবা ৭৪টা, নাপিত ৪৩টা, ৰেইটাৰ ৩টা, নাৰ্চিং অৰ্ডাৰলী ১টা, কাৰ্পেনটাৰ ৭টা পদ। দৰমহা মাহিলি ২১,৭০০টকাৰ পৰা ৬৯,১০০ টকা। পদ অনুসৰি প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৮ৰ পৰা ২৭ বছৰ, ১৮ৰ পৰা ২৩ বছৰ, ১৮ৰ পৰা ২৫ বছৰৰ ভিতৰত। অৱশ্যে অ'বিচিৰ ৩ বছৰ, এছচি আৰু এছটিৰ ৫ বছৰকৈ ৰেহাই দিয়া হ'ব। কনিষ্টবল (ভেটেৰিনাৰী) পদৰ বাবে প্ৰাৰ্থী স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ডৰ পৰা বিজ্ঞানক প্ৰধান বিষয় হিচাপে লৈ দশম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব। লগতে পশু চিকিৎসালয়ত চিকিৎসা সম্পৰ্কীয় ১ বছৰৰ অভিজ্ঞতা থকা প্ৰয়োজন। ড্ৰাইভাৰৰ বাবে দশম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ লগতে গধুৰ যান-বাহন চলোৱাৰ অনুজ্ঞাপত্ৰ থকা বাঞ্ছনীয়। অন্য পদসমূহৰ বাবেও প্ৰাৰ্থী মেট্ৰিক উত্তীৰ্ণ হোৱাৰ লগতে সংশ্লিষ্ট বিষয়ত অভিজ্ঞতা থকা প্ৰয়োজন। আবেদন মাচুল ১১০ টকা। আবেদনৰ অন্তিম তাৰিখ ২০ এপ্ৰিল।





# পূৰৱী ডেইৰীত এছিষ্টেণ্ট ছেলছ এণ্ড ডিষ্ট্ৰিবিউচন পদত নিযুক্তিৰ প্ৰস্তুতি

**আবেদনৰ অন্তিম তাৰিখ ১৮ এপ্ৰিল**

**ৱে**ষ্ট আছাম মিল্ক প্ৰডিউচাৰ্ছ কৰ্প'ৰেটিভ ইউনিয়ন লিমিটেড তথা পূৰৱী ডেইৰীৰূপে পৰিচিত প্ৰতিষ্ঠানটিয়ে এছিষ্টেণ্ট ছেল্‌ছ এণ্ড ডিষ্ট্ৰিবিউচন পদৰ বাবে প্ৰাৰ্থী নিযুক্তি দিয়াৰ প্ৰস্তুতি চলাইছে। সেই অনুসৰি, অৰ্হতাসম্পন্ন আৰু ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। বিজ্ঞাপনত পদৰ সংখ্যা উল্লেখ কৰা হোৱা নাই। নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীৰ কৰ্মক্ষেত্ৰ হ'ব নগাঁও আৰু বঙাইগাঁৱত। প্ৰাৰ্থীৰ বয়স ১ জানুৱাৰী, ২০২৬ তাৰিখৰ ভিত্তিত ৩০ বছৰৰ অধিক হ'ব নোৱাৰিব। অৱশ্যে যোগ্য প্ৰাৰ্থীৰ ক্ষেত্ৰত বয়স ৰেহাই দিয়া হ'ব পাৰে। নিযুক্তিপ্ৰাপ্তক বছৰি ৪.৫৫ লাখ টকাৰ উপৰি পি এফসহ অন্য সুবিধাসমূহ প্ৰদান কৰা হ'ব। প্ৰাৰ্থী কোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় অথবা প্ৰতিষ্ঠানৰ পৰা যিকোনো বিষয়ত স্নাতক ডিগ্ৰীধাৰী হোৱা বাঞ্ছনীয়। প্ৰাৰ্থীৰ সংশ্লিষ্ট বিষয়ত কমেও এবছৰ কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। আবেদনকাৰী প্ৰাৰ্থীৰ যোগাযোগৰ দক্ষতা, দুচকীয়া বাহন আৰু এণ্ড্ৰইড ম'বাইল হেণ্ডছেট, কম্পিউটাৰৰ দক্ষতা, অসমীয়া, হিন্দী আৰু ইংৰাজী ক'ব পৰা দক্ষতা থকা প্ৰয়োজন। আবেদনৰ শেষ দিন ১৮ এপ্ৰিল।

# ভাৰতীয় ৰে'লত ১১,১২৭টা পদ খালী



আবেদনৰ শেষ দিন ১৪ জুন

**ৰে'**লৱে ৰিক্ৰুইটমেণ্ট ব'ৰ্ডে মুঠ ১১,১২৭টা সহকাৰী লোক পাইলট পদত নিযুক্তি প্ৰদানৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে। নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীক প্ৰাথমিকভাৱে ১৯,৯০০ টকাৰ লগতে অন্যান্য বানছসহ দৰমহা দিয়া হ'ব। আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১ জুলাই, ২০২৬ তাৰিখৰ ভিত্তিত ১৮-৩০ বছৰ। অৱশ্যে নিয়ম অনুযায়ী সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীৰ বয়স ৰেহাই দিয়া হ'ব। আবেদনকাৰীসকল মেট্ৰিকুলেচন/ এছ এছ এল চি উত্তীৰ্ণ হ'ব লাগিব আৰু আই টি আইৰ পৰা ফিটাৰ, ইলেক্ট্ৰিচিয়ান, ইনষ্ট্ৰুমেণ্ট মেকানিক, মিলৰাইট মেণ্টেনেন্স মেকানিক, মেকানিক ৰেডিঅ' এণ্ড টিভি, ইলেক্ট্ৰনিকছ মেকানিক, মেকানিক মটৰ ভেহিকল, ৱায়াৰমেন, ট্ৰেক্টৰ মেকানিক, আৰ্মেচাৰ আৰু কইল উইণ্ডাৰ, মেকানিক ডিজেল, হিট ইঞ্জিন, টাৰ্নাৰ, মেচিনিষ্ট, ৰিফ্ৰিজেৰেচন আৰু এয়াৰ কণ্ডিচনিং মেকানিক আদি বিষয়ত অনুজ্ঞাপত্ৰধাৰী হ'ব লাগিব। নিযুক্তিৰ পিছত প্ৰাৰ্থীসকলক দেশৰ বিভিন্ন প্ৰান্তৰ ৰে'লৱেৰ কাৰ্যালয়ত নিযুক্তি প্ৰদান কৰা হ'ব। সবিশেষ জনাৰ বাবে ০১৭২-৫৬৫-৩৩৩৩ আৰু ৯৫৯২০০১১৮৮ নম্বৰত ফোন কৰিব লাগিব। ই-মেইল rrbhelp @ ssc.gov.in আবেদনৰ অন্তিম তাৰিখ ১৪ জুন।

# এছ এছ বিৰ হেড কনিষ্টবলৰ ২৩৩ পদ মুকলি

আবেদনৰ শেষ দিন ২০ এপ্ৰিল

**স**শস্ত্ৰ সীমাবল (এছ এছ বি)ৰ তৰফৰ পৰা প্ৰকাশিত নিয়োগ বিজ্ঞাপন অনুসৰি, প্ৰতিষ্ঠানটোত ২৩৩টা হেড কনিষ্টবলৰ পদত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। মুঠ ২৩৩টা পদৰ অসংৰক্ষিত ১০৫টা, এছচিৰ ২৭টা, এছটিৰ ১৯টা, অ'বিচিৰ ৬২টা আৰু ই ডব্লিউ এছৰ ২০টা পদ খালী আছে। ইয়াৰে প্ৰবন্ধকৰ ২টা, কমিউনিকেচনৰ ১৯৭টা, ইলেক্ট্ৰিচিয়ানৰ ২৯টা আৰু ভেটেৰিনাৰী হেড কনিষ্টবলৰ খালী পদ ৫টা। নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীক মাহিলি ২৫,৫০০ টকাৰ পৰা ৮১,১১০টকা দৰমহা দিয়া হ'ব। হেড কনিষ্টবল (প্ৰবন্ধক/ভেটেৰিনাৰী/ কমিউনিকেচন পদৰ বাবে প্ৰাৰ্থীৰ বয়স ১৮-২৭ বছৰৰ ভিতৰত আৰু হেড কনিষ্টবল (ইলেক্ট্ৰিচিয়ান) পদৰ প্ৰাৰ্থীৰ বয়স ১৮-২৫ বছৰৰ ভিতৰত হোৱা বাঞ্ছনীয়। অ'বিচি শ্ৰেণীৰ প্ৰাৰ্থীৰ ৩ বছৰ, এছচি আৰু এছটি প্ৰাৰ্থীৰ বয়স ৫ বছৰ ৰেহাই দিয়া হ'ব। প্ৰাৰ্থী স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ডৰ অধীনত দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱা প্ৰয়োজন। পদ অনুসৰি প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা সুকীয়া সুকীয়া। জেনেৰেল/ অ'বিচি/ইডব্লিউএছ শ্ৰেণীৰ প্ৰাৰ্থীয়ে আবেদন মাচুল ১০০ টকা জমা দিব লাগিব। মাহিলা আৰু অন্য শ্ৰেণীৰ প্ৰাৰ্থীৰ আবেদন মাচুল নালাগে। আবেদনৰ অন্তিম তাৰিখ ২০ এপ্ৰিল ধাৰ্য কৰা হৈছে।






# ৰাইটছ লিমিটেডত সহকাৰী মেনেজাৰৰ পদ খালী

আবেদনৰ অন্তিম তাৰিখ ২৭ এপ্ৰিল

**কে**ন্দ্ৰীয় ৰে'ল মন্ত্ৰণালয়ৰ অধীনস্থ সংস্থা ৰাইট্‌ছ লিমিটেডত খালী হোৱা কিছুসংখ্যক পদ পূৰণৰ বাবে সংস্থাটোৰ তৰফৰ পৰা নিয়োগ বিজ্ঞপ্তি প্ৰকাশ কৰিছে। সেই অনুসৰি, প্ৰতিষ্ঠানটোত নিয়োগ কৰা হ'ব সহকাৰী মেনেজাৰ। খালী পদৰ সংখ্যা ১১টা। প্ৰাথমিকভাৱে এই চাকৰিৰ ম্যাদ থাকিব ১ বছৰ। ইয়াৰ পিছত সংস্থাৰ প্ৰয়োজন আৰু নিযুক্তসকলৰ কামৰ ওপৰত নিৰ্ভৰ কৰি ম্যাদ বৃদ্ধি কৰা হ'ব পাৰে। নিযুক্তিপ্ৰাপ্তসকলক দেশৰ যিকোনো স্থানত নিযুক্তি প্ৰদান কৰা হ'ব। এই পদৰ বাবে নিযুক্তিপ্ৰাপ্তক মাহিলি ৪০,০০০ টকাৰ পৰা ১,৪০,০০০টকা বেতন দিয়া হ'ব। আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ৩২ বছৰৰ ভিতৰত। সংৰক্ষিত শ্ৰেণীৰ বয়স নিয়ম অনুসৰি ৰেহাই দিয়া হ'ব। চাৰ্টাৰ্ড একাউনটেণ্ট অথবা ক'ষ্ট একাউনটেণ্ট যোগ্যতাৰ লগতে দুবছৰৰ পেছাগত অভিজ্ঞতা থকা বাঞ্ছনীয়। আবেদন মূল্যৰ পৰিমাণ সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে ৩০০ টকা আৰু অসংৰক্ষিতসকলৰ ক্ষেত্ৰত ৬০০ টকা। আবেদনৰ শেষ দিন ২৭ এপ্ৰিল।

# আই এ চি এছত মাল্টি টাস্কিং ষ্টাফৰ চাকৰি

আবেদনৰ শেষ দিন ১৯ এপ্ৰিল



**ই**ণ্ডিয়ান এছ'চিয়েচন ফৰ দ্য কাল্টিভেচন অব ছায়েন্সত প্ৰাৰ্থী নিয়োগ কৰা হ'ব। সেইমৰ্মে প্ৰকাশ পাইছে নিয়োগ বিজ্ঞাপন। গ্ৰুপ 'চি' বিভাগত মাল্টি টাস্কিং ষ্টাফ আৰু গ্ৰুপ 'বি' বিভাগত এছিষ্টেণ্ট নিযুক্তি দিয়া হ'ব। দুটা বিভাগত ৫জনকৈ নিয়োগ কৰা হ'ব। এছিষ্টেণ্ট পদত প্ৰতি মাহৰ বেছিক পে ৪৪,৯০০ টকা। প্ৰাৰ্থীৰ বয়স ৩০ বছৰৰ ভিতৰত হ'ব লাগিব। প্ৰাৰ্থী স্নাতক ডিগ্ৰীধাৰী হোৱাৰ লগতে সংশ্লিষ্ট বিভাগত ৫ বছৰ কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। মাধ্যমিক উত্তীৰ্ণসকলে এম টি এছ পদত আবেদন কৰিব পাৰিব। প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৮ৰ পৰা ২৫ বছৰৰ ভিতৰত। মাহিলি বেছিক পে ১৮ হাজাৰ টকা। অন্য প্ৰয়োজনীয় যোগ্যতা জানিবলৈ মূল বিজ্ঞাপন চাব লাগিব। বিজ্ঞাপনত দিয়া আবেদনপত্ৰ ডাউনলোড কৰি পূৰণ কৰিব লাগিব। ইয়াৰ পাছতে পাছপ'ৰ্ট ছাইজৰ ছবিসহ আবেদনপত্ৰ, শিক্ষাগত অৰ্হতা, বয়সৰ প্ৰমাণপত্ৰসহ প্ৰয়োজনীয় নথিপত্ৰ জমা দিব লাগিব। অনুসূচিত জাতি-জনজাতি প্ৰাৰ্থীৰ আবেদন মাচুল ৫০০ টকা। অন্য বিভাগৰ প্ৰাৰ্থীসকলৰ বাবে ১০০০ টকা ধাৰ্য কৰা হৈছে। আবেদন জমা দিয়াৰ শেষ দিন ১৯ এপ্ৰিল।

SPM GROUP
SPM IAS ACADEMY ▪ SPM & LALAN'S ▪ MAJESTIC ACADEMY

# ব্যক্তি

# আনন্দ চন্দ্ৰ বৰুৱা

১৯২৬ চনত মেট্ৰিকুলেচনত উত্তীৰ্ণ হোৱাৰ পাছত তেওঁ বাৰাণসীলৈ উচ্চ শিক্ষাৰ বাবে যায় যদিও পঢ়া সাং কৰিব নোৱাৰিলে। সেই কালছোৱাতে অসমীয়া ছাত্ৰসকলে উলিওৱা হাতেলিখা আলোচনী 'জাহ্নৱী'লৈ তেওঁ অৰিহণা যোগায়। অসমলৈ ঘূৰি অহাৰ পাছত প্ৰমীলা দেৱীৰ লগত বৰুৱাৰ বিবাহ হয়...

**আনন্দ চন্দ্ৰ বৰুৱাৰ** জন্ম ১৯০৭ চনৰ ৩১ ডিচেম্বৰ তাৰিখে মৰাণত হৈছিল। তেওঁ আছিল এগৰাকী অসমীয়া সাহিত্যিক। তেওঁক বকুল বনৰ কবি নামেৰে জনা যায়। কলেজীয়া দিনৰে পৰা কবিতা লিখিবলৈ আৰম্ভ কৰা বৰুৱাৰ প্ৰথম কবিতা লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত 'বাঁহী'ত প্ৰকাশ পায়। সাংবাদিকতা আৰু শিক্ষকতা কৰা বৰুৱাক ১৯৬৯ চনৰ অসম সাহিত্য সভাৰ বৰপেটা অধিৱেশনৰ সভাপতি নিৰ্বাচন কৰা হৈছিল। ১৯৭০ চনত তেওঁক পদ্মশ্ৰী উপাধি প্ৰদান কৰা হৈছিল।

**প্ৰাৰম্ভিক জীৱন**

আনন্দ চন্দ্ৰ বৰুৱাৰ ১৯০৭ চনৰ ৩১ ডিচেম্বৰত মৰাণৰ খুমটাই চাহ বাগিচাত জন্ম হয়। পিতৃ আছিল প্ৰেমধৰ বৰুৱা আৰু মাতৃ ইন্দ্ৰাণী দেৱী। ঢেঁকীয়াখোৱাত প্ৰাথমিক শিক্ষা লাভ কৰাৰ পিছত তেওঁ যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয়লৈ পঢ়িবলৈ যায়। বিদ্যালয়ৰ হাতেলিখা আলোচনীৰ পাততে তেওঁৰ সাহিত্যিক প্ৰতিভাৰ অংকুৰণ ঘটে। ১৯২৬ চনত মেট্ৰিকুলেচনত উত্তীৰ্ণ হোৱাৰ পাছত তেওঁ বাৰাণসীলৈ উচ্চ শিক্ষাৰ বাবে যায় যদিও পঢ়া সাং কৰিব নোৱাৰিলে। সেই কালছোৱাতে অসমীয়া ছাত্ৰসকলে উলিওৱা হাতেলিখা আলোচনী 'জাহ্নৱী'লৈ তেওঁ অৰিহণা যোগায়। অসমলৈ ঘূৰি অহাৰ পাছত প্ৰমীলা দেৱীৰ লগত বৰুৱাৰ বিবাহ হয়।

**কৰ্মজীৱন**

১৯৩০ চনত দেউতাকৰ মৃত্যুৰ পিছত আনন্দ চন্দ্ৰ বৰুৱাই 'অসমীয়া' নামৰ বাতৰিকাকতত সম্পাদক হিচাপে যোগদান কৰে। দুবছৰ পিছত তেওঁ যোৰহাটৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ত কিছুদিন কাম কৰে। তিনিচুকীয়াতো অলপ দিন শিক্ষকতা কৰি উঠি তেওঁ পুনৰ যোৰহাটলৈ আহি সাপ্তাহিক 'বাতৰি'ত সহঃ সম্পাদক হিচাপে যোগদান কৰে। এই বাতৰিকাকতৰ জৰিয়তে তেওঁ প্ৰথম নীলমণি ফুকনক 'বাগ্মীবৰ' আৰু জ্যোতিপ্ৰসাদ আগৰৱালাক 'ৰূপকোঁৱৰ' উপাধি প্ৰদান কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত তেওঁ কৰাচীলৈ গৈ ভাৰতীয় বায়ুসেনাত যোগ দিয়ে আৰু ১৯৪৭ চনত ঘৰলৈ ঘূৰি আহি ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰত অৱসৰপৰ্যন্ত চাকৰি কৰে।

১৯৬৯ চনত তেওঁ অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হয়।

সাহিত্যিক হিচাপে খ্যাত যদিও সাহিত্য চৰ্চাৰ বাহিৰেও তেওঁ এজন ভাল অভিনেতা আৰু সক্ৰিয় সমাজকৰ্মী আছিল। ১৯৩০ চনত তেওঁ 'বাণী সন্মিলন' আৰু ১৯৪৮ চনত 'চিন্তামণি চক্ৰ' প্ৰতিষ্ঠা কৰিছিল। তাৰ বাহিৰেও তেওঁ অসম নাট্য সন্মিলন, অসম প্ৰতিযোগিতা সমিতি, যোৰহাট সংগীত বিদ্যালয় আদিৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল।

**মৃত্যু**

১৯৮৩ চনৰ ২৭ জানুৱাৰীত আনন্দ চন্দ্ৰ বৰুৱাৰ মৃত্যু হয়।



**সাহিত্য কৰ্ম**

সাহিত্যিকৰূপে আনন্দ চন্দ্ৰ বৰুৱাই একাধাৰে কবিতা, নাটক, অনুবাদ সাহিত্য, উপন্যাস আদি ক্ষেত্ৰত অৱদান আগবঢ়ায়।

- প্ৰকাশিত কাব্য পুথি— পৰাগ, পুষ্পক, ৰঞ্জন ৰশ্মি, সেই নিমাতী পুৱাৰে পৰা, বকুল বনৰ কবিতা, পাপৰিৰ পৰিমল আদি।
- অনুবাদ পুথি— হাফিজৰ সুৰ, কুমাৰ সম্ভৱ, মেঘদূত পূৰ্বমেঘ, ছোভিয়েট কবিতা, এছিয়া জ্যোতি আদি।
- নাট— বিজয়া, বিসৰ্জন, কমলা কুঁৱৰী, নল-দময়ন্তী, নীলাঞ্জন আদি।

অপ্ৰকাশিত ৰচনাসমূহৰ ভিতৰত পঞ্চমী, তেজীমলা, বণিক বন্ধু, মৃগমায়া, বাণীপথ, অসমীয়া সাহিত্য আদি অন্যতম।

**স্বীকৃতি আৰু সন্মান**

- ১৯৭০ চন— পদ্মশ্ৰী
- ১৯৭৭ চন— সাহিত্য অকাডেমি বঁটা (বকুল বনৰ কবিতাৰ বাবে)

# উড়ান ২.০

**উড়ান (উড়ে দেশ কা আম নাগৰিক) আঁচনি**

**উদ্দেশ্য ঃ** আঞ্চলিক বিমান সংযোগ (Regional air connectivity) বৃদ্ধি কৰা আৰু সাধাৰণ নাগৰিকৰ বাবে বিমানযাত্ৰা সুলভ কৰা।

**সূচনাৰ বৰ্ষ ঃ** ২০১৬ চনত ৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহন নীতি (NCAP)-ৰ অধীনত প্ৰৱৰ্তন কৰা হৈছিল।

**লক্ষ্য ঃ** ভাৰতৰ সৰু চহৰ আৰু দুৰ্গম অঞ্চলৰ (Tier ২ আৰু Tier ৩ চহৰ) বিমান সেৱা নথকা (Unserved) আৰু অতি কম বিমান চলাচল কৰা (Underserved) বিমানবন্দৰসমূহক সংযোগ কৰা।

**সাহায্যপ্ৰাপ্ত বিমান ভাৰা (Subsidized Airfare)ঃ**

- নিৰ্বাচিত পথত এঘণ্টাৰ বিমান যাত্ৰাৰ বাবে বিমান ভাৰা সৰ্বাধিক ২,৫০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে।
- উড়ান আঁচনিৰ অন্তৰ্ভুক্ত নোহোৱা পথবোৰৰ বিমান ভাৰাত যোগ কৰা 'আঞ্চলিক সংযোগ আঁচনি (RCS) লেভিৰ (Levy) জৰিয়তে বিমান কোম্পানীসমূহক ৰাজসাহায্য (Subsidy) প্ৰদান কৰা হয়।

**ভায়াবিলিটী গেপ ফাণ্ডিং (VGF)ঃ**

- ভায়াবিলিটী গেপ ফাণ্ডিং (VGF) হ'ল অৰ্থনৈতিকভাৱে লাভজনক নোহোৱা প্ৰকল্পসমূহক কাৰ্যকৰী কৰি তুলিবলৈ চৰকাৰে আগবঢ়োৱা এক আৰ্থিক সাহায্য।

**উড়ান বিমান সেৱা (UDAN Flights)**

- আগ্ৰহী বিমান পৰিচালনকাৰীসকলে (Airline operators) কাৰ্যকৰী সংস্থা AAI (ভাৰতীয় বিমানবন্দৰ কৰ্তৃপক্ষ)-ৰ ওচৰত প্ৰস্তাৱ দাখিল কৰি এতিয়ালৈকে সংযোগ নোহোৱা পথবোৰত বিমান সেৱা আৰম্ভ কৰিব পাৰে।
- পৰিচালনকাৰীসকলে ইয়াৰ বাবে ভায়াবিলিটী গেপ ফাণ্ডিং (VGF) বিচাৰিব পাৰে।
- মুঠ আবণ্টন ঃ ২৮, ৮৪০ কোটি টকা।
- ইয়াৰে ভিতৰত ঃ ১০,০৪৩ কোটি টকা বিমান কোম্পানীসমূহৰ বাবে ৰাজসাহায্য (Subsidy) হিচাপে।
- বাকী থকা ধনখিনি ভায়াবিলিটী গেপ ফাণ্ডিং (VGF) হিচাপে ব্যৱহাৰ কৰা হ'ব।

**সংশোধিত উড়ানৰ কিয় প্ৰয়োজন?**

- পূৰ্বৰ আঁচনিত ৰাজসাহায্যৰ সময়সীমা ৩ বছৰত সীমাবদ্ধ আছিল— যাৰ বাবে বিমান কোম্পানীসমূহক অতি সোনকালে স্বাৱলম্বী হ'বলৈ বাধ্য কৰা হৈছিল।
- CAG ৰিপ'ৰ্ট ঃ ৰাজসাহায্যৰ অন্ত পৰাৰ পিছত মাত্ৰ ৭-১০ শতাংশ পথহে অৰ্থনৈতিকভাৱে লাভজনক বা কাৰ্যকৰী হৈ থাকিল।
- বহুতো উড়ান বিমান সেৱা বন্ধ হৈ গৈছে— ৬৬৩টা পথ মুকলি কৰা হৈছিল যদিও বৰ্তমান মাত্ৰ ৩২৭টা পথহে কাৰ্যকৰী হৈ আছে।

**বিশেষ দ্ৰষ্টব্য (Note)**

- পূৰ্বৰ আঁচনিৰ আৰ্হি অনুসৰি, এই ৰাজসাহায্যৰ ধন চৰকাৰী কোষাগাৰৰ পৰা দিয়া হোৱা নাছিল; ইয়াৰ পৰিৱৰ্তে উড়ান আঁচনিৰ অন্তৰ্ভুক্ত নোহোৱা পথৰ বিমান ভাৰাত যোগ কৰা 'আঞ্চলিক সংযোগ আঁচনি' (RCS) লেভীৰ পৰা সংগ্ৰহ কৰা হৈছিল।
- উড়ান ২.০ (UDAN 2.0)ৰ অধীনত ৰাজসাহায্যৰ ধন চৰকাৰী কোষাগাৰৰ (Exchequer) পৰা যোগান ধৰা হ'ব।

**উড়ান আঁচনি ঃ** ২০১৬ চনত আৰম্ভ হোৱা এই আঁচনিৰ লক্ষ্য হ'ল বিমান যাত্ৰাক সুলভ কৰা আৰু বিমান সেৱা নথকা বিমানবন্দৰসমূহক সংযোগ কৰা।

**আঁচনিৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহ ঃ**

- ভায়াবিলিটী গেপ ফাণ্ডিং (VGF) ঃ বিমান ভাৰা সুলভ কৰাৰ বাবে বিমান কোম্পানীসমূহক আৰ্থিক সাহায্য প্ৰদান।
- বিমানবন্দৰৰ পুনৰুজ্জীৱন ঃ বিদ্যমান আন্তঃগাঁথনিৰ উন্নীতকৰণ আৰু সৰু চহৰবোৰত (Tier 2/3) নতুন বিমানবন্দৰ নিৰ্মাণ।
- ৰাজসাহায্য আৰু উদগনি ঃ বিমান চালকসকলৰ বাবে বিমান বন্দৰৰ মাচুল ৰেহাই আৰু বিমান ইন্ধনৰ ওপৰত আবকাৰী শুল্ক হ্ৰাস।

**উড়ান আঁচনিৰ সাফল্য (Achievements)ঃ**

১) সংযোগৰ সম্প্ৰসাৰণ ঃ আৰম্ভণিৰ পৰাই ৪৮০টাতকৈও অধিক পথ সংযোগ কৰা হৈছে আৰু ৭৪টা বিমানবন্দৰ কাৰ্যকৰী কৰা হৈছে (যেনে— উত্তৰ-পূৰ্বাঞ্চল, জম্মু-কাশ্মীৰ আৰু আন্দামান)।

২) আঞ্চলিক অৰ্থনীতিৰ উত্থান ঃ ডিব্ৰুগড়, লিলাবাৰী, হুবলী আৰু বেলাগাভিৰ দৰে চহৰসমূহত বাণিজ্য আৰু বিনিয়োগ বৃদ্ধি পাইছে।

৩) ঘৰুৱা বিমান কোম্পানীৰ বিকাশ ঃ স্পাইচজেট, ইণ্ডিগো আৰু এলায়েন্স এয়াৰৰ দৰে কোম্পানীসমূহ এই আঁচনিৰ দ্বাৰা লাভান্বিত হৈছে।

**সাফল্যৰ পাছতো উড়ান (UDAN) আঁচনিয়ে কিছুমান প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে ঃ**

- আগতে ৰাজসাহায্যৰ সময়সীমা ৩ বছৰত সীমাবদ্ধ আছিল ইয়াৰ ফলত বিমান কোম্পানীসমূহক অতি কম সময়ৰ ভিতৰত আৰ্থিকভাৱে স্বাৱলম্বী হ'বলৈ বাধ্য কৰা হৈছিল।
- নিয়ন্ত্ৰক আৰু মহালেখাপৰীক্ষক (CAG)ৰ প্ৰতিবেদন অনুসৰি, ৰাজসাহায্যৰ পিছত মাত্ৰ ৭-১০ শতাংশ বিমান পথহে বাণিজ্যিকভাৱে লাভজনক হৈ টিকি আছিল।
- বহুতো 'উড়ান' বিমান সেৱা বন্ধ হৈ গৈছে— আঁচনিৰ অধীনত ৬৬৩টা পথ মুকলি কৰা হৈছিল যদিও বৰ্তমান মাত্ৰ ৩২৭টা পথহে কাৰ্যকৰী হৈ আছে।

আঁচনিখনৰ গুৰুত্ব বিবেচনা কৰি, চৰকাৰে শেহতীয়াকৈ সংশোধিত উড়ান আঁচনি (Modified UDAN Scheme) প্ৰৱৰ্তন কৰিছে। এই আঁচনিখন ২০২৬-২৭ বিত্তীয় বৰ্ষৰ পৰা ২০৩৫-৩৬ বিত্তীয় বৰ্ষলৈ অনুমোদন জনোৱা হৈছে, যাৰ বাবে মুঠ ২৮,৮৪০ কোটি টকা আবণ্টন দিয়া হৈছে।



SPM GROUP
SPM IAS ACADEMY ▪ SPM & LALAN'S ▪ MAJESTIC ACADEMY

# সাম্প্ৰতিক ঘটনাৱলী

## টেলি-মানস

- ২০২৩ চনত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলক সামৰি ১৪৪১৬ নম্বৰৰ এটা বিনামূলীয়া (toll-free) মানসিক স্বাস্থ্য হেল্পলাইন সেৱা মুকলি কৰিছিল। ইয়াৰ লক্ষ্য হৈছে মানসিক স্বাস্থ্যসেৱাৰ সুবিধা লাভৰ ক্ষেত্ৰত থকা ব্যৱধান দূৰ কৰা।
- ই ভাৰতৰ ৰাষ্ট্ৰীয় টেলি মানসিক স্বাস্থ্য কাৰ্যসূচীৰ (National Tele Mental Health Programme) এটা অংশ আৰু ই মানসিক স্বাস্থ্য সম্পৰ্কীয় তথ্যৰ এক বিস্তৃত ভাণ্ডাৰ প্ৰদান কৰে।

## ৰাষ্ট্ৰীয় টেলি মানসিক স্বাস্থ্য কাৰ্যসূচী

- দেশত মানসম্পন্ন মানসিক স্বাস্থ্য পৰামৰ্শ আৰু যত্ন সেৱাৰ সুলভতা উন্নত কৰাৰ লক্ষ্যৰে ২০২২ চনৰ অক্টোবৰ মাহত NTMHP মুকলি কৰা হৈছিল।
- বাংগালুৰুৰ নেচনেল ইনষ্টিটিউট অব মেণ্টেল হেল্থ এণ্ড নিউৰ'ছায়েন্সেছ (NIMHANS) হ'ল ইয়াৰ ৰাষ্ট্ৰীয় শীৰ্ষ কেন্দ্ৰ (National Apex Centre), যিয়ে সমগ্ৰ ভাৰতজুৰি টেলি-মানসৰ কাৰ্যাৱলীৰ সমন্বয় সাধন কৰে।




## গ্ৰেট ইণ্ডিয়ান বাষ্টাৰ্ড



**(Great Indian Bustard - GIB)**

- GIB হ'ল IUCN-ৰ ৰঙা তালিকাত (Red List) বিপন্ন (Critically Endangered) হিচাপে চিহ্নিত এটা প্ৰজাতি। বৰ্তমান বন্য পৰিৱেশত মাত্ৰ ১৫০ টাতকৈও কম এনে চৰাই জীয়াই আছে।
- উৰিব পৰা চৰাইবোৰৰ ভিতৰত এই চৰাইটো অন্যতম আটাইতকৈ গধুৰ চৰাই।
- ইহঁতৰ জনসংখ্যা মূলতঃ ৰাজস্থান আৰু গুজৰাটতে সীমাবদ্ধ।
- মহাৰাষ্ট্ৰ, কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশতো ইয়াৰ অতি কম সংখ্যাত উপস্থিতি দেখা পোৱা যায়।
- এই চৰাইটো ৰাজস্থানৰ ৰাজ্যিক চৰাই।
- বাষ্টাৰ্ড চৰাইবোৰে সাধাৰণতে কোনোধৰণৰ দৃশ্যমান বাধা আৰু বিচলিত নোহোৱা সমতল মুকলি ঠাই পছন্দ কৰে, সেয়েহে ইহঁত ঘাঁহনি অঞ্চলৰ (grasslands) সৈতে ভালদৰে খাপ খাই পৰে।
- ইয়াক ভাৰতীয় বন্যপ্ৰাণী (সুৰক্ষা) আইন, ১৯৭২-ৰ অনুসূচী-১ (Schedule I)-ত অন্তৰ্ভুক্ত কৰা হৈছে।
- ৰাজস্থানত ইয়াক সাধাৰণতে 'গোডাউৱান' (Godawan) আৰু গুজৰাটত 'ঘোৰাড' (Ghorad) বুলি জনা যায়।
- এই চৰাইবোৰ হ'ল সুযোগসন্ধানী ভক্ষক (opportunistic eaters)।
- ঋতুভেদে উপলব্ধ খাদ্যৰ ওপৰত নিৰ্ভৰ কৰি ইহঁতৰ আহাৰৰ তালিকা ভিন্ন হয়।

## SVEEP

- SVEEP (Systematic Voters' Education and Electoral Participation) হ'ল ভাৰতীয় নিৰ্বাচন আয়োগৰ ভোটদান সজাগতা বৃদ্ধিৰ এক কাৰ্যসূচী।
- ই ২০০৯ চনত আৰম্ভ কৰা হৈছিল।
- লক্ষ্য ঃ ভোটাৰৰ সজাগতা বৃদ্ধি কৰা, ভোটাৰ তালিকাত নাম পঞ্জীয়ন কৰা আৰু ভোটদানৰ হাৰ বৃদ্ধি কৰা।

**মূল বৈশিষ্ট্যসমূহ (Key Features) ঃ**

- ব্যাপক সজাগতা অভিযান (টিভি, ৰেডিঅ', ছ'চিয়েল মিডিয়াৰ জৰিয়তে)।
- কেম্পাছ এম্বেছাডৰ কাৰ্যসূচী (মহাবিদ্যালয়সমূহত)।
- বিশেষ মেছকট (Mascots) ব্যৱহাৰ কৰা।

**বৰ্তমানৰ বাতৰি ঃ**

- কামৰূপ জিলা প্ৰশাসনে SVEEP-ৰ অংশ হিচাপে ভোটাৰৰ সজাগতা আৰু অংশগ্ৰহণ বৃদ্ধিৰ উদ্দেশ্যে 'কামৰূপীয়া' (Kamrupiya) নামৰ এটা নিৰ্বাচনী মেছকট মুকলি কৰিছে।




## আৰ্থ আৱাৰ



- ই এক বিশ্বব্যাপী পৰিৱেশ অভিযান, য'ত জলবায়ু পৰিৱৰ্তন আৰু শক্তি সংৰক্ষণৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ মানুহে এঘণ্টাৰ বাবে অপ্ৰয়োজনীয় বিজুলী চাকিবোৰ (non-essential lights) বন্ধ কৰি দিয়ে।
- ইয়াৰ আয়োজন কৰে ৱ'ৰ্ল্ড ৱাইড ফাণ্ড ফৰ নেচাৰ (WWF)-এ।
- ইয়াৰ আৰম্ভণি হৈছিল ২০০৭ চনত অষ্ট্ৰেলিয়াৰ ছিডনীত।
- ই এক প্ৰতীকী পদক্ষেপ, ইয়াৰ মূল লক্ষ্য প্ৰকৃত শক্তি সঞ্চয় কৰাতকৈ সজাগতা আৰু আচৰণৰ পৰিৱৰ্তনৰ ওপৰতহে বেছি।

**ই কেতিয়া পালন কৰা হয়?**

- প্ৰতি বছৰে মাৰ্চ মাহৰ শেষ শনিবাৰে।
- স্থানীয় সময় অনুসৰি ৰাতি ৮.৩০ বজাৰ পৰা ৯.৩০ বজালৈ।

## সম্ভাব্য প্ৰশ্ন

**প্ৰশ্ন ঃ** তলৰ বিবৃতিসমূহ বিবেচনা কৰক ঃ

১) গ্ৰেট ইণ্ডিয়ান বাষ্টাৰ্ড হ'ল IUCN-ৰ ৰঙা তালিকাত (Red List) বিপন্ন (Critically Endangered) হিচাপে চিহ্নিত এটা প্ৰজাতি।

২) ই ৰাজস্থানৰ ৰাজ্যিক চৰাই।

ওপৰৰ কোনটো/কোনবোৰ বিবৃতি শুদ্ধ?

ক) কেৱল ১
খ) কেৱল ২
গ) ১ আৰু ২ দুয়োটা
ঘ) ১ বা ২ এটাও নহয়

**উত্তৰ ঃ গ**

**প্ৰশ্ন ঃ** তলৰ বিবৃতিসমূহ বিবেচনা কৰক ঃ

১) SVEEP (Systematic Voters' Education and Electoral Participation) হ'ল ভাৰতীয় নিৰ্বাচন আয়োগৰ ভোটদান সজাগতা বৃদ্ধিৰ এক কাৰ্যসূচী।

২) ইয়াক ২০০৯ চনত আৰম্ভ কৰা হৈছিল।

ওপৰৰ কোনটো/কোনবোৰ বিবৃতি শুদ্ধ?

ক) কেৱল ১
খ) কেৱল ২
গ) ১ আৰু ২ দুয়োটা
ঘ) ১ বা ২ এটাও নহয়

**উত্তৰ ঃ গ**

**প্ৰশ্ন ঃ** তলৰ বিবৃতিসমূহ বিবেচনা কৰক ঃ

১) আৰ্থ আৱাৰ প্ৰতি বছৰে মাৰ্চ মাহৰ শেষ শনিবাৰে পালন কৰা হয়।

২) স্থানীয় সময় অনুসৰি ৰাতি ৮.৩০ বজাৰ পৰা ৯.৩০ বজালৈ পালে।

ওপৰৰ কোনটো/ কোনবোৰ বিবৃতি শুদ্ধ?

ক) কেৱল ১
খ) কেৱল ২
গ) ১ আৰু ২ দুয়োটা
ঘ) ১ বা ২ এটাও নহয়

**উত্তৰ ঃ গ**

**প্ৰশ্ন ঃ** 'আৰ্থ আৱাৰ' (Earth Hour) তলৰ কোনটো সংস্থাৰ দ্বাৰা আয়োজিত এক পদক্ষেপ?

ক) গ্ৰীনপিচ (Greenpeace)
খ) ৱ'ৰ্ল্ড ৱাইড ফাণ্ড ফৰ নেচাৰ (World Wide Fund for Nature - WWF)
গ) ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচী (United Nations Environment Programme)
ঘ) প্ৰকৃতি সংৰক্ষণৰ বাবে আন্তৰ্জাতিক সংঘ (International Union for Conservation of Nature - IUCN)

**উত্তৰ ঃ খ**